# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Satyandra Narayan Goswami | |
| Title: অসম· সাহিত্য· সভা· পত্ৰিকা | |
| Transliterated Title: Asama Sahaitaya Sabhaā Patrikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat - |
| Year: 1967 (1889) | Edition: |
| Size: 23½ cms - 91 | Genre: magazine |
| Volumes: 25 - Issues. | Condition of the original: good |
| Remarks: [illegible] · 1st vol. published in the year 1927 and has been contin[uing] 'Silver Jubilee' year | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

SATRA BANDHU BOOK BINDER
JORHAT
ASSAM.

# অসম সাহিত্য সভা পত্ৰিকা

॥ পঞ্চবিংশ বছৰ ॥ ● ১৮৮৯ শক ● ॥ ২য়-৩য় সংখ্যা ॥

## সোণালী জয়ন্তী সংখ্যা

ইং ১৯৬৭ চন

সম্পাদক

শ্ৰীসত্যেন্দ্ৰনাৰায়ণ গোস্বামী

## ॥ পত্ৰিকা সম্পাদনা উপ-সমিতি ॥

শ্ৰীনকুলচন্দ্ৰ ভূঞা, সভাপতি
শ্ৰীহৰিপ্ৰসাদ নেওগ
ডক্টৰ মহেশ্বৰ নেওগ
শ্ৰীযোগেশ দাস
শ্ৰীহেমন্ত কুমাৰ শৰ্মা
শ্ৰীনিৰ্মলপ্ৰভা বৰদলৈ
শ্ৰীসত্যেন্দ্ৰনাৰায়ণ গোস্বামী, পত্ৰিকা সম্পাদক।

## ॥ পত্ৰিকাৰ নিয়মাৱলী ॥

১। অসম সাহিত্য সভা পত্ৰিকা বছৰেকত চাৰিখন ওলাব। সাধাৰণতে সকলো গ্ৰাহকে প্ৰথম সংখ্যাৰ পৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছৰেকীয়া বৰঙণি ৫·০০ আগধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ডেৰ টকা। সাহিত্য সভাৰ সভ্যৰ কাৰণে বছৰেকীয়া বৰঙণি ৪·০০।

৩। সাহিত্য সভা পত্ৰিকাত প্ৰকাশৰ বাবে পঠোৱা প্ৰবন্ধ আদি কাগজৰ এপিঠিত ফটফটীয়াকৈ লেখি "শ্ৰীসত্যেন্দ্ৰনাৰায়ণ গোস্বামী, (সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা) অধ্যাপক, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়" এই ঠিকনাত পঠায় যেন। সকলো টকাকড়ি আৰু কাকত সম্পৰ্কে চিঠি "সহকাৰী সম্পাদক, অসম সাহিত্য সভা, যোৰহাট"—এই ঠিকনাত পঠাব।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিব পৰা নহব।

৫। সাহিত্য-সংস্কৃতি বিষয়ক মৌলিক আলোচনা আৰু গৱেষণামূলক প্ৰবন্ধ আদিয়েহে থাইকৈ ইয়াত ঠাই পাব।

# অসম সাহিত্য সভা পত্ৰিকা

॥ পঞ্চবিংশ বছৰ ॥ ● ১৮৮৯ শক ● ॥ ২য়-৩য় সংখ্যা ॥

## সোণালী জয়ন্তী সংখ্যা

২৩৫১ (অ)
২/৩/2001

অসম সাহিত্য সভা

ইং ১৯৬৭ চন

সম্পাদক
শ্ৰীসত্যেন্দ্ৰনাৰায়ণ গোস্বামী

## ॥ অসম সাহিত্য সভাৰ প্ৰকাশন ॥

অসম সাহিত্য সভাৰ ন-পুৰণি সকলো ধৰণৰ প্ৰকাশন সমূহ খুচুৰা আৰু পাইকাৰী হাৰত বিক্ৰী কৰাৰ ব্যৱস্থা আছে।

★ সৰহীয়াকৈ নিওঁতাৰ বাবে কমিছনৰ ব্যৱস্থা আছে।

★ এজেন্সিৰ নিয়মাৱলীৰ বাবে তলৰ ঠিকনালৈ লিখক।

**গুৱাহাটী কাৰ্য্যালয়, অসম সাহিত্য সভা**
**ভগৱতীপ্ৰসাদ বৰুৱা ভৱন**
**গুৱাহাটী—১** [ ফোন : ৪৭৭৬ ]

**কেন্দ্ৰীয় কাৰ্য্যালয়, অসম সাহিত্য সভা**
**চন্দ্ৰকান্ত সন্দিকৈ ভৱন**
**যোৰহাট—১** [ ফোন : ৩৭৬ ]


৫৬৪২(সা) ★

## ॥ পুথি-পৰিচয় ॥

অসম সাহিত্য সভা পত্ৰিকাত অসমীয়া সাহিত্যিকৰ প্ৰকাশিত ন-পুথিৰ সমালোচনা প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। বিশিষ্ট ব্যক্তিৰ দ্বাৰা এই পুথিৰ সমালোচনা যুগুত কৰা হ'ব। সেইবাবে লিখক আৰু প্ৰকাশক সকলক তেখেতসকলৰ প্ৰকাশিত পুথিৰ প্ৰতিখনৰ দুখনকৈ তলৰ ঠিকনাত পঠাবলৈ অনুৰোধ জনোৱা হ'ল।

**সত্যেন্দ্ৰনাৰায়ণ গোস্বামী**
**অসম সাহিত্য সভা পত্ৰিকা সম্পাদক**
**অধ্যাপক, ডিব্ৰুগড় বিশ্ববিদ্যালয়**
**ডিব্ৰুগড়।**

# সূচীপত্ৰ


| | | |
|---|---|---|
| অসম সাহিত্য সভাৰ পঞ্চাছ বছৰ | ॥ ৫৮ ॥ | অধ্যক্ষ হৰিপ্ৰসাদ নেওগ, এম-এ |
| উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ এখনি চিঠি | ॥ ১৩ ॥ | |
| গৃহস্থালী | ॥ ৩ ॥ | কবি চন্দ্ৰকুমাৰ আগৰৱালা |
| চন্দ্ৰকুমাৰ আগৰৱালাৰ সাহিত্য প্ৰতিভা | ॥ ৪৪ ॥ | শ্ৰীৰমানন্দ বৰ্মণ |
| প্ৰতিমাৰ বণিকৰ | ॥ ১ ॥ | ধ্বনি কবি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা |
| প্ৰাচীন সঙ্গীত শাস্ত্ৰত শ্ৰুতিৰ আলোচনা | ॥ ৩৩ ॥ | শ্ৰীগোলোকচন্দ্ৰ খাউণ্ড |
| 'বীণ বৰাগী'ত দৰ্শনৰ সুৰ | ॥ ৩৯ ॥ | ডঃ নীলিমা শৰ্মা, এম-এ, পি-এইচ-ডি |
| বেদ আৰু তাৰ শাখাসমূহ | ॥ ১৭ ॥ | ডঃ যোগীৰাজ বসু, এম-এ, পি-এইচ-ডি |
| বাভাৰ ঝাকুৰা গীত | ॥ ২৫ ॥ | শ্ৰীসমৰ সিং ৰাভা |
| শ্ৰীধৰ কন্দলিৰ কাণখোৱা | ॥ ২৯ ॥ | শ্ৰীসূৰ্য্যকুমাৰ মজুমদাৰ, বি-এ |
| সম্পাদকৰ দু-আষাৰ | ॥ ৯০ ॥ | |
| ভাৰততত্ত্ব চৰ্চাত ইউৰোপীয়সকলৰ পৃষ্ঠপোষকতা | ॥ ৬১ ॥ | ডঃ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, এম-এ, ডি-ফিল |
| সাহিত্য সভাৰ বাতৰি | ॥ ৭১ ॥ | |
| স্বৰ্গীয় ৰজনীকান্ত বৰদলৈ | ॥ ৬ ॥ | শ্ৰীদেৱকান্ত বৰদলৈ |

## ঃঃ বেজবৰুৱা জন্ম-শতবাৰ্ষিকী ঃঃ

যুগনায়ক ৰসৰাজ ৺লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকী বিশেষ আড়ম্বৰ আৰু গাম্ভীৰ্য্যপূৰ্ণভাৱে পালন কৰিবলৈ এতিয়াৰে পৰা অসমৰ সকলো ৰাইজ বিশেষ তৎপৰ হওক। অসম সাহিত্য সভাই এই উৎসৱ বোৱতী ইংৰাজী বছৰৰ লক্ষ্মীপূৰ্ণিমাত বিশেষভাৱে পালন কৰিবলৈ দীঘলীয়া কাৰ্য্যসূচী প্ৰস্তুত কৰিছে আৰু ডিব্ৰুগড়ত বিশেষভাৱে এই উৎসৱ পালন কৰিবলৈ এটা শক্তিশালী সমিতিও গঠন কৰা হৈছে। এই উপলক্ষে বেজবৰুৱাৰ সমগ্ৰ ৰচনাৰাজি আৰু বেজবৰুৱা সম্পৰ্কীয় অন্যান্য কিতাপ প্ৰকাশৰ ব্যৱস্থা হাতত লোৱা হৈছে। অসমৰ সকলো সাহিত্যিক, সাহিত্য, অনা-সাহিত্য সকলো অনুষ্ঠান, প্ৰকাশক, চৰকাৰ সকলোৱে মিলিত প্ৰচেষ্টাৰে এই উৎসৱ সাফল্যমণ্ডিত কৰি তুলিবলৈ সভাৰ প্ৰধান সম্পাদকে আহ্বান জনাইছে। সাহিত্য সভাই প্ৰস্তুত কৰা এই পবিত্ৰ উৎসৱৰ কাৰ্য্যসূচী সোনকালে ঘোষণা কৰা হব।

★

## ॥ গ্ৰন্থ সূচী ॥

ইংৰাজী ১৯৬৬-৬৭ চনৰ ভিতৰত প্ৰকাশিত অসমীয়া গ্ৰন্থ সমূহৰ তালিকা "অসম সাহিত্য সভা পত্ৰিকা"ৰ ২৫শ বছৰ চতুৰ্থ সংখ্যাত প্ৰকাশ কৰিবলৈ লোৱা হৈছে। সেইবাবে লিখক আৰু প্ৰকাশক সকলক তেওঁলোকৰ প্ৰকাশিত পুথিৰ নাম, দাম, বিষয়বস্তুৰ এটা আভাস তলৰ ঠিকনাত পঠাবলৈ অনুৰোধ কৰা হ'ল:

সত্যেন্দ্ৰনাৰায়ণ গোস্বামী
অসম সাহিত্য সভা পত্ৰিকা সম্পাদক
অধ্যাপক, ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড়।

জন্ম শতবাৰ্ষিকীত
শ্ৰদ্ধাঞ্জলি



"প্ৰতিমা"ৰ খনিকৰ ৺চন্দ্ৰকুমাৰ আগৰৱালা
জন্ম : ২৮ নবেম্বৰ, ১৮৬৭ মৃত্যু : ২ মাৰ্চ, ১৯৩৮

"মানুহেই দেৱ, মানুহেই সেৱ, মানুহ বিনে নাই কেৱ,
কৰা কৰা পূজা পাদ্য-অৰ্ঘ্য লই জয় জয় মানৱ দেৱ।"

# প্ৰতিমাৰ খনিকৰ

বিনন্দ চন্দ্ৰ বৰুৱা

এতিয়াৰ পৰা এশ বছৰৰ আগত অসমীয়া সাহিত্যৰ 'জোনাকী যুগত' পোহৰ বিলাবলৈ অলপ অগাপিছাকৈ, যিসকল পুৰুষে অসম মাতৃৰ কোলা শুৱনি কৰিবলৈ পাইছিল সেই সকলৰে অন্যতম ৰত্ন 'প্ৰতিমা'ৰ খনিকৰ ৺চন্দ্ৰকুমাৰ আগৰৱালা। বেজবৰুৱাই কোৱাৰ দৰে সোঁ-হাতৰ তলুৱাত এচিৰা ধান লৈ অহা তেখেতৰ পূৰ্ব্ব-পুৰুষ সকলৰ পৰাও জিপনি পাই অহা, অসমীয়া ভাষা-সাহিত্যই জোনাকী যুগত চন্দ্ৰকুমাৰৰ পৰা পোৱা বিমল পোহৰত আৰু উজ্জ্বল হৈ উঠিছিল। সেই উজ্জ্বল পোহৰ, স্নিগ্ধ-মনোহৰ আৰু শান্তিদায়ক। 'প্ৰতিমা'ৰ খনিকৰ চন্দ্ৰকুমাৰ অসমীয়া সাহিত্য-প্ৰতিমাৰো অন্যতম খনিকৰ। নিপুণ খনিকৰে যেনেকৈ প্ৰতিমাৰ মুখত তেওঁৰ লিখনিৰে দুই-এটি বিন্দু দি দুই-এটি আঁচ মাৰি প্ৰতিমাৰ অন্তৰৰ ভাৱ পৰ্য্যন্ত প্ৰকাশ কৰি দিব পাৰে, সেইদৰে জোনাকী যুগৰ অসমীয়া সাহিত্যৰ ভিতৰত থকা, ভাৱৰাশি চন্দ্ৰকুমাৰে লিখনিৰ দ্বাৰা প্ৰকাশ কৰি দিছিল। এইদৰে সমসাময়িক সকলো লিখকৰ লগত ৰজিতা খুৱাই দেশ-কাল-পাত্ৰৰ লগত খাপ খুৱাই, অসমীয়া সাহিত্যক পৃথিবীৰ অন্যান্য সাহিত্যৰ লগলৈ আগবঢ়াই আনিছিল। মধুৰ ভাৱৰ মধুৰ লালিত্যপূৰ্ণ ছন্দ, শুৱলা সৰবৰহী ভাষা আৰু দাৰ্শনিক ভাবৰ ৰসেৰে ভৰপূৰ চন্দ্ৰকুমাৰৰ কবিতা, জোনাকী যুগৰ অসমীয়া সাহিত্যৰ মূল্যবান পৰিপূৰক সম্বল। সেই যুগৰ সাহিত্যৰ কবিতা বিষয়টোত চন্দ্ৰকুমাৰেই নেতৃত্ব দিছিল বুলি নিসন্দেহে কব পাৰি। তেখেতে বহুত পুথি ৰচনা কৰা নাই আৰু বহুত প্ৰবন্ধও লিখা নাই, বহুত সভা-সমিতিত বক্তৃতাও দিয়া নাই কিন্তু তাকৰীয়াকৈও যি কৰিলে আৰু যি লিখিলে সেয়েই অসমীয়া সাহিত্যৰ যুগমীয়া সম্পদৰূপে ৰৈ গল।

ব্যৱসায়বুদ্ধি আৰু দাৰ্শনিক ভাব, এই দুটা বিপৰীতমুখী বিষয়ত পৈণত লোক হিচাপে চন্দ্ৰকুমাৰ অদ্বিতীয়। ব্যৱসায়ত তেখেতক সাধা-

ৰণত্তে চেৰ পেলোৱা লোক আৰু দাৰ্শনিক ভাৱত পিছ পেলাই যোৱা লোক সেই সময়ত অসমত বিৰল। চন্দ্ৰকুমাৰ আগৰৱালাৰ লিখিত সাহিত্য চৰ্চ্চাতকৈ অলিখিত সাহিত্য চৰ্চ্চাই সেইসময়ৰ অসমীয়া সাহিত্যৰ সম্পদ বঢ়োৱাত যথেষ্ট সহায় কৰিলে। গুৱাহাটীত ছপাশাল পাতি, বাতৰি কাকত, আলোচনী প্ৰকাশ কৰি, উঠি অহা ডেকা-সাহিত্যিক সকলৰ সাহিত্য প্ৰকাশত যোগান ধৰি তেখেতে অসমীয়া সাহিত্যক নতুন যুগৰ নতুন ঠাঁচত বহুদূৰ আগবঢ়াই দিলে।

তেখেত গহীন-গম্ভীৰ, ধীৰ-স্থিৰ বিধৰ ব্যৱসায়ী আৰু সাহিত্যিক কবি। এই দুটা গুণেই সেই সময়ৰ সাহিত্যিক সকলক আৱশ্যক হৈছিল আৰু সেই দুয়োটা গুণেই তেখেতৰ আছিল। প্ৰতিভাই প্ৰতিভাক আকৰ্ষণ কৰি নিব পৰা গুণৰ দ্বাৰাই তেখেতে সেই সময়ৰ উঠি অহা প্ৰতিভাশালী ডেকাসকলক চপাই লব পাৰিছিল। তেখেতৰ পৰা সহায়-সহানুভূতি ভালে-খিনিয়ে পাইছিল। সহজে তেখেতৰ সান্নিধ্য লাভ কৰা অলপ টান আছিল। অৱশ্যে তেখেতৰ ফালৰপৰা নহয়। যিসকলে তেখেতৰ সান্নিধ্য লাভ কৰিবলৈ বিচাৰিছিল তেওঁবিলাকে ধীৰ-স্থিৰ আৰু সজ গুণেৰে হৈতে আগবাঢ়িব পাৰিছিল। নিজৰ গুণেৰে তেখেতৰ অন্তৰত সোমাই লব পাৰিলে তেখেতৰ মৰমৰ পাত্ৰ হোৱা টান নাছিল। এনেজনে আগৰৱালা দেৱৰ, যতদূৰসম্ভৱ সহায়-সহানুভূতিৰ পৰা বঞ্চিত নহৈছিল। কবি সাহিত্যিক ৺ডিম্বেশ্বৰ নেওগ দেৱৰ পৰা আমি তেখেতৰ বিষয় বিশেষৰূপে জানিবলৈ পাইছিলো। নেওঁগ দেৱে নিজৰ গুণেৰে তেখেতৰ অন্তৰত সোমাব পাৰিছিল। আগৰৱালা দেৱৰ জন্ম-শতবাৰ্ষিকীত, তেখেতৰ পৰিত্ৰাত্মাৰ উদ্দেশ্যে শ্ৰদ্ধাঞ্জলি জনাবলৈ পোৱাটো আমাৰ সৌভাগ্য। আমাক আৰু আমাৰ উঠি অহা দেশৰ ভৱিষ্যত উত্তৰাধিকাৰী সকলক তেখেতৰ আদৰ্শত আগবাঢ়ি যাবলৈ শতবাৰ্ষিকী উৎসৱে যেন প্ৰেৰণা যোগায়।



# গৃহস্থালী

**চন্দ্ৰকুমাৰ আগৰৱালা**

"প্ৰতিমা"ৰ ধনিকৰ চন্দ্ৰকুমাৰৰ জন্ম-শতবাৰ্ষিকী উৎসৱ উপলক্ষে এই প্ৰবন্ধটো প্ৰথম বছৰ, ৯ম সংখ্যা "বাঁহী"ৰ পৰা পুনৰ্মুদ্ৰিত কৰা হল। ডেকা আইনজীৱী শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বেজবৰুৱাৰ পৰা এই প্ৰবন্ধটি পোৱা হৈছে।

সৰহীয়া মানুহৰ সমাগমত দিহা-পোহা ধৰ লাগতীয়াল। তুমি অকলে থাকিলে যি ইচ্ছা কৰিব পাৰা; কিন্তু মানুহৰ হৈতে থাকিবৰ হলে দিহামতে চলিব লাগিব। ঘৰ-গৃহস্থালী পাতি সংসাৰ চলাব খুজিলে "দিহা" পূৰ্ণমাত্ৰাই আৱশ্যক। দিহা নহলে ঘৰ ভাগিব। সকলোৰে প্ৰকৃতি চাই, শক্তি বুজি, সকলোৰে মঙ্গল সাধনেই হৈছে গৃহস্থালীৰ উদ্দেশ্য। সকৰপৰা ডাঙৰলৈকে সকলোৰে সামঞ্জস্য বিধান হলেই ঘৰ প্ৰকৃতিৰ নিয়মমতে চলিব। সকলোৰে স্বাধীনতা বিকাশৰ নিমিত্তেই তো নিয়মৰ বান্ধ পিন্ধিব লাগিব। স্বাধীনতা নেথাকিলেও স্ফূৰ্ত্তিৰ আবিৰ্ভাব নহয়। জীৱন যুঁজৰ "আথৰা" ঘৰত এটি সৰু ৰাজ্য চলিছে।

ঘৰৰ অধিকাৰজন আমাৰ দেশত দেৱতা বুলি খ্যাত। তেওঁ প্ৰকৃততে দেৱতা হবৰ চেষ্টা কৰিব লাগে। এইটো অসম্ভৱ কথা নহয়, সকলোৱে চেষ্টা কৰিলে দেৱতা হব পাৰে। সক গৃহস্থালী এখনৰ দেৱতাস্বৰূপ হবলৈকো চেষ্টাৰ প্ৰয়োজন। কিন্তু আমাৰ কেইজনৰ সেই চেষ্টা আছে? সেই দেখিয়েই আমাৰ গৃহস্থালী বেমে-জালিত পৰিছে। তলতীয়াৰ কথাত "গৰাকী" জন বিৰক্ত হয় দেখি সিহঁত প্ৰায়ে পিছত উচিত কথাতো নিমাত হয়গৈ; তেওঁৰ আগত কোনো

কথা ভাঙি কবলৈ সিহঁতৰ সাহ নাইকিয়া হয়, আৰু লাহে লাহে সেয়ে অভ্যাস হৈ পৰেগৈ। ভয়ৰ সমান পাপ নাই। ভয়ে মন ভাঙে, গা জুৰুলা কৰে, বেছিভাগ দুখৰ কাৰণ।

প্ৰশ্ৰয় দিয়া হব বুলিয়েই নে প্ৰয়োজন নাই বুলিয়েই, ভাঙি কোনো কথা তলতীয়াৰ আগত বা ঘৰৰ কাকো নকলে মনৰ অনেক কথা বিফল হয়। ঘৰৰ সকলোকে অযোগ্য বুলি ভাবি নিৰস্ত থাকিলেও সংসাৰ নচলে। অযোগ্যক যোগ্য কৰাও গৃহস্থালীৰ প্ৰয়োজন। সংসাৰত প্ৰতিভাশালী মানুহৰ সংখ্যা নিচেই তাকৰ। নিজকে Genius উৎকৃষ্ট বুদ্ধিসম্পন্ন মানুহ বুলি ভবা ৰোগ এটাই আজিকালি দেখা দিছেহি। কিন্তু সাধাৰণ বুদ্ধিৰ ( average intelect ) মানুহে-ৰেই সমাজ গঠিত আৰু সেইবিলাকক লৈয়েই চলিব লাগিব। যি মানুহৰ ভিতৰত ঈশ্বৰে পেলাই দিছেহি তাৰ ভিতৰতে কৰ্ত্তব্য আছে বুলিও তেওঁ দেখুৱাই দিছে। আটাইকে অযোগ্য বুলি ভাবিলে ঘৰ নচলে। অতি ওচৰ সম্পৰ্কৰ মানুহক অযোগ্য বুলি উপেক্ষা কৰা যেনে, এই পৃথিবীখন ধূলি-মাটিৰ হ'ল বুলি বৃথা ঘৃণা কৰাও তেনে। এই পৃথিবীৰ ওপৰতে থিয় হৈ সকলো কাৰ্য্য কৰিব লাগিব আৰু এই মানুহৰ লগতে মিলি-জুলি জীৱনৰ দিনকেইটা নিয়াব লাগিব। ঈশ্বৰৰ ৰাজ্যত গুৰিপৰুৱা এটাও অবাবত সৃষ্ট হোৱা নাই। তেওঁৰ ওচৰত সিও সৰু নহয়, তাৰো কাম আছে; তাক বাধা নিদিবা। সংসাৰত অৱশ্যে কাৰ্য্যৰ ভাগ আছে; এটা কাৰ্য্যত এজন অনুপযুক্ত হলে আন কামত তেওঁৰ গুণ খাটিব পাৰে। পাপীৰো পৰিত্ৰাণৰ উপায় আছে। নেপোলিয়ন বোনাপাৰ্টে চোৰ আৰু ডকাইতেৰেই জগৎবিজয়ী সেনা প্ৰস্তুত কৰি লৈছিল। অযোগ্যকো যোগ্য কৰি লোৱাই শিক্ষাৰ উদ্দেশ্য। যি শিক্ষাই এই কথা কাৰ্য্যত পৰিণত কৰিব নোৱাৰে সেই শিক্ষা প্ৰকৃত নহয়। মানুহক মানুহ বুলি ব্যৱহাৰ কৰিলেহে মনুষ্যত্বৰ উচিত স্ফূৰ্ত্তি প্ৰকাশ পায়; সদায় তুচ্ছ বুলি অৱহেলা কৰিলে মনুষ্যত্ব জঁয় পৰি যায়, যোগ্যও লাহে লাহে অযোগ্য হয়গৈ, তেওঁৰ আত্ম-সম্মানৰ অভাৱ হয় আৰু কাৰ্য্যত বিৰাগ জন্মে। তুচ্ছকো তুচ্ছ বুবুলি থাকিলে জানো কিবা হানি আছে? কণাক কণা বুলি বিদ্ৰূপ কৰিলেতো কাৰো উপকাৰ নাই। কণাৰ দ্বাৰাই যি কাম হব পাৰে তাক আদায় কৰি লোৱাহে প্ৰকৃষ্ট নীতি। সহানুভূতি পালেহে মানুহ বাঢ়িব পাৰে। যি মানুহ দুৰ্ব্বল অসম্পূৰ্ণ; তেওঁ পদে পদে ভুল কৰে। দুৰ্ব্বলতাৰ নিমিত্তে গালি পৰাতকৈ সবল হোৱাৰ উপায় দিয়াটো উপকাৰজনক। এবাৰ ভুল হলে আগলৈ যেন তেনে নহয় তাৰ দিহাহে দিব লাগে। কেৱল দোষকে ধৰি থাকিলে মানুহৰ কাৰ্য্যশক্তিৰ বিকাশ হব নোৱাৰে। উৎসাহ দিয়াহে পৰম উপকাৰীৰ কাৰ্য্য। যাৰ দ্বাৰাই যি কাম হব নোৱাৰে তাৰে উল্লেখ কমকৈ কৰি যি কাম সেইজনৰ দ্বাৰাই হব পাৰে তালৈ বিশেষ চেষ্টা কৰিলেহে ভাল। সকলোৰে কাৰ্য্য-প্ৰণালীত স্ফূৰ্ত্তি হবলৈ দিব লাগে। বেয়া-ভাল সকলো কাৰ্য্য-প্ৰণালী চাই লৈ নিজে এটা প্ৰণালী অস্থিগত কৰি লোৱাই কাৰ্য্যশিক্ষা।



লৰাই পৰি-ধৰিহে থিয় হবলৈ শিকে। ভুল বিপদত পৰি উঠি যি বাট দেখে তাৰ শিক্ষা সম্পূৰ্ণ হয়। সকলো মানুহৰ যেনেকৈ মুখৰ গঢ় নিমিলে, মনৰ গঢ়ো সকলোৰে একে নহয়। সেইদৰেই মানুহৰ কাৰ্য্যপ্ৰণালীও বেলেগ বেলেগ। পৰৰ প্ৰণালীৰে কাম কৰিবলৈ গলে সেই কামটোৰেই পৰৰ বুলি তাত ( Interest ) অনুৰাগ নজন্মে। এজনৰ প্ৰণালীৰে আন এজনে কেতিয়াও উন্নতি কৰিব নোৱাৰে, কাৰণ তেনে স্থলত পৰৰ মন বুজিবৰ চেষ্টাইহে ঘাই উদ্দেশ্য হৈ পৰিব, প্ৰকৃত কাৰ্য্যশিক্ষাৰ অৱসৰ নোলাব। সেয়েহে কাৰ্য্যশিক্ষাত কেৱল ( Discipline ) শাসন বিধান ৰক্ষাই ঘাই উপায়। Temper চিত্ত ব্যৱস্থিত কৰি ঠিক ৰাখিলেহে Discipline শাসনবিধান ৰাখিব পাৰে। মনৰ প্ৰকৃতি সদায় বিৰক্তি-প্ৰকাশক হলে সি বিকৃত প্ৰকৃতিৰ লক্ষণ বুলি উপেক্ষিত হয়। শাসনত ক্ৰোধ প্ৰকাশ হলে তলতীয়াৰ শিক্ষাদোষ ঘটিবই। আত্মসংযমৰ দৃষ্টান্ত দেখিলেহে শিক্ষা সম্পূৰ্ণ হয়। যেনে গুটি সিঁচা হয় তেনে ফলহে প্ৰত্যাশা কৰিব লাগে, এয়ে স্বাভাৱিক নিয়ম। যাৰ লৈতে যেনে ব্যৱহাৰ কৰা হয়, সেই মানুহ নীচ হলেও তাৰ পৰা ঠিক তেনে ব্যৱহাৰহে পোৱা যায়। সংসাৰখন দৰ্পণৰ দৰে; যি যেনেকৈ ভাৱে, যেনেকৈ কাৰ্য্য কৰে, সংসাৰেও ঠিক তেনে ভাব আৰু তেনে কাৰ্য্যকে প্ৰতিফলিত কৰি তেওঁক দেখুৱায়; বিশ্বাস বিশ্বাসৰহে ওচৰ চাপে। দূৰ দূৰ কৰি থাকিলে আঁতৰা আঁতৰি বাঢ়ি যায়। প্ৰত্যেক আনৰ সুখ কামনা কৰিলেহে সকলোৰে সুখ হব পাৰে। অসন্তোষত বেৱল অসন্তোষ বাঢ়ে। ব্যক্তিগত উদ্দেশ্যত বাদেও এক পৰিয়ালৰ এটা সাধাৰণ উদ্দেশ্য থাকে। যিবিলাক কথাত ঘৰৰ মানুহেৰ লৈতে অমিল হবৰ সম্ভাৱনা সেই বিলা-কৰ বাহিৰেও যি কাৰ্য্যত প্ৰীতি বাঢ়ে তাকে অৱলম্বন কৰিও থাকিব পাৰি। একে Policy নীতিতে সকলো চলিব পাৰিলেহে এঘৰৰ মঙ্গল হয়। পৰস্পৰৰ ভিতৰত মন বুবুজা হোৱাই প্ৰধান আপদ। ( Misunderstanding ) অন্যায় বুজা বা ওলোটা বুজাটো বিবাদ বিদ্ৰোহৰ সূত্ৰপাত। এক্ষাৰত ভূতে লাই পায় বা ( Sympathy ) সহানুভূতি নহলেই এনে হয়। মানুহৰ প্ৰধান আশ্ৰয় ঘৰ। ঘৰত সহানুভূতি থকাটো উচিত। ঘৰ পৰস্পৰৰ সাহায্যৰ ঠাই। বাহিৰ সংসাৰত দুখ-বেজাৰ পাই আহি ঘৰত জুৰাবলৈ পাব লাগে, মন খুলি কথা কৈ মন লঘু কৰিবলৈ পালেহে স্ফূৰ্ত্তি হয়; তেহে সুখ-দুখৰ তুলাচনী ( Balance ) সমান হৈ মানুহ থিৰ থাকিব পাৰে। বাহিৰত ( Better criticism ) তিতা সমালোচনা বহুত আছে, ঘৰত ( Sweet en-couragement ) মিঠা মাত-উছাহ পাবলৈ মানুহৰ হেঁপাহ; ই স্বাভাৱিক। ঘৰৰ মানুহৰ পৰা ঘৰুৱা মানুহৰ নিন্দাকুৎসা বাহিৰলৈ ওলাব নালাগে। বাহিৰা মানুহৰ আগত ঘৰৰ মানুহৰ বদনাম গালে একো উপকাৰ নাই অপকাৰ হবলৈহে আছে।

# স্বৰ্গীয় ৰজনীকান্ত বৰদলৈ

## [ পিতৃ পৰিচয় ]

দেৱকান্ত বৰদলৈ

সংসাৰৰ একা-বেঁকা বাট আৰু দুখ-কষ্টকে সাৰথি কৰি আমাৰ পিতৃ ৺ৰজনীকান্ত বৰদলৈদেৱে জন্ম গ্ৰহণ কৰিছিল। তেখেতৰ অতি স্নেহৰ বন্ধু ডিম্বেশ্বৰ নেওগলৈ নিজ হাতেৰে লিখা (১) এখন চিঠিৰপৰা এইবিষয়ে ভালেমান কথা জানিবলৈ পাওঁ। তদুপৰি আজৰি সময়ত নানা বিষয়ে আলোচনা কৰোঁতে ৺পিতৃদেৱে নিজৰ অতীত জীৱনৰ কথা আমাৰ আগত কৈছিল। সেই মৌখিক কথাবোৰৰ আলম লৈ আজি অসমীয়া উপন্যাস-সম্ৰাট ৺ৰজনীকান্ত বৰদলৈ দেৱৰ চমু জীৱনী ৰাইজৰ আগত ডাঙি ধৰিবলৈ প্ৰয়াস কৰিলোঁ।

১৮৬৭ চনৰ নৱেম্বৰ মাহৰ ২৪ তাৰিখে গুৱাহাটীৰ কুকুৰমূতা বৰ্ত্তমান হেদায়াৎপুৰ গাওঁত ৺ ৰজনীকান্ত বৰদলৈ দেৱে জন্ম গ্ৰহণ কৰিছিল। উক্ত কুকুৰমূতা বৰ্ত্তমান গুৱাহাটী মহানগৰীৰ ভিতৰৰে এটি প্ৰধান অঙ্গ হৈ পৰিছে।

বৰদলৈ, নাহৰৰ বিজয় থাৰ ধৰৰ দিহিঙীয়া বৰদলৈ বংশৰ আছিল। সন্তৰ উজনিৰ দিহিঙৰ ফালে তেখেতৰ বংশ-পৰিয়ালৰ ঘৰ আছিল; মান-ভাওনিত ভাটীৰ ফালে পলাই যায়। তেখেতৰ ককাদেউতাকৰ নাম ৺ তুৱাৰাম দেৱ শৰ্ম্মা। আজো-ককাদেউতাই ভাটীলৈ পলাই গৈ নদীয়া শান্তিপুৰত সাত-আঠ বছৰমান থাকি সংস্কৃত শাস্ত্ৰত শিক্ষা লাভ কৰিছিল। পিছত অসম দেশ সুস্থিৰ হোৱাত আজো-ককাইদেউতাই নিজৰ জন্মভূমিলৈ আহি বজালিত বাস কৰিছিল। কামৰূপৰ বজালি গাওঁতে আমাৰ ককাদেউতা ৺ নৱকান্ত দেৱৰ জন্ম হৈছিল। বজালিত কেইবছৰমান থকাৰ পিচত ককাদেউতাই তাৰপৰা বৰ্ত্তমান কটন কলেজৰ যি ঠাইত পুৰণি ছাত্ৰাবাস আছে; সেইঠাইতে আছিল। পিছত সেই ঠাইৰপৰা উঠি আহি কুকুৰমূতা গাওঁত বসতি কৰিছিল। সেই কুকুৰমুতাই ৰজনীকান্তৰ পৱিত্ৰ জন্মস্থান।

আমাৰ ককাদেউতা নৱকান্ত বৰদলৈয়ে চৰকাৰী কাৰ্যালয়ত মাহে ১৫৲ টকা দৰমহাত চাকৰি কৰিছিল। পিছত শ্বিলঙত প্ৰথম চিফ্ কমিচনাৰৰ অফিচত পাঁচবছৰ সুখ্যাতিৰে চাকৰি কৰি মাহে ৬০ টকাকৈ দৰমহা পাই অৱসৰ লয়। কিন্তু অৱসৰ লোৱাৰ পিছত ককাদেউতাই ৫৮ বছৰ বয়সত হঠাৎ জহনীৰ কৰাল গ্ৰাসত পৰি মৃত্যু বৰণ কৰে। সেই সময়ত ৰজনীকান্তৰ বয়স আছিল মাত্ৰ আঠ বছৰ। এই বিষয়ে দেউতাই কোৱা কথা এষাৰ আজিও আমাৰ মনত পৰে; "মই সেইদিনা ৰাতি তহঁতৰ ককাদেউতাৰৰ ভৰি-হাত পিহি আছিলোঁ। মৃত্যুৰে যে তেখেতক আমাৰ মাজৰপৰা ইমান সোনকালে আঁতৰাই নিব সেইকথা কল্পনাই কৰিব পৰা নাছিলোঁ। দেউতাক শুশ্ৰূষা কৰি থাকোঁতে মোৰ টোপনি ধৰিছিল। মোক দেউতাই কৈছিল—বাছা, তই দুখৰ দামুৰি, কিমান শুশ্ৰূষা কৰি থাকিবি, শুই থাকগৈ। মোৰ কেতিয়া টোপনি আহিল কব নোৱাৰোঁ। ৰাতিপুৱা উঠি দেখিলোঁ—দেউতাক চোতালত শুৱাই থৈছে। ঘৰৰ সকলোৱে কান্দিছে। মোৰ আয়ে মোক বুকুত সাৱটি লৈ কান্দিছে। মই কান্দিছোঁ। সেইদিনাৰ পৰা মই এটা পিতৃহীন দুৰ্ভগীয়া লৰা।" এই কথাখিনি কওঁতে তেখেতৰ চকুলো বাগৰি পৰিছিল।

ককাদেউতাৰ মৃত্যুৰ পিছৰপৰা তেখেতৰ মোমায়েক—গুৱাহাটীৰ দুৰ্লভ চন্দ্ৰ চাংকাকতীৰ তত্ত্বাৱধানত পঢ়া-শুনা কৰে আৰু আইতাই অশেষ কষ্ট কৰি পুতেকৰ পঢ়াৰ খৰচ আদি যোগাই শিক্ষাৰ পথত আগবঢ়াই নিবলৈ ধৰিলে।

৺ৰজনীকান্ত ডাঙৰ-দীঘল হৈছিল—সহজ-সৰল গাওঁলীয়া জীৱনৰ মাজেদি। নিজৰ গাওঁৰ লৰাৰ লগত খেল-ধেমালি কৰিছিল। নদী, পুখুৰী আদিত সাঁতুৰি-নাদুৰি আনন্দ উপভোগ কৰিছিল। এইদৰে এদিন ভৰ-বাৰিষা নাৱত উঠি ধেমালি কৰোঁতে পানীত পৰি কোনো ৰকমেহে হেনো ৰক্ষা পৰিছিল।

আমাৰ পিতৃদেৱৰ ছাত্ৰকালৰ এটি ক্ষুদ্ৰ ঘটনাই তেওঁৰ জীৱনত কেনে প্ৰতিক্ৰিয়া কৰিছিল সেই কোৱা কথাষাৰ আজিও আমাৰ কাণত বাজে; "ভাল আৰু বেয়া লৰাৰ কোনো পাৰ্থক্য নাই। ইচ্ছা আৰু যত্ন কৰিলে সকলো ভাল হব পাৰে। তাৰ কাৰণে লাগে সাধনা আৰু কৰ্ত্তব্যজ্ঞান. মই সৰুতে ভাল লৰা আছিলোঁ। কিন্তু নৱম শ্ৰেণীত পঢ়োঁতে মই পঢ়া-শুনাৰ প্ৰতি অৱহেলা কৰিছিলো। তাৰকাৰণ অৱশ্যে সঙ্গদোষ। মোৰ সহপাঠী ভাল লৰাবিলাকে মোৰ লগ এৰিছিল। আনকি মোক ইতিকিং কৰিছিল। কিন্তু শ্ৰেণীত ঘটা এটি ঘটনাই মোৰ জীৱনৰ পৰিবৰ্ত্তন আনে। মই তেতিয়া দশমমান শ্ৰেণীত পঢ়ো। এদিন আমাৰ গণিতৰ শিক্ষকে উপপাদ্যৰ অনুশীলন এটা প্ৰমাণ কৰিবলৈ দিছিল। শ্ৰেণীৰ ভাল লৰা কোনো এজনেই প্ৰমাণ কৰিব নোৱাৰিলে। শিক্ষক হতাশ হল। মই সাহ কৰি থিয় হৈ কলোঁ—চাৰ, মই চেষ্টা কৰি চাবলৈ ইচ্ছা কৰিছোঁ। অনুশীলনটো যথেষ্ট কঠিন আছিল। শিক্ষক মহোদয়ে মোক ইতিকিং কৰি কলে,

(১) এই সংখ্যা পত্ৰিকাত সেই চিঠিখনি প্ৰকাশ কৰা হৈছে। পঃ সঃ

"Fool rushes where angels fear trade" গাধা আজি মানুহ হবলৈ বিচাৰিছে। অৱশ্যে শিক্ষক মহোদয়ে মোৰ ওপৰত এনে ধাৰণা লোৱাৰ কাৰণে মোৰ অলপো আক্ষেপ নাই। কাৰণ মই শ্ৰেণীত বেয়া লৰাবিলাকৰ ভিতৰত এজন। কিন্তু মই অনুমতি প্ৰাৰ্থনাৰপৰা আঁতৰি নগলো। অৱশেষত অনুমতি পালো। মই অনুশীলনটো ভালকৈ আৰু শুদ্ধকৈ প্ৰমাণ কৰিলো। শিক্ষক মহোদয়ে আচৰিত হ'ল। আনকি মোৰ প্ৰতি তেখেতৰ ভাৱ পৰিবৰ্ত্তন হ'ল। মই সকৰেপৰা অলপ জেদী আছিলো। কিন্তু নিজৰ ওপৰত আত্ম-বিশ্বাস আছিল।" সেই একে বছৰতে ১৮৮৫ খৃঃত গুৱাহাটীৰ হাইস্কুলৰপৰা ২য় বিভাগত প্ৰৱেশিকা পৰীক্ষাত কৃতকাৰ্য্য হৈ মাহে ২০৲ টকীয়া 'ইলিয়ট বৃত্তি' লাভ কৰি কলিকতালৈ গৈ বিদ্যাসাগৰ কলেজত পঢ়ি ১৮৮৭ চনত ১ম বিভাগত এল, এ (Intermediate) পাছ কৰে। তাৰ পিছত মেডিকেল কলেজত ডাক্তৰি পঢ়াৰ ইচ্ছাত নাম লগায়। মেডিকেল কলেজত ১ম বাৰ্ষিক শ্ৰেণীৰ পৰা ২য় বাৰ্ষিক শ্ৰেণীলৈ প্ৰমোচন পায়। কিন্তু দুয়োটা বিভাগত বৃত্তি পোৱাৰ কাৰণে মেডিকেল কলেজৰ কৰ্ত্তৃপক্ষই তেওঁৰ অধীনৰ বৃত্তি বন্ধ কৰি দিয়াত ৺ বৰদলৈৰ লগত মনোমালিন্য ঘটে। তাৰ পিচত মেডিকেল পঢ়িবলৈ এৰি দিবলৈ বাধ্য হৈ তেতিয়া চিটি কলেজত বি-এ পঢ়ে। '৮৮৮ চনত বি-এ পাছ কৰি এবছৰ আইন পঢ়িছিল। সংসাৰ চলোৱাৰ ভাৰ, মাকৰ দুখ নিবাৰণ ইত্যাদি কাৰণে আইন পঢ়িবলৈ এৰি দিয়ে। দেউতাই প্ৰায়ে আমাক কৈছিল, "মই কলিকতাৰ পৰা গুৱাহাটীলৈ আহিবলৈ সাজু হৈছোঁ, এনে সময়তে সহপাঠী বন্ধু ৺ কনকলাল বৰুৱাই (ৰায় বাহাদুৰ) মোক কৈছিল—'ৰজনী, তুমি আইন পৰীক্ষা শেষ কৰি যোৱা।' মই অতি দুখেৰে মোৰ বন্ধুৰ অনুৰোধ ৰাখিব নোৱাৰি মাত্ৰ উত্তৰ দিছিলো, "বৰুৱা, মই অৱস্থাৰ দাস। সেইকাৰণে যাবই লাগিব। আইন পৰীক্ষা শেষ কৰিব নোৱাৰাটো মোৰ জীৱনত আজিও আক্ষেপ থাকিল।" কলেজত পঢ়াৰ সময়তে দেউতাই বিয়া কৰাইছিল ৺স্বৰ্ণময়ী দেৱীক। মাতৃদেৱীৰ ঘৰ উজান বজাৰত আছিল আৰু ককাদেউতাৰ নাম আছিল ৺ জয়নাথ বৰদলৈ। শহুৰেকৰ উপদেশ অনুসৰি ৺ বৰদলৈয়ে গুৱাহাটীত চাকৰি-জীৱন আৰম্ভ কৰিছিল ৪ৰ্থ কেৰাণী হিচাবে। তাৰ পিছত ক্ৰমে দোপত-দোপে উন্নতি কৰি এডোৱাৰ্ড গেইট চাহাবৰ দিনত চব ডেপুটি পদলৈ প্ৰমোচন পায়। তাৰ পিছত ই, এ, চি পদলৈ উন্নীত হয়। নগাঁৱত অস্থায়ীভাৱে কিছুদিনৰ কাৰণে ডেপুটি কমিচনাৰৰ কামত নিযুক্ত কৰিছিল। অৱশেষত ডিব্ৰুগড়লৈ ১৯১৩ চনত চিনিয়ৰ হাকিম হিচাপে বদলি হৈ আহি শেষত মুন্সিফ পদ লাভ কৰে আৰু সেই পদতে ১৯১৮ চনত চৰকাৰী কামৰপৰা অৱসৰ লয়। তেখেতে, চৰকাৰী চাকৰিৰ কালছোৱাত গাৰোপাহাৰ, মণিপুৰ, শিলচৰকে ধৰি অসমৰ প্ৰায়বোৰ ঠাইতে চাকৰি কৰি কাল কটাইছিল। গাৰোপাহাৰ আৰু মণিপুৰত থাকোঁতে মণিপুৰী আৰু গাৰো ভাষাৰ শিক্ষা লাভ কৰি পৰীক্ষা দি সুখ্যাতিৰে কৃতকাৰ্য্য হৈ চৰকাৰৰ পৰা দুহেজাৰ টকা পুৰস্কাৰ স্বৰূপে পাইছিল।



কলেজত পঢ়া অৱস্থাত ৰজনীকান্তই নিজৰ পাঠ্য-পুথিৰ উপৰিও জ্ঞান অৰ্জ্জনৰ কাৰণে আন ইংৰাজী বঙালী আদি ভাষাৰ পুথি পঢ়াত নিজকে আবদ্ধ ৰাখিছিল। বিশেষকৈ স্কট আৰু বঙ্কিম চন্দ্ৰৰ উপন্যাসে তেখেতৰ অন্তৰ জয় কৰিছিল। অন্তৰৰ কোনোবা এটি নিবিড় কোণত ভাবিছিল— ময়ো অসমত স্কট আৰু বঙ্কিমৰ দৰে উপন্যাস লিখিম। সেইকাৰণে তেখেতৰ ভাৱধাৰাৰ পৰা বৈ আহিছিল—অসমৰ বুৰঞ্জীমূলক উপন্যাস। অসমৰ সেইসময়ৰ ৰজা-বিষয়া সকলৰ আচাৰ-নীতি, বেলি মাৰ যোৱা অসম মাতৃৰ অৱস্থা, অসমীয়া ৰাইজৰ অৱস্থা আদিৰ চিত্ৰ উপন্যাস কেইখনিৰ মাজেদি আঁকিছিল।

কলিকতাত পঢ়াৰ সময়ত 'জোনাকী' যুগৰ স্বনামধন্য সাহিত্যিক সকলৰ লগত বৰদলৈ দেৱে প্ৰতিজ্ঞা কৰিছিল যে শিক্ষা-শেষৰ পিছত অসম মাতৃলৈ সাহিত্যৰ ষোড়শোপচাৰেৰে অৰিহণা যোগাব। কোনজনে কি ভাৱে অৰিহণা দিব এইবিষয়ে আলোচনা কৰোঁতে ৰজনীকান্তই কৈছিল, "মই অসমত উপন্যাস লিখিম।" তেখেতক ধেমালি কৰি সহপাঠী বন্ধু ৺ ৰত্ন বৰকাকতী দেৱে কৈ'ছল, "বৰদলৈ! সাৱধান কিন্তু, উপন্যাস লিখি অসমীয়া ডেকা-গাভৰু বিলাকৰ অনিষ্ট নকৰিবা।" এই বাণী বৰদলৈয়ে জীৱনত আদৰ্শৰ দাপোণ স্বৰূপে গ্ৰহণ কৰিছিল আৰু সেই আদৰ্শৰপৰা আঁতৰি যোৱা নাছিল। প্ৰত্যেকখন উপন্যাস নাৰী-চৰিত্ৰপ্ৰধান হলেও আদৰ্শৰ ভেঁটিত পৱিত্ৰ আৰু নিৰ্ম্মল আছিল। এদিন তেখেতে আমাৰ আগত এইদৰে কৈছিল, "মই বুৰঞ্জীমূলক উপন্যাস লিখিবলৈ চাকৰী-জীৱনৰ এটি ঘটনাৰপৰা উৎসাহ পাওঁ। গেইট চাহাবৰ অধীনত কাম কৰি থাকোঁতে, তেওঁ এদিন মোক অসমৰ ইতিহাসৰ বিষয়ে কেইটামান লাগতিয়াল প্ৰশ্ন কৰিছিল। মই উক্ত প্ৰশ্নবিলাকৰ উত্তৰ ভালকৈ দিব নোৱাৰি লাজত পৰিলোঁ। কিন্তু গেইট চাহাবে থং নকৰি দুখেৰে কলে—'তোমা-লোকে শিক্ষিত ডেকা হৈ যদি নিজৰ দেশৰ আৰু ঠাইৰ বিষয়ে নাজানা অথবা জানিবলৈ ইচ্ছা নকৰা, তেনেহলে কোনে জানিব। এইটো বৰ দুখ আৰু লাজৰ কথা।' তাৰ পিচৰপৰা মই সাধ্য অনুসৰি অসমৰ ইতিহাস অধ্যয়ন কৰিবলৈ ধৰিলো। অৱশ্যে সেই অধ্যয়ন এতিয়াও বহল-ভাৱে কৰিবলৈ সক্ষম হোৱা নাই। প্ৰকৃতিৰ ৰাণী অসমী,—পৰ্ব্বত-ভৈয়াম, নদ-নদী, গছ-লতা আদি সকলোতে ইতিহাসেৰে পৰিপূৰ্ণ। বিশাল ইতিহাসপূৰ্ণ এই ঠাইখনৰ ইতিহাস অধ্যয়ন কৰাটো সহজ নহয়।" কলেজত পঢ়ি থকা অৱস্থাতে ৰজনীকান্তই প্ৰথমতে 'শৰীৰ তত্ত্ব' নামে এটি প্ৰবন্ধ লিখে ১৮৮৮ চনত আৰু 'জোনাকী'ত প্ৰকাশ হয়। চৰকাৰী কাম কৰি উত্তৰ লক্ষীমপুৰলৈ চব-ডেপুটি হিচাপে বদলি হৈ যায়। সেইঠাইতে প্ৰকৃতিৰ মনোমোহা দৃশ্য, আৰু সহজ-সৰল মিৰি জাতিৰ আচাৰ-ব্যৱহাৰত আকৃষ্ট হৈ তেওঁলোকৰ জীৱনৰ বিষয়ে যিমানদূৰ সম্ভৱ সম্যকজ্ঞান লাভ কৰি পূজনীয় দেউতাই জীৱনৰ প্ৰথম সামাজিক উপন্যাস "মিৰি-জীয়ৰী" লিখে। সোৱণশিৰীৰ সোণৰ-চেকুৰাৰ মাজতে পালে জঙ্কি আৰু পানেইক। ৰঙা নৈৰ পাৰতে পালে সুঠাম জন-জাতিৰ

ডেকা-গাভৰু সকলক। ঔপন্যাসিক বৰদলৈ দেৱৰ কাপত শেষ হ'ল জকি-পাণেইৰ শোক লগা এটা জীৱন। কিন্তু লিখকে আজলা পাণেইৰ অন্তৰ্বেদি পৰজন্মৰ কথা সোঁৱৰাই সান্ত্বনা দিলে মৰমৰ জকিক।

"নকৰিবি বয়ে ঐ
নাকান্দিবি চেনেঙ ঐ
মনলৈ নানিবি শোক
ইপুৰি এৰি ঐ
পাম গৈ যে ৰেগাম ঐ
দুখৰে পৰিব ওৰ।"

ৰবনৈৰ পানীত এতিয়াও পাণেই আৰু জকিৰ কেঁচা তেজৰ গোন্ধ আছে; আৰু আছে ৰজনীকান্তৰ জীৱনৰ সৰ্ব্বপ্ৰথম উপন্যাস 'মিৰি-জীয়ৰী'ৰ চিৰসেউজীয়া ৰূপ। তাৰ পিচত তেখেতে ধাৰাবাহিক ৰূপে লিখে বুৰঞ্জীমূলক উপন্যাস—

'মনোমতী', 'ৰঙ্গিলী', 'ৰংঘৈ-লিগিৰী' 'দন্দুৱা-দ্ৰোহ', 'নিৰ্ম্মল ভকত', 'তাম্ৰেশ্বৰী মন্দিৰ' আৰু 'ৰাধা-ৰুক্মিণীৰ ৰণ।' শেষৰ উপন্যাসখন বৰ্ত্তমান সাহিত্য সভাক প্ৰকাশ কৰিবলৈ দিয়া হৈছে। ইয়াৰ উপৰিও তেখেতে বহুসংখ্যক প্ৰবন্ধ আৰু গল্প লিখি প্ৰকাশ কৰিছিল।

ৰজনীকান্ত বৰদলৈ এজন সদালাপী আৰু অতিথিপৰায়ণ লোক আছিল। তেওঁ নিজৰ ভালবেয়া কথাও খুলি কৈছিল। কথা-প্ৰসঙ্গত এদিন দেউতাই কৈছিল, "মই কলিকতাত পঢ়োঁতে ব্ৰাহ্ম সমাজৰ উপাসনালৈ প্ৰায় গৈছিলোঁ। তেওঁলোকৰ নিৰাকাৰ ব্ৰহ্মৰ উপসনা মোৰ বৰ ভাল লাগিছিল। আনকি এবাৰ মোৰ মনলৈ এনে ভাব আহিছিল যে, মই সেই ধৰ্ম্ম গ্ৰহণ কৰিবলৈ সাজু হৈছিলোঁ। সেই ধৰ্ম্মৰ নিয়ম অনুসৰি লগুণ আদি পেলাই নিজৰ ধৰ্ম্ম ত্যাগ কৰি ব্ৰাহ্মধৰ্ম্ম লব লাগে। কিন্তু আগদিনা ৰাতি মোৰ দুঃখিনী আইৰ মুখখনি বাৰে বাৰে মনত পৰিল। মোক যেন আয়ে কৈছিল, "স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ পৰধৰ্ম্মো ভয়াবহঃ।" মই আইৰ উপদেশ অনুসৰি সেই ধৰ্ম্ম গ্ৰহণ কৰাৰ ভাব ত্যাগ কৰি নিজ ধৰ্ম্মতে মতি ৰাখি মোৰ প্ৰাণৰ কৃষ্ণক বিচাৰিব ধৰিলোঁ।"

দেউতাৰ জীৱনৰ আৰু এটি বিশেষত্ব আছিল যে, তেখেতে সাধুসঙ্গ বৰ ভাল পাইছিল। সংসাৰৰ ঘাত-প্ৰতিঘাতৰ মাজত জুৰুলা হৈ সাধুসঙ্গৰ মাজেদি নিজৰ মনলৈ শান্তি আনিছিল। সৰুতে আপোন ভাতৃ চাৰিজনক অকালতে হেৰুৱায়। চাকৰী-জীৱনতে দুজন পুত্ৰ হেৰুৱায়। বিশেষকৈ আমাৰ সকলোতকৈ ডাঙৰ ককাইদেউ ৺গোলোক বৰদলৈৰ মৃত্যুৱে তেখেতৰ মনত ডাঙৰ আঘাত দিছিল। ৺গোলোক বৰদলৈ আছিল অতি তীক্ষ্ণ বুদ্ধিৰ। ১৯১০ চনত এফ-এ, (Intermediate) পৰীক্ষা দি আহিল। দেউতাই সেই সময়ত নগাঁৱত হাকিম হৈ আছিল। ৺ককাইদেউক সেই বছৰতে উচ্চ শিক্ষাৰ কাৰণে বিলাতলৈ পঠিয়াবৰ বাবে সকলো ঠিক কৰি থৈছিল। কিন্তু ভগৱানৰ কি ইচ্ছা মানুহে কব নোৱাৰে। চৈধ্যদিনৰ সন্নিপাত জ্বৰত ৺গোলোক ককাইদেউৰ মৃত্যু হ'ল। শোক আৰু বেজাৰত আইৰ স্বাস্থ্য ভাগি পৰিল। দেউতাই ধৈৰ্য্য ধৰিলে; কাৰণ বাকী থকা পৰিয়াল কেইজনক জীয়াই ৰাখিব লাগিব। নগাঁৱৰ পৰা ধুবুৰীলৈ এই ঘটনাৰ পিচতে বদলি হ'ল কিন্তু আইৰ স্বাস্থ্যৰ উন্নতি নেদেখি দেউতাৰ বন্ধুসকলৰ উপদেশ মতে ছুটী লৈ পুৰীলৈ সকলোকে লৈ যায়। পুৰীত সাগৰৰ পাৰত আগৰ পৰিচিত এজন সাধুক পাই তেওঁৰ ওচৰতে দীক্ষা লয়। দেউতাই তাৰ আগতে তান্ত্ৰিক এজনৰ পৰা মন্ত্ৰ লৈছিল। সেই তান্ত্ৰিকৰ ক্ৰিয়াৰ বিষয়ে তেখেতৰ 'দন্দুৱা দ্ৰোহ' উপন্যাসত কিছু কথা পৰিলক্ষিত হয়। কিন্তু শেষত বৈষ্ণৱ ধৰ্ম্মই দেউতাক বেছিকৈ আকৰ্ষণ কৰিছিল। সেই কাৰণে নিজৰ গোসাঁই দক্ষিণপাট সত্ৰৰ অধিকাৰৰ ওচৰত শৰণ লয় আৰু পুৰীত বৈষ্ণৱ সাধুৰপৰ মন্ত্ৰও লৈছিল। তেখেতে যৌগিকক্ৰিয়াও ভালেমান অভ্যাস কৰিছিল। সাধু-ফকীৰক দান-দক্ষিণা দি ভাল পাইছিল। অৱশ্যে এই সুবিধা লৈ কিছুমান অসাধুৱে সাধুৰ ৰূপত তেখেতক ঠগিছিল। দেউতাৰ মৃত্যুৰ পিচত তেখেতৰ বন্ধু ৺দুৰ্গেশ্বৰ শৰ্ম্মাদেৱে আমাক শান্ত্বনা দিবলৈ আহোঁতে কৈছিল "তেখেত গৃহী হইও এজন সাধুহে আছিল।"

বৰদলৈ দেৱে সঙ্গীত বৰ ভাল পাইছিল। দেউতাই নিজে বাঁহী আৰু তবলা বজাব জানিছিল আৰু নিজে গাইছিল; আনকি আমাকো গান আদি গাবলৈ দিছিল আৰু উৎসাহো দিছিল। মোৰ এতিয়াও মনত পৰে যে তাহানিখন আমাৰ ঘৰত (ডিব্ৰুগড়ত) প্ৰতিমাহতে একোখন উচ্চাঙ্গ সঙ্গীতৰ আয়োজন কৰিছিল। সেই সময়ৰ স্বনামধন্য, ডিব্ৰুগড়ৰ সঙ্গীতজ্ঞ ডাঃ উমেশ মুখাৰ্জ্জী, উমেশ দাস, হৰি সান্যাল, গঙ্গা সিং ইত্যাদি সকল আছিল সেই সঙ্গীতানুষ্ঠানৰ সঙ্গী। তদুপৰি অসমৰ থলুৱা গীত-নৃত্য আদি বৰ ভাল পাইছিল। আমাৰ ৰঙালী বিহুৰ সময়ত তেওঁ হুচৰি, বিহুনাচ আদি চাই বৰ আমোদ পাইছিল। বৰগীত, কীৰ্ত্তন আদিও দেউতাৰ অতি প্ৰিয় আছিল। সেই সময়ৰ এজন উচ্চ বিষয়া আছিল যদিও দেউতা আছিল অহঙ্কাৰশূন্য। সকলোকে সমানে ব্যৱহাৰ কৰিছিল। আনকি ঘৰৰ লগুৱাক যদি আমি কেতিয়াবা টান কথা কওঁ, তাৰ কাৰণে তেখেতে বৰ বেজাৰ পাইছিল আৰু আমাক এইদৰে কৈছিল "বাছাহঁত, সেই মানুহটো দুখীয়া কাৰণে আমাৰ ঘৰত আছে। আমি যদি বেয়া ব্যৱহাৰ কৰোঁ সি মনত কিমান দুখ পাব। তাৰ ভুলটো শুধৰাই দিয়া; কিন্তু বেয়া ব্যৱহাৰ নকৰিবা।"

চাকৰিৰপৰা অৱসৰ লৈ মাকুম অংছনত তেখেতে 'হেভেদা' নামে এখন চাহৰ বাগিচা খোলে। সেই বাগিচাখনতে তেখেতৰ আৰ্জ্জনৰ সকলো ধন খৰচ কৰে। কিন্তু চাহৰ বজাৰ পৰি অহাত বাগিচাৰ অৱস্থাও পৰি আহিল। এদিন বোধহয় জীৱনৰ তিক্ততা অনুভৱ কৰি কৈছিল, "মই ডাঙৰ ভুল কৰিলো।" বিশ্বকবি ৰবীন্দ্ৰনাথৰ এই দুইটি গীত দেউতাই বৰ ভাল পাইছিল আৰু কেতিয়াবা মোক ওচৰত বহুৱাই গাব দিছিল। এটা হৈছে—

"মাথা নত করে দাওহে আমার
চরণ ধুলার তলে।"

আৰু আনটো—

"আমার কবিতা হারায়ে ফেলেছি।"

দেউতাই সকলোকে সৰল মনেৰে বিশ্বাস কৰিছিল। সেই কাৰণে বাগান চলাবলৈ এজন বিহাৰী ব্যৱসায়ীৰ পৰা মাত্ৰ ৩০,০০০ টকা ধাৰলৈ লৈ বাগিচাখন বন্ধক দিছিল। কিন্তু মহাজনে দেউতাৰ সৰলতাৰ সুবিধা লৈ সেই টকাৰ ওপৰত অত্যধিক সুত লৈ একলাখ আশীহাজাৰ টকাৰ দাবী কৰি উক্ত বাগিচাখন গ্ৰাস কৰি এতিয়াও উপভোগ কৰি আছে। এই সম্পত্তি হেৰুৱাই দেউতাই মনত বৰ বেজাৰ পালে। ডিব্ৰুগড় এৰি গুৱাহাটীলৈ গুচি গল। কিন্তু মনৰ দুখ সহ্য কৰিব নোৱাৰিলে। হঠাৎ এদিন সন্ন্যাস ৰোগত পৰিল। প্ৰথমবাৰ ডাঃ ভুবনেশ্বৰ বৰুৱাৰ চিকিৎসাত ৰক্ষা পৰিল যদিও, শৰীৰটোৰ সোঁফালটো অৱশ হৈ একাঙ্গী ৰোগত পৰিল। জীৱনৰ শেষ সময়ত এখনি উপন্যাস লিখিছিল। তেখেতে উপন্যাসৰ বিষয়-বস্তুবোৰ চিন্তা কৰি কৈ গৈছিল আৰু মোক লিখিব দিছিল। কিন্তু এদিন আবেলি ফুৰি আহি দেখোঁ যে দেউতাই উপন্যাসখন পুৰি পেলালে। মই তেখেতক সুধিলো, "এইখন পুৰিলে কিয়?" বৰ দুখেৰে চকুৰ পানীৰে সৈতে উত্তৰ দিলে, "মইনা, মোৰ সকলো শেষ হৈ গল।"


বিছনাত পৰি থকা অৱস্থাত ৰাতিপুৱা আৰু গধূলি সদায় 'গীতা', 'কীৰ্ত্তন' আৰু 'গীতাঞ্জলি' এইকেইখন পঢ়িছিল আৰু ঈশ্বৰৰ ওচৰত মুক্তি প্ৰাৰ্থনা কৰিছিল। ভগৱানে বোধহয় দেউতাৰ কাতৰ প্ৰাৰ্থনা শুনিলে। ১৯৪০ চনৰ মাৰ্চ্চ মাহৰ ২৫ তাৰিখে এদিন ৰাতিপুৱা আমাৰ মাজৰপৰা দেউতা আঁতৰি যায়। পিতৃদেৱতাক হেৰুৱাই মনত যথেষ্ট বেজাৰ লাগিছিল। কিন্তু গুৱাহাটীৰ বাইজে সেই সময়ত আহি সসন্মানেৰে তেখেতৰ শেষ কাৰ্য্যত যোগদান দিয়াৰ কথা মনত পৰিলে আজিও গৌৰৱ অনুভৱ কৰোঁ, আৰু শান্তি পাওঁ। মনলৈ ভাৱ আহে—দেউতাই তেখেতৰ অতি মৰমৰ মিৰি-জীয়ৰী, মনোমতী আৰু ৰহদৈৰ ওচৰলৈ গুচি গ'ল। নিশ্চয় সেই ঠাইত চিৰশান্তি লাভ কৰিছে। ওঁ শান্তি।*

---

* এই প্ৰবন্ধটো যুগুত কৰোতে ডিব্ৰুগড় প্ৰাণাম বজাৰ ছোৱালী হাইস্কুলৰ ছাত্ৰী শ্ৰীমতী মমতা দেৱী আৰু কানৈ কলেজৰ অধ্যাপক শ্ৰীভীম কোঁৱৰৰ পৰা উৎসাহ-পৰামৰ্শ পাইছোঁ। —লিখক



## জন্ম শতবাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি



উপন্যাস-সম্ৰাট ৺ৰজনীকান্ত বৰদলৈ
জন্ম : ২৪ নবেম্বৰ, ১৮৬৭ মৃত্যু : ২৩ মাৰ্চ ১৯৪০

"যদি আমি জাতি স্বৰূপে এই সংসাৰত জীয়াই থাকিব খোজোঁ, তেনেহলে ভাৰতবাসীয়ে নিজৰ মন, প্ৰাণ, দেহ ঈশ্বৰত অকপট চিত্তেৰে লগাই কৰ্ম্ম কৰাত লাগক।"

# ॥ উপন্যাস-সম্রাট ৰজনীকান্ত বৰদলৈৰ এখন চিঠি ॥

[ টোকা : অসমীয়া উপন্যাস-সাহিত্যৰ জনক ৺ৰজনীকান্ত বৰদলৈদেৱে অন্যতম সুসাহিত্যিক ৺চিদ্ৰেশ্বৰ নেওগ দেৱলৈ তেখেতৰ বিভিন্ন ৰচনাৰাজিৰ লগতে ব্যক্তিগত জীৱনৰ ভালেমান কথাৰ উল্লেখ কৰি এখন চিঠি লিখিছিল ; সেইখন চিঠিত বৰদলৈৰ সাহিত্যিক জীৱনৰ এটা সুন্দৰ আভাস পোৱা যায়। বৰদলৈৰ জন্ম-শতবাৰ্ষিকী উৎসৱ উপলক্ষে সেই বহুমূলীয়া চিঠিখন ইয়াত প্ৰকাশ কৰা হ'ল। প. স. ]

২৫।৪।৩৪

প্ৰিয় শ্ৰীমান নেওগ

তুমি অসমীয়া সাহিত্যৰ বুৰঞ্জী এখনি লেখিবলৈ লৈছা। বৰ্ত্তমান সময়ৰ গ্ৰন্থকাৰক সকলৰ (চমু জীৱনীয়ে সৈতে) ৰচিত পুথিৰ বিবৰণো দিবা বোধ কৰোঁ। তুমি মোক লক্ষীমপুৰৰ পৰা ওলটি আহোঁতে বাটত মোৰ লিখিত ৰচনা বিলাকৰ এটা লিষ্টি খুজিছিলা। মই পাহৰি আছিলোঁ। আজি হঠাৎ মনত পৰাত লেখিলোঁ।

জীৱনী—মোৰ ককাদেউতাৰ নাম ৺তুৰাৰাম দেৱ শৰ্ম্মা বিজয় খৰিৰ ঘৰৰ—দিহিঙ্গীয়া বৰদলৈ। উজনীৰ দিহিঙ্গৰ ফালেই কৰবাত ঘৰ আছিল। মান ভগনীত ককাদেউতা ভাটীলৈ পলাই গৈছিল আৰু সেই চেগতেই নদীয়া শান্তিপুৰত গৈ ৭।৮ বছৰ আছিল আৰু তাতে সংস্কৃত শাস্ত্ৰ পঢ়িছিল। ককাদেউতাৰ ককায়েকক মানে কাটিছিল। ইংৰাজে মানক খেদি দেশ সুস্থিৰ কৰিলত ককাদেউতা উজাই উজাই বঙ্গালী পায়হি। তাতে ৺ৰুদ্ৰৰাম বৰদলৈ দেৱৰ ভগিনী টিপিৰী আইতাক বিয়া কৰায়। তাতে দেউতা ৺নৰকান্ত দেৱ শৰ্ম্মা বৰদলৈ ওপজে। তাৰ পৰা দুয়োঘৰ মানুহ উজাই আহি হাজোৰ বাউসি গ্ৰামত বসতি কৰে। তাৰ পিছত গুৱাহাটীলৈ আহে আৰু বৰ্ত্তমানে যত কটন কলেজৰ বৰ্ডিং আছে তাতে বসতি কৰে। কবলৈ পাহৰিছো ককাদেউতাৰ এটা ভায়েক আছিল মৰিল। জিলা পতাত তাৰ

পঁৰা উঠি গৈ কুকুৰমুতা গাৱঁত বসতি কৰে। ৺ৰুদ্ৰৰাম উজীৰ ককা দেউত্তাই ৩।৪ খনি মৌজা লৈ—যেনে ৰামছা, পাণবাড়ী জমিদাৰ নাম লয়। ৺দেউত্তাই কম্পাছৰ পিয়ল শিকে আৰু তাৰ লগতে জেনেৰেল জেণ্‌কিঞ্চৰ তলত প্ৰথমতে গুৱাহাটীৰ কমিচনৰ অফিছত ১৫ টকাত মহৰি কামত সোমায় আৰু তাতে ক্ৰমোন্নতিত ৪০ টকা-লৈকে দৰমহা হয়। দেউতা জেনেৰেল জেণকিণচ এগনুছ এই সকলৰ পেস্কাৰ আৰু মফস্বলত লগত ফুৰা পেস্কাৰ আছিল। শ্বিলঙত প্ৰথম চিফ্‌ক-মিচনৰি থাপিত হোৱাত দেউতা ৬০ টকাত চিফ্‌ কমিচনৰৰ অফিছলৈ যায় আৰু তাত ৫ বছৰ কাম কৰি সুখ্যাতিৰে পেঞ্চণ লই আহি তিনিবছৰ কাল সেই পেঞ্চণ ভোগি ৫৮ বছৰ বয়সত কলৰাত ঢুকায়। দেউত্তাই গুৱাহাটীত থাকোঁতে গুৱাহাটী চহৰৰ পিয়ল কৰে আৰু দেউতাৰ পিয়লৰ ওপৰতে গুৱাহাটী ছহৰৰ প্ৰথম চেটেলমেণ্ট আৰু খাজানা ধাৰ্য্য হয়। দেউতা মৰোতে মোতকৈ সৰু ৪টা ভায় আছিল। মই ৯ বছৰীয়া।

মোৰ মাতৃ চাংকাকতিৰ ঘৰৰ জীয়াৰী। মাতামহ দূৰ্ব্বাদদত্ত বৰ সঙ্গীতজ্ঞ পণ্ডিত আছিল।

মোৰ জন্ম কুকুৰমুতাত ১৮৬৭ খৃষ্টাব্দ ২৪ নবেম্বৰত হৈছিল। মোৰ ৮ বছৰ উকলি ৯ বছৰত ভৰি দিওঁতেই পিতৃদেৱ ঢুকায়। মই পিতৃ ধনেৰে আৰু মাতুল ৺দুল্লভ চন্দ্ৰ শৰ্ম্মা চাংকাকতিৰ (একাউণ্টেণ্ট ডিপুটী কমিচণৰ অফিছৰ) অভি-ভাৱকত্বত পঢ়োঁ আৰু ১৮৮৫ খৃষ্টাব্দত গুৱাহাটীৰ পৰা ২য় বিভাগত এণ্ট্ৰেঞ্চ পৰীক্ষা পাছ কৰি ইলিয়ট ছাহাবে দিয়া ২০ টকীয়া বৃত্তি এটা পাই কলিকতাত পঢ়োঁগৈ। লৰাকালত অনেক বেয়া সঙ্গত পৰা সত্বেও মোক বেয়া কৰিব নোৱাৰিলে আৰু কিতাপতে মোৰ ধাউতি আছিল।

১৮৮৭ খৃষ্টাব্দত মই এল এ সেটপলিটো ইন্‌ষ্টিটিউচনৰ পৰা (বৰ্ত্তমানে বিদ্যাসাগৰ কলেজ) ১ম বিভাগত উত্তীৰ্ণ হওঁ। আৰু এবচৰ মেডি-কেল কলেজত ডাক্তৰি পঢ়াৰ লগে লগে বি এ পঢ়োঁ। ১৮৮৯ খৃষ্টাব্দত বি এ পাছ কৰি ১৮৯০ খৃষ্টাব্দৰ মাৰ্চলৈকে আইন পঢ়ি ১৮৯০ খৃষ্টাব্দৰ এপ্ৰিল মাহত আহি গুৱাহাটীত কেম্বেল চাহাবৰ অনুগ্ৰহত তেওঁৰ ইংলিছ অফিচৰ ৪০ টকা দৰ্ম্ম-হাত ৪ৰ্থ কেৰাণীৰ পদত সোমাওঁ। ইয়াৰ আগেয়ে শ্বিলংলৈকো গৈছিলোঁ। তাত বঙালীৰ দৌৰাত্ম্যত কাম নাপালোঁ।

১৮৮৮ খৃষ্টাব্দত অৰ্থাৎ মোৰ ৩য় বাৰ্ষিক শ্ৰেণীত আৰু মেডিকেল কলেজত পঢ়া অৱস্থাত মোৰ বন্ধু শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাদেৱে জোনাকী কাগজ উলিয়াবলৈ যো-জা কৰি কথাটো ৺হেমচন্দ্ৰ গোস্বামী দেৱক কয়। ৺হেমচন্দ্ৰ গোস্বামীদেৱে মোক আৰু আন আন অনেককে প্ৰবন্ধ লেখিবলৈ অনুৰোধ কৰে। অতি উৎসাহেৰে প্ৰায় সকলো-ৱেই জোনাকীত লেখিবলৈ ধৰে। মই মেডিকেল কলেজত পঢ়া বাবে লেখিছিলোঁ।—

১। শৰীৰ তত্ত্ব—১৮৮৮ খৃষ্টাব্দত কলিকতাত। জোনাকীত প্ৰবন্ধাকাৰে কেবা সংখ্যাতো ছপা হৈছিল।

১৮৯০ খৃষ্টাব্দত কামত সোমোৱাৰ আঠ মাহ মানৰ পিছত চেন্‌চচ কাম আৰম্ভ হয়। মই প্ৰথমতে চেন্‌চচৰ কেৰাণি কাম কৰোঁ তাৰ



পিছত বাণী মৌজাৰ চাৰ্য চুপাৰিনটেণ্ডেণ্ট হওঁ—তাৰ পিছত মহামতি গেইট ছাহাবৰ চেন্‌চচ অফিচলৈ যাওঁ। এই চেন্‌চচ্‌ অফিছত থকা কালিন আমাৰ ডেকা সকলৰ সেই সময়ত বৰকৈ থিয়ে-টাৰ কৰিবলৈ ধাউতি হোৱাত আমি প্ৰথমে "ভ্ৰমৰঙ্গ" নাটক খনিৰ অভিনয় কৰোঁ পিছত শ্ৰীযুত ৰায় বাহাদুৰ কনকলাল বৰুৱা ৺গোপালকৃষ্ণ দে আৰু মই তিনিও লগ লাগি মহাভাৰতৰ পৰা মূল লই

২। সাবিত্ৰী সত্যবান নাট ৰঁচো আৰু আন আন সকলৰ লগতে আমি তিনিও তিনটা ভাও লৈ অভিনয়ো কৰিছিলোঁ। সাবিত্ৰী সত্যবান নাটখনি কি হল, কলৈ গল আমি বৰ্ত্তমানে একো কব নোৱাৰোঁ।

ইয়াৰ পিছত আকৌ ডিপুটি কমিচনৰৰ অফি-চলৈ ৰেজিষ্ট্ৰাৰ কাননগুহ হৈ ওলটো। এই সময়তে মোৰ ২য় ভাতৃ ৺ৰোহিনীকান্ত ঢুকায়। প্ৰায় ৮।৯ মাহ ৰেজিষ্ট্ৰাৰ কাননগুহ কাম কৰাৰ পিছত শ্ৰীশ্ৰীযুত গেইট ছাহাবৰ অনুগ্ৰহত চবডি-পুটী কলেকটৰি পদলৈ প্ৰমোচন পাই উত্তৰ লক্ষীমপুৰলৈ বদলি হও। তাত লেখোঁ :—

৩। চেতন প্ৰাণী আৰু উদ্ভিদৰ পাৰ্থক্য কি ১৮৯২ খৃষ্টাব্দত ৺পানীন্দ্ৰনাথ গগৈদেৱৰ অনুৰোধত লিখা হয় আৰু তেওঁৰ "সাহিত্য "সংগ্ৰহত" ঠাই পাইছে।

৪। ৰক্তাহাৰী পাদপ—১৮৯২ খৃ:ত—উত্তৰ লক্ষ।মপুৰত জোনাকীত ছপা হৈছিল।

৫। শ্ৰীশ্ৰীযুত গেইট ছাহাবৰ অনুৰোধত ইংৰাজীত লেখোঁ :—

The Religion of the Miris— কপি এতিয়াও মোৰ হাতত আছে। ইয়াৰ পিছত ১৮৯৪ খৃষ্টাব্দত বৰপেটালৈ বদলি হওঁ। তাত লেখোঁ।—

৬ মিৰী-জীয়াৰী— ১৮৯৫ খৃ।ত— বৰপেটাত লেখো—মোৰ ১ম উপন্যাস

৭। শ্ৰীশ্ৰীযুক্ত গেইট ছাহাবৰ অনুৰোধত "Potteries of Assam" বিষয়ে এটা নোট লেখোঁ। হাতত কপি নাই।

৮। গোৱালপাৰা মহকুমাৰ সেইকালৰ মহ-কুমাধিপতি মিষ্টাৰ ছামান ছাহাবৰ নিমিত্তে অসমৰ বয়ন অৰ্থাৎ বোৱা-কটা শিল্পৰ এটা নোট লিখোঁ। সেই নোটৰ উক্ত ছাহাবে বৰ সুখ্যাতি কাৰছিল।

১৮৯৭ খৃষ্টাব্দৰ ১৩ জুন তাৰিখে বৰ ডাঙৰ ভূমিকম্পটো হোৱাৰ ৩ মাহৰ আগেয়ে চুটী লৈ গুৱাহাটীলৈ আহোঁ। ১৪ জুনত মোৰ মাতৃ বিয়োগ হয়। তাৰ পিছত গুৱাহাটীতে কামত ৰাখে। তাত লিখোঁ।—

৯ জ্ঞান সোপান— ১৮৯৭ খৃষ্টাব্দত, গুৱাহাটীত নিম্ন প্ৰাইমেৰিৰ পাঠ্য মঞ্জুৰ কৰে।

গুৱাহাটীত ২ বছৰ থকাৰ পিছত আকৌ বৰপেটালৈ বদলি হওঁ। তাত লিখোঁ।

১০। মনোমতী উপন্যাস— ১৯০০ খৃ: বৰপেটাত ২য় ভাঙ্গৰণলৈকে ছপা হৈছে।

১৯০১ খৃষ্টাব্দত চব্‌ডিপুটী কলেক্টৰ কামৰ-পৰা ই এ চি লৈ প্ৰমোচন পাই মহামতী কটন ছাহাবৰ অনুগ্ৰহত গোলাঘাটলৈ বদলি হও। তাত লিখোঁ।—

১১। মনোবিজ্ঞান— ১৯০৩ খৃঃত— গোলাঘাট "উষা"ত প্ৰবন্ধাকাৰে ছপা হৈছিল।

১৯০৪ ত গোলাঘাটৰ পৰা নগাওঁলৈ বদলি হও। আকৌ ১৯০৫ খৃঃত গোলাঘাটলৈ আহি ১৯০৬ লৈকে চেটেলমেণ্ট কাম কৰোঁ।

তাৰ পিছত মঙ্গলদৈলৈ বদলি হওঁ। তাৰ পিছত ৯০৭ খৃঃত শিলচৰলৈ বদলি হওঁ। এই ডোখৰ কালত একো লিখা নাই। শিলচৰত মোৰ ২য় পুত্ৰ ৺পূৰ্ণকান্ত ঢুকায়। তাত লিখোঁ—

১২। On the Fisheries of Assam ১৯০৯ খৃঃত— শিলচৰত— শ্ৰীযুত কিৰণ দে কমিচনৰৰ কাৰণে, প্ৰশংসাও পাইছিলোঁ।

১৩। Notes on the Assamese Language ১৯০৯ খৃঃত— (শিলচৰত) ঐ— শ্ৰীযুত চদমাৰচন ছাহাবৰ অনুৰোধত।

ইয়াৰ পিছত সেই বছৰতে নগাওঁলৈ বদলি হওঁ। ইয়াত ৩ মাহৰ কাৰণে ডিপুটী কমিচনৰিও কৰোঁ। ইয়াত লিখোঁ—

১৪। The Chutiyas of Assam ১৯০৯ খৃঃত নগাওঁত—শ্ৰীযুত কৰ্ণেল ছাহাবৰ অনুৰোধত

১৫। মণিপুৰী জাতি ১৯০৯—নগাওঁত—১ম বছৰ আলোচনীৰ ৭ম সংখ্যাত ছপা হৈছিল।

১৬। আত্মবিনোদক থিয়েটাৰৰ দল— ১৯০৯ ঐ—২য় বছৰৰ বাহীত ছপা হৈছিল।

১৭। চেনচৰ পিয়ল—১৯০৯—ঐ—১ম বছৰ বাঁহীত ছপা হৈছিল।

১৮। দন্দুৱা দ্ৰোহ উপন্যাস— ১৯০৯— ঐ— সমল গোটাইছিলোঁ। কামৰূপৰ কমলপুৰত ১ বছৰ কাল তহচিলদাৰ থকা সময়ত।

১৯১০ খৃষ্টাব্দত মোৰ প্ৰথম পুত্ৰ ৺গোলোক কান্ত বৰদলৈ এফ এ পৰিক্ষা দি আহি নগাৱঁত টাইফড জ্বৰত ঢুকায়। ইয়াৰ দুমাহমানৰ পিছতেই ধুবুৰিলৈ বদলি হওঁ। ১৯১৩ খৃঃ পৰ্য্যন্ত ধুবৰীত। ১৯১৩ খৃষ্টাব্দৰ শেহত চুটী লই ডিব্ৰুলৈ আঁহো। আৰু ১৯১৪ খৃষ্টাব্দত ডিবৰুগড়তে কামত হাজিৰ কৰে। ডিবৰুত লেখোঁ:—

১৯। নগৰ সংকীৰ্ত্তন— ১৯১৪ খৃঃত ডিবৰুগড়ত—৭ম বছৰৰ আলোচনীত ছপা হৈছিল।

২০। পুৰী ভ্ৰমণ—১৯১৪ খৃঃ ত ডিবৰুগড়ত—৫ম বছৰৰ আলোচনীত ছপা হৈছিল। ধুবৰীত থাকোতেই ১৯১২ খৃঃ ত পুৰীলৈ গৈছিলোঁ।

১৯১৭ খৃষ্টাব্দত চকুৰ বেমাৰত ডাৱেবেটিছত চুটী লও আৰু ১৯১৮ খৃষ্টাব্দৰ ফেব্ৰুৱাৰী মাহৰ পৰা পেঞ্চণ লওঁ। পেঞ্চণ লই উঠি লেখোঁ আৰু ছপোৱাও—

২১। দেব দামোদৰ আৰু হিন্দু ধৰ্ম্ম—১৯২০ খৃঃ ত ডিব্ৰুগড়—এটা বক্তৃতা দি তাৰ পিছত ছপোৱাও মহেন্দ্ৰ ভট্টাচাৰ্য্যৰ তাত অলপ সংখ্যক থাকিব পায়।

২২। গোলাঘাটৰ তৃতীয়া সন্মিলনত দিয়া বক্তৃতা—১৯২৫ খৃঃ ডিব্ৰুগড়ত লেখো। তেওঁ-বিলাকে ছপা কৰিছে।

২৩। ৰাধাৰুক্মিণীৰ ৰণ উপন্যাস—১৯২৫ খৃঃ ঐ ডিব্ৰুগড়ত—অসম হিতৈষীত ছপা হৈছিল।

২৪। নগাওঁত সাহিত্য সভাত দিয়া বক্তৃতা— ১৯২৫ খৃঃ— ছপা হৈছিল।

( ৪২ পৃষ্ঠাত চাওক )



# বেদ আৰু তাৰ শাখাসমূহ

[ সংক্ষিপ্ত পৰিচয় ]

যোগীৰাজ বসু

"প্ৰত্যক্ষেণানুমিত্যা বা যস্তুপায়ো ন বিদ্যতে।
এনং বিদন্তি বেদেন তস্মাদ্ বেদস্য বেদতা॥"

যাজ্ঞবল্ক্যৰ এই কথাৰ পৰাই বুজিব পাৰি যে প্ৰত্যক্ষ বা অনুমানৰদ্বাৰা যি জ্ঞান লাভ কৰাৰ কোনো উপায় নাই সেই অতীন্দ্ৰিয়জ্ঞান লাভ কৰা শাস্ত্ৰকেই বেদৰূপে অভিহিত কৰা হয়। সংস্কৃত বিদ্ ধাতুত অচ্ প্ৰত্যয় যুক্ত হৈ 'বেদ'ৰ নিষ্পন্ন, ইয়াৰ তাৎপৰ্য হল জ্ঞান, পৰমজ্ঞান। বেদ ধৰ্মতত্ত্ব আৰু ব্ৰহ্মতত্ত্ব প্ৰতিপাদক অপৌৰুষেয় শ্ৰুতিপ্ৰবচন: 'ধৰ্মব্ৰহ্মণী বেদৈক বেদ্যে।' মনুৰ ভাষাত 'বেদোঽখিলো ধৰ্মমূলম্'।

শ্ৰুতি ত্ৰয়ীবিদ্যা বা ত্ৰয়ী, আগম্, ছন্দস্ আদি বেদৰেই প্ৰচলিত কেইটামান প্ৰতিশব্দ। বৈদিক সম্প্ৰদায়ৰ মাজত আচাৰ্য, শিষ্য, প্ৰশিষ্য; প্ৰশিষ্যৰ শিষ্য পৰম্পৰা পৰমজ্ঞানৰ অক্ষয় ভাণ্ডাৰ বেদ শ্ৰুতিৰদ্বাৰা ৰক্ষিত হৈছিল বাবে তাৰ এটা নাম শ্ৰুতি। পাণিনিয়ে প্ৰথম 'ছন্দঃ' বা 'ছন্দস্" সংজ্ঞাৰদ্বাৰা 'বেদ' আৰু 'ভাষা' সংজ্ঞাৰদ্বাৰা লৌকিক সংস্কৃতৰ কথা নিৰ্দেশ কৰি গৈছে।

ত্ৰয়ী বা ত্ৰয়ীবিদ্যা প্ৰচলিত মতানুসৰি ঋগ্বেদ, সামবেদ আৰু যজুৰ্বেদৰ ক্ষেত্ৰত একেলগে প্ৰয়োগ কৰা হয়। এই সিদ্ধান্তত নানা তৰ্ক আছে যদিও পূৰ্বমীমাংসা দৰ্শন ৰচয়িতা জৈমিনি ঋষিৰ মন্তব্য বিশেষ প্ৰণিধানযোগ্য। তেওঁ ঋক্, সাম আৰু যজুঃ এই তিনি প্ৰকাৰৰ নিম্নলিখিত লক্ষণ নিৰ্দেশ কৰি গৈছে: 'তেষাম ঋক্ যত্ৰ অৰ্থবশেন পাদব্যৱস্থা'

'গীতিষু সামাখ্যা।'

'শেষে যজুঃ শব্দঃ।'

অথৰ্ববেদক বহুতে যজ্ঞৰ লগত কোনো সম্পৰ্ক নাই বুলি আন তিনিবেদৰ সমান মৰ্যাদা দিব নোখোজে। তেনে তৰ্কত ঋক্বেদৰ পুৰুষ-

সূক্তৰ তলৰ ঋক্‌টোৰ দ্বাৰা ঋক্‌বেদৰ প্ৰকাশ কালত অথৰ্ববেদৰ অস্তিত্বৰ প্ৰমাণ দিব খোজে :

"তস্মাদ্ যজ্ঞাৎ সৰ্বহুতঃ ঋচঃ সামানি জজ্ঞিৰে।
ছন্দাংসি জজ্ঞিৰে তস্মাদ্ যজুস্তস্মাদজায়তঃ ॥" (১)

বিৰাট পুৰুষকৃত আদি যজ্ঞৰপৰা ঋক্‌সকল সামসকল, ছান্দোৰাজি আৰু যজুঃ উৎপন্ন হৈছিল। এই ব্যাখ্যালৈ নগৈও কব পাৰি যে বেদৰ আভ্যন্তৰীণ প্ৰমাণৰপৰাই অথৰ্ববেদৰ প্ৰাচীনত্ব প্ৰতিপন্ন হব পাৰে। বেদত অথৰ্ববেদৰ অথৰ্বণ নামৰ ঋষিৰ আৰু পুৰোহিতৰ উল্লেখ আছে। এই 'অথৰ্বণ' পুৰোহিতেই পাৰ্চী ধৰ্মগ্ৰন্থ 'জেন্দ-আৱস্থা'ৰ 'অথ্ৰবণ'। উপনিষদসমূহো বেদৰ অন্তৰ্ভুক্ত। সামবেদৰ ছান্দোগ্যোপনিষদৰ ৭ম প্ৰপাধিকাৰ ১ম অধ্যায়ত নাৰদে সনৎকুমাৰৰ সংবাদ লিপিবদ্ধ কৰি গৈছে; তাত ঋক্ যজুঃ সাম আৰু অথৰ্ব চাৰিবেদৰ উল্লেখ আছে। 'ঋগ্বেদং ভগবোঽধ্যেমি যজুৰ্বেদং সামবেদম্ অথৰ্বাণমিতিহাসপুৰাণম্......' ইত্যাদি শ্ৰুতি-বচন দ্ৰষ্টব্য। শুক্লযজুৰ বৃহদাৰণ্যকোপনিষদতো তিনিবাৰ অথৰ্ববেদৰ উল্লেখ আছে: "অস্য মহতো ভূতস্য নিঃশ্বাসতমেতৎ ঋগ্বেদো যজুৰ্বেদঃ সামবেদঃ অথৰ্বাঙ্গিৰসঃ" (২) "সেই পৰমপুৰুষৰ নিঃশ্বাস এই ঋক্‌বেদ যজুৰ্বেদ সামবেদ আৰু অথৰ্ববেদ।" থূলমূলভাৱে এয়ে বেদৰ সংজ্ঞা।

## বেদৰ শাখা

অতি প্ৰাচীন কালৰপৰা যুগ যুগ ধৰি গুৰুশিষ্য পৰম্পৰাই মুখে মুখে বেদবিদ্যা বিধৃত হৈ আহিছে। এই কথা অত্যন্ত স্বাভাৱিক আৰু সহজবোধ্য যে যুগ যুগ ধৰি গুৰু-শিষ্য-প্ৰশিষ্য পৰম্পৰায় প্ৰচলিত এই বিশাল শাস্ত্ৰৰ আবৃত্তিভঙ্গীত, পাঠৰীতিত, উচ্চাৰণত আৰু বিনিয়োগত দেশ আৰু কালভেদে পাৰ্থক্য আৰু স্বতন্ত্ৰতাই দেখা দিছে। এইদৰে দেশভেদে আৰু কালভেদে প্ৰত্যেক বেদৰ আবৃত্তি, উচ্চাৰণ, গান প্ৰভৃতিৰ ৰীতিত বহুখিনি পাৰ্থক্যৰ সৃষ্টি হয়। এই পৃথক পৃথক শৈলী, ভিন্ ভিন্ ৰীতি বা স্বতন্ত্ৰতাই বেদৰ বিভিন্ন শাখাৰ উৎপত্তিৰ বীজ স্বৰূপ।

'শিষ্যৈঃ প্ৰশিষ্যৈস্তচ্ছিষ্যৈৰ্বেদাস্তে শাখিনোঽভৱন্।' (১) গুৰু, শিষ্যৰ শিষ্য বা প্ৰশিষ্য, আকৌ প্ৰশিষ্যৰ শিষ্য, এইদৰে ধাৰাবাহিকভাৱে চলি অহাঁতে চতুৰ্বেদৰ ভিন্ ভিন্ শাখাৰ সৃষ্টি হয়।

পুৰাণত বেদৰ ভালেমান শাখাৰ উল্লেখ পোৱা যায়। বিশেষকৈ বিষ্ণুপুৰাণ (৩।৪।১৬ৰ পৰা ৩।৪।২৫), ভাগৱতপুৰাণ (১।৪।২৩ৰ পৰা ১।১২।৬) আৰু কূৰ্মপুৰাণত (১।৫১) বেদৰ শাখাৰ তালিকা পোৱা যায়। ঋগ্‌বেদৰ একৈশটা, যজুৰ্বেদৰ এশটা, সামবেদৰ এহাজাৰটা আৰু অথৰ্ববেদৰ নটা শাখাৰ উল্লেখ আছে। এখন পুৰাণৰ বচন উদ্ধৃত কৰিলেই হ'ব।

"একবিংশতিভেদেন ঋগবেদং কৃতবান পুৰা।
শাখানাং তু শতেনাথ যজুৰ্বেদমথাকৰোৎ॥
সামবেদং সহস্ৰেন শাখানাং চ বিভেদতঃ।
অথৰ্বাণং বেদং বিভেদ নবকেন তু ॥(২)

(১) ঋক্ সংহিতা ১০।৯।৯ দ্ৰষ্টব্য
(২) বৃহদাৰণ্যকোপনিষদ ২।৪।১০, ৪।১।২, ৪।৫।১১ দ্ৰষ্টব্য
(১) শ্ৰীমদ্ভাগৱত : ১-৪-২৩।
(২) কূৰ্মপুৰাণ : ৪০শ অধ্যায়।



মহাভাষ্যকাৰ পতঞ্জলিয়ে তেওঁৰ 'পস্পশ' নামক মহাভাষ্যৰ ভূমিকা বা অৱতৰণিকা অংশত কৈছে, "একবিংশতিধা বহ্বৃচম্; একশতমধ্বৰ্যুশাখাঃ, সহস্ৰবৰ্ত্মা সামবেদঃ" অৰ্থাৎ ঋগ্‌বেদৰ শাখা, একৈশটা, যজুৰ্বেদৰ শাখা এশটা আৰু সামবেদৰ শাখা এহাজাৰটা। দুৰ্গাচাৰ্যই নিৰুক্ত নামক বেদাঙ্গৰ বৃত্তি ৰচনা কৰিছে। তেৱোঁ তেওঁৰ নিৰুক্তবৃত্তিত চাৰিবেদৰ উপৰোক্ত শাখাসংখ্যাকে সমৰ্থন কৰি গৈছে :

'একবিংশতিধা বাহ্বৃচাম্। একশতধা আধ্বৰ্যৱম্। সহস্ৰধা সামবেদম্। নৱধা আথৰ্বণম্।'

## ঋগ্‌বেদৰ শাখা

ঋগ্‌বেদৰ শাখাৰ সংখ্যা সম্বন্ধে মতভেদ দেখিবলৈ পোৱা যায়। ভৰ্তৃহৰিয়ে তেওঁৰ "বাক্যপদীয়" নামক প্ৰখ্যাত গ্ৰন্থত পোন্ধৰটা শাখাৰ আৰু পতঞ্জলিয়ে মহাভাষ্যত একৈশটা শাখাৰ উল্লেখ কৰিছে। স্কন্দপুৰাণ আৰু আনন্দসংহিতাৰ বচন উদ্ধাৰ কৰি অনুভাষ্যত (১।১।১) চৌব্বিশটা ঋক্ শাখাৰ উল্লেখ আছে। তৈত্তিৰীয় প্ৰাতিশাখ্যত, পাণিনিসূত্ৰ অৱলম্বনত ৰচিত কাশিকাবৃত্তি গ্ৰন্থত আৰু কল্পসূত্ৰত ত্ৰিশতকৈও বেছি ঋক্‌শাখাৰ নাম পোৱা যায়। যেনে—শাকল, মুদ্গল, গালৱ, শালীয়, বাৎস্য, শৈশিৰি, বাস্কল, বৌধ্য, অগ্নিমাঠৰ, পাৰাশৰ, জাতূকৰ্ণ্য, আশ্বলায়ন, শাংখ্যায়ন, কৌষীতকি, মহাকৌষীতকি, শাম্বব্য, মাণ্ডূকেয়, বহ্বৃচ, পৈঙ্গ্য, উদ্দালক, গোতম, শতবলাক্ষ, গৌল্মিক, ভাৰদ্বাজ, ঐতৰেয়, বসিষ্ঠ, সুলভ, শৌনক, আশ্মৰথ্য, কাশ্যপ, কাৰ্মন্দ, কাৰ্শাশ্ব, ক্ৰৌড় আৰু কাঙ্কত; সৰ্বমোট এই চৌত্ৰিশটা শাখা।

সম্প্ৰতি বেদৰ এইবিলাক শাখাৰ অধিকাংশই পৃথিৱীৰ পৰা লুপ্ত হৈছে। বৰ্তমান মাত্ৰ কেইটামান শাখা পোৱা যায়। শৌনক ঋষি প্ৰণীত 'চৰণব্যূহ' নামক প্ৰখ্যাত গ্ৰন্থত বেদৰ শাখাৰ সংখ্যা লিপিবদ্ধ আছে তাত ঋগ্‌বেদৰ মাত্ৰ পাঁচটা শাখাৰহে নাম পোৱা যায়। যেনে—শাকল, বাস্কল, আশ্বলায়ন, শাংখ্যায়ন আৰু মাণ্ডুক। শাখাৰ সৃষ্টিকৰ্তা ঋষিজনৰ নামানুসৰি ওপৰোক্ত শাখাসমূহৰ নামকৰণ হৈছে। যেনে, শাকল ঋষি যি শাখাৰ প্ৰবৰ্তক, তাৰ নাম শাকলশাখা। শাকল নামক ঋষিয়েই প্ৰথমে ঋক্‌সংহিতা অধ্যয়ন কৰিছিল; তাৰ পাছত বাস্কল, আশ্বলায়নাদি আন চাৰিজনে অধ্যয়ন কৰিছিল আৰু তেওঁলোকৰ প্ৰত্যেকৰ ভিন্ ভিন্ অধ্যয়নশৈলীৰ একো একোটা শাখাৰ উৎপত্তি হয়। ঋক্ প্ৰাতিশাখ্য গ্ৰন্থত এই কথাৰ উল্লেখ মন কৰিবলগীয়া। 'প্ৰতিশাখা' শব্দৰ পৰা 'প্ৰাতিশাখ্য' শব্দৰ উদ্ভৱ আৰু বিকাশ। শৌনককৃত ঋক্ প্ৰাতিশাখ্যত ঋগ্‌বেদৰ শাখাৰ উৎপত্তি এইদৰে বৰ্ণিত হৈছে :

'ঋচাং সমূহঃ ঋগ্‌বেদস্তমভ্যস্য প্ৰযত্নতঃ।
পঠিতঃ শাকলেনাদৌ চতুৰ্ভিস্তদনন্তৰম্ ॥
শাংখ্যাশ্বলায়নৌ চৈৱ মাণ্ডুকো বাস্কলস্তথা।
বহ্বৃচাং ঋচয়ঃ সৰ্বে পঞ্চৈতে একবেদিনঃ ॥"

অৰ্থাৎ ঋক্‌সমূহৰ সমষ্টি ঋগ্‌বেদ। সৰ্বপ্ৰথম শাকল মুনিয়ে এই বেদ প্ৰযত্নসহকাৰে অধ্যয়ন

কৰে ; তাৰ পাছত শাংখ্যায়ন, আশ্বলায়ন, মাণ্ডুক আৰু বাস্কল নামে আন চাৰিজন মুনিয়ে ইয়াক অধ্যয়ন কৰে। এই পাঁচজন একে বেদৰ অৰ্থাৎ ঋগ্‌বেদীয় ঋষি।

## সামবেদৰ শাখা

বিষ্ণুপুৰাণত ( ৩।৬ ) সামবেদৰ শাখা সম্বন্ধে নিম্নলিখিত বৰ্ণনা পোৱা যায়। ব্যাসদেৱৰ ওচৰত সামবেদ শিক্ষা কৰি তেওঁৰ শিষ্য জৈমিনি, সুমন্ত আৰু সুকৰ্মাই তেওঁলোকৰ শিষ্যবৰ্গক অধ্যাপনা কৰিছিল। জৈমিনিৰ পুত্ৰ সুকৰ্মাৰ শিষ্য আছিল তিনিজন। তেওঁলোকেই হ'ল কৌশল্য, হিৰণ্যনাভ আৰু পৌষ্পিঞ্জ। এই হিৰণ্যনাভৰ আকৌ 'উদীচ্যসামগ' নামে আছিল পোন্ধৰজন শিষ্য। তাৰ ভিতৰত কৃতি নামক মুনিৰ চৌব্বিশজন ছাত্ৰই সামবেদৰ অনেক শাখা প্ৰচাৰ কৰিছিল। পৌষ্পিঞ্জৰ লোকাক্ষি, কুথুমি, কুসীদি আৰু লাঙ্গলি নামে তিনিজন শিষ্য আছিল। এইদৰে শিষ্যৰ নামানুসৰি সামবেদৰো ভালেমান শাখাৰ উৎপত্তি হয়। বিষ্ণুপুৰাণতো সামবেদৰ সহস্ৰশাখাৰ উল্লেখ আছে। তদুপৰি পতঞ্জলিৰ মহাভাষ্য প্ৰভৃতি গ্ৰন্থতো সামবেদৰ সহস্ৰ শাখাৰ উল্লেখ আছে ; আকৌ 'দিব্যাবদান' গ্ৰন্থত এহাজাৰ আশীটা শাখাৰ স্পষ্ট ভাৱে উল্লেখ আছে। পাঠভেদৰ পৰাও গানৰ সুৰৰ প্ৰকাৰভেদ বেছি হয় আৰু অতি সহজে ই সকলোৰে জনজাত হৈ পৰে। সামবেদৰ প্ৰাণ হৈছে গান। এইবাবেই সামবেদৰ ক্ষেত্ৰত ইমান বেছিসংখ্যক শাখাৰ উৎপত্তি হৈছিল বুলি ধাৰণা হয়।



চৰণব্যূহ গ্ৰন্থত সামবেদৰ সাতটা মুখ্য শাখাৰ উল্লেখ আছে। যেনে—ৰাণায়ণীয়, শাট্যমুগ্ৰ, কলাপ, মহাকলাপ, শাৰ্দুল, লাঙ্গলায়ন আৰু কৌথুম। কৌথুম শাখাৰ আকৌ প্ৰশাখা আছে পাঁচটা। যেনে—আসুৰায়ণ, বাতায়ন, প্ৰাঞ্জলিদ্বৈতভৃৎ, প্ৰাচীনাযোগ্য আৰু নৈগেয়।

উপৰোক্ত সামবেদৰ বিবিধ শাখাৰ ভিতৰত বৰ্তমান মাত্ৰ তিনিটা শাখাহে পোৱা যায়। সিহঁতেই হৈছে কৌথুম, জৈমিনীয় আৰু ৰাণায়ণীয়। তাৰ ভিতৰত কৌথুমশাখা বঙ্গদেশ আৰু গুজৰাটত, জৈমিনীয় শাখা কৰ্ণাট দেশত আৰু ৰাণায়ণীয় শাখা মহাৰাষ্ট্ৰত প্ৰচলিত। গুজৰাটৰ শ্ৰীমালী আৰু নাগৰ ব্ৰাহ্মণসকলৰ ভিতৰত কৌথুমশাখাৰ প্ৰচলন দেখিবলৈ পোৱা যায়।

আচাৰ্য সত্যব্ৰত সামশ্ৰমীয়ে কয় যে সামবেদৰ তেৰটা শাখাৰ নাম পোৱা গ'লেও উপৰোক্ত তিনিটা শাখাহে সম্প্ৰতি দেখিবলৈ পোৱা যায়। 'প্ৰপঞ্চ হৃদয়' গ্ৰন্থৰ মতে সামবেদৰ সমগ্ৰ শাখাৰ ভিতৰত মাত্ৰ বাৰটা শাখাৰহে অস্তিত্ব আছে। সামবেদৰ কৌথুম শাখাৰ ওপৰত সায়নাচাৰ্যই ভাষ্য ৰচনা কৰিছে। সামবেদৰ জৈমিনীয়শাখা মুদ্ৰিত হৈছে। কেলেণ্ডে ( Caland ) এই পুথি প্ৰণয়ন কৰি ছপাই উলিয়াইছে। কৰ্ণাটক দেশত ইয়াৰ প্ৰচাৰ মন কৰিবলগীয়া।

## যজুৰ্বেদৰ শাখা

স্কন্দপুৰাণ ব্ৰহ্মাণ্ডপুৰাণ, সূতসংহিতা ইত্যাদিৰ মতে যজুৰ্বেদৰ এশ সাতটা, মুক্তিকোপনিষদৰ মতে এশ ছয়টা আৰু পাতঞ্জল মহাভাষ্য অনুসাৰে এশটা শাখা আছিল। এই সংখ্যাবৈষম্যৰ পৰা সহজে বুজিব পাৰি যে শাখাবিলাক ক্ৰমশঃ লোপ পাই আহিছে আৰু বিভিন্ন গ্ৰন্থকাৰসকলে তেওঁলোকৰ জীৱনকালত যিবিলাক শাখাৰ প্ৰচলন বা সন্ধান পাইছিল সেইবিলাকৰহে উল্লেখ কৰি গৈছে।

চৰণব্যূহ গ্ৰন্থত শৌনকে যজুৰ্বেদৰ ছিয়াশীটা শাখাৰ কথাহে কৈ গৈছে ; কিন্তু সেই আটাইবোৰ নাম উল্লেখ কৰা নাই। তেওঁ কৃষ্ণযজুৰ্বেদৰ মাত্ৰ সাতাইশটা আৰু শুক্লযজুৰ্বেদৰ যোলটা শাখাৰ নাম উল্লেখ কৰিছে, অৰ্থাৎ সৰ্বমোট মাত্ৰ তিয়াল্লিশটা শাখাৰ নামহে চৰণব্যূহত পোৱা যায়।

কৃষ্ণযজুৰ্বেদৰ শাখা : চৰণব্যূহ আৰু বিষ্ণুপুৰাণ দুয়োখন গ্ৰন্থতে কৃষ্ণযজুঃ শাখাৰ সংখ্যা সাতাইশটা। বিষ্ণুপুৰাণত ( ৩।৫ ) কৃষ্ণযজুঃশাখাৰ সাতাইশটা আৰু কৃষ্ণযজুঃশাখাৰ পোন্ধৰটা শাখাৰ উল্লেখ আছে। কৃষ্ণযজুঃশাখাৰ ভিতৰত পোৱা নামবিলাক হ'ল— চৰক, কঠ, প্ৰাচ্যকঠ, কপিষ্ঠলকঠ, আহ্বৰক, আহ্বৰক, চাৰায়নীয়, বাৰ্তান্তবেয়, শ্বেতাশ্বতৰ, উপমন্যৱ, পাতাণ্ডনীয়, ঐন্দিনেয় আৰু মৈত্ৰায়নীয় এইকেইটা শাখা চৰক শাখাৰ অন্তৰ্গত। মানৱ, বাৰাহ, দুন্দুভ, ছাগলেয়, শ্যাম, শ্যামায়নীয় আৰু হাৰিদ্ৰবীয় এই শাখাসমূহ মৈত্ৰায়নীৰ অন্তৰ্গত। তৈত্তিৰীয় শাখাৰ পৰা ঔক্ষ্য বা ঔখীয় আৰু খাণ্ডিকেয় শাখা দুটা আহিছে। খাণ্ডিকীয় বা খাণ্ডিকেয় প্ৰশাখাৰ পৰা কালেয়, শাট্যায়নী, হৈৰণ্যকেশী, ভাৰদ্বাজী আৰু আপস্তম্বী শাখাৰ উৎপত্তি হৈছে। ইয়াৰ লগতে বৌধায়নী আৰু সত্যাষাঢ়ী নামে আৰু দুটা শাখাৰ কথা চৰণব্যূহৰ এটা সংস্কৰণত পোৱা যায়। পূৰ্বোক্ত হাৰিদ্ৰবীয় শাখাৰ পুৰাণত উল্লিখিত পাঁচটা প্ৰশাখা হ'ল— হাৰিদ্ৰব, আসুৰ, গাৰ্গ্য, শাৰ্কৰাক্ষ আৰু আশ্ৰসবীয়। এই হাৰিদ্ৰবীয় শাখাৰ পাঁচটা প্ৰশাখা বাদ দিলে কৃষ্ণযজুঃশাখাৰ সংখ্যা সাতাইশ হয়গৈ আৰু যদি প্ৰশাখা পাঁচটা ধৰা হয় তেতিয়াহলে বত্ৰিশ হয়গৈ। এইবিলাক শাখাৰ ভিতৰত বৰ্তমান আত্ৰেয়, কাঠক, আপস্তম্বীয় আৰু হাৰিদ্ৰবীয় এই চাৰিটা মাত্ৰ শাখাৰহে প্ৰচলন পোৱা যায়।

কঠ আৰু তাৰ প্ৰশাখা কপিষ্ঠল এসময়ত পাঞ্জাৱ আৰু কাশ্মীৰত প্ৰচলিত আছিল। কপিষ্ঠল এতিয়া দেখিবলৈ পোৱা নাযায় আৰু কঠশাখা এতিয়াও কাশ্মীৰত আছে। অনেকে কঠশাখাক যজুৰ্বেদৰ প্ৰাচীনতম শাখা বুলি ধাৰণা কৰে। কলাপ বা মৈত্ৰায়নীশাখাই বিন্ধ্য পৰ্বতৰ দক্ষিণত প্ৰসাৰলাভ কৰিছিল; এসময়ত ই মহাৰাষ্ট্ৰত প্ৰচলিত আছিল। এই দুই শাখাৰ ব্ৰাহ্মণসকল 'চৰকাধ্বৰ্যু' সংজ্ঞাৰে অভিহিত হৈছিল।

আপস্তম্বী আৰু হিৰণ্যকেশী প্ৰশাখাসহ তৈত্তিৰীয় শাখাৰ প্ৰভাৱ আৰু প্ৰচলন দাক্ষিণাত্যত দেখিবলৈ পোৱা যায়। দাক্ষিণাত্যৰ অধিকাংশ ব্ৰাহ্মণ তৈত্তিৰীয়শাখাৰ অন্তৰ্ভুক্ত।

মহাভাষ্যকাৰ পতঞ্জলিয়ে লিখি থৈ গৈছে যে তেওঁৰ সময়ত ( খৃষ্টপূৰ্ব দ্বিতীয় শতাব্দীত ) কৃষ্ণযজুৰ্বেদৰ চৰকশাখা সুপ্ৰচলিত আছিল ; গাঁৱে গাঁৱে ইয়াৰ অধ্যয়ন হৈছিল।

কোনো কোনো গ্ৰন্থকাৰৰ মতে কৃষ্ণযজুৰ্বেদৰ আলম্বিন, পালঙ্গিন, কামলায়িন, আৰ্চাভিন আৰু নিন, তাণ্ডিন, তুম্বৰু, বাৰায়নীয়, পৌষ্পিঞ্জি,

কৌণ্ডিণ্য, হাৰীত প্ৰভৃতি আৰু কেইটামান শাখা আছিল।

শুক্লযজুৰ্বেদৰ শাখা : চৰণব্যূহত শুক্লযজুৰ্বেদৰ ষোলটা শাখাৰ উল্লেখ আছে। যেনে— জাবালি, বৌধেয়, কাণ্ব, মাধ্যন্দিন, সাফেয়, তাপনীয়, কপালী, পৌণ্ড্ৰবৎস, আবটিক, পৰমাবটিক, পাৰাশৰীয়, বৈনেয়, ঔধেয়, গালব, বৈজৱ আৰু কাত্যায়নী। এই ষোলটা শাখাৰ ভিতৰত কেৱল কাণ্ব আৰু মাধ্যন্দিন শাখা দুটাহে পোৱা যায়। এই শাখা দুটা প্ৰথমে বিদেশত প্ৰচাৰিত হয় আৰু তাৰপৰা ক্ৰমে উত্তৰ, পূব আৰু পশ্চিম ভাৰতত প্ৰসাৰ লাভ কৰে। এই শাখাৰ শতপথ ব্ৰাহ্মণত বিদেহ আৰু মগধৰ উল্লেখ বহুবাৰ পোৱা যায় আৰু বিদেহৰাজ জনকৰ সভাত শতপথ ব্ৰাহ্মণৰ প্ৰবক্তা যতিশ্ৰেষ্ঠ বিদ্বৎশিৰোমণি যাজ্ঞবল্ক্যৰ আৰু অন্যান্য ঋষিৰ বিতৰ্কৰ উল্লেখ আমি পাওঁ। বৈদিক যুগত আৰ্যসকলে কেনেকৈ সিন্ধু-উপত্যকা বা সুবাস্তু জনপদৰপৰা গঙ্গা-যমুনা-বাহিত উপ-ত্যকালৈ নামি আহিছিল, বজাৰ আগে আগে কেনেকৈ তেওঁৰ পুৰোহিত গৌতমে পবিত্ৰ অগ্নি লৈ আহিছিল সেইকথা শতপথ ব্ৰাহ্মণত বৰ্ণিত হৈছে। গতিকে বিদেহ অঞ্চলত এই বেদৰ শাখাৰ প্ৰথম প্ৰচাৰ হোৱাটো অতি স্বাভাবিক। বঙ্গদেশৰ যজুৰ্বেদী ব্ৰাহ্মণৰ অধিকাংশই শুক্ল-যজুৰ্বেদী আৰু কাণ্বশাখাৱলম্বী। সায়নাচাৰ্যই শুক্লযজুৰ্বেদৰ কাণ্বশাখাৰ ভাষ্য প্ৰণয়ন কৰিছে। মাধ্যন্দিন নামটোৰ উৎপত্তি সম্বন্ধে দুটা মত প্ৰচলিত আছে। কোনো কোনোৱে কয় যে এই শাখাবিহিত শ্ৰৌতকৰ্ম ভৰ দুপৰীয়া অৰ্থাৎ দিনৰ মধ্যভাগত অনুষ্ঠিত হয় কাৰণেই এই শাখাৰ নাম হৈছে মাধ্যন্দিন। আন এদলৰ মতে যাজ্ঞবল্ক্যৰ শিষ্য মাধ্যন্দিনে এই শাখা অধ্যয়ন কৰিছিল কাৰণেই ইয়াৰ এই নাম।

যজুৰ্বেদৰ ব্ৰহ্মাণ্ডপুৰাণ আৰু স্কন্দপুৰাণত উল্লেখিত এশ সাত শাখা, পতঞ্জলি কথিত এশ শাখা বা চৰণব্যূহধৃত ছিয়াশী শাখাৰ ভিতৰত এতিয়া মাত্ৰ পাঁচটা শাখাহে দেখিবলৈ পোৱা যায়। তাৰ ভিতৰত তিনিটা শাখা কৃষ্ণযজুৰ্বেদৰ। যেনে— তৈত্তিৰীয়, মৈত্ৰায়নী আৰু কঠ আৰু শুক্লযজুৰ্বেদৰ দুটা শাখা, যেনে— মাধ্যন্দিন আৰু কাণ্ব। কোন কোন দেশত শুক্লযজুৰ্বেদৰ মাধ্যন্দিনী শাখাই বিস্তাৰ লাভ কৰিছিল সেই কথাৰ সন্ধেদ পোৱা যায় চৰণব্যূহত।

> ‘অঙ্গ বঙ্গ কলিঙ্গশ্চ কণিনোগুৰ্জ্জৰস্তথা।
> বাজসনেয়ী শাখা চ মাধ্যন্দিনী প্ৰতিষ্ঠিতা॥’

অৰ্থাৎ মাধ্যন্দিনী বাজসনেয়ী শাখাই অঙ্গ, বঙ্গ, কলিঙ্গ, কান্যকুব্জ আৰু গুৰ্জৰ দেশত বিস্তাৰ লাভ কৰিছিল। কৃষ্ণযজুৰ্বেদ দক্ষিণ দেশত প্ৰচলিত আছিল। নৰ্মদা নদীক ভাৰতৰ মধ্যৰেখা হিচাপে লৈ এই উত্তৰ আৰু দক্ষিণ দেশ বিবেচিত হৈছে।

অথৰ্ববেদৰ শাখা সম্বন্ধে অন্যত্ৰ বিস্তাৰিত আলোচনা কৰা হৈছে। সম্প্ৰতি অথৰ্ববেদৰ নটা শাখাৰ ভিতৰত মাত্ৰ দুটা শাখাহে পোৱা যায়, শৌনকশাখা আৰু পিপ্পলাদ শাখা। অহিৰ্বুধ্ন্য সংহিতাত ( ১২,২০ ) অথৰ্ববেদৰ পাঁচটা শাখাৰ উল্লেখ আছে। কিন্তু অধিক সংখ্যক গ্ৰন্থতে নটা শাখাৰ উল্লেখ পোৱা যায়। বৰ্তমান ভাৰতত অ'ত ত'ত নামমাত্ৰৰূপে প্ৰচলিত অথৰ্ববেদৰ কুৰিটা শাখাৰ নাম পোৱা যায় যেনে— পিপ্পলাদ শৌনক, তোদ, মোদ, জাজল, জলদ, ব্ৰহ্মবেদ, দেবদৰ্শ, চাৰণবৈদ্য, দামোদ, তোত্তায়ন, জাবাল কুনখী, ব্ৰহ্মপলাশ, ত্ৰিখৰ্ব, তৈতিল, শৈখণ্ড, সৌকৰসদ্ম, শাঙ্গৰ্ৰৱ, অশ্বপেয় ইত্যাদি।

বেদৰ শাখা বুলিলে কি বুজায় সেই সম্বন্ধে আলোচনাৰ সূচনাতেই থূলমূলকৈ কোৱা হৈছে। বিদ্বৎসমাজত বহুতৰ বেদৰ শাখা সম্বন্ধে এটা ভুল ধাৰণা আছে। ভালেমান পণ্ডিতে ভাৱে আৰু সেই মৰ্মে লিখিও গৈছে যে মূল সংহিতা গ্ৰন্থ শাখাভেদে সম্পূৰ্ণ পৃথক হৈ যায় অৰ্থাৎ এখন বেদৰ যিমানবিলাক শাখা আছে মূল সংহিতা সিমানবিলাক পৃথক পৃথক ৰূপত পৰিৱৰ্তিত হৈছে। যেনে— ঋগ্বেদৰ যি একৈশটা শাখা আছিল বা যি পাঁচটা শাখা বৰ্তমান পোৱা যায় তাৰ অৰ্থ এয়ে যে মূল ঋক্‌সংহিতা একৈশখন বা পাঁচটা সম্পূৰ্ণ পৃথক পৃথক ৰূপত পৰিণত হয়। তেওঁলোকে ভাৱে যে একো একোটা শাখা সেইবেদৰ একো একোটা সম্পূৰ্ণ নতুন ৰূপায়ণ, এটা আনটোৰ পৰা পৃথক, সম্পূৰ্ণ স্বতন্ত্ৰ। যিমানবিলাক শাখা আছে সংহিতাও সিমান; শাখাৰ বহুত্ব সংহিতাৰ বহুত্বৰ কাৰণ অৰ্থাৎ যিমান শাখা সিমান সংহিতা। এই ধাৰণা সম্পূৰ্ণ ভ্ৰান্ত। আচলতে শাখাভেদে সংহিতাৰ ভেদ নহয়। এখন সংহিতাৰ ভালেমান শাখা থাকিলেও মূল সংহিতাৰ আক্ষৰিক ৰূপ এটা আৰু সি অবিকৃতৰূপেই থাকে। সেইকাৰণেই কোনো এখন বেদৰ যি কোনো এটা শাখা অধ্যয়ন কৰিলেই সেইবেদৰ অধ্যয়ন হৈ যায়। উদাহৰণ স্বৰূপে ঋকসংহিতাৰ শাকল, বাস্কল বা আশ্বলায়ন যি কোনো এটা শাখা অধ্যয়ন কৰিলেই সি ঋক্‌সংহিতাৰ অধ্যয়ন বুলি গণ্য হব। এখন সংহিতাৰ সকলো শাখা অধ্যয়ন কৰিলে সেই অধ্যয়নসমষ্টি সংহিতাৰ অধ্যয়নৰ সমান বুলি যদি কোনোবাই ভাৱে তেনেহলে ভুল কৰা হব। ভিন্ ভিন্ শাখাৰ উৎপত্তিৰ কাৰণ আলোচনা কৰিলেই এইকথা স্পষ্ট হৈ পৰে যে অধ্যয়নৰ আবৃত্তিৰ, উচ্চাৰণৰ নানা প্ৰকাৰ ভেদেই শাখাভেদৰ কাৰণ, সংহিতাভেদ শাখাভেদৰ কাৰণ নহয়। বেদবিদ্যানিষ্ণাত আচাৰ্য সত্যব্ৰত সামশ্ৰমীয়ে তেওঁৰ দ্বাৰা প্ৰণীত ঐতৰেয় ব্ৰাহ্মণৰ ‘ঐতৰেয়া-লোচন’ নামক পাণ্ডিত্যপূৰ্ণ সুদীৰ্ঘ ভূমিকাত শাখা সম্বন্ধে এইভাৱে কৈ গৈছে; ‘অধ্যয়নভেদ এৱ শাখাভেদনিদানং ন তু গ্ৰন্থভেদ ইতি। একৈক বেদস্য অনেক শাখাত্বেঽপি তাত্ত্বিক-ভেদাভাৱাৎ’, অৰ্থাৎ অধ্যয়নভেদেই শাখাভেদৰ কাৰণ, মূলগ্ৰন্থভেদ শাখাভেদৰ কাৰণ নহয়। একো একোখন বেদৰ বহুতো শাখা থকা সত্ত্বেও মূল গ্ৰন্থৰ ভেদ নহয়।’ ঋগ্বেদ, যজুৰ্বেদ আৰু অথৰ্ববেদৰ ক্ষেত্ৰত অধ্যয়নৰীতিৰ ভেদ ভিন্ ভিন্ শাখাৰ উৎপত্তিবীজ আৰু সামবেদৰ ক্ষেত্ৰত ভিন্ ভিন্ শাখাৰ অৰ্থ ভিন্ ভিন্ সামগানৰ প্ৰকাৰ বা ৰীতি। সামবেদৰ সহস্ৰ শাখাৰ অৰ্থ সামগানৰ সহস্ৰ বা অসংখ্য প্ৰকাৰ। বেদভাষ্য ভূমিকাত স্বামী দয়ানন্দ সৰস্বতীৰ উক্তি অনুধাবনীয়, ‘সহস্ৰবৰ্ত্মা সামবেদ ইত্যস্য সহস্ৰং

গাত্যুপায়া ইতি ভাৱ:।' অথাৎ সামবেদৰ সহস্ৰশাখাৰ অৰ্থ হ'ল সামগানৰ সহস্ৰ প্ৰকাৰ। গুৰু-শিষ্য-প্ৰশিষ্য পৰম্পৰায় যুগ যুগ ধৰি বেদ শ্ৰুতিৰ দ্বাৰা ধৃত হৈ আহিছিল কাৰণে কালভেদ, দেশভেদ, ব্যক্তিভেদ আৰু উচ্চাৰণভেদজনিত ভিন্ ভিন্ শাখাৰ উৎপত্তি স্বাভাবিক।

বেদৰ প্ৰখ্যাত ভাষ্যকাৰ সায়নাচাৰ্যই ঋক্, যজুঃ প্ৰভৃতি বেদৰ প্ৰত্যেক শাখাৰ পৃথক পৃথক ভাষ্য ৰচনা কৰা নাই ; মাত্ৰ একো একোটা শাখা-ধৃত গ্ৰন্থৰ ভাষ্যহে প্ৰণয়ন কৰি গৈছে, অথচ সেই বেদৰ ভাষ্যকাৰ ৰূপেহে তেওঁ পৰিচিত। উদাহৰণ স্বৰূপে, শুক্লযজুৰ্বেদৰ কাণ্ব আৰু মাধ্যন্দিন এই দুটা শাখাৰ ভিতৰত তেওঁ কেৱল কাণ্ব শাখাৰ ভাষ্য ৰচনা কৰিছে ; কিন্তু তেওঁ শুক্লযজুৰ্বেদৰ ভাষ্যকাৰ বুলিয়েই পৰিচিত। শাখা-ভেদে গ্ৰন্থভেদ নহয় বুলিয়েই মাত্ৰ এটা শাখাধৃত গ্ৰন্থৰ ভাষ্য প্ৰণয়ন কৰিলেই সেই বেদৰ ভাষ্য প্ৰণয়ন কৰা হয়। এইদৰে সামবেদৰ অনেক শাখাৰ ভিতৰত সায়নে কেৱল কৌথুম শাখাৰ ভাষ্য ৰচনা কৰাতেই সামবেদৰ ভাষ্য ৰচনা কৰা হ'ল।

শাখাভেদৰ নিদান যে অধ্যয়নভেদ এইকথা প্ৰমাণিত হ'ল। এই অধ্যয়নভেদ বুলিলে পাৰায়ণৰ, উচ্চাৰণৰ, স্বৰৰ, সুৰৰ, জিহ্বাচালনা আৰু আঙুলিচালনাৰ পৃথক্ পৃথক্ ৰীতিক বুজায়। উদাহৰণৰ দ্বাৰা বিষয়টো সুস্পষ্ট কৰিব পৰা যায়। শুক্লযজুৰ্বেদৰ ব্ৰাহ্মণৰ নাম শতপথব্ৰাহ্মণ। তাৰ কাণ্ব আৰু মাধ্যন্দিন নামে দুটা শাখা আছে। মাধ্যন্দিন শাখাত অন্তস্থ 'য'ৰ উচ্চাৰণ বৰ্গীয় 'জ'ৰ নিচিনাকৈ আৰু 'ষ'ৰ উচ্চাৰণ 'খ'ৰ নিচিনাকৈ কৰিব লাগে ; কোনো পদৰ প্ৰথম বৰ্ণ 'ৱ'কাৰ হ'লে লিখাত বা উচ্চাৰণত সেই 'ৱ'কাৰৰ দ্বিত্ব হয়। বিসৰ্গ উচ্চাৰণৰ সময়ত আঙুলিসঞ্চালন নিষিদ্ধ। এই মাধ্যন্দিন শাখাত কেৱল দুটা স্বৰহে প্ৰয়োগ দেখিবলৈ পোৱা যায়। সেয়েই হ'ল উদাত্ত আৰু অনুদাত্ত স্বৰ, আনহাতে স্বৰিতৰ প্ৰয়োগ তাত একেবাৰেই নাই।*

*বাংলা ভাষাত যুগুত কৰা লিখকৰ এই প্ৰবন্ধটো অসমীয়ালৈ অনুবাদ কৰিছে—শ্ৰীভৱ প্ৰসাদ চলিহাই।



# ৰাভাৰ ঝাকুৱা গীত

## [ এটি পৰিচয় ]

সমৰ সিং ৰাভা

দুৰ্গাদেৱীক নানাপ্ৰকাৰে পূজা কৰাৰ উদাহৰণ পোৱা যায়। শক্তিপূজাৰ প্ৰচলন আজিৰ নহয়, ই বেদ-পুৰাণ-ভাগৱতৰ কালৰ পৰাই বিভিন্ন সমাজত বেলেগ বেলেগ ধৰণে প্ৰচলিত হৈ আহিছে। দুৰ্গাদেৱীৰ আখ্যানমূলক বিৱৰণ কালিকা পুৰাণ আৰু ভাগৱতত বহলাই বৰ্ণনা কৰা আছে।

দুৰ্গাদেৱীৰ পূজা-অৰ্চনা ভাৰতৰ প্ৰত্যেক হিন্দু সমাজত কম-বেছি পৰিমাণে বিস্তৃতি লাভ কৰিছে। কছাৰীবিলাকৰ সিজু বা 'বুঢ়া বাথৌ'ত মহাদেৱৰ পূজা কৰা হয় যদিও, লগতে মহাদেৱৰ অৰ্দ্ধাঙ্গিনী পাৰ্বতীকো অৰ্চনা কৰা হয়। ৰাভা-সকলৰ 'হায় মাৰং' বা ঝাকুৱা গীত নামেৰে দুৰ্গাদেৱীৰ অৰ্চনামূলক একৰকম দীঘলীয়া কাহিনীৰ গীত শুনিবলৈ পোৱা যায়। এই গীতত দুৰ্গা-দেৱীক দুৰ্গতিনাশিনী, শান্তিদায়িনী, মায়াবিনী আদি অতুলনীয় শক্তিৰ অধিষ্ঠাত্ৰী দেৱীৰূপে বৰ্ণনা কৰা হৈছে।

হিন্দু শাস্ত্ৰমতে, দুৰ্গাদেৱী তামসিক আৰু ৰাজসিক শক্তিৰ কাৰ্য্য-প্ৰতিৰোধক এক দৈৱী শক্তি। সাত্বিক শক্তিৰে দেৱীয়ে এই আসুৰিক শক্তিক পৰাজিত কৰি ঐশ্বৰ্য্য, অহিংসা, সত্য, শোচ আদি গুণৰ প্ৰাবল্য ঘটাই ভৌতিক জগতত শান্তি প্ৰদান কৰি জগতৰ সকলো অপায়-অমঙ্গল দূৰ কৰে। এই দৈৱীশক্তি যেতিয়া সুপ্ত অৱস্থাত থাকে তেতিয়াই ৰাজসিক আৰু তামসিক শক্তিৰ দ্বাৰা উদ্বুদ্ধ হোৱা আসুৰিক শক্তিয়ে জগতত অপায়-অমঙ্গল, প্ৰাকৃতিক দুৰ্যোগ, প্ৰলয় আদি সৃষ্টি কৰে।

ৰাভাসকলৰ মতে, দেৱী হলেও দুৰ্গাদেৱী আসুৰিক শক্তিৰহিত নহয়। হিংসা ৰাগ-দ্বেষৰ বশৱৰ্তী হৈ দেৱী ভৌতিক জগতত অপায়-

অমঙ্গল, প্ৰাকৃতিক দুৰ্যোগ আদি সৃষ্টি কৰে। তেওঁলোকে বিশ্বাস কৰে যে, দুৰ্গাদেৱীয়ে পূজা খাবলৈ মন গলেই কোনো এজন মানুহৰ ওপৰত আক্ৰোশবশতঃ সেই মানুহজনৰ হাত-ভৰি বা চকু আদি বিকৃত কৰি থয়, নাইবা কাৰোবাক নৰিয়াত পেলাই থয়, নাইবা দেশত কোনো দুৰ্যোগৰ সৃষ্টি কৰে ; পিছত পূজা পালেই আঁতুৰক সকলো দুৰ্গতিৰ পৰা উদ্ধাৰ কৰি পুনৰ স্বাভাৱিক অৱস্থালৈ ফিৰাই আনে। ৰাভাৰ মতে, দুৰ্গাদেৱী এনেকৈয়ে অলপতে কষ্ট আৰু অলপতে তুষ্ট হয়। কেতিয়া কাৰ ওপৰত তেওঁৰ কোপদৃষ্টি পৰে বুজা টান।

ৰাভাৰ ঝাকুৰা গীতত মহাদেৱক 'লাঙা ৰজা' ৰূপে বৰ্ণনা কৰিছে। তেওঁৰ ক্ষমতা অপাৰ। পিছে দৈৱ-দুৰ্বিপাকত দেশত বতৰ থৰাং হৈ—অকাল হৈ—দুৰ্ভিক্ষই দেখা দিয়ে আৰু তাতে লাঙা ৰজাৰো ভাগ্যৰ বিপৰ্য্যয় ঘটে। তেওঁ নিজে খেতি কৰি দেশত শস্য উৎপাদন বৃদ্ধি কৰিবলৈ প্ৰচেষ্টা চলালেও অনাবৃষ্টিৰ ফলত সি ব্যৰ্থ হয়। উপায় নাপাই লাঙা ৰজাই ভিক্ষাৰ জোলোঙা লৈ জীৱন যাপন কৰিবলৈ লয়, কিন্তু পিছত জন-সাধাৰণৰ অপ্ৰীতিভাজন হৈ তেওঁ-বিলাকৰ কুটিল ব্যৱহাৰত শেষত নিঃসহায় অৱস্থাত মৃত্যু বৰণ কৰে। তেওঁৰেই ঘৈণীয়েক দুৰ্গাদেৱী। দুৰ্গাদেৱী অতি মায়াবিনী। পূজা নাপালে স্বয়ং লাঙা ৰজাও তেওঁৰ আশীৰ্বাদ লাভৰ পৰা বঞ্চিত হয়। পূজা নাপালে তেওঁৰ খং উঠে আৰু তাকে পাবলৈ কাৰোবাৰ গাত লম্ভি মানুহক নানা ধৰণে যন্ত্ৰণা দিয়ে। পিছত পূজা পালেই পীড়িত লোকৰ সকলো জ্বালা-যন্ত্ৰণা পানীহেনকৈ নিৰাময় কৰি দুৰ্গতি মোচন কৰে। দুৰ্গাদেৱীৰ একেটিমাত্ৰ পুতেক 'লাঙ্টা।' পিছত 'লাঙটা'ৰ হাতেৰেই আই গোসানী দুৰ্গাদেৱীয়ে পূজা আদায় কৰি পুতেকক পিতৃৰ ৰাজপাট খাবলৈ আশীৰ্বাদ দিয়ে।

কাহিনীৰ আগডোখৰে মহাভাৰতৰ কৃষক শঙ্কৰৰ আখ্যানলৈ আমাক মনত পেলাই দিয়ে। পিছৰ ডোখৰত মহাদেৱ-পাৰ্বতীৰ আখ্যানৰ সৈতে কোনো মিল নাই।

ঝাকুৰা গীত, কোনো অখ্যাত কবি-ৰচিত কাহিনীগীত। এজনৰ মুখৰপৰা আন এজনৰ মুখলৈ পুৰুষানুক্ৰমে যুগ-যুগান্তৰ ধৰি চলি আহিছে। ঝাকুৰা গীতত দুৰ্গাদেৱীৰ পূজাৰ বেদী কেনেকৈ সজোৱা হয়, কি কি উপচাৰেৰে পূজা কৰা হয়, আৰু পূজা খাই দেৱীয়ে কেনে পালে, ইত্যাদি বৰ্ণনামূলক নানা গীতৰ বৰ্তমান মাত্ৰ তিনি ফাকি মনোৰম গীত পোৱা যায়। ঝাকুৰা গীতৰ আখ্যানটি মুছলমান সকলৰ দেহতত্ত্বৰ গানত শোৱা কিৰ্‌চাৰ সমপৰ্য্যায়ৰ। তলত গীত তিনিফাকি তুলি দিয়া হ'ল:—

## ঝাকুৰা গীত

### ( ১ ) সুৰ :— একতালা

দিহা বা ঘোষা : ভিৰি ভিৰি গুৱা,
ভিৰি ভিৰি পাণ।
পদ : ধৰম জাতি ল তই আপোন থানে থান।
জগনা জাতি ল তই আপোন থানে থান॥
বুঢ়া লাঙা ল তই আপোন থানে থান।
নাৰণি মাৱ ল তই আপোন থানে থান॥
বিহলি মাৱ ল তই আপোন থানে থান।
চানাশ্বৰী বানাশ্বৰী ল তই আপোন
থানে থান॥
ৰূপৱালী ৰূপধুনি ল তই আপোন থানে থান।
চিটৱালী কাটৱালী ল তই আপোন
থানে থান॥
স্বপনি ঘৰে ল তই আপোন থানে থান।
আইদেৱী দুৰ্গাদেৱী ল তই আপোন
থানে থান॥
কবিৰা ৰাজা কবিৰা বাচ্ছা ল তই
আপোন থানে থান।
চূণবিৰা কালবিৰা ল তই আপোন
থানে থান॥
ঘৰ গোহানী হৰ গোহানী ল তই আপোন
থানে থান।
ঢালমাজি-হুলামাজি ল তই
আপোন থানে থান॥
স্বৰতি মাৱ ল তই আপোন থানে থান।
পূবে-পশ্চিম দেৱতা ল তই
আপোন থানে থান॥
উত্তৰ-দক্ষিণ দেৱতা ল তই আপোন
থানে থান।
আকাশ-পাতাল দেৱতা ল তই আপোন
থানে থান॥
বাৰগণ দেৱতা ল তই আপোন থানে থান।
সগলদেৱ-দেৱতা ল তই আপোন
থানে থান॥
এচ্‌কুতি তেচ্‌কুতি দেৱতা ল তই আপোন
থানে থান।
ভিৰি ভিৰি গুৱা ভিৰি ভিৰি পাণ॥

### ( ২ ) সুৰ :— একতালা

দিহা বা ঘোষা : দিব দিব অ' নিদিলে নেৰা।
পদ : ধৰমজাতি লাগিয়া ফুল-পাণ সাজিয়া দিব।
জসনা জাতি লাগিয়া ফুল-পাণ সাজিয়া দিব॥
বুঢ়া লাঙা, বুঢ়া ঝাড়া লাগিয়া লাল বলি
সাজিয়া দিব।
নাৰলি মাৱক লাগিয়া চিৰি পাঠা বলি
সাজিয়া দিব॥
আহলি মাৱক লাগিয়া গৰম কাচু বলি
সাজিয়া দিব।
বিহলি মাৱক লাগিয়া লাল কুকুৰা বলি
সাজিয়া দিব॥
চানাশ্বৰী-বানাশ্বৰীক লাগিয়া লাল কুকুৰা
বলি সাজিয়া দিব।
ৰূপোৱালী ৰূপধুনিক লাগিয়া লাল কুকুৰা
বলি সাজিয়া দিব॥
চিটুৱালী কাটৱালীক লাগিয়া লাল কুকুৰ
বলি সাজিয়া দিব।
স্বপনি ঘৰে লাগিয়া সোণাৰ ডিঙা
সাজিয়া দিব॥
বজাৰি দুৱাৰী লাগিয়া ফুল-পাণ সাজিয়া দিব।
আইদেৱী দুৰ্গাদেৱী লাগিয়া ফুল-পাণ
সাজিয়া দিব॥
কুবিৰা ৰাজা কুবিৰা বাচ্ছা দান্তালা চুৱাৰ
বলি সাজিয়া দিব।

চিণবিৰা কালবিৰা লাগিয়া ফুল-পাণ
সাজিয়া দিব ॥
ঘৰ গোহানী লাগিয়া সোণাৰ টুপী
সাজিয়া দিব।
ঘৰ গোহাই লাগিয়া টাঙনা ধোঁৱা
সাজিয়া দিব ॥
ঢালমাঞ্জি-হুলামাঞ্জি লাগিয়া সোণাৰ ঢাল
ভাৰ-ভেটি সাজিয়া দিব।
স্বৰতি মাৱক লাগিয়া ফুল-পাণ সাজিয়া দিব ॥
পূৱে-পশ্চিম দেৱতাক লাগিয়া ফুল-পাণ
সাজিয়া দিব।
উত্তৰ-দক্ষিণ দেৱতাক লাগিয়া ফুল-পাণ
সাজিয়া দিব ॥
আকাশ-পাতাল দেৱতাক লাগিয়া ফুল-পাণ
সাজিয়া দিব।
বাৰগণ দেৱতাক লাগিয়া ফুল-পাণ
সাজিয়া দিব ॥
সগল দেৱ-দেৱতাক লাগিয়া ফুল-পাণ
সাজিয়া দিব।
এচ্‌কুতি-তেচ্‌কুতি দেৱতাক লাগিয়া
ফুল-পাণ সাজিয়া দিব ॥

( ৩ ) সুৰ :— একতালা

দিহা বা ঘোষা : আই দেৱী অ' দুৰ্গাদেৱী অ'।
পদ : ৰঙ্গ ৰঙ্গ হলে,
মন তুষ্টি হলে,
খুচ্‌মন হলে।
বাৰবছৰ বাৰদিন গেল, পূজা-পানী নাই।
আজিসে পূজা-পানী পাইছং, ধৰমীয়াৰ বেটা ॥
ৰঙ্গ ৰঙ্গ হলে,
মন তুষ্টি হলে,
খুচ্‌মন হলে।
আইদেৱী অ' দুৰ্গাদেৱী অ'।
একটোপা তেজপৰাকে, দুই আঙুল জিভা
উলিয়া চিলকিয়া খায়।
দুইটোপা তেজপৰাকে, তিনি আঙুল
জিভা উলিয়া চিলকিয়া খায় ॥
তিনিটোপা তেজপৰাকে, চাৰি আঙুল
জিভা উলিয়া চিলকিয়া খায়।
চাৰিটোপা তেজপৰাকে, এক টাকৰ[১] জিভা
উলিয়া চিলকিয়া খায় ॥
পাঁচটোপা তেজপৰাকে, এক টাকৰ জিভা
ঢুকিয়া[২] চিলকিয়া[৩] খায়।
ৰঙ্গ ৰঙ্গ হলে,
মন তুষ্টি হলে,
খুচ্‌মন হলে,
আইদেৱী অ' দুৰ্গাদেৱী অ'।

---

শব্দাৰ্থ :

১ টাকৰ = বেগেত ; ২ ঢুকিয়া = সুমুৱাই।
৩ চিলকিয়া = চেলেকি।



# শ্ৰীধৰ কন্দলীৰ কাণখোৱা

## [এটি সমীক্ষা]

সূৰ্য্যকুমাৰ মজুমদাৰ

কবি শ্ৰীধৰ কন্দলীকৃত "কাণখোৱা" এখনি ক্ষুদ্ৰ কলেৱৰৰ পুথি হলেও অতি গুৰুত্বপূৰ্ণ, আৱশ্যকীয় আৰু মহৎ গ্ৰন্থ। এই ক্ষুদ্ৰ পুথিখনৰ জৰিয়তে কবিয়ে একালে বালকৃষ্ণক পৃথিৱীৰ সৰ্ব্বসাধাৰণ শিশুৰ দৰে শিশুসুলভ চৰিত্ৰেৰে ৰূপায়িত কৰিছে আৰু আনফালে শ্ৰীকৃষ্ণৰ মাহাত্ম্য অৱতাৰী পুৰুষ বা স্বয়ং বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা স্বৰূপে ব্যক্ত কৰি বৈষ্ণৱধৰ্মৰ গুণানুকীৰ্তন কৰিছে। লগতে সাহিত্যিক দৃষ্টিভঙ্গীৰ পিনৰপৰা নিচুকনি গীতত প্ৰাধান্য আৰোপ কৰি এখনি শিশু-সাহিত্য হিচাপে পাঠক-পাঠিকাৰ সন্মুখত দাঙি ধৰিছে। পৃথিৱীৰ বিভিন্ন সাহিত্য উদ্ঘাটন কৰিলে সাহিত্যৰ মাজত নিচুকনি গীতৰ একোখন সুকীয়া আসনৰ জাজ্বল্যমান প্ৰমাণ পোৱা যায়। কিয়নো এনে ধৰণৰ গীতবোৰ অৰ্থাৎ পদকথাবোৰ সাহিত্যৰ অন্যান্য অঙ্গতকৈ আগেয়ে জন্মা। পদ্যৰ জন্ম গদ্যতকৈ আগত। মৌখিক জন-সাহিত্য বা লোক-সাহিত্যৰেই অন্তৰ্গত এই নিচুকনি গীতবোৰ। ইয়াত ৰচকৰ নাম-গোন্ধ পাবলৈ নাই, ৰচনাকালৰো কোনো চিন-মোকাম নাই; কিন্তু এই গীতবোৰ যুগে যুগে পুৰুষানুক্ৰমে মানুহৰ মুখে মুখে চলি আহিছে।

সাধাৰণতে কণ কণ ল'ৰা-ছোৱালীবোৰক শুৱাবৰ সময়ত নাইবা শিশুই কোনো বস্তু পাবলৈ আশা কৰি তাক বিচাৰি নৰাশ হৈ ঠেহ্ পাতিলে, অথবা মাক-বাপেক বা অন্যান্য জ্যেষ্ঠ-জ্যেষ্ঠাসকলৰ ওপৰত খং-অভিমান কৰিলে সিহঁতক টোপনি নিয়াবৰ কাৰণে নাইবা শান্তনা দিবৰ কাৰণে নানা প্ৰকাৰৰ গীত-মাত সুৰ ধৰি গাই কাৰ্য্যসিদ্ধি কৰিবলৈ চেষ্টা কৰা দেখা যায়। এই প্ৰচেষ্টা যে পৃথিৱীত প্ৰথম শিশুৰ জন্মৰ পৰাই চলি আহিছে, ই বিশ্বাসযোগ্য। আজিও তাৰ অনুশীলনী চলিয়েই আছে হয়তো আৱশ্যকতাৰ বাবেই। বিশেষকৈ

গধুলি শিশুক শুৱাবৰ সময়ত কাণখোৱাৰ কথা কৈ ভয় দেখুৱাই টোপনি নিয়াবলৈ কৰা প্ৰচেষ্টা অসমত বহুকালৰ পৰাই চলি আহিছে। প্ৰায় পাঁচ শ বছৰৰ আগতে শ্ৰীধৰ কন্দলীৰ দিনতো এই কাণখোৱাৰ কথা প্ৰচলিত আছিল। "য'তে শিশু আছে, ত'তে কাণখোৱাও আছে।" আমাৰ দেশৰ এই কথাকে লৈ কবিয়ে কাণখোৱা পুথি ৰচনা কৰিছে। শিশুসকলক কানাইৰে এটা অংশ বুলি ধৰি লৈ সিহঁতক ভয় দেখুৱাই মাক বা আইতাকহঁতে সুৰ লগাই গায় :

'ঘুমটি যাওৰে অ'ৰে কানাই হুৰে কাণখোৱা আসে।
সকলো শিশুৰ কাণ খাই খাই
আসয় তোমাৰ পাশে ॥'

কথাফাকিৰ তাৎপৰ্য্য বুজিয়েই হওক নাইবা নুবুজিয়েই হওক, অথবা কথাফাকি নিচুকনি সুৰেৰে গাওঁতে মোহিত হৈয়েই হওক, কিম্বা ভয় খায়েই হওক, ল'ৰা-ছোৱালীয়ে নিতাল মাৰে আৰু কিছু সময়ৰ পিছত টোপনিত পৰে। কিন্তু চতুৰ কৃষ্ণই মাকৰ তেনে বচন শুনি ভয় খাইছে যদিও অচিনাকি কাণখোৱা নামটোৱে ইয়াক জানিবলৈ ঔৎসুক্য বঢ়ালে। কাণখোৱাক দেখিলে যাতে পলাব পাৰে—তাৰহে উপায় সুধিলে :

'তাৰ নাম শুনি ঘুমটি নাসয়
কাম্পে মোৰ বুক
দেখিলে লৰবি পলাইবাক পাৰি
সত্বৰে চিনোৱা মোক।'



তাৰ উপৰি চতুৰ, বুদ্ধিমান শিশু কৃষ্ণই ধূৰ্ত ল'ৰাৰ দৰে টোপনি যোৱাৰ ভাওঁ ধৰি কাণখোৱা বীৰক চাবলৈ মন কৰিলে। আন শিশুৱে হলে কাণখোৱাৰ ভয়ত চকু মুদি শোৱে। কিন্তু তেওঁ শোৱাৰ ভাওঁহে ধৰিলে :

'ঘুমটিৰ ছলে নিচুকিয়া মই
চক্ষু মেলি আছো চাই,
কেনেকুৱা গোটে কাণ খাই ফুৰে
চিনায়োক মোক আই।'

এইদৰে কৈয়েই বা চকু মেলি নিতাল মাৰি চাই থাকিয়েই কৃষ্ণ ক্ষান্ত হৈ থকা নাই। মাকক কাণখোৱা সম্পৰ্কে সুধি নিজেই নিজৰ অৱতাৰ সম্বন্ধে বিবৰিছে। ব্ৰহ্মা, মহেশ্বৰ আদি কৰি সমস্ত জগতকে প্ৰসৱন কৰি সকলোকে আত্মা স্বৰূপে ধৰি আছে। কিন্তু কাণখোৱা বীৰক কোনে প্ৰসৱিলে সেই বিষয়ে তেওঁ অজ্ঞ। বিষ্ণুৰূপ ধাৰণ কৰি গৰুড়ৰ কান্ধত উঠি 'স্বৰগী-নৰকী চুৰ্জন মহন্ত' সকলোকে বিচাৰি ফুৰিছে। কিন্তু কাণখোৱা ক'ত আছে তাক নাজানে। তাৰ উপৰি প্ৰথমে দিব্য মৎস্যৰূপ ধৰি পাতালৰ পৰা চাৰিবেদ উদ্ধাৰ কৰিলে, কূৰ্মৰূপ ধৰি সাগৰ মথিবলৈ মন্দৰ ধৰিলে, তাৰপৰা সমস্ত জলচৰ ভাগি পলাল ; কিন্তু কাণখোৱাক বিচাৰি পোৱা নগ'ল। তাৰ পিছত বৰাহ অৱতাৰত হিৰণ্যাক্ষ বীৰক বধি দাঁতেৰে পৃথিবী উদ্ধাৰ কৰিলে, তেতিয়া ত্ৰিজগত কম্পমান হ'ল—অসুৰগণ পলাল। নৰসিংহ ৰূপ ধৰি স্ফটিকৰ স্তম্ভৰপৰা বাহিৰ হৈ হিৰণ্যকশিপুক বধিলে ; বামন অৱতাৰ লৈ বলিক ছলনা কৰি তিনিপদ ভূমি দান লওঁ বুলি ত্ৰৈলোক্য অধিকাৰ কৰিলে। পৰশুৰাম ৰূপ ধৰি তেওঁ সাতবাৰ পৃথিৱী পৰ্য্যটন কৰি পৰশুহস্তে ক্ষত্ৰিয়ক কাটি নিঃক্ষত্ৰিয় কৰিলে, আনকি গৰ্ভৰ শিশুকো বধিলে ; ৰাম অৱতাৰত সীতাক উদ্ধাৰৰ বাবে সাগৰ লঙ্ঘি ভূমিৰ ভাৰ খণ্ডনাৰ্থে ৰাক্ষস ৰাৱণক সবংশে ধ্বংস কৰিলে ; হলিৰাম ৰূপ ধৰি হলধৰ নামেৰে নাঙল হাতত লৈ খাল-বাম সমান কৰিলে। এইদৰে ভিন ভিন ভালেমান অৱতাৰ ধৰি লীলা-খেলা খেলি অহাৰ পাছতো কাণখোৱা বীৰক তেওঁ লগ পোৱা নাই। সামান্য কেঁচুৱা এটিক কবিয়ে বিশ্বব্ৰহ্মাণ্ডৰ স্ৰষ্টা ৰূপে, অৱতাৰী পুৰুষ স্বৰূপে চিত্ৰিত কৰি অসীম মাহাত্ম্য প্ৰকাশ কৰিছে। কৃষ্ণৰ নিজ স্বৰূপ সৰ্বশক্তিমান আৰু সৰ্বজ্ঞ হিচাপে দৰ্শাইছে। তথাপি সৰ্বসাধাৰণ শিশুৰ দৰে কৃষ্ণকো শিশু-সুলভ ৰূপ দি এটি সাৰ্বজনীন চৰিত্ৰ অঙ্কন কৰিছে। প্ৰতি অৱতাৰতেই তেওঁ কাণখোৱাৰ বিষয়ে অজ্ঞ হৈ আছে। সেইবাবে তেওঁ বাৰে বাৰে মাকক সুধিছে।

'সিও কালে মই লগ নাপাইলোহো
আৱে মনে তাক গুণো।
কাণখোৱা নামে বীৰ গোট আছে
আজি তযু মুখে শুনো॥"

কৃষ্ণ অৱতাৰ লৈ যশোদাৰ গৃহত তেওঁ আবিৰ্ভাৱ হৈছে—এক মানৱীয় ৰূপেৰে। ইয়াত তেওঁৰ অৱতাৰী মাহাত্ম্য যেন পূৰ্বৰ অৱতাৰ সমূহৰ দৰে নহয়হে। তেওঁ ভয়-ভীতিৰ অনুভূতিৰে জন্মা তেনেই এটি মানৱশিশু। সেয়েহে কৃষ্ণ অৱতাৰ হৈয়ো অন্যান্য শিশুসকলৰ দৰে তেৰো কাণখোৱাৰ নাম শুনি কম্পমান হৈছে।

'আসিয়া ইবাৰ কৃষ্ণ অৱতাৰ
হুয়া আছো তযু ঘৰে।
কাণ খোৱা নাম শুনি মোৰ গাৰ
তৰতৰি কাম্পে ডৰে ॥'

সেইবাবেই চতুৰালি বা কপটতা দেখুৱাই টোপনি যোৱাৰ ভাও ধৰি চকু মেলি চাই থাকি কাণখোৱা বীৰক চাবলৈ মন কৰিছে। অবোধ শিশু কৃষ্ণৰ মুখেৰে কেইবাটিও অৱতাৰৰ মাহাত্ম্য শুনিও মাক যশোদাই পুত্ৰক অৱতাৰী পুৰুষ বুলি গণ্য নকৰি সাধাৰণ শিশু বুলিয়েই ধৰি লৈছে আৰু সেইবাবেই ভয়বিহ্বল পুত্ৰৰ ভয় নিবাৰণৰ বাবে কি উত্তৰ দিব তাকেই চিন্তা কৰি আছে। এইখিনিতে কবিও মনোবিজ্ঞান-সম্মত এটি সমিধান দিবলৈ সম্পূৰ্ণ সচেতন। কিয়নো ভয়বিহ্বল শিশু এটিক সন্দিহান কৰি ৰখা নাইবা ভয়ভাব অন্তৰত পুহি ৰখাটো সম্পূৰ্ণ মনোবিজ্ঞান-বিৰোধী কথা। সেইবাবেই এই ভীতিভাব সম্পূৰ্ণ আঁতৰাবৰ কাৰণে মাক যশোদাই তাৰ ব্যৱস্থা ললে—এইদৰে কবলৈ প্ৰয়াস কৰিছে :—

'মিছা সে বুলিয়া মুখে স্তন দিয়া
কৃষ্ণক সাৱটি ধৰি।'

এইখিনিতেই কবিয়ে কাণখোৱাৰ কাহিনীৰ ওৰ পেলাইছে। সাধাৰণ আৰু খুব চমু কথাবস্তুৰে গ্ৰন্থখন ৰচিত হৈছে যদিও ইয়াত কেইবাটিও আৱশ্যকীয় সমল পোৱা যায়। ছল-চাতুৰিপূৰ্ণ কথাখিনিত হাস্যৰসৰ খোৰাক পোৱা যায়। অতি সৰু কথা হলেও মানুহক সেইখিনিৰেই ঘটনাটো শেষলৈ পঢ়াৰ এটি ঔৎসুক্য বঢ়াই নিয়ে। তাৰ উপৰি অৱতাৰী পুৰুষ শ্ৰীকৃষ্ণক সৰ্বসাধাৰণ শিশুৰ চিত্ৰেৰে চিত্ৰিত কৰাত কবিৰ সাৰ্বজনীনতা প্ৰকাশ পাইছে। লগতে 'শিশু-প্ৰকৃতিৰ চৰম সত্যৰ পটন্তৰ এটিও অঙ্কিত হৈছে। কবিৰ তেনে অনুভূতি এটাৰ প্ৰতি সচেতনতা সঁচাকৈয়ে প্ৰশংসনীয়। তদুপৰি ভগৱৎ-ভক্তি গ্ৰন্থখনিৰ অন্যতম বিশেষত্ব। সাধাৰণ কথা এটিৰ জৰিয়তে নিচুকনিৰ ভাব প্ৰকাশ কৰিছে যদিও কবিৰ গাত বৈষ্ণৱ সাহিত্যৰ অন্যান্য সাহিত্যিকসকলৰ দৰে পক্ষপাতিতা আছে। অৰ্থাৎ অন্যান্য বৈষ্ণৱ সাহিত্যিকসকলৰ দৰে তেওঁৰ এই সাধাৰণ বিষয়বস্তুসম্পন্ন গ্ৰন্থখনিৰ জৰিয়তে ভগৱৎভক্তি বা শ্ৰীকৃষ্ণৰ মাহাত্ম্য প্ৰকাশ আৰু প্ৰচাৰৰ আকাঙ্ক্ষা এৰা নাই। বিশেষকৈ বৰ্ণিত অৱতাৰসমূহৰ ভিন্ ভিন্ লীলাবৰ্ণনা কৰি ভগৱানৰ মাহাত্ম্য প্ৰকাশ কৰিছে। পৰৱৰ্ত্তী মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ অঙ্কীয়া নাটসমূহতো বালকৃষ্ণৰ সাৰ্বজনীনতাৰ লগতে দাস্য আৰু বাৎসল্য-ভক্তিপ্ৰেমৰ চৰম নিদৰ্শন পোৱা যায়। শ্ৰীকৃষ্ণ অৱতাৰৰ সমস্ত জীৱনৰ মহিমা প্ৰকাশ কৰা নাই যদিও কৃষ্ণৰ শিশু চৰিত্ৰৰ জৰিয়তেই বালসুলভ মাহাত্ম্য প্ৰকাশ কৰি ভক্তিৰসৰ সঞ্চাৰ কৰিছে আৰু তাৰ জৰিয়তে পাঠক-পাঠিকাক আপ্লুত কৰিছে। এইখিনিৰ কাৰণেই শ্ৰীধৰ কন্দলীৰ কাব্যিক প্ৰতিভা শলাগিব লগীয়া, আৰু সেই শলাগনিৰ মৌ-চাক কাণখোৱাৰ সমাদৰ আজিও অসমীয়াৰ ঘৰে ঘৰে বিৰাজমান।



## স্মৃতি তৰ্পণ



বিহগী কবি ৺ৰঘুনাথ চৌধাৰী

জন্ম : ১৮৭৯     মৃত্যু : ১৮ নৱেম্বৰ ১৯৬৭

"নালাগে তোমাৰ প্ৰভু ঐশ্বৰ্য্য বিভুতি
ৰাজপদ সম্মান গৌৰৱ ;
দাৰিদ্ৰ্যৰ লাওলোটা ভিক্ষাৰ সঁজুলি
সেয়ে মোৰ অতুল বৈভৱ।"

# প্ৰাচীন সঙ্গীত শাস্ত্ৰত শ্ৰুতিৰ আলোচনা

গোলোক চন্দ্ৰ খাউণ্ড

সঙ্গীতজ্ঞ সকলে শ্ৰুতি সম্পৰ্কে ব্যক্তিগত মতামত সময়ে সময়ে প্ৰকাশ কৰা কথা যি কোনো সঙ্গীত শিক্ষাৰ্থীয়ে জানে। প্ৰাচীন কালত কেবা-গৰাকী সঙ্গীত বিশাৰদ শাস্ত্ৰকাৰে এই বিষয়ে তেওঁলোকৰ মতামত নিজ নিজ গ্ৰন্থত সন্নিবিষ্ট কৰি গৈছে। আমাৰ এই ক্ষুদ্ৰ প্ৰবন্ধত আমি শ্ৰুতি আৰু স্বৰ সম্পৰ্কে তেনেকুৱা কেগৰাকীমান বিশিষ্ট সঙ্গীত শাস্ত্ৰকাৰৰ ব্যাখ্যা তথা মন্তব্য দাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ।

( ১ )

ৰাগ তৰঙ্গিণীৰ ৰচয়িতা লোচন পণ্ডিত। এই ৰাগ তৰঙ্গিণী প্ৰায় ১০৮১ শকত লেখা বুলি ধৰিব পাৰি; কিন্তু এই আনুমানিক ৰচনা-কাল বহুতে সন্দেহজনক বুলি ভাবে, অৱশ্যে এই সম্পৰ্কে আমাৰ কোনো মতামত নাই, কিম্বা তাৰ আলোচনাৰ অৱতাৰণা কৰাও আমাৰ অভিপ্ৰায় নহয়। লোচন কৱিয়ে তেখেতৰ "ৰাগ তৰঙ্গিণীত মুছলমান সঙ্গীতৰ নানা ৰাগৰ উল্লেখ কৰি গৈছে। যেনে— ইমাম, কৰদস্তি আদি। অৱশ্যে এই ৰাগ সেই সময়ৰ উপযোগী নাছিল। তেখেতে অৱশ্যে ২২ শ্ৰুতি মানি লৈছে আৰু শ্ৰুতিৰ নামও ঠিক তীব্ৰা, কুমুদ্বতী ইত্যাদি ধৰণেৰে লিখি গৈছে। তথাপি তেখেতে লিখিছে "চতুশ্চতুশ্চতুশ্চৈব ষড়্জমধ্যমপঞ্চমাঃ"। ৰাগ তৰঙ্গিণীত স্বৰসংজ্ঞা প্ৰকৰণত উল্লেখ কৰা কথা এষাৰ উদ্ধৃত কৰিব পাৰি।

"স্বস্বশেষশ্ৰুতি ত্যক্ত্বা যদা ঋষভধৈবতৌ।
গীয়তে গুণিভিঃ সৰ্ব্বৈস্তদা তৌ বিকৃতৌ মতৌ"

যেতিয়া 'ৰে' আৰু 'ধা' শেষৰ এক শ্ৰুতি বাদ দি গোৱা হয় তেতিয়া বহুতে তাক কোমল 'ৰে' আৰু কোমল 'ধা' বুলি কব খোজে। শুদ্ধ 'ৰে'

আৰু শুদ্ধ 'ধা' ১৭ আৰু ২০ শ্ৰুতিত থাকে। কোমল 'ৰে' আৰু কোমল 'ধা' ৬ আৰু ১৯ শ্ৰুতিত থাকে।

"গৃহ্লাতি মধ্যমস্যাপি গান্ধাৰঃ প্ৰথমা শ্ৰুতিম্।
যদাতদা জনৈৰেষ তীব্ৰ ইত্যভিধীয়তে॥"

যেতিয়া গান্ধাৰ স্বৰ মধ্যম গ্ৰামৰ প্ৰথম শ্ৰুতিত থাকে তেতিয়া তাক সঙ্গীতবিশাৰদসকলে তীব্ৰ বুলি কয়। ইয়াৰপৰা বুজিব পাৰি যে শুদ্ধ 'গা' আৰু শুদ্ধ 'মা' দুয়োৰো ভিতৰত ৪ শ্ৰুতি, চতুৰ্থ শ্ৰুতিত কেৱল 'মা'। গান্ধাৰ চতুৰ্থ শ্ৰুতিলৈকে যাব পাৰে যত 'মা' আছিল।

"দ্বিতীয়ামপি ছেদেৰ তদা তীব্ৰতৰঃ স্মৃতঃ।
তৃতীয়ামপি ছেদেৰ তদা তীব্ৰতমঃ স্মৃতঃ॥
চতুৰ্থামপি ছেদেবং সতি তীব্ৰতমঃ স্মৃতঃ।"

যেতিয়া গান্ধাৰ মধ্যম গ্ৰামৰ দ্বিতীয় শ্ৰুতিত থাকে তেতিয়া তীব্ৰতৰ 'গা' আৰু যেতিয়া তৃতীয় শ্ৰুতিত থাকে তেতিয়া তীব্ৰতম 'গা' হয়; আকৌ যেতিয়া ওপৰলৈ গৈ চতুৰ্থ বা শেষ শ্ৰুতিত থাকে তেতিয়া অতি তীব্ৰতম 'মা' হয়। ইফালে শ্ৰুতিৰ নক্সাত দেখা যায় যে অতি তীব্ৰতম 'গা' আৰু শুদ্ধ 'মা' স্বৰৰ শব্দ একে, তাত ভিন্ন স্বৰৰ শব্দৰ প্ৰকাশ নহয়।

ষড্জস্য চ নিশাদশ্চেদ্ গৃহ্লাতি প্ৰথমাং শ্ৰুতিম্।
তদা সংগীতিভিঃ সোঽপি তীব্ৰ ইত্যভিধীয়তে॥
দ্বিতীয়ামপি ছেদেবং তদা তীব্ৰতৰঃ স্মৃতঃ।
তৃতীয়ামপি ছেদেবং তদা তীব্ৰতমঃ স্মৃতঃ॥

যেতিয়া নিষাদে ষড্জৰ প্ৰথম শ্ৰুতিত, তেতিয়া ইয়াক তীব্ৰ নিষাদ কোৱা হয়। যেতিয়া নিষাদে ষদ্যৰ দ্বিতীয় শ্ৰুতিত, তেতিয়া তীব্ৰতৰ নিষাদ আৰু যেতিয়া তৃতীয় শ্ৰুতিত তেতিয়া তীব্ৰতম নিষাদ কোৱা হয়। এই কথাৰপৰা সহজে অনুমান কৰিব পাৰি যে শুদ্ধ 'সা' ৰ দূৰত্ব নিষাদৰ পৰা ৪ শ্ৰুতিৰ পাৰ্থক্য। কোনো ক্ষেত্ৰতে 'সা' আৰু 'পা' ৰ সলনি নহয়। কিন্তু মধ্যম গ্ৰামৰ চতুৰ্থ শ্ৰুতিলৈকে গান্ধাৰ নামি যাব পাৰে আৰু তেতিয়া অতি তীব্ৰতম 'গা' ৰ প্ৰয়োগ হয়। 'মা' আৰু 'পা' ৰ ভিতৰত চতুঃ শ্ৰুতি, কিন্তু 'মা' পঞ্চমৰ তৃতীয় শ্ৰুতিলৈকে যাব পাৰে তেতিয়া তীব্ৰ 'মা' হয়।

(২)

এই পৌৰাণিক পুথিখনো প্ৰায় ১৬৬০ শকত লেখা বুলি ধৰিব পাৰি। লেখকে অৱশ্যে কোনো শক আদিৰ উল্লেখ কৰা নাই। তেখেতৰ 'হৃদয় প্ৰকাশ'ত বিকৃত স্বৰৰ তলত দিয়া দৰে ব্যাখ্যা কৰি গৈছে।

"শ্ৰুতিমাদ্যাদি তুৰ্যাতাঃ স্বৰা যে চোৰ্দ্ধবৰ্তিনঃ।
তীব্ৰ স্তীব্ৰতৰ স্তীব্ৰতমা ভবন্তি হি ক্ৰমাৎ॥
স্বোপাংত্যশ্ৰুতিৰতাং তু কোমল পৰিকীৰ্তিতঃ।"

যেতিয়া শুদ্ধ স্বৰ ক্ৰমাৎ ১, ২, ৩ আৰু ৪ শ্ৰুতি ওপৰলৈ যায় তেতিয়া বিকৃত স্বৰ হয়। যেতিয়া



শুদ্ধ স্বৰ এক শ্ৰুতি ওপৰলৈ যায় তেতিয়া তীব্ৰ হয় আৰু দুই শ্ৰুতি গলে তীব্ৰতৰ আৰু তিনি শ্ৰুতি গলে তীব্ৰতম হয়। ইফালে এক শ্ৰুতি তললৈ নামিলে সি কোমল হৈ পৰে। এই নিয়ম কৌতুক কিতাপতো পোৱা যায়। এই নিয়মে উত্তৰ আৰু দাক্ষিণাত্যৰ পাৰ্থক্য দেখুৱাই দিছে। দাক্ষিণাত্যত শুদ্ধ স্বৰৰ ঠাই অতি তলত আৰু বিকৃত স্বৰৰ স্থান বহুখিনি ওপৰত। কিন্তু উত্তৰ ভাৰতত অৰ্থাৎ হিন্দুস্থানী সঙ্গীতত বিকৃত স্বৰ, শুদ্ধ স্বৰৰ দুয়োফালে পোৱা যায়। পিচে শুদ্ধ স্বৰ আকৌ মধ্য স্থলতহে থাকে।

"নিস্তীব্ৰতৰসজ্ঞস্ত কাকলীত্যপি কথ্যতে।
সপয়োৰ্যদি গৃহ্নীতস্তিস্ৰস্তিস্ৰঃ শ্ৰুতিনিমৌ।
মৃদুসো মৃদুপশ্চেতি তদাখ্যে সপয়োমতে॥

তীব্ৰতৰ নিষাদক কাকলি কোৱা হয় যেতিয়া 'নি' আৰু 'মা' ই 'সা' আৰু 'পা'ৰ তিনি শ্ৰুতি ক্ৰমতে বয়গৈ। তেতিয়া তাক মৃদু 'সা' আৰু মৃদু 'পা' ৰূপে অভিহিত কৰা হয়।

(৩)

এইখন পুঠিৰ লেখক পণ্ডিত অহোবল। ইয়াতো ৰচনাকালৰ কোনো উল্লেখ নাই যদিও, সম্ভৱতঃ সোত্তৰশ শতিকাৰ শেষ ভাগত এই পুথি ৰচিত বুলি ধৰিব পাৰি। আন আন লিখকৰ দৰেই এই সঙ্গীত-পাৰিজাতেও ২২ শ্ৰুতিকে মানি লৈছে। পৌৰাণিক নাম হিচাপে তেখেতে লেখিছে "তীব্ৰা কুমুদ্বতী" ইত্যাদি আৰু শুদ্ধ স্বৰৰ শ্ৰুতিও ওপৰত উল্লেখ কৰা পুথি কেইখনৰ দৰেই লিখিছে।

চতুশ্চতুশ্চতুশ্চৈব ষড়জমধ্যমপঞ্চমাঃ।
দ্বে দ্বে নিষাদগান্ধাৰ ত্ৰিস্ত্ৰীঋষভধৈৱতৌ॥
শুদ্ধ স্বৰ সদায় শেষৰ শ্ৰুতিত যেনে—
এতে শুদ্ধস্বৰাঃ সপ্ত স্বস্বস্ত্য শ্ৰুতি সংস্থিতাঃ।

সঙ্গীত পাৰিজাতৰ শুদ্ধ গ্ৰাম ঠিক হৃদয় প্ৰকাশৰ দৰেই। এইটোৱেই আমাৰ কাফিঠাং। পণ্ডিত অহোবলে বিকৃত স্বৰবো ব্যাখ্যা দিছে।

স্বৰোগ্ৰিম শ্ৰুতি যাতি তাব্ৰসজ্ঞা প্ৰযাত্যসৌ।
স্বৰোৎগ্ৰিম শ্ৰুতি যাতি তদা তীব্ৰতৰো ভবেৎ॥
স্বৰোৎগ্ৰিম শ্ৰুতি যাতি তৰ্হি তীব্ৰতমো ভবেৎ।
চতস্ৰ শ্ৰুতয়ো যস্মিন্নাধিকাঃ স্যুৰ্যদা স্বৰঃ॥
অতি তীব্ৰতমাখ্যাং চ প্ৰাপ্নোতীতি জগুৰ্বুধাঃ।
স্বৰঃ পশ্চান্নিবৃত্তঃ শ্বেক্কোমলদিভিৰীৰিতঃ॥
এক শ্ৰুতিপৰিত্যাগাৎ স্বৰঃ কোমলসজ্ঞকঃ।
শ্ৰুতিদ্বয় পৰিত্যাগাৎ পূৰ্বশব্দেন ভণ্যতে॥

ই ৩৫২ (সা)

যেতিয়া স্বৰ এক শ্ৰুতিৰ ওপৰলৈ যায় তেতিয়া তীব্ৰ আৰু যেতিয়া দুই শ্ৰুতিৰ ওপৰলৈ যায় তেতিয়া তীব্ৰতৰ আৰু যেতিয়া তিনি শ্ৰুতিৰ ওপৰলৈ যায় তেতিয়া তীব্ৰতম আৰু যেতিয়া চতুৰ্থ শ্ৰুতিলৈ যায় তেতিয়া অতিতীব্ৰতম কোৱা হয়। পুনৰ যেতিয়া স্বৰ [ এক শ্ৰুতিৰ তললৈ যায় তেতিয়া সি কোমল হয়। আৰু যেতিয়া দুই শ্ৰুতিৰ তললৈ যায় তেতিয়া 'পুৰৱ' কোৱা

হয়। এই নিয়মকে আগৰ তিনিখন পুথিতো পোৱা যায়। কিন্তু লোচন আৰু অহোবল পণ্ডিতে "পুৰব" কথা কোৱা নাই। পণ্ডিত অহোবলে শ্ৰুতি আৰু স্বৰৰ মাজৰ পাৰ্থক্য বৰ সুন্দৰকৈ দেখুৱাইছে।

শ্ৰুতয়: স্যুঃ স্বৰাভিন্না শ্ৰাবণত্বেন হেতুনা।
অহিকুণ্ডলিবত্তত্ৰ ভেদোক্তিঃ শাস্ত্ৰসম্মতা॥
সৰ্বাশ্চ শ্ৰুতয়স্তত্তদ্ৰাগেষু স্বৰতাং গতাঃ।
ৰাগাহেতুত্ব এতাসাং শ্ৰুতি সংজ্ঞেব সম্মতা॥

শ্ৰুতি আৰু স্বৰৰ মাজত বিশেষ কোনো পাৰ্থক্য দেখা নাযায়। কিন্তু শাস্ত্ৰৰ মতে ইয়াৰ মাজৰ পাৰ্থক্য সাপ আৰু নেগুৰ বা সোণ আৰু অলঙ্কাৰ। আটাইবিলাক শ্ৰুতিকে ৰাগ ব্যাখ্যা কৰোতে স্বৰত ব্যৱহাৰ হয়। আৰু যিবিলাক ব্যৱহাৰ নহয় সেইবিলাক শ্ৰুতি।

( ৪ )

এইখনে পুৰণি পুথি। ইয়াৰ ৰচক পণ্ডিত পুণ্ডৰিকা ভিথল। তেখেতে আৰু আন আন কেইবাখনো পুথি লিখি গৈছে। তাৰ ভিতৰত "ৰাগ মালা", "ৰাগ মঞ্জৰি", আৰু "নৰ্ত্তন-নিৰ্ণয়"ৰ নামো লব পাৰি।

শ্ৰুতিৰ বিষয় তেওঁ এইদৰে কৈ গৈছে।

চতুশ্চতুশ্চতুঃ চৈব ষড়্‌জমধ্যমপঞ্চমাঃ।
ৰে ধ্বে নিষাদ গান্ধাৰৌ ত্ৰিস্ত্ৰী ঋষভধৈৱতো॥



লোচন পণ্ডিত, হৃদয়, অহোবল আৰু শ্ৰীনিবাস পণ্ডিতেও এই নিয়মকে মানি লৈছে; কিন্তু পুণ্ডৰিক ভিথলাৰ শুদ্ধ গ্ৰামৰ লগত দাক্ষিণাত্যৰ মিল আছে। তেখেতৰ স্বৰৰ নামবো হিন্দুস্থানীৰ লগত অমিল। যেনে :—

শুদ্ধাঃ স্বৰা যে তু ভৱন্তি সপ্ত।
তজ্জান বিকাৰাণ প্ৰবদামি সপ্ত॥
সোপাংন্তিকশ্ৰু ত্যাধিসংশ্ৰিতঃ স্বাত্।
ষড়্‌জভিধানো লঘুষড়্‌জ নামা॥
এবং সপৌ স্তো লঘুশব্দ পূৰ্বৌ।
সাধাৰণো গঃ প্ৰথম শ্ৰুতিস্থ॥
তস্য দ্বিতীয় শ্ৰুতিগোংন্তৰঃ স্যাত্।
ষড়্‌জাব্যয়স্য প্ৰথম শ্ৰুতিস্থ॥
তথা দ্বিতীয় শ্ৰুতি বৰ্ত্তমানো।
নিঃকৈশিকো কাকলি নামধেয়ঃ॥
স্ব স্থানকস্থেষু চ তেষু নেষ্টাঃ।
স্বৰেষু ভেদা বিকৃতা মুনীন্দ্ৰৈঃ॥

এয়ে প্ৰথম শুদ্ধ সপ্ত স্বৰ। ইয়াৰ পাছত সাতোটা বিকৃত স্বৰ। ষড়্‌জ তিনি শ্ৰুতিত থকা ষড়্‌জ। "লঘু ষড়্‌জ"। সেইদৰে "মা" আৰু 'পা' তিনি শ্ৰুতি বা শেষৰ এক শ্ৰুতি বাদ দিলে সি "লঘু মা" আৰু "লঘু পা"ত পৰে; আকৌ যেতিয়া "গা" আৰু "মা" প্ৰথম শ্ৰুতিত থাকে তেতিয়া তাক অন্তৰ "গা" আৰু যেতিয়া নিষাদ "সা"ৰ প্ৰথম শ্ৰুতিত থাকে তেতিয়া তাক কৈকিকি 'নি' আৰু যেতিয়া দ্বিতীয় শ্ৰুতিত থাকে তেতিয়া কাকলি "নি" হয়গৈ। পুনৰ যেতিয়া স্বৰ নিজ নিজ শ্ৰুতিত থাকে তেতিয়া তাক শুদ্ধ স্বৰ কোৱা হয়।

এই মতানুসৰি শুদ্ধ স্বৰ সাতটা আৰু বিকৃত স্বৰো সাতটা। সেইবোৰেই হ'ল—লঘু ষড়্‌জ, লঘু মধ্যম, লঘু পঞ্চম, সাধাৰণ গান্ধাৰ, অন্তৰ গান্ধাৰ, কৈশিক "নি", আৰু কাকলী "নি"। আমাৰ হিন্দুস্থানী সঙ্গীতৰ নামবিলাকো ঠিক সেইদৰে উল্লেখ কৰিব পাৰি। তীব্ৰতম "নি", তীব্ৰতম "গা", তীব্ৰতম "ম", কোমল "গা", তীব্ৰ-"গা", কোমল "নি" আৰু তীব্ৰ "নি"। হিন্দুস্থানী সঙ্গীতৰ কোমল "গা" আৰু কোমল "নি"-য়েই উপৰোক্ত চাৰিওগৰাকী পণ্ডিতৰ মতে শুদ্ধ "গা" আৰু শুদ্ধ "নি"। আমাৰ শুদ্ধ 'গা' আৰু শুদ্ধ 'নি" (যিটোক আমি তীব্ৰ "গা" আৰু তীব্ৰ "নি" বুলি ধৰোঁ) সেইটো ওপৰত উল্লেখ কৰা পণ্ডিতৰ মতে তীব্ৰতৰ "গা" আৰু তীব্ৰতৰ "নি"।

এই পুথিৰ লিখক পণ্ডিত সোমনাথ। ৰচনাকাল ১৬১০ শক। লিখকে সেই কথা নিজে কৈ গৈছে। এইখন পুথিয়ে সেইকালৰ দাক্ষিণাত্যৰ সঙ্গীত সম্পৰ্কে এটা সুন্দৰ ছবি দাঙি ধৰে। এই পুথিত লিখা মতে সোমনাথ পণ্ডিতে কিন্তু বীণাত ২২ ডাল তাঁৰ লগাই তাৰপৰা শ্ৰুতিৰ সংখ্যা নিৰ্ণয় কৰিছে। তেখেতৰ বিকৃত স্বৰৰ শ্ৰুতিৰ ব্যাখ্যা মন কৰিব লগীয়া।

"ইতি সপ্তোক্তাঃ শুদ্ধা বিকৃতান সপ্তৈৱ
বক্ষ্মি সহনাম্না।
সাধাৰণোন্তৰশ্চ শ্ৰুতিং শ্ৰুতি চেতৎ গো যস্য॥"

যেতিয়া শুদ্ধ গান্ধাৰ 'মা' ৰ প্ৰথম শ্ৰুতিত থাকে তেতিয়া তাক সাধাৰণ 'গা' আৰু যেতিয়া দ্বিতীয় শ্ৰুতিত থাকে তেতিয়া অন্তৰ 'গা' বুলি কোৱা হয়।

"নিঃকৈশিকী চ কাকল্যথ সৈস্যকাং
ষড়্‌জস্তাং তে দ্বে।
নিগমা মৃত্বপৰ সমপাঃ সমৰ্প তৃতীয়
শ্ৰুতি স্থিত্যা॥"

যেতিয়া নিষাদ ষড়্‌জৰ প্ৰথম শ্ৰুতিত থাকে তেতিয়া ইয়াক কৈশিকি 'নিষাদ' আৰু যেতিয়া দ্বিতীয় শ্ৰুতিত থাকে তেতিয়া তাক কাকলি নিষাদ কোৱা হয়। যেতিয়া 'নি' 'গা' আৰু 'মা' এই তিনিওটা স্বৰ ওপৰলৈ উঠি 'সা' 'মা' আৰু 'পা'ৰ তৃতীয় শ্ৰুতিত ৰয়গৈ তেতিয়া তাক মৃত্ত 'সা', মৃত্ব 'মা' আৰু মৃত্ব 'পা' কোৱা হয়। পণ্ডিত পুণ্ডৰিকা ভিথলাই এই 'মৃত্ব'ৰ ঠাইত 'লঘু' শব্দ প্ৰয়োগ কৰিছে। সাৰঙ্গদেৱে তাকেই 'অচ্যুৎ' বুলিছে।

"ষট্‌শ্ৰুতিকং মং পঞ্চশ্ৰুতিকো চ চতুঃশ্ৰুতি
ৰিধাবগদন্ত্।
ৰাগবিবেকাধ্যায় ব্যাখ্যানে কল্লিনাথসুৰৰপি॥"

বিকৃত স্বৰ ষট্‌শ্ৰুতি 'ম' চতুঃশ্ৰুতি 'ৰে' পঞ্চশ্ৰুতি 'ৰে' চতুশ্ৰুতি 'ধা' পঞ্চশ্ৰুতি 'ধা' এই কেইটাৰ ব্যাখ্যাও সঙ্গীত ৰত্নাকৰত কল্লিনাথে দি গৈছে।

পণ্ডিত সোমনাথে উল্লেখ কৰা ১৫ টা বিকৃত 'গা', তীব্ৰতম 'মা', মৃদু 'প', তীব্ৰ 'ধা', তীব্ৰতৰ স্বৰেই হ'ল—তীব্ৰ 'ৰে', তীব্ৰতৰ 'ৰে', তীব্ৰতম 'ধা', তীব্ৰতম 'ধা', কৈশিকি 'নি', কাকলী 'ৰে', সাধাৰণ 'গা', অন্তৰ 'গা', মৃদু 'ম', তীব্ৰতম 'নি', আৰু মৃদু 'মা'।*

---

* এই প্ৰবন্ধটো যুগুত কৰোতে "ৰাগ তৰঙ্গিনি," "হৃদয় প্ৰকাশ", "সঙ্গীত পাৰিজাত," "সাত্ৰাগ চন্দ্ৰোদয়" আৰু "ৰাগ ৰিবোধ" সঙ্গীত শাস্ত্ৰৰ সহায় লোৱা হৈছে।

—লিখক



# 'বীণ বৰাগী'ত দৰ্শনৰ সুৰ

নীলিমা শৰ্মা

বিশ্বব্ৰহ্মাণ্ডৰ লগত চিত্তৰ যোগ, আত্মাৰ যোগেই ভাৰতৰ অধ্যাত্ম সাধনা। অসমীয়া প্ৰথম অতীন্দ্ৰিয়বাদী কবি চন্দ্ৰকুমাৰ আগৰৱালা দেৱৰ কাব্য-সাধনাত কিছু পৰিমাণে এই অধ্যাত্ম সাধনাৰ অনুশীলন পৰিলক্ষিত হয়। কবিৰ অধ্যাত্ম সাধনৰ লগত ব্যৱহাৰিক জীৱনৰ ঘনিষ্ঠ সমন্বয় দেখা পাওঁ। চন্দ্ৰকুমাৰে প্ৰকৃতিৰ সৌন্দৰ্যৰ সত্ত্বা প্ৰাণ দি অনুভৱ কৰিছিল। সেয়ে তেওঁৰ কবিতাত প্ৰকৃতিক মানৱ জগতৰ লগত একাত্মভাৱে চিত্ৰিত কৰা দেখা যায়। পানী, বায়ু, অগ্নি, আকাশ, চন্দ্ৰ, সূৰ্য,—সকলো পৰমাত্মাৰ মূৰ্ত্তি,—একেই সৌন্দৰ্যৰ বিভিন্ন সত্ত্বা। অৰূপৰ প্ৰত্যক্ষ তনু। বহিৰ্জগতৰ সৌষ্ঠৱ আৰু অন্তৰ্জগতৰ মাধুৰ্যৰ অপূৰ্ব্ব মিলন পৰিলক্ষিত হয় আগৰৱালাদেৱৰ কবিতাত।

চন্দ্ৰকুমাৰৰ মতে পাৰ্থিৱ জীৱন দুখেৰে ভৰা। সংসাৰৰ বেহাত মাটিৰ মানৱে সুখৰ মুখ দেখিবলৈ পোৱাটো কষ্টসাধ্য কথা।

"হে প্ৰাণৰ বীণ, কি শুনিবা আৰু,
দুখৰে উপৰি দুখ।
দুখৰে পোহাৰ সংসাৰৰ মেলা
নাই নাই নাই সুখ।"

(বীণ বৰাগী। পৃঃ ১০)

চন্দ্ৰকুমাৰৰ ওপৰোক্ত বিষাদোক্তিত আধুনিক যুগৰ অস্তিত্ববাদ দৰ্শনৰ সুৰ শুনিবলৈ পাওঁ। জঁ। পল ছাত্ৰে'ই কৈছে, "The existentialist frankly states that man is in anguish." কিন্তু শোপেনহাৱাৰৰ ভাষাৰে চন্দ্ৰকুমাৰে তেওঁৰ কোনো কবিতাতে কোৱা নাই যে, সমস্ত জীৱনৰ বাবে একমাত্ৰ দুঃখ আৰু যন্ত্ৰণাহে সত্য; মানুহৰ জ্ঞান যিমানে বৃদ্ধি পায়, সিমানেই সেই দুখ বাঢ়ে। নীৎসেৰ কণ্ঠেৰে আগৰৱালা দেৱে কোৱা নাই যে, অস্তিত্বৰ যি দুখ ও যন্ত্ৰণা তাক ভৎ'সনাৰ চকুৰে চাব নেপায়; বৰঞ্চ এই আশাই পোষণ

কৰা উচিত যে, জীৱনত আৰু দুখ হওক, ভৱিষ্যত আৰু দুখ হওক,—কিয়নো তাৰ দ্বাৰাই এদিন 'অতি মানৱ' গঢ়ি উঠিব। শোপেনহাৱাৰৰ নৈৰাশ্য-বাদৰ সুৰ চন্দ্ৰকুমাৰত শুনো। নীৎসেৰ দৰে চন্দ্ৰকুমাৰ নিৰীশ্বৰবাদী নহয়। চন্দ্ৰকুমাৰৰ মতে সংসাৰৰ দুখ আৰু জ্বালাই মানৱ জীৱনৰ শেষ সিদ্ধান্ত নহয়। বৌদ্ধ দৰ্শনৰ লেখিয়াকৈ চন্দ্ৰকুমাৰৰ 'বীণ বৰাগী'ৰ কবিতাৰাজিয়ে আমাক বুজাই দিয়ে যে সংসাৰী দুখ আৰু যন্ত্ৰণাৰ এটি কাৰণ আছে। সেই কাৰণটি হ'ল পাৰ্থিৱ সুখ—ভোগ-মায়াৰ প্ৰতি মানুহৰ দুৰ্ব্বলতা। দুৰ্ব্বলতাক দমন কৰি মানুহে তেওঁৰ আত্মিক ব্যক্তিত্বৰ পৰিসৰ বহল কৰিব পাৰিলে, নিজক দুখ-যাতনাৰপৰা বিমুক্ত কৰিব পাৰে।

চন্দ্ৰকুমাৰ আশাবাদী কৱি। পুৰণি পৃথিৱীৰ বৈষম্য দূৰ কৰি সাম্যৰ এখন নতুন সৰগ ৰচাৰ সপোন তেওঁ দেখিছিল।

"মান অপমান ঢৌৱাই যাওঁক
পৃথিৱীৰ পৰা গুচি
নতুন সৃষ্টিৰ অৰুণ কিৰণে
কৰোক সকলো শুচি।
দুখ লাজ ভয় নাথাকিব আৰু
নতুন জগৎ সিটো
হেৰোৱা বীণৰ আনন্দৰ সুৰ
বাজিব দিনৰে দিনটো।"

(বীণ বৰাগী। পৃঃ ১২)

আৰু তেতিয়া আদৰ্শবাদী দাৰ্শনিক ৰাধাকৃষ্ণণে কয়, "We will have a new creation, a new race of men and women, mankind—transformed, redeemed and reborn, and a world created a new."

সু-খ্যাতনামা ভাৰতীয় দাৰ্শনিক সকলৰ আহিৰে চন্দ্ৰকুমাৰে দেহ আৰু মনতকৈ আত্মাক অধিক গুৰুত্ব দিছে। মনুষ্য জীৱন সসীম আৰু অসীমৰ মাজৰ সেতু। আমাৰ দেহ ক্ষণভঙ্গুৰ। দেহৰ ক্ষণভঙ্গুৰতা সম্পৰ্কে মানুহে সদায়ে সচেতন। জাৰ্মান দাৰ্শনিক য়াচৰ্পেছে (Jaspers) তেওঁৰ দৰ্শনত ইয়াৰ অৰ্থাৎ "Gewahrwerden der Bruechigkeit des seins" (awareness of the jragility of Being) ৰ বিশদ বৰ্ণনা দিছে। ক্ষণভঙ্গুৰ দেহৰ মাজত আছে অমৰণীয় আত্মা। হেগেলৰ মতে, "Immortality is a present quality of the spirit." অমৰণীয় আত্মাৰ মাধ্যমেৰে মানুহে অসীমক জয় কৰিব পাৰে। ভাৰতীয় অমূল্য শাস্ত্ৰৰ মহান শিক্ষাৰ পোহৰ লৈ মানুহে ক্ষুদ্ৰতাৰ বন্ধনৰপৰা নিজক উন্মুক্ত কৰিব পাৰে।

"সুষুপ্ত আত্মাৰ সূক্ষ্ম শকতি
জগাই মাথোন তোলা
আত্মাৰ বলেৰে বলীয়ান হৈ
বিজুলী সঞ্চাৰে দোলা।"

(বীণ বৰাগী। পৃঃ ২৬)

আকৌ—

"মহান প্ৰাণৰ অধিকাৰী আমি
মুখত আনন্দ গীতা।"

(বীণ বৰাগী। পৃঃ ২২)



বাৰ্গচোঁ, প্লেটো, শঙ্কৰাচাৰ্য্যৰ পুৰণি ৰীতিৰে চন্দ্ৰকুমাৰে কৈছে, জীৱনতত্বক জানিব পাৰি ইন্দ্ৰিয়াতীত অনুভূতি, প্ৰজ্ঞাৰ দ্বাৰা। 'বীণ বৰাগী'ৰ কৱিয়ে নিজৰ চৰ্চ্চাৰ কেন্দ্ৰৰপৰা কৰ্মজীৱনক পৃথককৈ ৰখা নাই। দিব্য দৃষ্টিৰে ঐক্য যোগ সাধন কৰিছে। সত্যৰ জগত ব্যৱহাৰৰ কেৱলিকা তৃপ্তি গৌণ,—মুক্তিহে মুখ্য। ক্ষুদ্ৰতাৰ আৱৰণৰপৰা মুক্তি পালে নিজকে মানুহে স্পষ্টকৈ জানিব পাৰে। সেই মুক্তি হ'ল অমৃতস্যপুত্ৰাৰ মুক্তি।

"সুলকিছে লাহে সংসাৰৰ বান্ধ
মুকলিছে মন মোৰ
মুকলি আকাশ মুকলি মুকলি
প্ৰকৃতি আইৰ মুখ।
দিয়াহে মুকলি কৰি মোৰ প্ৰাণ
দিয়া দেখি দিয়া দিয়া।
দিয়া দিব্য চকু, বিমল জেউতি
দেখি উধাৰোক হিয়া।"

(বীণ বৰাগী। পৃঃ ১৩,১৪)

পুনৰ—

"দিব্য দৃষ্টিৰে চোৱাহে জগৎখন
প্ৰহেলিকা গুচি এয়ে জীৱন-ৰঞ্জন।"

(বীণ বৰাগী। পৃঃ ১৭)

বন্ধন আৰু বৈৰাগ্যৰ সামঞ্জস্য সাধন ভাৰতীয় সাধনাৰ তত্ত্বকথা। মানুহৰ ধৰ্ম্ম হ'ল মানুহৰ পৰিপূৰ্ণতা। মানুহৰ পৰিপূৰ্ণতাৰ যি ধৰ্ম্ম, তাৰ মাজত ত্যাগ আছে, ভোগ আছে, বুদ্ধি আছে,— ইবোৰৰ মাধ্যমেৰে আমি মহামানৱৰ শাশ্বত অভিপ্ৰায়ক নিজৰ মাজত সাৰ্থক কৰো।

"দেখিছো পৃথিৱী স্বৰ্গতো অধিক,
মানুহৰ নিজাপি ঘৰ।
মানুহেই দেৱ ইহ জগতৰ
মানুহেই পৰাৎপৰ।"

(বীণ বৰাগী। পৃঃ ১৭)

চন্দ্ৰকুমাৰৰ মতে পৃথিৱী আৰু স্বৰ্গ দুখন জগৎ নহয়। এই পৃথিৱীতো সৰগীয় শান্তিৰ নিজৰা বোৱাব পাৰি।

"পৃথিৱীক তোলা স্বৰ্গৰ খাপলৈ
স্বৰ্গক নমাই আনা
সৰগ নহয় দূৰ দূৰণিৰ
বাহিৰবো নোহে জানা।"

(বীণ বৰাগী। পৃঃ২৬)

ইফালি কবিতাত ঋষি অৰবিন্দৰ 'The Life Divine'ৰ 'Concept of ascent and descent'ৰ গুণগুণনি শুনো।

ৰবীন্দ্ৰনাথ আৰু গান্ধীজীৰ সামাজিক দৰ্শনৰ চানেকিৰে 'বীণ বৰাগী'ৰ কৱিয়ে কৈছে, এই ধৰা একেটি ঘৰ সহস্ৰ মানুহৰ বাবে। আপোন-পৰৰ তুচ্ছ প্ৰশ্ন সেয়েই ইয়াত নুঠে।

"মানৱী জনমে পৰহিত সাধা
পৰক আপোন কৰি প্ৰাণ বৰ্ত্তা।
কেওঁ নোহে পৰ মানুহ তোমাৰ
কুটুমে কুটুমে ভৰা যে সংসাৰ।"

(বীণ বৰাগী। পৃঃ ৪৫)

# বৰদলৈৰ এখন চিঠি

( ১৬ পৃষ্ঠাৰ পিচৰ পৰা )

২৫। ৰঙ্গিলী উপন্যাস – ১৯২৫ খৃঃ —নগাওঁতে লেখি পেলাই থোৱা হৈছিল। পিছত ডিব্ৰুগড়ত শেহ কৰি ছপোৱা হৈছিল। এতিয়া হাতত নাই ঢুকাইছে।

২৬। প্ৰদীপিকা—মাহিলী – ১৯২৫, ১৯২৬—ডিব্ৰুগড়ত—৺দক্ষিণ পটীয়া ৺নবদেৱ সত্ৰাধিকাৰ প্ৰভুৰ সহায় আৰু অনুমোদনত। যি দুই কপি আছিল তাকো শোৱালকুচিৰ এজন দামোদৰী পন্থৰ ভদ্ৰলোকে খুজি নি আৰু ওলটাই নপথালে।

২৭। নিৰ্ম্মল ভকত উপন্যাস— ১৯২৫ খৃঃ ছপা হৈছে। হাতত কিছু আছেও। লিখা হৈছিল নগাৱত। ডিবৰুত শেষ কৰা হল। প্ৰদীপিকাতো ছপা হৈছিল।

২৮। তাম্ৰেশ্বৰীৰ মন্দিৰ ( উপন্যাস ) ১৯২৬ খৃঃ —ডিব্ৰুগড়ত লিখা। অসম হিতৈষীত ছপা হৈছিল। এতিয়া পুস্তক আকাৰে ছপা হৈছে।

২৯। ৺শঙ্কৰ দেৱৰ তিথি উপলক্ষে লিখা বক্তৃতা — ১৯২৬ ছপোৱাই ডিব্ৰুৰ শঙ্কৰদেৱ সমিতিক ৫০০ কপি দান দিয়া হৈছে।

৩০। ২য় মিৰি সন্মিলনৰ নিমিত্তে লিখা বক্তৃতা ১৯২৮ খৃঃ — ডিব্ৰুগড়ত – তেওঁবিলাকে ছপা কৰাইছে।

৩১। ডাঙ্গৰীৰ কচাৰী সন্মিলনত দিয়া বক্তৃতা ১৯২৮ খৃঃ —কতু ছপা হোৱা নাই।

৩২। ৰহদৈ লিগিৰী ( উপন্যাস ) – ১৯৩০ খৃঃ ডিব্ৰুগড়ত ছপা হৈছে হাতত কিছুমান আছে।

৩৩। ৺নবদেৱ তিথিৰ উপলক্ষে লিখা – ১৯৩০ খৃঃ —ডিব্ৰুত – অসমীয়াত ছপা হৈছিল।

৩৪। প্ৰাণৰ স্পন্দন – ১৯৩০ খৃ – ডিব্ৰুত দিয়া বক্তৃতা বাঁহীত ছপা হৈছিল।

৩৫। গা ধন ( চুটী গল্প ) ১৯৩১ খৃ ডিব্ৰুত আবাহনত ছপা হৈছিল।

৩৬। মায়ামৰীয়া সকলৰ সম্বন্ধে – ১৯৩১ খৃ ডিব্ৰুত—আবাহনত ছপা হৈছিল।

৩৭। ডিব্ৰুগড়ৰ পোষ্টেল ইউনিয়নত দিয়া বক্তৃতা – ১৯৩১ খৃঃ ত – ইংৰাজী – কপি আছে।

৩৮। খাম্বা খোইবী – এটি মণিপুৰী সাধু কথা ১৯৩২ খৃঃ ত — ডিব্ৰুত লিখা – আবাহনত ছপা হৈছে।

৩৯। প্ৰেমৰ উপাসক এটি চুটী গল্প – ১৯৩২ ডিব্ৰুত লিখা – গল্পমালাত ছপা হৈছে।

৪০। সৌন্দৰ্য্যৰ উপাসক – ১৯৩২ — ডিব্ৰুত লিখা—আবাহনত ছপা হৈছে।

৪১। অসমত উপন্যাসৰ সজুলি — ১৯৩২—ডিব্ৰুত লিখা – কটন কলেজত দিয়া বক্তৃতা — আবাহনত ছপা হৈছিল।

৪২। মই স্বাধীন নে – ১৯৩৪ – ডিব্ৰুত লিখা আবাহনত ছপা হৈছে।

৪৩। ভোলাই শৰ্ম্মাৰ ভাবপ্ৰবণতা -- ১৯৩৪ ডিব্ৰুত লিখা – নজোনত ছপা হৈছে।

৪৪। বৰদৈচিলালৈ – ১৯৩৪ – ডিব্ৰুত লিখা বৰদৈচিলাত ছপা হৈছে।

এই বিলাকত বাজেও লিখা চিঠি :—তাৰাপুৰৰ অসমীয়া মানুহৰ সম্পৰ্কে লিখা চিঠি। ভদ্ৰচৌৰ্য্যৰ বিষয়ে লিখা চিঠি।

বঙ্গালীয়ে অসমীয়া ভাষাক হীন বোলা বিষয়ে চিঠি ইত্যাদি ইত্যাদি আছে। পিছত ভোলাই শৰ্ম্মা বোলা কিতাপ ছপাওঁ ৫টা চুটি গল্পৰ। পেনচন্ লৈ উঠি মই এখন বাগিছা কৰোঁ। সেই বাগিছাত মোৰ গোটেই জীৱনৰ আৰ্জ্জনৰ টকা প্ৰায় ৬৭,০০০্ খৰচ কৰি মুঠতে ৬০ হেজাৰ টকা এটা সুৰিৰ পৰা ধাৰে লৈ বাগান কৰো ১৯৩৫ খৃঃ সুৰিয়ে মকৰ্দ্দমা কৰি শতকৰা ১২ টকা সুত ধৰি প্ৰায় ১,০০০০০ টকা সুত কৰি মোৰ বাগান লৈ ললে। ময়ো বাগান তাক বেচি দি গুৱাহাটী মোৰ জনম ঠাইত বহোঁ।

১৯৩৬ চনৰ জানুৱাৰীত মোৰ পক্ষাঘাত ৰোগ হই সোঁফালটো অৱশ হয়। পিছত শ্ৰীযুত ভুবনেশ্বৰ বৰুৱাৰ ১ম চিকিৎসাত তাৰ পাচত শ্ৰীযুত ঘনেশ্যাম দাসৰ চিকিৎসাত ভাল হই এতিয়াবলৈকে জীয়াই আছোঁ। এতিয়া মোৰ বয়স ৭১ বছৰ ৫ মাহ *

* ৺ৰজনীকান্ত বৰদলৈ দেৱৰ কনিষ্ঠ পুত্ৰ শ্ৰীদেৱকান্ত বৰদলৈৰ পৰা ব্যক্তিগতভাৱে এই চিঠিখন সংগ্ৰহ কৰা হৈছে। প. স.

# চন্দ্ৰকুমাৰ আগৰৱালাৰ সাহিত্য প্ৰতিভা

ৰমানন্দ বৰ্মণ

আমি আজি যিজনাৰ কৰকমলত শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ ওলাইছোঁ সেইজনাৰ লগত প্ৰত্যক্ষ মিলনৰ সম্ভাৱনা নাই বুলি সঠিককৈ জানো যদিও ভাৰতীয় দৰ্শন শাস্ত্ৰই আত্মাৰ অস্তিত্বক বিশ্বাস কৰি আহিছে যেতিয়া জয়জয়তে সিজনাৰ অমৰ-আত্মাৰ সদ্‌গতি কামনা কৰোঁহক।

## সাহিত্য চৰ্চ্চা আৰু সাংসাৰিক জীৱন

চন্দ্ৰকুমাৰ আগৰৱালাদেৱ খৃষ্টীয় ১৮৬৭ চনৰ ২৮ নবেম্বৰৰ দিনা তেজপুৰৰ কলংপুৰ মৌজাৰ ব্ৰহ্মজানত জন্ম গ্ৰহণ কৰি ইং ১৯৩৮ চনত গুৱাহাটীৰ নিজ ঘৰত মৃত্যু বৰণ কৰে। দেউতাক হৰিবিলাস আগৰৱালাৰ পাঁচটি পুত্ৰৰ দ্বিতীয়, চোকাবুদ্ধিৰ চন্দ্ৰকুমাৰ পঠদ্দশাতেই স্বাধীনচিতীয়া হবলৈ শিকিছিল আৰু প্ৰকৃতিত তেখেত আছিল লাজকুৰীয়া আৰু কবিসুলভ। এনে বিষম অৱস্থাৰ মাজত একালে সাহিত্য চৰ্চ্চাৰ সূক্ষ্ম বিচাৰ আৰু অন্যকালে ব্যৱসায়ৰ কঠোৰ পৰিশ্ৰম,—কোনো-কালেই তেখেতে অৱসাদ অনুভৱ নকৰিছিল আৰু কেতিয়াও হাতৰ মুঠি শিথিল হৈ যাব দিয়া নাছিল। কাপ-মৈলাম লৈ কবি-কাননত কেৱল গুণ্ গুণ্ কৈ গান গায়ে বা কবিতা ৰচিয়ে মানুহ তুষ্ট থাকিব নোৱাৰে। যিদৰে আকাশত চাং পাতি শুকুৰি, আৰ্থিক অচলতা সুচল কৰিবলৈ হলে বাস্তৱ জীৱনক কেতিয়াও পাহৰি যাব নোৱাৰি, আনহাতে ব্যৱসায়ৰ ঐকান্তিক প্ৰচেষ্টা নাথাকিলে ধন ঘটা নাযায়; ঠিক সেইদৰে সাহিত্য চৰ্চ্চা নাথাকিলে মানৱ মনৰ অফুৰন্ত আনন্দ উপভোগ কৰিব নোৱাৰি আৰু ইয়াৰ বিকাশ নঘটে। এই বিপৰ্য্যস্ত পৰিস্থিতিৰ মাজত দণ্ডায়মান হৈ আগৰৱালাই হয়তো সৰ্ব্ব শৰীৰতে এক অজান শিঁহৰণ অনুভৱ কৰিলে আৰু ধুমুহাৰ গৰাহত পৰা জীৱন-নৌকাৰ সুবিধাজনক দিশ কৰ্ত্তব্যই পোনাই দেখুৱালে। এই একেই পৰা-বৃত অৱস্থাৰ মাজত প্ৰতিপালিত হোৱা পঞ্জাবৰ চুফী কবিসকলেও গাঁৱলীয়া ব্যৱসায় আৰু কুটীৰ শিল্পৰ প্ৰতি সজাগ হৈ উঠা অনুপ্ৰেৰণাকে লৈ সাহিত্যৰ সৌধ নিৰ্মাণ কৰিছিল। সূতা কটা, কপাহ ধুনা, তাঁত বোৱা আদিৰ সৰঞ্জামমূলক শব্দবোৰেই আছিল তেওঁলোকৰ কবিতাৰ আৱশ্যকীয় সামগ্ৰী। তেওঁলোকৰ মানত যঁতৰৰূপী জগতৰ যঁতৰ ঘূৰোৱা ছোৱালীজনী আছিল জগতৰ প্ৰাণ বা আত্মা। সু-সাহিত্যিক চন্দ্ৰকুমাৰৰ কৰ্মময় জীৱনৰ ধ্যান-ধাৰণাৰ যি সৃষ্টিমূলক প্ৰতিভাসম্পন্ন-কাব্যৰূপ আমাৰ মাজত প্ৰকাশ্য হৈ পৰিল; সি পাঞ্জাবী কবিসকলৰ চিন্তা-ভাৱনাৰ লগত কিঞ্চিৎ সমন্বয় ৰক্ষা কৰিছে যেন লাগে। কৰ্মময় জীৱনৰ ব্যস্ততা, স্বাধীনচিতীয়া মনোভাৱ, সমাজৰ লগত আৰু সাধাৰণ জন-সমাজৰ লগত জনৱল্লভ হৈ একে-লগে থিয় দিব নোৱাৰা অৱস্থাদিৰ বাবে আগৰ-ৱালাই সকলোৰে পৰা সমানভাবে সমাদৃত হোৱা নাছিল; কিন্তু বেজবৰুৱা আদি দুই-একে তেখেতৰ গুকান হৃদয়তো ৰসৰ নিজৰা বিচাৰি উলিয়াব পাৰিছিল। অসমৰ খ্যাতনামা সাহিত্যিক, পাণ্ডিত্য আৰু মননশীলতাৰ পৰিচয়জ্ঞাপক ৺ডিম্বেশ্বৰ নেওগে আগৰৱালাক ইংৰাজী নৱন্যা-সৰ ত্ৰিমূৰ্ত্তি ওৱৰ্ডছ্‌ৱৰ্থ্-কলেৰীজ্-ছাদীৰ দৰে অসমীয়া নৱন্যাসৰ ত্ৰিমূৰ্ত্তিৰ প্ৰথমটি আৰু প্ৰধান-টিও বুলি আখ্যা দি গৈছে। এলিজাবেথ যুগৰ পিছত ইংৰাজী সাহিত্যৰ নৱন্যাস যুগক (১৮০০-৫০) দ্বিতীয় প্ৰতিভাশালী যুগ বোলাৰ দৰে অসমীয়া বৈষ্ণৱ সাহিত্যৰ পাছত ঢেকিয়াল ফুকনৰ জন্মৰ পৰা বেজবৰুৱাদেৱৰ শেহান্তৰলৈকে এই সুদীৰ্ঘ একশত বছৰকে (১৮৩০-১৯৩০) নৱন্যাস যুগ বোলা হয় যদিও, প্ৰকৃতপক্ষে "জোনাকী" আৰু "আৱাহন" কাকতৰ মধ্যৱৰ্ত্তী অসমীয়া নৱন্যাসখিনিহে যেছি উৎকৃষ্ট।

## নৱন্যাস যুগ আৰু জোনাকীৰ সাহিত্যিকসকল

অসমীয়া নৱন্যাসো ইংলণ্ডৰ নৱন্যাসৰ দৰেই প্ৰথমতে জোনাকীৰ পৃষ্ঠপোষক সকলৰ একাণ-পতীয়া চেষ্টাৰ বলতেই কাব্যগন্ধী হৈ আগ বাঢ়িছিল আৰু পিছলৈ ৰবদলৈ দেৱৰ "মিৰি জীয়ৰী" উপন্যাস আৰু বেজবৰুৱা দেৱৰ "জয়মতী" নাট আদি প্ৰকাশিত হৈ উঠা দেখা পাওঁ। এই কথা স্বীকাৰ কৰিব লাগিব যে ইউৰোপৰ নৱন্যাসৰ নিচিনা অসমীয়া নৱন্যাস-সংঘাটৰ স্বতঃস্ফূৰ্ত্ত অৱদান নহয়। জুয়ে পুৰিলেহে জুইৰ দাহিকা শক্তিৰ উমান পোৱাৰ দৰে, বুজা সকলেহে অসমীয়া ভাষা-সাহিত্যৰ মহাযুদ্ধখনৰ কথা বুজি পায়। আগৰ ডোখৰত, যি সময়ত অসমৰ মাজবুকুতে সাতসাগৰ তেৰনদী পাৰ হৈ অহা বগা-চাহাবৰ অত্যাচাৰ-অনাচাৰৰ অন্যায়-মূলক কঠোৰ শাসন চলিছিল, ঠিক সেই সময়-তেই অসমৰ ভাষা-সাহিত্যৰ তীব্ৰ গতি প্ৰতিহত হৈ পৰিল। ঘৰ শত্ৰু, পৰ শত্ৰু, দেশৰ দশো-দিশে কেৱল দেখিবলৈ পোৱা গ'ল—মিত্ৰভাৱে আহি বুকুত কুঠাৰ ৰছুৱাব খোজা বিদেশী শত্ৰুৰ অবাধ গতি আৰু সিহঁতৰ তাণ্ডৱ নৃত্য। কোনো কূটচক্ৰীৰ চক্ৰান্তৰ বশৱৰ্ত্তী হৈ ইংৰাজ ৰাজশক্তিয়ে অসমৰ মাতৃভাষাক হেয়জ্ঞান কৰি তাৰ ঠাইত ইংৰাজী ১৮৩৬ খৃষ্টাব্দত অসমৰ স্কুল-আদালত আদিত বঙালী ভাষা প্ৰতিষ্ঠা কৰিলে। ১৮৩৬ খৃষ্টাব্দৰপৰা ১৮৭৩ খৃষ্টাব্দলৈ প্ৰায় ছকুৰি বছৰ

বঙালী ভাষাই আধিপত্য বিস্তাৰ কৰাৰ পাছত এদিন অসমৰ ভাগ্য-আকাশত পোহৰ বিৰিঙি উঠিল। আমেৰিকাৰ বষ্টন নগৰীৰ পৰা বেপ্টিষ্ট মিশ্যনেৰীসকলে যীশুখৃষ্টৰ ত্যাগ আৰু বিশ্বপ্ৰেমৰ মৰ্মবাণী লৈ আহি অসমত বিস্তাৰ কৰিবলৈ লাগি গ'ল আৰু লগে লগেই অসমীয়া ভাষা-সাহিত্যই পুনৰ্জীৱন লাভ কৰিলে। তাৰ পাছত বৈষ্ণৱ যুগৰ বিষ্ণুভক্তিসম্পন্ন সাহিত্যৰাজিৰ অৱকাশ লৈ আৰু অন্যফালে ইংৰাজী নৱন্যাসৰ প্ৰভাৱ পুষ্ট হৈ অসমীয়া সাহিত্যই গা কৰি উঠিছিল। নৱন্যাস যুগত অসমৰ স্কুল-আদালতৰ পৰা বঙালী তথা ইংৰাজী ভাষাৰ প্ৰভাৱ কমিল যদিও, প্ৰচলনৰ অভাৱ যথেষ্ট হোৱা নাছিল, কিন্তু সেইবুলি জোনাকীৰ সাহিত্যিকসকলে আত্ম-বিস্মৃত হৈ তেতিয়াও বিদেশী ভাৱ-ভঙ্গিমাক সম্পূৰ্ণভাৱে অনুকৰণ কৰি যোৱা নাছিল। অ-ভা-উ-সাৰ যোগেদি সিসময়ৰ কলিকতীয়া অসমীয়া ছাত্ৰসকলে অশেষ কষ্ট বৰণ কৰি আলোচনাচক্ৰ পাতি,—অসমৰ ঐতিহ্যসম্পন্ন পুৰণি পুথি সংগ্ৰহ, অসমৰ সকলো শিক্ষানুষ্ঠানতে অসমীয়া ভাষা প্ৰচলন, শুদ্ধ ব্যাকৰণৰ প্ৰচলন, সামাজিক ৰীতি-নীতিৰ বৃত্তান্ত আৰু বুৰঞ্জী প্ৰণয়ন, সাহিত্য আৰু পাঠ্যপুথিৰ অভাৱ দূৰীকৰণ,—আদি কামত নিৰৱচ্ছিন্নভাৱে লাগি পৰিল আৰু ইং ১৮৮৯ চনত সভাৰ মুখপত্ৰ হিচাপে প্ৰকাশিত হোৱা "জোনাকী" কাকতেই অসমীয়া সমাজৰ বিকিৰণ কেন্দ্ৰৰূপে পৰিগণিত হৈ উঠিল। ৰোমাণ্টিক প্ৰভাৱপুষ্ট এই নতুন সাহিত্য-আন্দোলনে অসম ৰাজ্যত স্বদেশী উপন্যাস, নাট, গীতি-কবিতা আদিৰ ব্যাপক সৃষ্টিৰ অসম্ভৱ-সম্ভাৱনাক সাৰ্থক কৰি তুলিলে আৰু আগৰৱালাৰ শ্ৰেষ্ঠ প্ৰতিভাক এই গৌৰৱৰ যুগেই অযাচিতেই স্বীকৃতি দিলে যে,—আগৰৱালা শিল্পী, আগৰৱালা অনলস কৰ্ম্মী, আগৰৱালা কবি, বিশেষতঃ—প্ৰতিমাৰ পাকৈত খনিকৰ আৰু তেখেত মানৱৰ প্ৰকৃত পূজাৰী। ব্যক্তিনিষ্ঠ কবিতাৰে কবিসকলে মূলতঃ প্ৰেমৰ বিভিন্ন আবেগ-অনুভূতিক মূৰ্ত্তমান কৰি এই যুগতেই চনেট্, শোক-কবিতা, বৰ্ণাত্মক কবিতা, অনুকৰণধৰ্মী লোকগীত, প্ৰচলিত লোকগীত, ব্যঙ্গ কবিতা আদি ইংৰাজ ৰোমাণ্টিক কবিসকল; বঙালী কবি মাইকেল মধুসূদন দত্ত, হেমচন্দ্ৰ বন্দোপাধ্যায়, ৰবীন্দ্ৰনাথ ঠাকুৰ আদিৰ কবি-প্ৰসিদ্ধি, ছন্দ আৰু উপমা-উৎপ্ৰেক্ষাকে আশ্ৰয় কৰি গঢ় দি তুলিলে যদিও, সিসকলে মৌলিকতা এৰি নিদি সুযোগৰ ফাকে ফাকে নিজা দৃষ্টিভঙ্গী আৰু নিজা অভিজ্ঞতাক সিবোৰৰ মাজত অন্তৰ্নিহিত কৰিলে। সাহিত্যিক সকলে এই যুগত নগৰীয়া সভ্যতাৰ ফালে পিঠি দি গাঁৱলীয়া চহা জীৱনৰ জীৱনবৃত্তিকে প্ৰধানভাৱে সাহিত্যৰ উপকৰণ হিচাপে লৈ প্ৰকৃতিত সৌন্দৰ্য্যৰ অনুসন্ধান, প্ৰিয়তমাৰ প্ৰতিবিম্ব অন্বেষণ, প্ৰকৃতিতেই আত্ম সুখ-দুখৰ আৰোপ-অধ্যাৰোপ আদি সিসকলৰ ৰচনাত ন-ন ৰূপে ৰূপায়িত কৰিলে। পুৰণিৰ ঐতিহ্যপ্ৰীতি, পৰিত্যক্ত পদাৰ্থক জ্যোতিষ্মান কৰি তোলা (ক্ষুদ্ৰ মানৱ, বাটৰ দুবৰি, মানিমুনি শাক আদিকে লৈ কবিতা ৰচা), স্বদেশপ্ৰীতি বা জাতীয় ঐক্যৰ বাবে চেতনাৰ সঞ্চাৰ কৰা আৰু স্বাধীনতা আন্দোলনৰ ৰণ-হুংকাৰৰ উত্তপ্ত বাণী প্ৰচাৰ কৰা আদিয়েই আছিল এই যুগৰ বৈশিষ্ট্য। দুদিনীয়া জীৱনত শাশ্বত প্ৰেমৰসৰ নিজৰা গীতি-কবিতাৰ মাজেৰে প্ৰবাহিত হলেও আগৰৱালাদেৱে বিশেষতঃ মিলনৰ মাজেদি সম্পূৰ্ণ সুখ-স্বাচ্ছন্দ্য পোৱাৰ আশা নেদেখি অতীন্দ্ৰিয়ৰ অজ্ঞান সুখৰ সপোন দেখিছিল। তদুপৰি যুগৰ অভিৰুচিৰ স্বাদ উপলব্ধি কৰি প্ৰকৃতি উপাসনা, সৰ্ব্বাত্মবাদ আৰু মানৱৰ জয়গান গোৱা, ৰহস্যবাদ আৰু অধ্যাত্মবাদৰ চৰ্চ্চা; আনহাতে অবাস্তৱী আৰু ভাববিলাসী কল্পনাৰ আশ্ৰয় লোৱা আদিৰে বিশ্ব-সাহিত্যৰ নতুন গতি-বিধিৰ লগত আগৰৱালাদেৱেই সফলভাৱে আমাক পৰিচয় কৰি দিয়ালে। তীব্ৰ অনুভৱ-ক্ষমতাৰ সহায়ত প্ৰকাশৰ সৰল ব্যঞ্জনাৰে আগৰৱালাই যে আগধৰি কেৱল পাশ্চাত্য নৱন্যাসৰ প্ৰভাৱ অসমীয়া সাহিত্যত পেলাবলৈ যত্নপৰ হৈছিল এনে নহয়—তেখেতে ইয়াত সম্পূৰ্ণভাৱে কৃতকাৰ্য্যও হব পাৰিছিল। প্ৰকৃতিৰ আবেদনশীলতাক অৱজ্ঞা কৰা হেতুকে কেতিয়াবা আকৌ আগৰৱালাই আক্ষেপ কৰিছিল; সেইবুলি বাহ্যিক বৰ্ণালিতে আৱদ্ধ নাথাকি প্ৰকৃতিৰাজ্যৰ ৰূপ-লাৱণ্যৰ মূল ৰহস্য উদ্ঘাটন কৰাতো তেখেতে মনোযোগ দিছিল। মানৱ মনৰ পঙ্কিলতা আঁতৰ কৰি জগতক সৌন্দৰ্য্যৰ মধুৰ জ্যোতিৰে জ্যোতিষ্মান কৰাৰ প্ৰয়াসে সিজনাই প্ৰচাৰ কৰিছিল—"সৌন্দৰ্য্যৰ আৰাধনা জীৱনৰ খেল।" সৌন্দৰ্য্যৰ মোহন মূৰতিয়ে যেন ব্ৰতধাৰীৰো ব্ৰত ভাঙি দি দিহিঙে-দিপাঙে ঘূৰাই লৈ ফুৰিছে,—কৰ্ত্তব্যৰ কথা নপৰে মনত; কিন্তু তাতেই জানো জীৱনৰ সাৰ্থকতা? বাস্তৱ জীৱনৰ প্ৰতি গভীৰ দৃষ্টি ৰাখি কবিয়ে ইয়াৰ উত্তৰ বিচাৰিছে।

বিশ্ববিদ্যালয়ৰ উপাধি আৰু ৰজাঘৰীয়া খিতাপলৈ আওকাণ কৰা আগৰৱালাই কলিকতাৰ ১০ আৰ্মেনিয়ান্ ষ্ট্ৰীটৰ নিজা ঘৰত ব্যৱসায়ী পিতাকৰ লগত থাকি এণ্ট্ৰেন্স পাছ কৰি প্ৰেচিডেন্সি কলেজৰ বি-এ মহলালৈ পঢ়িও নিৰুপাধিক হৈ অসমলৈ উলটিল আৰু দেউতাকৰ চাহ খেতিতেই নিয়াৰিকৈ লাগি গল কিন্তু সাহিত্য চৰ্চ্চাৰ ধাউতি হলে অকণো নকমিল। কলিকতাত পঢ়ি থকা কালতেই তেখেতে নিজৰ খৰচৰ পৰাই ধন সাঁচি পোন প্ৰথমে ইং ১৮৮৯ খৃষ্টাব্দত "জোনাকী" কাকতখন উলিয়াইছিল। তদুপৰি আগৰৱালাৰ যত্নতে গঢ়ি উঠা "আসাম প্ৰিণ্টাৰ্চ এণ্ড পাব্লিচাৰ্চ লিঃ" কোম্পানীয়ে ১৯১৮ চনত প্ৰকাশিত হোৱা সাতদিনীয়া অসমীয়া বাতৰি কাকত "অসমীয়া" বেজবৰুৱাৰ "বাঁহী" আদি উলিয়াই অসমীয়া লিখকগোষ্ঠীক সুবিধা দিয়া বাবে আগৰৱালাৰ নাম চিৰস্মৰণীয় হৈ থাকিব—যিদৰে গুৱাহাটীৰ "নিউ প্ৰেছে" তেখেতক আৰু বহুদিন অমাৰ মাজত সজীৱ কৰি ৰাখিব। লগতে আগৰৱালাৰ পাকৈত পৰিচালনাত গঢ়ি উঠা চাহ-বাগিচা কেইখনেও তেখেতৰ বৃহৎ ব্যৱসায়ৰ আহিঁকে দেখুৱাইছে। দৰাচলতে আগৰৱালা বাস্তৱ জীৱনত যেনে মৌনব্ৰতী আছিল, কৰ্মপ্ৰেৰণাই যিজনৰ "শক্তিৰ সন্তান মই নোহোঁ আৰু কেওঁ" বুলি সাহসেৰে সাংসাৰিক জীৱন চলাই লৈ গৈছিল, সাহিত্য চৰ্চ্চাতো তেখেত তেনে গুৰু-গম্ভীৰ

আৰু সংযত আছিল আৰু সেই নিমিত্তেই তেখেতৰ হৃদয় ভেদ কৰি ওলোৱা প্ৰথমখন কবিতা পুথি "প্ৰতিমা" ( ১৯১৩ খৃষ্টাব্দত ) আৰু দ্বিতীয় কবিতা পুথি "বীণ-বৰাগী"য়ে ( ১৯২৩ খৃষ্টাব্দত ) যেন অসমীয়া সমাজক খেদি খেদি ধৰিছিল, চিন্ময় ভাষা শিকাইছিল আৰু শেষত সুস্থিৰ কৰি তুলিবলৈও সান্ত্বনা দিছিল। আধুনিক গীতি-কবিতাৰ শুভ উদ্যোগ জোনাকীৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাত প্ৰকাশ হোৱা "বনকুঁৱৰী"ত আছে অতি প্ৰাকৃত সূক্ষ্মভাবেৰে গঢ়া প্ৰকৃতিৰ মনোৰম ছাঁয়া। জোনাকী যুগৰ এমুঠি সাৰথিৰ স'তে মিলি আগৰৱালাই যে যুগনায়কৰূপে থিয় দিব পাৰিছিল তাৰ মূলতে আছিল—তেখেতৰ সংস্কাৰধৰ্মী মন, তীক্ষ্ণ বুদ্ধি, অজেয় শক্তি, নিপুণ হাতৰ পাকৈত লেখনি আৰু মনৰ এক-নিষ্ঠতা। শ্ৰীমান চন্দ্ৰকুমাৰৰ মন-সমুদ্ৰত যেন হেজাৰ প্ৰশ্নই খলকনি লগালে,—এইখন পঁচি পঁচি গড় খাই থকা সমাজৰ বদ্ধমূল অন্ধবিশ্বাস-বোৰ আঁতৰোৱাৰ উপায় নাইনে বাৰু? বিভিন্ন ৰাজশক্তিৰ শাসক-শোষকৰ বলে বলিয়ান বিভিন্ন ধৰ্ম্মৰ নীতি-নিয়ম লৈ বাদ-বিসম্বাদ, শঙ্কৰী ধৰ্ম্মৰ লৌকিকতাবিহীন বাস্তৱবিমুখী আধ্যাত্মিকতা আদি প্ৰতিকূল অৱস্থাত পৰি নিৰাশ হোৱা মুমূৰ্ষু অসমীয়া জাতিটোক উদ্ধাৰ কৰাৰ কোনো উপায় নোলাবনে? চন্দ্ৰকুমাৰে উপায় পাইছিল। আধা-মৰা আধা-জীয়া অসমীয়া সমাজখনত পাশ্চাত্য নৱন্যাসৰ প্ৰভাৱেৰে আশাৰ সঞ্চাৰ কৰি আগৰৱালাই এক নতুন জাগৰণৰ কম্পন তুলিবলৈ উঠি-পৰি লাগিল। এইজন বিশিষ্ট লোকক কোনো কোনোৱে অষ্টাদশ শতিকাৰ কবি "গ্ৰে"ৰ লগত তুলনা কৰিব খোজে। এওঁ মধ্যযুগীয় বুৰঞ্জীৰ আনুকূল্যখিনি সংগ্ৰহ কৰাত মন দিছিল যদিও, ডঃ জনছন আদিৰ প্ৰচণ্ড সমালোচনাৰ ফলত তেওঁৰ অন্তৰ ভাঙি পৰে, ফলত তেওঁ যথেষ্ট পুথি প্ৰণয়ন কৰিব পৰা নাছিল যদিও অষ্টাদশ শতিকাৰ বিখ্যাত কবি বুলি অনায়াসে প্ৰমাণিত হৈছিল। চন্দ্ৰকুমাৰেও আমাক যথেষ্ট দি যোৱা নাই যদিও, যি কিঞ্চিৎ দি গ'ল সি সোণ-চেকুৰা জদা দি আজিও জিলিকি আছে। সেয়ে বেজবৰুৱাই তেখেতৰ "প্ৰতিমা"ৰ বিষয়ে আলোচনা কৰি লিখিছিল—"প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ"।

### সুন্দৰৰ সাধক আগৰৱালা

বৰাগীকণ্ঠী বেশেৰে কাব্য-কাননত বীণ বজাই আৰু সৌন্দৰ্য্যৰ জড়মূৰ্ত্তিৰ খনিকৰ হৈয়ে ব্যস্ত নাথাকি আগৰৱালাদেৱে কথা-সাহিত্যতো সুনাম অৰ্জন কৰিছিল আৰু সেইহেতু বেজবৰুৱাই তেখেতৰ "জীৱন সোঁৱৰণত" আগৰৱালাৰ প্ৰথম বছৰৰ জোনাকীক প্ৰশস্ত বুলি ব্যক্ত কৰিছিল কিন্তু নকলেও হব যে আগৰৱালাৰ কাব্য-প্ৰতিভাইহে নিবাত-নিষ্কম্প এখোজ আগবাঢ়ি খোজ কাঢ়িছিল। "ফুলা সৰিয়হ ডৰা", "নীয়ৰ" আদি কবিতা তেখেতৰ মন-সৌন্দৰ্য্যৰ প্ৰতিৰূপ, যি ৰূপৰ সৃষ্টিৰ মূলতে আছিল—চন্দ্ৰকুমাৰৰ অন্তৰ পৰশি যোৱা ইংৰাজ কবি ওৱৰ্ডছ্ৱৰ্থৰ "হিলিং পাৱাৰ", আগৰৱালাৰ স্বকীয় প্ৰকৃতি-প্ৰীতি আৰু দূৰপ্ৰসাৰী তীব্ৰ অনুভৱ। নিৰৱ



নিস্তাল মাৰি তৎ হেৰুৱাই অভিভূত হোৱা ওৱৰ্ডছ্ৱৰ্থক হেনো পৰ্ব্বতৰ চূড়া, গহন বনৰ নিৰ্জনতাৰ মাজত চুপ হৈ থিয় দি থকা প্ৰকাণ্ড প্ৰকাণ্ড ডিমৰু গছ, ফলৱতী কাননৰ শ্যামলী শোভা, জোপোহা বনৰ আঁৰত লুকাভাকু খেলা সুকুমৰ ৰাঙলী জেউতি, অদৰী মানুহৰ বনৰীয়া পঁজা, দূৰ-দূৰণিৰ পৰা উৰি অহা কোনো তপস্বীৰ হোমৰ ধুম আদিয়ে নিজে নিজেই উন্মনা কৰি তুলিছিল। সেয়ে কবি আৰু অক্সফোৰ্ড বিশ্ব-বিদ্যালয়ৰ কবিতাৰ অধ্যাপক মেথিউ আৰ্ণল্ডে ওৱৰ্ডছ্ৱৰ্থ সম্পৰ্কে এই অভিমত দিছিল—

"It might seem that nature, not only gave him the matter of his poem but worte his poem for him." আগৰৱালা দেৱেও তেখেতৰ স্বকীয় সৌন্দৰ্য্য-অনুভূতিক "মাধুৰী" নামৰ কবিতাত সুন্দৰভাৱে উপস্থাপন কৰিছে। কবিসকলৰ মতে সৌন্দৰ্য্যৰ পূৰ্ণবিকাশেৰে কলাৰ সৃষ্টি হলে সেই কলাক্ষেত্ৰত যেন সাৰ ফুটে সেয়ে সৌন্দৰ্য্যৰ অৰ্দ্ধবিকাশ বা স্বল্পবিকাশতহে সিসকলে মনোযোগ দিয়া দেখা যায়। সেইবাবেহে হড্ছনে লিখিছিল—"The art of the artist is to hide the art." আৰু ওৱৰ্ডছ্ৱৰ্থে তেওঁৰ গুপ্ত-প্ৰেমিকা লুচীৰ প্ৰেম-সৌন্দৰ্য্যৰ উপমা বিচাৰি পাইছিল — চেলনিৰে আধা আগুৰি ৰখা ভায়লেট ফুলটিত:

"A violet by a mossy stone
Half hidden from the eye."

মহাকবি কালিদাসেও তেওঁৰ কাব্য-নাটকৰ বিভিন্ন ঠাইত, বিশেষতঃ শকুন্তলাৰ ৰূপ বৰ্ণনাত এনেকুৱা সৌন্দৰ্য্যৰ সমাৱেশ ঘটাইছে। কবি কীটছেও এনে সৌন্দৰ্য্যৰ মূল্য নিৰূপণ কৰি লিখিছিল—"Heard melodies are sweet, but those unheard are sweeter."।

বহু পুণ্যৰ ফলত এই পৃথিৱীত জন্মলাভ কৰা জীৱশ্ৰেষ্ঠ নৰসমাজৰ হিত চিন্তা কৰা, লক্ষ লক্ষ হৃদয়ৰ দুখ-কলা হৰণ কৰাতেই ক্ষান্ত নাথাকি আগৰৱালাই যেন পাদ্য-অৰ্ঘ্য লৈ আগ বাঢ়িছে মানৱৰ পূজাৰ উদ্দেশ্য; যাত্ৰাপথত আৰু অন্যান্য সতীৰ্থসকলে লগ দিছেহি। "বিশ্বভাৱৰীয়া," "মানব বন্দনা," "বীণ-বৰাগী" আদিত এই ভাব পৰিস্ফুট হৈ উঠিছে। তাৰে অলপ কাব্যৰস লবনে?

"আহিছে মানুহ, গইছে মানুহ মানুহ ময়াপী জীৱ;
মানুহ সোঁতৰ অন্ত নাইকিয়া, বুলিলে মৰত কিয়?
মানৱী জনম দিয়া উটুৱাই মানৱী মৰম সোঁতে;
মানুহ মৰম বুজিবা মানুহে ধৰম যে মৰততে!"

তত্বপৰি মানৱ চৰিত্ৰৰ গুণ-দোষ বিশ্লেষণ কৰি আগৰৱালাই বুজি উঠিছিল যে আমি নিজে নিজেই ইহ সংসাৰত ভুনানামী ৰাক্ষসৰ সৃষ্টি কৰোঁ; যদি কেতিয়াবা কিবা মঙ্গল কৰোঁ—জগতৰ হিতৰ কাৰণে, সি আমাৰ সুমতিৰ পৰিপ্ৰেক্ষিত আৰু কেতিয়াবা যদি সমাজৰ চকুত ধৰা পৰোঁ অত্যাচাৰী বুলি, — অভিশাপ আঁকি দিয়ে গোটেই

শৰীৰে সিও আমাৰ কৃতকৰ্মৰেই ফল। সেয়েহে "বিশ্বভাৰতীয়া"'ত সিজনাই ৰচিছিল কবিতা—অতি সুমধুৰ :

"তুমি ভালে জগত ভাল সবাতো সুন্দৰ,
বিকটালে মুখ কিন্তু বিকট বদন।"

আগৰৱালাৰ মানত মানুহেই মানুহৰ লগ, এই পৃথিৱীৰ কেও নহয় পৰ আৰু এই মানুহৰ নাম-গুণ গাব পৰা এই পৃথিৱী স্বৰ্গতো অধিক, সেয়ে তেখেতে স্বাৰ্থজড়িত হৈ নিজৰ ঐন্দ্ৰজালিক বন্ধনতে আবদ্ধ নাথাকি নিখিল বসুধাকে কুটুম হিচাপে লবলৈ দোহাৰি দোহাৰি আমাক কৈ গ'ল। বিশ্বকবি ৰবীন্দ্ৰনাথৰ কবিতাত এই ভাবৰ বিন্যাস বৰ বহল ভাৱেই পৰিলক্ষিত হৈছে। এই মহিমামণ্ডিত ব্যক্তিজনাৰ "ভাৰত-তীৰ্থ" নামৰ কবিতাত কেনে মধুৰ ভাৱ ঝংকাৰিত হৈ উঠিছে!

"ৰণধাৰা বাহি' জয়গান গাহি' উন্মাদ কলৰবে
ভেদি' মৰু পথ গিৰি পৰ্ব্বত যা'ৰা এসেছিল
সবে,
তাৰা মোৰ মাঝে সবাই বিৰাজে, —কেহ
নহে নহে দূৰ,
আমাৰ শোণিতে ৰয়েছে ধ্বনিতে তা'ৰ
বিচিত্ৰ সুৰ।"

মহাপ্ৰাণৰ উত্তৰাধিকাৰী এই মানৱ সমাজতেই সংস্কাৰৰ নতুন সৃষ্টিৰ সঙ্কেত আছে, যদিহে পৰম্পৰে পৰম্পৰৰ মাজত সম্ভাৰ ৰাখে। তেখেতৰ মতে এই বসুন্ধৰা আৰু ইয়াত থকা সকলো বস্তু মানুহৰ বাবেই তৈয়াৰী। কবিয়ে ইয়াত মানুহৰ মৃত্যু বিচৰা নাই, বিচাৰিছে মানুহৰ ভুলৰ সমাধি, সেয়ে কবিৰ বীণৰ সুৰতো ধ্বংসৰ ৰুদ্ৰ তান বাজি উঠা নাছিল, বাজি উঠিছিল— সৃষ্টিৰ আনন্দমুখৰ সঙ্গীত। কবি আছিল অতিপাত অভিনিবেশী। এই হেতু কল্পনাৰ অস্ফুট আবেশে তেখেতৰ মন সিমানকৈ ৰঙাব পৰা নাছিল, সেয়েহে নিলাভ আকাশ, ৰঙীণ পৃথিৱী, মৰু-প্ৰান্তৰ, নৈৰ কোবাল গতি, প্ৰকৃতিৰ ৰম্য কানন আদি সকলোতে পৰমপিতা পৰমেশ্বৰৰ লীলা-অৱলীলাৰ সন্ধান পাইছিল। এই হেতু গভীৰ দৃষ্টিসম্পন্ন অনুভূতিৰ বলত তেখেতে মহত্তৰ মহান আত্মাৰ লগত, বিৰাটৰ মহাবিশ্বৰ লগত এক হৈ যোৱাৰ আশা পুহি ৰাখিছিল।

### আগৰৱালা আৰু ৰসৰাজ বেজবৰুৱা

ৰোমান্টিক যুগৰ অন্য এজন বিশিষ্ট সাহিত্যিক ৰসৰাজ বেজবৰুৱা দেৱেও "কদম কলি" বুলি কবিতা পুথি এখন আৰু অন্যান্য ২।৪ টা কবিতা ৰচনা কৰি গৈছে যদিও, কেৱল সাহিত্যৰ অভাৱ পুৰাবলৈহে কবিতাৰ জন্ম দিয়া বাবে তেখেতৰ সকলোখিনি কবিতাই উৎকৃষ্ট হোৱা বুলি কোৱা হোৱা নাই। দুয়োজনৰ মাজৰ প্ৰভেদ বিচাৰি ইয়াকেহে পাও যে বেজবৰুৱা দেৱৰ কবিতাতকৈ আগৰৱালাদেৱৰ কবিতাত ভাবৰ গাম্ভীৰ্য্য অলপ বেছি। আগৰৱালাদেৱে কেৱল ৰুদ্ৰৰূপী মনোভাব লৈ নাথাকি ব্ৰহ্মৰূপী মনোভাবেৰে সংৰক্ষণশীলতাত আস্থা স্থাপন কৰিছিল আৰু মূলতঃ আগৰৱালা আছিল বিশ্বপ্ৰেমিক আৰু অধ্যাত্মবাদী কিন্তু আনহাতে অতি ভৌতিক। বেজবৰুৱা আছিল হাস্যৰসিক, স্বদেশানুৰাগী আৰু আশাবাদী কবি। বেজবৰুৱাৰ কবিতাত প্ৰেমৰ কাহিনী আছে আৰু ই মানৱীয়। আধ্যাত্মিকতাত বেজবৰুৱাই অধিক গুৰুত্ব দিয়া নাছিল যেন লাগে। আগৰৱালাৰ কবিতাত প্ৰণয়ী-প্ৰণয়িনীৰ প্ৰেমৰ মায়াজাল নাই। ইংৰাজ কবি বাইৰণ, গ্ৰে আদিৰ দৰে সমাজৰ দ্বাৰা অৱহেলিত হৈ দিহিঙে-দিপাঙে পলাই ফুৰিব আগৰৱালাই উনবিংশ আৰু বিংশ শতাব্দিৰ মাজা-মাজি কালছোৱাৰ গৌৰৱৰ স্থল বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু পঞ্চদশ শতাব্দিৰ বঙালী গীতি-কবি চণ্ডীদাসৰ মানৱপ্ৰীতিৰ আশ্ৰয় লোৱা যেন লাগে।

সমাজে কবিৰ কথা শুশুনে ;— "বলিয়া বুলিহে হাঁহে," সেয়েহে কবি আগৰৱালাই দুখ-বেজাৰৰ অপ্ৰকাশ বেদনাক প্ৰকাশ কৰি জগতৰ সমস্ত প্ৰাণীকে মিত্ৰতাৰ ডোলেৰে বান্ধি পেলাবলৈ যেন তেখেতৰ বীণখনত "চৈধ্য ভুৱনৰ মিলনৰ ঢৌ" তুলিব আৰু এই ঢৌৱে যেনিবা স্পৰ্শ কৰি সকলোৰে হৃদয় পবিত্ৰ কৰি তুলিব। এই উদ্দেশ্যেই বীণৰূপী কবিতাত আগৰৱালাই সঙ্গীতৰ লহৰ তুলিছিল—

"দুখ ভাগৰৰ অন্ত তোমাতেই,
সন্তাপ আঁতৰাই নিয়া
তোমাতে আশ্ৰয় তোমাতে নিৰ্ভয়
তোমাতেই নিচুক হিয়া।
লক্ষ হৃদয়ৰ লক্ষ দুখ-কণা
বান্ধিছা একেটি সুৰে।
তোমাৰ প্ৰাণেৰে মহা প্ৰয়াণত
দুখো সুখ হৈ পৰে॥"

তেখেতৰ বীণে মানুহৰ তাপিত পৰাণত অমৃতৰ ধাৰা প্ৰবাহিত কৰে, "একৰ দুখ একশত ভগাই" দুখৰ ভাৰ পাতলায়। "বীণ-বৰাগীত" চন্দ্ৰকুমাৰৰ মনৰ উদাৰ আৰু নিকাভাব চন্দ্ৰৰ পোহৰৰ দৰে নিৰ্মল হৈ প্ৰতিফলিত হৈছে, তদুপৰি ইয়াত আছে বৈষম্য আৰু নীচ পঙ্কিলতাপূৰ্ণ সমাজখনৰ বিৰুদ্ধে দুৰ্ঘোৰ প্ৰতিবাদ। অষ্টাদশ আৰু উনবিংশ শতাব্দিৰ মাজভাগৰেই সংস্কাৰধৰ্মী কবি শ্বেলীয়েও এদিন মনুষ্য জীৱনৰ এটি উজ্জ্বল অধ্যায়ৰ সপোন দেখিছিল— সিসময়ৰ ইংলণ্ডৰ সমাজ আৰু ৰাজ-নীতিৰ অবৈয়া-আক্ৰোশৰ কথা ভাবি। ব্যক্তিগত জীৱনতো তেওঁ তেওঁৰ মনৰ সৌন্দৰ্য্যক বাস্তৱত ৰূপায়িত কৰিব নোৱাৰিলে, সমাজেও তেওঁক অৱজ্ঞাহে যাচিলে। তেওঁৰ কবিতা পঢ়ি বহুতৰে মন তিক্ত হৈ উঠিল। সেয়ে কবিয়ে আক্ষেপৰ সুৰত কবিতা ৰচিছিল—

"Drive my dead thoughts over
the universe
Like withered leaves to quicken
a new birth !
And by the in cantation of
this verse,
Scatter, as from an
unextinguished hearth
Ashes and sparks, my words
among mankind."

কবি শ্বেলী আৰু কবি আগৰৱালাৰ জীৱনৰ লগত সমসাময়িক সমাজৰ বৈপৰীত্য মন কৰিবলগীয়া।

ভিন্ ভিন্ মানুহৰ ভিন্ ভিন্ ৰুচিৰ স্বাদ মিটোৱা টান দেখি আৰু বহুদিনযাবৎ একে

ৰীতিৰেই কাৰা বচি যোৱাত কাব্যামোদীৰ ৰস আস্বাদনত ব্যাঘাত জন্মে দেখি পুৰণি কাব্য-মহাকাব্যৰ দিনৰেপৰা সাহিত্যত প্ৰাকৃতৰ লগত অতি প্ৰাকৃতৰ সম্বন্ধ ঘটোৱা দেখা যায়। পাঠকক এই ভাবৰ দ্বাৰা বিস্ময় কৰি তুলি বিষয়বস্তুৰ লগত একীভূত কৰিবলৈ আগৰৱালাইও তেখেতৰ "বনকুঁৱৰী", "জলকুঁৱৰী" আদি কবিতাত এই অতি-ভৌতিক ভাব সুমুৱাই দিছে। বঙালী কবি কাশীদাসৰ মহাভাৰতত, আমাৰ ৰামায়ণ-মহাভাৰতত আৰু শঙ্কৰ-মাধৱ দেৱৰ জীৱন চৰিতত, এই ভাবৰ প্ৰচলন্তি আছে। ইংৰাজ কবি কলেৰীজৰ ৰচনাতো এই অতিভৌতিক ভাবৰ ৰসাল আৰু সূক্ষ্ম বৰ্ণনা স্পষ্ট হৈ আছে। এজন গায়কে সঙ্গীতৰ সুৰেৰে, এজন চিত্ৰকৰে ছবি আঁকি যি কৰিব পৰা নাছিল, কলেৰীজে শব্দসম্ভাৰৰ উচিত প্ৰয়োগেৰে তাক নিখুঁটভাবে কৰিব পাৰিছিল। কলেৰীজৰ "পুৰণি নাৱিক" আৰু "খৃষ্টাবেল" আদি কবিতাত নিপুণতাৰে প্ৰাকৃতৰ লগত অতি-প্ৰাকৃতৰ সমন্বয় ৰক্ষা কৰা হৈছে। চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ "তেজীমলা" কবিতাতো মানৱ জীৱনৰ অভূতপূৰ্ব্ব ৰূপান্তৰ বাস্তৱ-মুখী কৰি তুলিবলৈ চেষ্টা কৰা হৈছিল, যিদৰে আঁহতৰ তলত টুক্ টুক্ টুক্‌কৈ চাপৰি বজোৱা আৰু মুকলি চুলিৰে খিল্ খিল্‌কৈ হঁহা যখিনী ছোৱালীৰ ছবি আঁকি "বনকুঁৱৰী" কবিতাত পাঠকক বিস্ময়-বিমূঢ় কৰাৰ চেষ্টা কৰিছিল। ৰোমাণ্টিক যুগৰ অন্য এটা প্ৰভাৱ হ'ল—ৰোমাণ্টিক ভাব-সন্নিবিষ্ট দীণ-বৰাগী কবিতাত প্ৰকাশ পোৱা দৰিদ্ৰ-সমাজৰ দুখ মোচনৰ বাবে পুতৌ ভাব আৰু উচ্চ-নীচৰ ভেদ ভাব আঁতৰোৱাৰ প্ৰচেষ্টা। আগৰৱালাই এই ভাবপ্ৰৱণতাক তেখেতৰ বীণ-বৰাগী কবিতাত সন্নিবদ্ধ কৰিছে। —

"নিঃকিনলৈ কিয় দুখতে দুৰ্দ্দশা, নিৰ্দ্দয় বিধান ইটো ?
দুৰ্ব্বলীৰ গতি জীৱন্তে মৰণ, কিয় নখণ্ডিৱ সিটো ?
নেলাগে কুটিল সংসাৰৰ পথ, নেলাগে চাপৰ ওখ ;
আলেখৰ লেখ নেলাগে সম্পদ, নেলাগে বিষয় সুখ ।"

## আগৰৱালাৰ লৌকিকতা আৰু প্ৰকৃতিপ্ৰীতি

ইংৰাজী নৱন্যাসে যিদৰে চহৰীয়া জীৱনলৈ পিঠি দি স্কটলেণ্ডৰ জাতীয় গীতি-কাব্যৰ প্ৰতি অনুৰক্ত হৈ পৰিছিল, আমাৰ আগৰৱালা দেৱেও ঠিক সেইদৰে জন-সাহিত্যৰ উৎকৰ্ষ সাধনৰ অৰ্থে গাঁৱলীয়া সহজ-সৰল হোজা জীৱনৰ বাস্তৱতাক গীতি কাব্যৰ প্ৰধান উপজীব্য হিচাপে লৈছিল আৰু সেয়েহে পানীৰ চৰাই, মলয়া বায়ু, সোণবৰণীয়া মাছ-পুঠি, পোহনীয়া পাৰযুৰি, শুৱনি কুলনি, বনৰ হৰিণীজনী, শাঁৱলি পোৱালি কণি, লগৰ সখী, আকাশৰ জোনবাই, নিছলা দুখীয়া সমাজ আদিকে লৈ বহুদিন ধৰি উপেক্ষিত হৈ থকা প্ৰকৃতি জগতক আমাৰ আগত সুন্দৰভাবে তুলি ধৰিবলৈ চেষ্টা কৰিছিল। ইয়াৰ উপৰিও 'তেজীমলা' কবিতাত প্ৰকৃতিৰ লগত মানুহৰ পুৰণি-কলীয়া সম্বন্ধৰ ঘনিষ্ঠতা, ঈৰ্ষাপৰায়ণা মাহীমাকৰ অসৎ চৰিত্ৰ আৰু মনুষ্য সমাজৰ স্বাভাবিক ৰূপ-গুণৰ প্ৰতি অৱমাননা আদি ভাবৰ উন্মেষ হৈছে। স্বাৰ্থপৰতাৰ বশৱৰ্ত্তী হৈ যদিও মাহী-মাকে তেজীমলাৰ ওপৰত অমানুষিক অত্যাচাৰ চলালে, প্ৰকৃতিয়ে কিন্তু অকপটে নিজৰ কোলাত আশ্ৰয় দি ৰাখিলে।

"মানুহৰ চোতালত মাধুৰী ফুটিলে
মানুহে নিচিনি হায়।
মাৰি তুলি ছিঁড়ি মোহাৰি পেলালে,
মানুহৰ মৰমো নাই !"

জীৱৰ শ্ৰেষ্ঠ বুলি ভৰা স্বাৰ্থপৰ মানৱ সমাজ ঈৰ্ষাপৰায়ণ আৰু ভণ্ডও। সেয়ে কবিয়ে মানৱ সমাজৰ এই সংসৰ্গ এৰি দিবলৈ তেজীমলাক উপদেশ দিছে। প্ৰকৃততে জগতৰ এনে কিছুমান দুখুনী তেজীমলাই যেন মানুহৰ দুৰ্বোধ্য চৰিত্ৰত বিশ্বাস আৰু আস্থা হেৰুৱাই পেলাইছিল। শোকাকুল প্ৰাণত সেয়ে বাজি উঠিছিল—হৃদয়ৰ কৰুণ বেদনা আৰু প্ৰকৃতি-বিমুখতাত উদ্বেগী মনৰ গভীৰ আক্ষেপ—

"ৰাতো নেমেলিবি ফুলো নিছিঙিবি
ক'ৰে নাৱৰীয়া তই ;
মানুহে ফুলৰ কিজানে আদৰ
তেজীমলাহে মই ।"

অষ্টাদশ শতিকাটো "ৰূপালী যুগ" বুলি কোৱা হলেও ৰেষ্টৰেস্যন যুগৰপৰা আৰম্ভ কৰি ৰোমাণ্টিক যুগৰ প্ৰাৰম্ভণলৈকে ইংৰাজী সাহিত্যৰ এই কালছোৱা আছিল ঘাইকৈ লেটিন সাহিত্যৰ যোগে ক্লাছিকেল সাহিত্যৰ যুগ। বিখ্যাত লেটিন সাহিত্যিক সকলৰ সাহিত্যৰ চৰ্ব্বিতচৰ্ব্বন হোৱা আৰু সেয়ে সমাজে ঠাট্টাৰ সুৰেৰে "Augustan Age" নাম দিয়া এই যুগটোত প্ৰণয়ৰ কল্পনা-জল্পনা বিলুপ্ত হৈ পৰিছিল, চৰ্চ্চা চলিছিল মাথো বিজ্ঞানৰ আৰু ৰাজনীতিৰ। পিছলৈহে প্ৰধানতঃ স্কটলেণ্ডৰ জাতীয়তাবাদী কবি ৰবাৰ্ট বাৰ্ণছে নৱন্যাসৰ ধাৰা বোৱাই আনে আৰু লগতে স্বাধীনতাপ্ৰিয় মনোভাব, এৰটিক বা প্ৰেমবিষয়ক কথা, জীৱন আৰু জগত সম্পৰ্কীয় কথা, দৰিদ্ৰসকলৰ দুখ-যাতনাৰ কথা আদিক সাহিত্যত ঠাই দিছে। অসমৰ বৈষ্ণৱ সাহিত্যৰ যুগটোৰো এটি সুকীয়া ৰূপ আছে, যি যুগত বিভিন্ন ৰাজশক্তিৰ অধীনত থকা পথ দশীয় অসমৰ মধ্য আৰু দক্ষিণ অঞ্চলত থাকি প্ৰৱল প্ৰতাপী আহোম ৰাজশক্তিয়ে ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰভাৱত পৰি শৈৱ, শাক্ত, সৌৰ, গাণপত্য আদি বিভিন্ন পূজাৰ আয়োজনত অতি গুৰুত্ব দিবলৈ ধৰিলে। পশ্চিম আৰু উত্তৰ অসমতো কোঁচবিহাৰকে কেন্দ্ৰ কৰি সেই ধৰ্মই বৰ্ত্তমান উত্তৰবঙ্গ পৰ্য্যন্ত কৰ্মকাণ্ডী নীচ-মনোবৃত্তিক প্ৰশ্ৰয় দি ঈশ্বৰৰ নামত বিভিন্ন দেৱদেৱীৰ পূজা-অৰ্চ্চনাত বৰকৈ ব্যস্ত হৈ পৰা দেখা গৈছিল। বেদ আছিল— ব্ৰাহ্মণৰ বুকুৰ মঙহ আৰু শক্তিৰ প্ৰতিমূৰ্ত্তি দেৱী চণ্ডীকাৰ প্ৰতি স্পৃহাযুক্ত ভক্তিৰ ধৰ্মান্ধতা কেওঁফালে পৰিলক্ষিত হৈছিল। কাছাৰ আৰু শদিয়াত দুৰ্গা আৰু "তামাৰ আইৰ" আগত নৰবলি দিয়াৰ ব্যৱস্থা— আহোম, চুটীয়া কোঁচ,

ৰাৰভূঞা আদি বিভিন্ন ৰাজশক্তিৰ মাজত পৰাক্ৰম পৰীক্ষাৰ তুমুল সংগ্ৰাম, ধৰ্মৰ নামত অধৰ্মৰ প্ৰকোপ, ন্যায়-নীতিৰ নামত অন্যায়ৰ অপচেষ্টা, অহিংসাৰ নামত পশুহত্যা আদি বীভৎস কাৰবাৰ চলা এই সমাজখনৰ সংস্কাৰৰ অৰ্থেই মহাপুৰুষ দুজনাৰ আবিৰ্ভাৱ হৈছিল যেন। মহাপুৰুষ দুজনে আমাক শুদ্ধ-সত্ত্ব ভাগৱতী ধৰ্মৰ পবিত্ৰ নিৰ্বাণ পথ দেখুৱাই গ'ল; প্ৰান্তীয় মাতৃভাষাক সাহিত্যৰ মাধ্যম হিচাপে লৈ প্ৰবলধাৰেৰে সাহিত্যৰ সোঁত বোৱাই জন-সমাজক কাব্যৰস পান কৰালে; গীত, নাট, ভাওঁনা, চিত্ৰ-পট আদিৰ সৃষ্টি হ'ল আৰু লগে লগে শাস্ত্ৰীয় জ্ঞানৰ পোহৰ বিস্তাৰিত হৈ পৰিল। পিছে নলীয়া কটাৰীৰ যেনিবা নালটি থঁৰা। সব-কিছু কৰিও ব্যক্তিগত এটা কথাৰ বাবে এই সমস্যাবেষ্টিত জটিল জগতখনে ভিলমানো নেভাবিলে— সি হল ব্যক্তি প্ৰাণৰ প্ৰেম-প্ৰণয়ৰ আকুল আকূতি, যিহেতু সেই সমাজত ঐশ্বৰিক প্ৰেমেই আছিল ঘাই কথা। ইংৰাজী উনবিংশ শতাব্দিৰ জোনাকীৰ পৃষ্ঠপোষক সকলেহে ইংৰাজী ৰোমাণ্টিক প্ৰভাৱৰ যোগেদি প্ৰকৃতি-প্ৰীতি, বাস্তৱবিমুখী কল্পনা, প্ৰেম আৰু সৌন্দৰ্য্যৰ পূজা, জাগতিক সৌন্দৰ্য্যৰ প্ৰতি বিস্ময়-বিমূঢ় দৃষ্টি, প্ৰিয়াৰ ৰূপ আৰাধনা, বিশ্ব-প্ৰকৃতিত প্ৰিয়াৰ ৰূপদৰ্শন আদিৰ লগতে অন্য বহুতো অভিনৱ ভাৱৰ কবিতা প্ৰকাশ কৰিবলৈ ধৰে। ৰোমাণ্টিক ভাৱপুষ্ট কবিতা "সুধা মুখ", "মাধুৰী" আদি ৰচনা কৰি আগৰৱালাদেৱে যি গুটীয়া-প্ৰেমৰ মৌ-মিঠা ৰস বোৱাইছিল; তাতেহে সেই যুগৰ সময়সাপেক্ষ শ্ৰেষ্ঠতা আছে। আগৰৱালাই মৰ্মে মৰ্মে উপলব্ধি কৰা সৌন্দৰ্য্যৰ অনুভূতিমূলক কবিতাৰ শাৰীত বিচিত্ৰ তৰঙ্গৰ সৃষ্টি কৰা— "ফুটো নে নুফুটোকৈ কুমলীয়া কলিটি—ওঁঠত লাজেৰে বৈ মিচিকীয়া হাঁহিটি। সামৰি পাহৰি গৈ—মেলি আধা প্ৰাণটি। উদঙাই ঢাকি থৈ উঠি অহা বুকুটি। শোলকাই মোকলাই এধা বন্ধা খোপাটি। হয়নে নহয়কৈ আধা ফুটা মাতটি। শুনোকি নুশুনো ঐ উটি অহা গীতটি— ৰিণিকি ৰিণিকিকৈ কৰবাৰ বাঁহীটি।" আদি কাব্যামৃত যেন তেনেই অনাস্বাদিত স্বাদ অথবা নুশুনা গানৰ সুৰ।

### আগৰৱালাৰ ঈশ্বৰবাদ

পিছত, আধ্যাত্মিকতাই যদিও নৱন্যাসযুগৰ কবিসকলৰ কবিতাত ঠাই পোৱা নাছিল, যদিও আধ্যাত্মিকতাই মনুষ্য জীৱনৰ জাগতিক প্ৰেম-প্ৰীতি, পাৰ্থিৱ আকাঙ্ক্ষা আদি হয় মষিমুৰ কৰে,— নহয় ৰূঢ় কৰি তোলে, তথাপিও এই সত্যৰ অনুসন্ধানত আগৰৱালাই পিছ পৰি থকা নাছিল। তেখেতে কেৱল অন্তঃসাৰ শূন্য হৈ বাহ্যিক ৰং-ৰহইচ চোৱাতে ব্যস্ত নাথাকি বিশ্ব-প্ৰকৃতিৰ প্ৰেমময় ৰূপ আৰু নিৰ্মম চিৰন্তনতাকো উপলব্ধি কৰিছিল। ব্যক্তি-প্ৰেমৰ বান্ধোনতে বান্ধ খাই নাথাকি ইংৰাজ কবি ওৱৰ্ডছৱৰ্থ, ডন্ আদিৰ দৰে অন্তৰাত্মাৰ ৰহস্য বিচাৰিও ভাল পাইছিল। অষ্টাদশ আৰু উনবিংশ শতাব্দিৰ মাজভাগৰ ইংৰাজ কবি কীটছৰ দৰে কবি আগৰৱালাৰ দৃষ্টিতো সত্য আৰু সুন্দৰৰ মাজত প্ৰভেদ নাছিল। আধ্যাত্মিকতাৰ দৃষ্টিৰে চালে সৌন্দৰ্য্যৰো সুন্দৰ পৰশ আত্মাই চুহি লয়। আত্মা যিদৰে স্থায়ী সৌন্দৰ্য্যও সেইদৰে শাশ্বত আৰু উভয়ৰে মাজত অবাধ যাতায়াত আছে, সেয়ে প্ৰকৃতিৰ সৌন্দৰ্য্যৰাশিৰ মাজত আধ্যাত্মিকতা বিচাৰি উলিয়াব পাৰি অথবা প্ৰকৃতিৰ মাজতো আত্মাৰ স্বাধিষ্ঠান আছে। প্ৰকৃতি-কবি ওৱৰ্ডছৱৰ্থে, দিনৰ পাছত দিন জুৰি, বছৰৰ পিছত বছৰ শেষ কৰিও যি প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰাৰ লোভ সামৰিব পৰা নাছিল; তাক আকৌ কেতিয়াবা মুহূৰ্ত্ততে বিন্দু বিন্দু কণিকাৰূপে অন্তৰাত্মাৰ নিভৃত-কক্ষত সোমাই লব পাৰিছিল। কল্পনাৰ ডেউকাত উঠি মানৱ জীৱনৰ সীমাহীন আশা-আকাঙ্ক্ষাৰ পৰিপূৰণ বিচাৰি বিশ্বাকাশত বহুদূৰ উৰি যোৱা যায় যদিও, অৱশেষত এনে এটা সময় আহে— যি সময়ত আমি আৰু উধাব নোৱাৰোঁ। ঠিক এনে এটা সময়তে মানুহে আধ্যাত্মিকতাৰে বাস্তৱ-প্ৰজ্ঞাৰ সম্ভেদ বিচাৰি লয়। কবিগুৰু ৰবীন্দ্ৰ-নাথে এনে এটা সময়তে কবিতা লিখি সেই ভাব জীয়াই ৰাখিছে:

"তোমাৰ আলো গাছেৰ পাতায়
নাচিয়ে তোলে প্ৰাণ।
তোমাৰ আলো পাখীৰ বাসায়
জাগিয়ে তোলে গান "
— গীতাঞ্জলি।

শঙ্কৰদেৱেও পদ ৰচিছিল—

"এতাৱন্ত মূৰ্ত্তিশূন্য কেনমতে পূজিবাহা,—
ৰাম বুলি শুদ্ধ কৰা মন।"

এই ৰাম আছিল — আধ্যাত্মিক ৰাম; আগৰ-ৱালাৰ কবিতাতো সময় বুজি আধ্যাত্মিকতাই তাল ধৰি যি ভ্ৰূভঙ্গী মাৰিছিল সি উৎকৃষ্ট।

যুগৰ আৰম্ভণিৰে পৰা যুগৰ অভিনৱ অধ্যায়-লৈকে আত্মা সম্বন্ধে অনুসন্ধান চলিয়েই আহিছে কিন্তু মানুহৰ প্ৰজ্ঞাই আজিলৈকে আত্মাৰ প্ৰকৃত স্বৰূপ ধৰিব পৰা নাই; আত্মা নিৰ্বিকাৰ এই কথা কেৱল থুলমুল ভাৱে স্বীকৃত হৈ ৰ'ল। আত্মাৰ লগত ঈশ্বৰৰ নেৰানেপেৰা সম্বন্ধ আৰু ঈশ্বৰেই আত্মাৰ আশ্ৰয়ধাম যদিও, ক্যাণ্ট আৰু তেওঁৰ লগৰ বহুতে ঈশ্বৰৰ অস্তিত্বকে স্বীকাৰ কৰিব নোখোজে। পিছে এওঁলোকৰ সিদ্ধান্তকো চেৰ পেলাই অন্য এচাম বিখ্যাত লোকে আত্মা তথা ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে আস্থা-স্থাপনীয় অভিমত দিবই লাগিছে। গীতা শাস্ত্ৰত ভগৱান শ্ৰীকৃষ্ণই সখি অৰ্জুনক আত্মাৰ অবিনশ্বৰতা সম্বন্ধে এইদৰে বুজাইছিল —

ন জায়তে ম্ৰিয়তে বা কদাচিৎ
নায়ং ভূত্বা ভবিতা বা ন ভূয়ঃ।
অজো নিত্যঃ শাশ্বতোহয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে ॥ ২০ ॥
— গীতা, সাংখ্যযোগ।

ইংৰাজ কবিসকলেও ভগৱান আৰু আত্মা সম্বন্ধে বহুতো যুক্তি দাঙি ধৰিছে, যদিও তাত বিজ্ঞানৰ কোনো প্ৰায়োগিক প্ৰমাণৰ সহায় লোৱা হোৱা নাই বা সি অসম্ভৱো হৈ আছে। সপ্তদশ-অষ্টাদশ শতাব্দিৰ কবি পোপে কৈছে— "God is

the Great First Cause, beast understood"। ব্ৰাউনিঙে কৈছে—

"God in his heaven……
All is right with the world."

ভগবানৰ অস্তিত্ব অনুভৱ কৰি সেয়ে ওৱৰ্ডছ্‌ৱৰ্থে তেওঁৰ "আত্মাৰ অবিনশ্বৰতাৰ গীতি" নামক কবিতাত কৈছিল "…… Trailing clouds of glory do we come,— From God, who is our home"। আত্মাই এই পৃথিবীত মাংস-মজ্জাৰ মাজত বন্দী হয়হি যদিও আত্মা অমৰ কিন্তু "অথিৰ এহ সংসাৰ"। ইংৰাজ কবি লং ফেলোৱে জীৱন সত্য, জীৱন বাস্তৱ বুলি কৈছে যদিও মৰণশীল মানৱ জীৱন আৰু পৃথিবী উভয়ে অস্থিৰ কিন্তু আমাৰ বৰ্ত্তমানত ("All the world's a stage,—And all the men and women merely players.") এই পৃথিবী আমাৰ কৰ্মক্ষেত্ৰ। কৰ্মক্ষেত্ৰই হওঁক বা ধৰ্ম-ক্ষেত্ৰই হওঁক এইকথা স্বীকাৰ্য্য যে, যদিও আত্মা-ঈশ্বৰৰ লগত পৃথিবীৰ সংযোগ ঘটোৱা হৈছে; এই পৃথিবী ধ্বংসৰ পথত আগবাঢ়িছে আৰু আত্মাই একেধৰণে আছে বা থাকিব। সেয়ে অসমীয়া কবি আগৰৱালা দেৱেও এই আত্মাৰ স্থিতি আৰু বিচাৰৰ অৰ্থে সমুদায় বস্তুজগত পৰিভ্ৰমণ কৰিছিল আৰু হয়তো তেখেতৰ ধ্যানী চিন্তই জগতৰ বিচিত্ৰ প্ৰহেলিকা থেদি যাওঁতে আত্মাৰ জেউতি জিলিকি উঠা দেখিবলৈ পাইছিল। সেয়েহে তেখেতৰ "বিশ্বভাৱৰীয়া," "মই" আদি কবিতাত অধ্যাত্মবাদৰ ছাঁ প্ৰকটিত হৈ পৰিছিল। তেখেতে "মই" কবিতাত লিখিছিল—

সংসাৰ মোৰেই পূৰ্ণ দেখোঁ,
আছোঁ মাথোঁ নিৰঞ্জন মই।
নাই তুমি কেওঁ আৰু নাই,
পাৰা যদি হোৱা মোতে লয়।
মই মই মই মাত্ৰ বিপুল সংসাৰ—
মই মই মই সুৰে শুনা।
বাজিছে প্ৰাণৰ বীণা তান মই বিনা
আছেনো কি গুণা।

মনস্তাত্বিক কবিসকল হেনো ভাৱাবেশপূৰ্ণ। চন্দ্ৰকুমাৰৰ ভাষাও সেয়ে সকলো ঠাইতে সুস্পষ্ট নহয়; ছন্দৰ ব্যৱহাৰো সকলো ঠাইতে দোষমুক্ত নহয় হেনো। ই অৱশ্যে শক্তিকাৰেই পিৰ্ পিৰণি। "ছন্দ সঙ্গীতৰ দৰে এটি ধ্বনি শিল্প।" ধ্বনি ৰূপ, ধ্বনি তত্ব আদিয়ে ছন্দৰ গুৰি কথা। নিপুণ শিল্পীয়ে শিল্পপ্ৰতিভা আৰু সৌন্দৰ্য্যৰ সমাবেশ ঘটুৱাই, ছন্দ-বৈভৱ বঢ়াই, নৃত্যলীলাৰে কবিতাক ৰসাল আৰু তৰঙ্গময় কৰি তোলে। বৈষ্ণৱযুগীয় সাহিত্যত, পদ-পয়াৰ, ত্ৰিপদী, ছুলড়ী, লেচাৰী, ছবি, ঝুমুৰি আদি বিভিন্ন অক্ষৰবৃত্ত (আখৰ গণনাৰে হোৱা) ছন্দৰ ব্যৱহাৰ হলেও ৰোমান্টিক যুগত কায়া-কল্প ৰূপ আদি সলনি হৈ নল মৰি গজালি ওলোৱাৰ দৰে "লিৰিকেল বেলাডৰ" প্ৰচলন হবলৈ ধৰিলে। উনবিংশ শতাব্দিৰ অষ্টম-দশকত ভোলানাথ আৰু ৰমাকান্তই প্ৰথম অমিত্ৰাক্ষৰ ছন্দৰ ব্যৱহাৰ কৰে আৰু হেমচন্দ্ৰ গোস্বামীৰ "প্ৰিয়তমাৰ চিঠিত" ইটালীয় আহিঁৰে প্ৰথম অসমীয়া চনেট্ ব্যৱহাৰ হয়। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত ব্যক্তিনিষ্ঠ মনোভাবেৰে যি আশা-আক্ষেপ প্ৰকাশিত হৈছিল সি একেধাৰে তেখেতৰ সুকীয়া বস্তু নহয় কিন্তু তাত আবেগৰ যি ক্ষিপ্ৰতা আছে সি অতি চিত্তাকৰ্ষক সেয়ে কবিতায়ো স্বাভাবিক গতিতেই চূড়ান্ত সীমা পাইছিল গৈ। লৌকিক সাহিত্যৰ ওচৰ চাপি লোকগীত আদিৰ আহিঁৰে প্ৰকাশভঙ্গী প্ৰতিষ্ঠিত হোৱাত আগৰৱালা দেৱৰ কবিতাত ছন্দৰ শ্ৰেষ্ঠতা পোৱা নাযায় যদিও, কাব্যিক মনোগ্ৰাহিতাৰ অভাৱ তাত পোৱা নাযায়। দৰাচলতে আগৰৱালাই আমাক দি গল কিছুমান যুগবাণী আৰু তাতোকৈ মহৎ দানটো হল তেখেতৰ কাব্যৰ "ছল্লিমিটী" গুণ। তেখেতে যেন তেখেতৰ "আশীৰ্ব্বাদ" নামৰ কবিতাটিৰে জগতৰ সমস্ত কিশোৰীক আশীৰ্ব্বাদ দি আৰু লগতে জীৱনৰ মহৎ পথ নিৰ্ণয় কৰি দি আমাৰ মাজৰপৰা আঁতৰি গল। "আশীৰ্ব্বাদত" মহত্বৰ যি আবেগ তৰঙ্গায়িত হৈ দেখা দিছে তাৰে অকণি এয়া—

"সংসাৰত ঈশ্বৰৰ কাৰ্য্য কৰিবলৈ,
মানুহক দিবলৈ ছঁয়া
ঘৰ এৰি গলি—তই কিহৰ বেজাৰ (?),
বিশ্বজুৰি মলিয়াওঁক দয়া।
সংসাৰ মৰুৰ শ্যাম বটবৃক্ষৰূপা,
সন্তাপীৰ সুখ পাপীৰ ত্ৰাণ;
পুণ্যবাট দেখুৱাতী সৰগ জীয়াৰী—আগবাঢ়া
কৰি শান্তি স্নান।"

ধান্দচিণ্ডা বৃষ্টিধাৰা নৈ-নিজৰাৰে প্ৰবাহিত হৈ পুনঃ সমুদ্ৰমুখী হোৱাৰ দৰে, একে পৰিস্থিতি আৰু আশা আকাঙ্ক্ষাৰ মাজত জীয়াই থকা সকলে সদায় সমগোষ্ঠীয় তৃপ্তি বিচাৰে। কবি আগৰৱালাইও সেয়ে যদিও প্ৰথম অৱস্থাত গান্ধীবাদৰ ঘোৰ প্ৰতিবাদ কৰিছিল, পিচত গৈ গান্ধীজীৰ মতবাদৰ লগত সমকেন্দ্ৰিক হৈ পৰিছিল আৰু এনেকি গান্ধীজীক লৈ কবিতাও ৰচিছিল; তদুপৰি আগৰৱালাৰ কবিতাৰ পাদে পাদে জিলিকি উঠিছিল মিল্টনৰ মহত্ব, শ্বেলীৰ বিদ্ৰোহী মনো-ভাৱ, ওৱৰ্ডছ্‌ৱৰ্থৰ প্ৰকৃতি-প্ৰীতি আৰু কীট্‌ছৰ সৌন্দৰ্য্য সাধনা। পিছে দুখ আছে ভাবিলে, যে এনে এজন কৃতী সাহিত্যিকৰ প্ৰতি সমাজৰ আদৰ-অনুকম্পা জাগি উঠা নাই। অসমৰ এনে এজন সু-সাহিত্যিকৰ মৃত্যুত আমাৰ যথেষ্ট ক্ষতি হৈছে। আশাকৰোঁ এনে বিশ্ব-প্ৰেমী মহৎ পুৰুষসকলৰ আবিৰ্ভাৱ হৈ পুনঃ অসম-আকাশ উজ্জ্বল হৈ উঠিব, কিন্তু ইমানতো যদি কোনো সৰহকৈ থাব খোজাই আগৰৱালা দেৱৰ প্ৰতি যথোচিত কৃতজ্ঞতা জ্ঞাপন কৰিব নোখোজো তথাপিও তেখেতৰ অৱদানখিনি নহয় মূল্যহীন যিহেতু ৰবীন্দ্ৰনাথে লিখিছিল,—

"যে ফুল না ফুটিতে
ঝৰেছে ধৰণীতে,
যে নদী মৰু পথে,
হাৰালো ধাৰা,
জানিহে জানি তাও
হয়নি হাৰা।"

—"গীতাঞ্জলি"

মৰণেও আগৰৱালা চন্দ্ৰকুমাৰক মাৰিব পৰা নাইকিয়া। স্মৃতিৰ বালুকাৰাশিত যি খোজ পৰি ৰ'ল, সেয়ে দিব বাট দেখুৱাই আৰু সমস্যাময় জীৱনৰ অভিজ্ঞান সিও যেন মাৰ যোৱা নাই।

# অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ

হৰিপ্ৰসাদ নেওগ

[ অসম সাহিত্য সভাৰ সোণালী জয়ন্তী উপলক্ষে এই সংখ্যাত "অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ" প্ৰবন্ধটো প্ৰকাশ কৰা হ'ল। এই সম্পৰ্কে সভাৰ তৰফৰপৰা অন্যান্য কেবাটাও বিশিষ্ট প্ৰকাশন ওলোৱা বাবে এইবিষয়ক প্ৰবন্ধ আৰু দিয়া নহ'ল। পঃসঃ ]

১৯৬৭। অসম সাহিত্য সভাৰ দীঘল বুৰঞ্জীৰ এই বছৰটো তাৎপৰ্য্যপূৰ্ণ। অসম সাহিত্য সভাৰ পঞ্চাশ বছৰৰ ভিতৰত সভাৰ চৌত্ৰিশবাৰ অধিৱেশন বহিল। তেত্ৰিশ গৰাকী সভাপতিয়ে আসন অলংকৃত কৰিলে। ১৯ জন সম্পাদকে হাত সলালে, ৩২১ জন আজীৱন সভ্য, ২২,০০০ জন সাধাৰণ সভ্য আৰু ২১৮ খন শাখা সভাৰে সভাৰ পৰিসৰ যথেষ্ট বৃদ্ধি পালে। সাহিত্য সভা কেৱল সাহিত্যিকৰ অনুষ্ঠান নহৈ অসমৰ জাতীয় অনুষ্ঠানত পৰিণত হ'ল।

১৯১৭ চনৰ ২৬ আৰু ২৭ ডিচেম্বৰত প্ৰথম-বাৰ সাহিত্যৰথী ৺পদ্মনাথ গোহাঞি বৰুৱাৰ সভাপতিত্বত শিৱসাগৰত হোৱা সন্মিলনৰ পৰা সাহিত্য সভাৰ এই আঠৈকুৰি বছৰীয়া দীঘল সময়চোৱাত দুখনকৈ বিশ্বজোৰা মহাযুদ্ধ, ভাৰতৰ জাতীয় আন্দোলনৰ প্ৰবল সোঁত—অসমৰ ওপ-ৰেদি বাগৰি গ'ল। আনকি দ্বিতীয় মহাসমৰত কেন্দ্ৰীয় কাৰ্য্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনো মিলিটেৰীৰ অস্থায়ী ছাউনী হল; কিন্তু সাহিত্য সভা নমৰিল।

দানবীৰ ৰাধাকান্ত সন্দিকৈৰ মহান দানেৰে ( ১৯২৫ চনত দিয়া ৩০ ত্ৰিশ হাজাৰ টকা ) নিৰ্ম্মিত চন্দ্ৰকান্ত সন্দিকৈ ভৱন আৰু চন্দ্ৰকান্ত অভিধান অসমীয়া জাতিৰ দুটা মূল্যবান সম্পদ। প্ৰথম প্ৰধান সম্পাদক— ৺শৰৎ চন্দ্ৰ গোস্বামীৰ নেতৃত্বত তেতিয়াৰ সদৌ অসমতে শিক্ষক তথা শিক্ষাবিদ সকলৰ সমাবেশ ঘটিছিল সাহিত্য সভাৰ মজিয়াত।

**ন্যাস:** এতিয়ালৈকে হোৱা সভাৰ বিভিন্ন ন্যাস সমূহৰ পৰা নিৰ্দ্দিষ্ট উদ্দেশ্য সম্পন্ন কৰা হৈছে। দক্ষিণপাট অধিকাৰ গোস্বামীৰ দানেৰে নৰদেৱ ট্ৰাষ্ট, চন্দ্ৰকান্ত-ইন্দ্ৰকান্তৰ পুঁজি, চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সামাজিক সমাৰোহ পুঁজি, কমলা দেৱী ন্যাস পুঁজি, হৰিহৰ চৌধুৰী বঁটা পুঁজি, আজীৱন সভ্যৰ পুঁজি, ডিগবৈ সাহিত্য সেৱা সমিতি পুঁজি, ভগৱতী প্ৰসাদ বৰুৱা অৰৱৰ্দ্ধন পুঁজি, বিষ্ণুৰাম মেধি ন্যাস পুঁজি, অসমীয়া সংস্কৃতিৰ শিক্ষানত প্ৰকাশনৰ কাৰণে বিশেষ পুঁজি, গোপাল চন্দ্ৰ গোস্বামী স্মৃতি পুঁজি, শৰৎ গোস্বামী স্মৃতি পুঁজি, আৰু ইয়াৰ উপৰিও দানবীৰ ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজিৰ ব্যৱ-স্থাৰে অসম সাহিত্য সভাই বিশেষ আঁচনি আগত ৰাখি আগ বাঢ়িবলৈ সমৰ্থ হৈছে।

**কাৰ্য্যালয় স্থাপন:** ১৭।২।২৪ ত ১৮৬০ চনৰ ২১ বিধি মতে অসম সাহিত্য সভাক ৰেজিষ্টাৰী কৰা হৈছে। ১৯২৩ ত যোৰহাটতে কেন্দ্ৰীয় কাৰ্য্যালয় পতাৰ প্ৰস্তাৱ লোৱা হয়। ১৯২৬ ত চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ দুৱাৰ মুকলি হয় আৰু স্থায়ী কাৰ্য্যালয়ৰ উদ্বোধন হয়। ইয়াৰ প্ৰায় দুকুৰি বছৰৰ পিছত গুৱাহাটীত ৺পাৰ্বতি প্ৰসাদ বৰুৱাৰ দানেৰে ভগৱতী প্ৰসাদ বৰুৱা ভৱন স্থাপিত হয়। অসম সাহিত্য সভাৰ যত্নত শিল-চৰতো এটি ভৱন ১৯৫৫ ত স্থাপিত হয়। বৰ্ত্তমান বেজবৰুৱা শতবাৰ্ষিকী উপলক্ষে ডিব্ৰুগড়ত এটি ভৱন নিৰ্ম্মাণৰ প্ৰস্তুতি চলিছে। যোৰহাটত দানবীৰ ৰাধাকান্ত সন্দিকৈৰ স্মৃতিত এটি সাহিত্য সংগ্ৰহালয় তথা আলহী ভৱনৰ বাবে ১৯৬১ চনতে আধাৰশিলা স্থাপন কৰা অৱস্থাত আছে। অসম সাহিত্য সভাই অদূৰ ভৱিষ্যতে ঠাই বিশেষে একোটা আঞ্চলিক কাৰ্য্যালয় স্থাপন কৰাটো বিশেষ প্ৰয়োজন বুলি অনুভৱ কৰিছে।

**চৰকাৰী অনুদান:** ১৯২৭ চনৰ পৰা চৰকাৰী অনুদান মঞ্জুৰ হয়। প্ৰথমবাৰ এহেজাৰ, আৰু ক্ৰমে ছহেজাৰ, ১৯৬৭ ত দহ হেজাৰ আৰু ১৯৫৯ ত পোন্ধৰ হাজাৰলৈ বাৰ্ষিক অনুদান উন্নীত হয়। ইয়াৰ উপৰিও বিভিন্ন প্ৰকাশন আদিত চৰকাৰী অনুদানে ( কেন্দ্ৰীয় আৰু ৰাজ্যিক ) সভাৰ বিত্তীয় অৱস্থাত যোগান ধৰি আহিছে।

**সভাৰ প্ৰকাশন:** অসম সাহিত্য সভাৰ প্ৰকা-শন ১৯৫৩ পৰ্য্যন্ত আৰ্থিক কাৰণত বৃদ্ধি পাব পৰা নাছিল। ১৯২৬ চনৰ পৰা অসম সাহিত্য সভা পত্ৰিকা ওলায়। প্ৰথম সম্পাদক আছিল সাহিত্যৰত্ন ৺চন্দ্ৰধৰ বৰুৱা। ১৯৫৩ ৰ পৰা ১৯৬৭ পৰ্য্যন্ত সভাৰ প্ৰকাশনৰ মাত্ৰা বৃদ্ধি পাইছে। উল্লেখযোগ্য কেবাখনো পুথি পাঠ্যপুথি হিচাপে মনোনীত হৈছে। নিৰ্দ্দিষ্ট আঁচনিত চলিত বছৰতে উনৈশখন পুথি প্ৰকাশৰ প্ৰস্তুতি চলি আছে।

ৰজনীকান্ত বৰদলৈ, চন্দ্ৰকুমাৰ আগৰৱালা, আৰু বেজবৰুৱা শতবাৰ্ষিকী সম্পৰ্কত পুথি প্ৰকাশ আৰু ডিম্বেশ্বৰ নেওগ আৰু ৰায়চৌধুৰী স্মৃতিগ্ৰন্থ প্ৰকাশ উল্লেখযোগ্য। কেন্দ্ৰীয় চৰকাৰৰ লগত বিশেষ প্ৰকাশন আঁচনি সম্পৰ্কে যোগাযোগ পৰ্য্যায়ত আছে। চৰকাৰী অনুদানক্ৰমে বিশ্বকোষ প্ৰণয়নৰ বাবেও সাহিত্য সভাই সক্ৰিয় ভূমিকা লবলৈ প্ৰস্তুত।

**শতবাৰ্ষিকী:** ১৯৫৯ ত ঢেকিয়াল ফুকনৰ শতবাৰ্ষিকীৰ পিছত এই দ্বিতীয় বছৰতে নবেম্বৰ মাহৰ ২৪ আৰু ২৮ তাৰিখে যথাক্ৰমে ৰজনী কান্ত বৰদলৈ আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ শত-বাৰ্ষিকী ৰাজ্যজুৰি উদ্‌যাপিত হৈছে। তদুপৰি অহাবছৰ ১৯৬৮ ত সাহিত্যৰথী বেজবৰুৱা শতবাৰ্ষিকী ব্যাপক প্ৰস্তুতি এতিয়াৰ পৰাই আৰম্ভ হৈছে।

**প্ৰচাৰ সংগঠন:** সভাৰ উত্তৰ লক্ষীমপুৰ অধি-

ৰেশনৰ পৰা এটি স্থায়ী প্ৰচাৰ বিভাগ খোলা হৈছে। পুঁজিৰ অভাৱ কাৰ্য্যৰ ঘাই অন্তৰায় হৈছে।

অসমৰ ভিতৰুৱা অঞ্চল, চাহ-বাগিচা, উদ্যোগ, পাৰ্ব্বত্য, জনজাতীয়, কাছাৰ সীমান্তবৰ্ত্তী, আদি অঞ্চলসমূহত সাহিত্য সভাৰ নীতি আৰু আদৰ্শ প্ৰচাৰৰ যোগে আজি অসমৰ পুত্ৰ আৰু পোষ্য সকলোৰে মাজত ঐক্য আৰু সম্প্ৰীতি জগাই তোলাৰ শুভাৰম্ভ হৈছে। সীমান্ত অঞ্চলত ১৯৬১ ত শুভেচ্ছামূলক ভ্ৰমণৰ পিছত পুনৰ টিৰাপ, সদিয়া, সোৱণশিৰী আদি ঠাইত— সাহিত্য সভাৰ সংগঠন হোৱাটোও মন কৰিবলগীয়া। এই উদ্দেশ্যে মিকিৰ পাহাৰতো সভাই কাৰ্য্যকৰী আঁচনি লৈছে।

ভাষাগত সম্প্ৰীতি স্থাপনৰ মানসে গঢ়ি উঠা ডিব্ৰু মালিগাওঁ আৰু সদিয়াৰ ভাষাশিক্ষা শ্ৰেণীৰ কথাও এইখিনিতে বিশেষভাৱে উল্লেখ যোগ্য।

১৯৪৪ চনত অসম সাহিত্য সভাৰ এশজন আজীৱন সভ্যৰে দহ হাজাৰ টকাৰ অক্ষয় পুঁজি আৰম্ভ হয়। বৰ্ত্তমান আজীৱন সভ্যৰ সংখ্যা ৩২১ জন। ১৯৬৫-৬৭ ৰ ভিতৰতে ১৬৫ জন আজীৱন সভ্য হোৱালৈ চাই অচিৰে আমি এহেজাৰ আজীৱন সভ্য পাম নিশ্চয়।

প্ৰতিবছৰে সাহিত্য সভা সপ্তাহৰ যোগে প্ৰচাৰ কাৰ্য্যত গুৰুত্ব দিয়া হৈছে। ইয়াৰ উদ্দেশ্য— সাহিত্য সভাৰ শাখা-প্ৰশাখা অসমৰ চুকে-কোণে আৰু অসমৰ বাহিৰতো গঢ়ি উঠক আৰু সভ্য সংখ্যা অন্যূন একলাখ জনলৈ উন্নীত হওক।


**ৰাজ্যিক ভাষা:** ১৯৫০ চনত অসম সাহিত্য সভাই অসমীয়া ভাষাক ৰাজ্যিক চৰকাৰী ভাষা-ৰূপে দাবী কৰাৰ পিচত ৬০ চনত সমগ্ৰ অসমতে প্ৰবল আন্দোলন হ'ল আৰু ১৯৬০ চনৰ চেপ্টেম্বৰ মাহত 'ৰাজ্যিক ভাষা আইন' গৃহীত হ'ল। কিন্তু আজিকোপতি ভাষা-আইন সম্পূৰ্ণৰূপে কাৰ্য্যকৰী কৰাটো সম্ভৱপৰ হোৱা নাই। বৰ্ত্তমান জিলা পৰ্য্যায়তো ৰাজ্যিক ভাষাৰ পূৰ্ণপ্ৰয়োগ নোহোৱাটো বৰ পৰিতাপৰ কথা। এনে অৱস্থাত পুনৰ অসমৰ উচ্চ-ন্যায়ালয়ৰ যোৱা ৬ মাৰ্চ তাৰিখৰ অধ্যাদেশ অনুসৰি অসমীয়া ভাষা, —আদালতৰ ভাষাৰূপে ব্যৱহাৰ কৰাতো বাধা আৰোপ কৰিছে। এনে অন্যায় অধ্যাদেশ পৰিহাৰ কৰিবলৈ বাধ্য কৰিব লাগিব।

**পুনৰ গঠন:** যোৱা ১৩ জানুৱাৰীৰ কেন্দ্ৰীয় চৰকাৰৰ গৃহমন্ত্ৰী দপ্তৰৰ ঘোষণাই অসমক খণ্ড-বিখণ্ড কৰাৰ বাট মুকলি কৰিলে। সাহিত্য সভাই জনমতৰ বলেৰে এনে ঘোষণাৰ বিৰোধিতা কৰি আহিছে আৰু সম্প্ৰতি মেহতা কমিটিৰ পৰামৰ্শ গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

অসম সাহিত্য সভাই, আজি অসমৰ জনমতৰ আৰু সাংস্কৃতিক চিন্তা-মানসৰ প্ৰতিনিধিত্ব কৰিবলৈ যাওঁতে "চিৰচেনেহী মোৰ ভাষাজননী" এই পবিত্ৰ পতাকাৰ তলত সংহতি আৰু ঐক্যৰ মন্ত্ৰেৰে অসমীয়া মাত্ৰকেই উদ্বোধন কৰি তুলিবলৈ পৱিত্ৰতাৰ দৃঢ় সংকল্প লৈছে।



## স্মৃতি তৰ্পণ



সুসাহিত্যিক ৺নকুলচন্দ্ৰ ভূঞা

জন্ম : ১৮৯৫ মৃত্যু : ১৯৬৭

"অসমৰ সংহতিৰ উন্নতিয়েই সৰ্ব্বভাৰতীয় সংহতিৰ উন্নতি। অসমখন ভাৰতৰ এটা প্ৰধান অঙ্গ। গতিকে আমাৰ সংহতি অক্ষুণ্ণ ৰাখিবলৈ আমাৰ সাহিত্য আৰু সংস্কৃতি সদায় সক্ৰিয় হৈ থাকিবই লাগিব।"

# ভাৰততত্ত্ব চৰ্চাত ইউৰোপীয়সকলৰ পৃষ্ঠপোষকতা

[ এটি চমু আভাস ]

সত্যেন্দ্ৰনাৰায়ণ গোস্বামী

প্ৰাচীন কালৰ পৰাই ভাৰতবৰ্ষৰ লগত সুদূৰ পাশ্চাত্যৰ সম্পৰ্ক আছিল ঘনিষ্ঠ। ভাৰতৰ শিল্প দ্ৰব্য, বিভিন্ন মচলা-পাতি, লোহ আৰু তাঁখাৰ সা-সামগ্ৰী, নানা প্ৰকাৰৰ মূল্যবান কাপোৰ, হাতীদাঁত আৰু তাৰপৰা প্ৰস্তুত কৰা বিবিধ চৌখীন সামগ্ৰী আদিৰ কাৰণে ইউৰোপীয় বণিক সকলৰ লক্ষ্য আছিল ভাৰতবৰ্ষ। এই বাণিজ্যিক সম্পৰ্কই ভাৰতৰ লগত ইউৰোপৰ স্থল আৰু জল উভয় পথেৰে যোগাযোগ স্থাপন কৰাত সহায় কৰিছিল।

খ্ৰীষ্টীয় পঞ্চদশ শতিকা বা তাৰো আগতে ভাৰতৰ লগত পাশ্চাত্যৰ বণিক, দেশ-বিজেতা আদিৰ যোগাযোগৰ সম্ভৱতঃ একমাত্ৰ উপায় আছিল স্থলপথ; জলপথেৰে যোগসূত্ৰতা স্থাপন কৰা হয় পঞ্চদশ শতিকাৰ একেবাৰে শেষৰ ফালেহে। ভাৰতীয় শিল্পজাত পণ্যদ্ৰব্যৰ প্ৰতি ইউৰোপীয় লোকসকলক লোভাতুৰ কৰি তোলাত ইৰাণ আৰু আৰৱ দেশীয় মুচলমান বণিক সকলে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। তুৰ্ক সাম্ৰাজ্যৰ ৰাজধানী কনস্তান্টিনোপল্ আছিল খ্ৰীষ্টান অধ্যুষিত ঠাই; পঞ্চদশ শতিকাৰ মাজভাগত এই খ্ৰীষ্টান সাম্ৰাজ্য ইৰাণ দেশীয় মুচলমানৰ অধীনলৈ আহে। তাৰ ফলত পূৰ্ব ইউৰোপত তুৰ্ক আৰু আৰৱ-সংস্কৃতিয়ে ক্ৰমশঃ প্ৰসাৰতা লাভ কৰিবলৈ ধৰিলে আৰু আনহাতে, গ্ৰীক আৰু খ্ৰীষ্টান সংস্কৃতিৰ প্ৰসাৰতাত বাধাৰ সৃষ্টি হোৱাত তুৰ্কীৰপৰা বিতাড়িত খ্ৰীষ্টান সকলে ইটালিত খোপনি পুতিবলৈ বাধ্য হল। তেতিয়া আফ্ৰিকাৰ লগত তেওঁলোকৰ পূৰ্বৰ সম্পৰ্ক ক্ৰমশঃ গাঢ়তৰ হৈ আহিবলৈ ধৰিলে। খ্ৰীষ্টান সকলৰ পক্ষে পশ্চিম এচিয়া আৰু পূৰ্ব ইউৰোপৰ এক ব্যাপক অঞ্চল আবৰি থকা মুচলমান সংস্কৃতিৰ তীব্ৰ ৰশ্মিৰেখা

ভেদ কৰি পুৰবলৈ অহা দুৰূহ হৈ উঠিল। ইতি-মধ্যে গ্ৰীচত প্ৰাচীন গ্ৰীক বিদ্যাৰ চিন্তা-চৰ্চা আদিয়ে দেশত এটা নতুন জাগৰণ আনি দিলে; এয়া কিন্তু ঔদ্যোগিক কিম্বা বাস্তৱমুখী জাগৰণ নাছিল—সেয়া আছিল আধ্যাত্মিক জাগৰণহে। এই আধ্যাত্মিক জাগৰণে ইউৰোপীয় সকলৰ জ্ঞান-চকু আবৰি থকা কুঁৱলী আঁতৰাই পেলালে। বিশেষকৈ তেওঁলোকে বাণিজ্যিক সম্প্ৰসাৰণ আৰু খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত মুচলমান সাম্ৰাজ্যৰ প্ৰতিবন্ধক-তাকো নেওচি দুঃসাহসিক কাৰ্যত লিপ্ত হবলৈ দৃঢ় সঙ্কল্প ললে। আফ্ৰিকাৰ লগত স্থাপিত হোৱা যোগসূত্ৰতাৰ আলম লৈ জলপথৰ আবিষ্কাৰ কৰিলে আৰু সেই পথেৰে দুঃসাহসী পৰ্টুগীজ, স্পেনীয়, ফৰাছী, ওলন্দাজ আৰু ইংৰাজ আদিয়ে ভাৰতৰ লগত প্ৰত্যক্ষভাৱে বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিবলৈ অধীৰ হৈ পৰিল।

ষোড়শ আৰু সপ্তদশ শতিকাত ভাৰতৰ লগত ইউৰোপীয় জাতি বিলাকৰ সম্পৰ্ক অধিকতৰ গাঢ় হৈ পৰিল, আৰু ক্ৰমশঃ সেই সম্পৰ্ক ইমান গভীৰ হৈ আহিল যে বণিকবেশী ইউ-ৰোপীয় সকলে ভাৰতীয় শিল্পদ্ৰব্য বা কেঁচা মাল-মচলাতে সন্তুষ্ট থাকিব নোৱাৰা হৈ পৰিল—ভাৰতৰ জল-মাটি-বায়ু-আকাশৰ মোহতো তেওঁ-লোক অন্ধ হৈ পৰিল। ফলত ভাৰতৰ পাৰ্থিৱ সকলো সম্পদকে আত্মসাৎ কৰিবলৈ সচেষ্ট হ'ল; কিন্তু সেই পাৰ্থিৱ সম্পদৰ প্ৰতিটো অণু-পৰমাণুৰ মাজত সোমাই থকা ভাৰতীয় চিন্তা-ধাৰাৰ বীজ তথা ভাৰতীয়ত্বয়ো তেওঁলোকৰ মনত এটা নতুন আলোড়নৰ সৃষ্টি কৰিলে। ইউ-ৰোপীয় ধৰ্ম আৰু সভ্যতাৰ প্ৰচাৰ কৰিবলৈ উঠি-পৰি লগা খ্ৰীষ্টান পাদ্ৰিৰি সকলে কিন্তু সেই কথা সহজে চিন্তা কৰিব পৰা নাছিল। পঞ্চদশ শতিকাৰ গ্ৰীক পণ্ডিত সকলে এচিয়াৰ মানৱ সভ্যতাৰ ইতিহাস অৰ্থাৎ তাৰ ভাষা-সাহিত্য, ধৰ্ম-সংস্কৃতি আদি জনাৰ প্ৰবল কৌতূহলক বাধা দি ৰাখিব পৰা নাছিল। কেৱল ভূমধ্যসাগৰীয় অঞ্চলৰ ব্যাপক অঞ্চল আগুৰি থকা মুচলমান সাম্ৰাজ্যই সেই কৌতূহলক কিছুকালৰ কাৰণে হেঁচা দি ৰাখিছিল। সেই বাধাৰ মাজতো ওপৰোক্ত অনিসন্ধিৎসুসকল একেবাৰে নিষ্ক্ৰিয় হৈ থকা নাছিল, তেওঁলোকৰ অধ্যয়ন-চৰ্চা, সমীক্ষা-গৱেষণাৰ বিবিধ পন্থাসমূহ অব্যাহত আছিল। আচলতে ৰোমীয়, গ্ৰীক আৰু ইহুদীসকলৰ মাজত জ্ঞান-পিপাসাৰ এই কৌতূহল বিশেষভাৱে বাঢ়ে অষ্টাদশ শতিকাৰ মাজমানতহে। পূৰ্বৰ আৰবী ভাষা চৰ্চাৰ অনুকৰণত এচিয়াৰ অন্যান্য ভাষা-চৰ্চাৰ অনুশীলন হবলৈ ধৰিলে। ইউৰোপীয় পৰ্যটক-পৰিভ্ৰমণকাৰী তথা ভাষা-সংস্কৃতিৰ অনুসন্ধিৎসু সকলৰ ভাৰতৰ সংস্কৃত, পাৰস্যৰ পাৰ্চী আদি ভাষাৰ উপৰিও চীনীয় ভাষাৰ লগত পৰিচয় ঘটিল, আৰু ক্ৰমশঃ সেই পৰিচয়ৰ ওপৰত নিৰ্ভৰ কৰি পাশ্চাত্যদেশীয় ভালেমান পণ্ডিতে পালি-প্ৰাকৃত-আবেস্তা-পাহ্লবী আদি ভাষা আয়ত্ত কৰি তাৰ অধ্যয়ন চৰ্চাত মনোনিবেশ কৰিলে। এইদৰে কম দিনৰ ভিতৰতে তুচ্ছজ্ঞান কৰা এই পৰাজিত অশ্বেতকায়সকলৰ সাংস্কৃতিক মেৰঘৰত প্ৰৱেশ কৰি ইউৰোপ-আগত বিজেতা সকল তাৰ গৰিমামণ্ডিত কাৰুকাৰ্য আৰু মহা-



ভৰত্বাত বিভোল গ'ল। পাৰ্থিৱ সম্পদত মোহাচ্ছন্ন হৈ পৰা এই লোক সকলেই এচিয়াৰ অপাৰ্থিৱ সম্পদৰ শৌৰ্যছায়াত আশ্ৰয় লবলৈ বাধ্য হ'ল। ফলত ইউৰোপে অপ্ৰত্যাশিতভাৱে অভি-নৱ এক সভ্যতাৰ ৰসাস্বাদনৰ সুযোগ পালে। এনেকৈয়ে ইউৰোপীয় মনীষাই প্ৰাচ্যবিদ্যাৰ অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিলে। এই Orientology অৰ্থাৎ প্ৰাচ্যতত্ত্ব বা প্ৰাচ্যবিদ্যাৰ ব্যাপকাংশ আকৌ অধিকাৰ কৰি আছে Indo-logy অৰ্থাৎ ভাৰততত্ত্ব বা ভাৰতবিদ্যাৰ বিষয়-সমূহে। ইয়াৰ বহল আলোচনা কৰিলে দেখা যাব যে ভাৰতবিদ্যা অধ্যয়নৰ সামগ্ৰিক ৰূপটো আন্তনিহিত হৈ আছে ভাৰতীয় ভাষাৰাজিৰ মাজত। এইদৰেই ইউৰোপীয় পাণ্ডিতসকলৰ মাজত ভাৰ-তীয় ভাষা-চৰ্চা আৰু তাৰ গৱেষণাৰ সূচনা হ'ল।

খ্ৰীষ্টান মিছনাৰীসকলে দক্ষিণ ভাৰতৰ ভালেমান চহৰ-নগৰ-গাওঁ আদি ঘূৰি দেখিবলৈ পালে যে তমিল ভাষাই দক্ষিণৰ একক সমৃদ্ধ ভাষা নহয়, সংস্কৃত ভাষায়ো তমিলৰ সমান মৰ্যাদা লাভ কৰিছে। কিন্তু ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা এইদল পাদ্ৰীৰ কলুষিত অন্তৰে ভাৰতীয় অন্য ধৰ্মাৱ-লম্বী লোকৰ সকলো বস্তুকে অৱজ্ঞাৰ চকুৰে চাই-ছিল। সেই সঙ্কীৰ্ণচিত্ততাৰ কাৰণেই তেওঁলোকে তমিল কিম্বা সংস্কৃত অধ্যয়ন-চৰ্চা দূৰৰ কথা তাক শিকিবলৈকে আগ্ৰহ দেখুৱা নাছিল। আনকি বহু সময়ত তেওঁলোকে দেশীয় ভাষাত ৰচিত নানা মূল্যবান গ্ৰন্থৰ বিকৃত ব্যাখ্যাহে কৰি গৈছে। 'বেদ'ৰ নিচিনা বিপুল জ্ঞাননিহীত গ্ৰন্থৰ নাম শুনিও তাৰ অধ্যয়নৰ প্ৰতি তেওঁলোকে ইচ্ছা প্ৰকাশ নকৰি বিৰূপ আলোচনাৰ সমাবেশত বিকৃত মন্তব্যহে দি গৈছে। ফৰাছী ভাষাত প্ৰণীত Ezourvedam গ্ৰন্থ আমাৰ যজুৰ্বেদৰেই বিকৃত ৰূপ। এই ফৰাছী পুথিখনে ইউৰোপৰ ভালেমান যশস্বী পণ্ডিতৰ দৃষ্টি আকৰ্ষণ কৰিছিল সচাঁ, কিন্তু তেওঁলোকৰ অন্তৰ জয়ী কৰিব পৰা নাছিল। সেই কাৰণেই ফৰাছী পণ্ডিত ভল্টেয়াৰে Ezo-urvedam গ্ৰন্থখনিক 'তথাকথিত ভাৰতীয় জ্ঞান-ভাণ্ডাৰ' ৰূপে অভিহিত কৰি গৈছে। সেই অৱহেলা-অৱমাননাৰ মাজতো তিনি-চাৰি গৰাকী-মান পৰ্টুগীজ, ব্ৰিটিছ আৰু ফৰাছী খ্ৰীষ্টান ধৰ্ম-যাজকে কোঙ্কণী, মাৰাঠী, মলয়ালম, তমিল, বাংলা, হিন্দুস্তানী আদি ভাষা শিকিবলৈ চেষ্টা কৰিছিল, কিন্তু সংস্কৃত কিম্বা পালি-প্ৰাকৃত ভাষা শিকিবলৈ তেওঁলোকৰ সমূলি আগ্ৰহ নাছিল। সম্ভৱতঃ অষ্টা-দশ শতিকাৰ দ্বিতীয়াৰ্ধত পোনপ্ৰথমে এজন জেক আৰু এজন ফৰাছী যাজকে সংস্কৃত ভাষাৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈ পৰে, আৰু এই ভাষা শিকিবলৈ লয়। তেওঁলোকে লেটিণ ভাষাৰ লগত সংস্কৃতৰ সাদৃশ্য দেখিবলৈ পাই অতি আচৰিত হৈ পৰে। ইতিমধ্যে ইটালিৰ সাস্সেতি নামৰ জনৈক বণিকে ষোড়শ শতিকাতেই সংস্কৃত আৰু লেটিণ ভাষাৰ মাজত থকা সাদৃশ্যৰ কথা ঘোষণা কৰি গৈছিল। পৰৱৰ্ত্তী কালৰ সংস্কৃত চৰ্চা কৰা দুই এজন খ্ৰীষ্টান পাদ্ৰিৰ মুখতো সেই কথা শুনি দেশী-বিদেশী উভয় গোষ্ঠীৰ পণ্ডিতসকল কৌতূহল-পুলকিত অন্তৰেৰে আগবাঢ়ি আহিল এই সাদৃশ্যৰ অন্তৰালত অস্পষ্টভাৱে লুকাই থকা ঐতিহাসিক সত্য উদ্ঘাটন কৰিবলৈ। সেই

সময়ত ভাৰতত বণিকবেশী ইষ্ট-ইণ্ডিয়া কোম্পানী শাসকৰ সাজ-সজ্জা লোৱাত ব্যস্ত। তেওঁলোকে ভাৰতৰ পূৰ্ব আৰু পশ্চিম প্ৰান্তত বাৰুকৈয়ে খোপনি পুতি ললে। ফলত শাসকৰ ন্যায়দণ্ড হাতত লৈ তাক সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিবলৈ উচ্চ বিচাৰালয় পৰ্যন্ত স্থাপন কৰিবলৈ বাধ্য হৈছিল। সেই সময়ত ভাষাবিদ ছাৰ উইলিয়ম জোনৃছ অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ ফেলোশ্বিপ লৈ ইণ্ডো-ইউৰোপীয় গোষ্ঠীৰ প্ৰাচীন ভাষা-সাহিত্যৰ অধ্যয়ন-গৱেষণাত ব্যস্ত। জোনৃছ প্ৰাচ্যতত্ত্ব বিশেষকৈ ভাৰতবিদ্যাৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈ পৰিছিল। তেওঁ ভাৰতলৈ আহি ইয়াতে থাকি সংস্কৃতৰ চৰ্চা কৰিবলৈ নানাভাৱে উপায় চিন্তা কৰি আছিল। সেই আশাত বন্দী হৈ থাকি তেওঁ এবাৰ মাৰ্কিন দেশৰ অতি উচ্চ পৰ্যায়ৰ চাকৰিকো প্ৰত্যাখ্যান কৰিছিল। তাৰ পিছত তেওঁ কোম্পানীৰ অধীনত উচ্চ ন্যায়ালয়ৰ বিচাৰপতিৰ বাবে আমন্ত্ৰণ পাই হাততে চন্দ্ৰ পোৱা যেন পালে। কাৰণ চাকৰিটো আছিল তেওঁৰ জীৱিকা-অৰ্জনৰ নিমিত্তমাত্ৰ; আচলতে ভাৰতত থাকি ভাৰতবিদ্যা চৰ্চা কৰাহে আছিল তেওঁৰ অভিপ্ৰায়। গ্ৰীক, লেটিন আৰু আইন বিদ্যাৰ বিখ্যাত পণ্ডিত জোনৃছে অক্সফোৰ্ডত থকা কালতে আৰবী, পাৰ্চী আৰু তুৰ্কী ভাষাত ব্যুৎপত্তিৰ পৰিচয় দিছিল। ইতিমধ্যে আৰবী ভাষাৰ প্ৰাচীনতম কাব্য-সংগ্ৰহ "মু'আল্লাকাৎ অস্-সব।" গ্ৰন্থৰ ইংৰাজী অনুবাদৰ লগতে জোন্সে সেই গোটেইখন পুথি ৰোমাণ প্ৰতিলিপিত প্ৰকাশ কৰি উলিয়াইছিল। তদুপৰি জোন্স প্ৰণীত পাৰ্চীভাষাৰ ব্যাকৰণ[১] পুথিয়ে সমগ্ৰ ইউৰোপতে এটা আলোড়নৰ সৃষ্টি কৰে। জোনৃছে ভাৰতলৈ আহি ১৭৮৩ চনত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছৰপৰা ক্ৰমশঃ ইউৰোপীয় সকলৰ দৃষ্টিত ভাৰতবৰ্ষই এটা নতুন ৰূপ লৈ দেখা দিলে। প্ৰাচ্যৰ প্ৰাকৃতিক আৰু মানবিক সমীক্ষা আৰু জ্ঞান আহৰণৰ কাৰণে তেওঁলোক অধিক আগ্ৰহান্বিত হৈ পৰিল। ফলত ইউৰোপৰ নানা ঠাইত দেশীয় ৰাজকোষৰ অৰ্থ মঞ্জুৰীৰ দ্বাৰা গঢ়ি উঠিল Oriental Studies অৰ্থাৎ প্ৰাচ্যবিদ্যা চৰ্চাৰ কেন্দ্ৰানুষ্ঠান। ভিন ভিন দেশৰ ভালেমান বিশ্ববিদ্যালয়ত Faculty for Oriental Studies অৰ্থাৎ প্ৰাচ্যবিদ্যা বিষয়ক বিভাগ গঢ়ি উঠিল। এনেকৈয়ে ইউৰোপৰ বিভিন্ন দেশত প্ৰাচ্যবিদ্যা চৰ্চাৰ ভেটি স্থাপিত হ'ল।

ইউৰোপীয় পণ্ডিতসকলৰ ভাৰতবিদ্যাৰ অধ্যয়ন গৱেষণাই আমাৰ দেশতো শিক্ষাজগতত এটা নতুন আলোড়নৰ সৃষ্টি কৰিলে। তেওঁলোকৰ চেষ্টা-সাধনাৰ সুফল স্বৰূপে আমাৰ দেশীয় পণ্ডিতসকলো আগবাঢ়ি আহিল এই বিষয়ৰ অধ্যয়ন-চৰ্চাৰ দৃঢ়তা লৈ। ভাৰতীয় কেইগৰাকীমান শিক্ষিত ব্যক্তিৰ সহায়ত ছাৰ উইলিয়াম জোনৃছ প্ৰমুখ্যে বিদ্যোৎসাহী ব্ৰিটিছ বিষয়া কেজনমানে ১৭৮৪ চনৰ জানুৱাৰী মাহত কোম্পানীৰ দ্বাৰা শাসিত ভাৰতৰ ৰাজধানী কলিকতাত প্ৰাচ্যতত্ত্বৰ

(১) A Grammar of the Persian Language, 1771। কেৱল ইংলণ্ডৰ পৰাই যাঠি বছৰৰ ভিতৰত ইয়াৰ ১১ টা সংস্কৰণ ওলাইছিল। তদুপৰি এই পুথি প্ৰকাশ হোৱাৰ পাছৰ বছৰত জোনৃছ ডক্টৰ জনছন প্ৰতিষ্ঠিত লণ্ডনৰ Royal Society ৰ Fellow ৰূপে নিৰ্বাচিত হৈছিল।



অধ্যয়ন-গৱেষণাৰ বাবে এটা নতুন অনুষ্ঠান গঠন কৰিলে। সিয়েই কলিকতাৰ পাৰ্ক ষ্ট্ৰীটস্থ "এচিয়াটিক ছোচাইটি"। আজিও এই অনুষ্ঠানৰ পূৰ্বৰ মৰ্যাদা সম্পূৰ্ণ বৰ্তমান। সেই বছৰৰে ১৫ জানুৱাৰীৰ দিনাখন ইয়াৰ উদ্বোধনী ভাষণত এচিয়াৰ ভৌগোলিক সীমাৰ মাজত প্ৰাকৃতিক বিষয় আৰু ইয়াৰ জনসাধাৰণ তথা পূৰ্বপুৰুষে ৰাখি থৈ যোৱা কীৰ্তিসমূহৰ অধ্যয়ন-চৰ্চাই এচিয়াটিক ছোচাইটিৰ প্ৰধান উদ্দেশ্য হব বুলি জোনৃছে স্পষ্ট ভাষাৰে ঘোষণা কৰি গৈছে।[২] ছোচাইটিয়ে আজিলৈকে জোনৃছৰ সেই কথাকে মূলমন্ত্ৰৰূপে মানি আহিছে।

ব্ৰিটিছৰ দৰে ওলন্দাজ সকলেও প্ৰাচ্য বিদ্যা চৰ্চাৰ প্ৰতি আগ্ৰহশীল হৈ পৰিছিল। এচিয়াটিক ছোচাইটি স্থাপনৰ প্ৰায় ছবছৰমানৰ আগতে ১৭৭৮ চনত ইণ্ডোনেচিয়াৰ জাকাৰ্টা চহৰত সেই একে উদ্দেশ্যেৰে বাটাভিয়াস্থ ৰাজকীয় কলা আৰু বিজ্ঞান পৰিষদ[৩] নামেৰে এটা অনুষ্ঠান গঢ়ি তুলিছিল। এই অনুষ্ঠানটোৱে আমাৰ এচিয়াটিক ছোচাইটিৰ দৰে ইণ্ডোনেচিয়াৰ স্বাধীনতা লাভৰ সময়লৈকে সক্ৰিয়ভাৱে থাকি নানাৰকমৰ প্ৰকাশন ছপা কৰি উলিয়াইছিল, কিন্তু স্বাধীনোত্তৰ কালত এই অনুষ্ঠানটোৱে উগ্ৰ জাতীয়তাবাদী বিষবাষ্পৰ শিখাত ভস্মীভূত হৈ পৰে।

আচলতে ছাৰ উইলিয়ম জোনৃছৰ চেষ্টাৰ ফলতে এচিয়াটিক ছোচাইটিয়ে পূৰ্বগোলাৰ্ধত প্ৰাচ্যতত্ত্ব-চৰ্চাৰ সৰ্ববৃহৎ অনুষ্ঠানৰ মৰ্যাদা লাভ কৰিছিল, আৰু আনহাতে ইউৰোপত সংস্কৃত-পালি প্ৰাকৃত ভাষাৰ অধ্যয়নৰ আন্দোলন বেছি প্ৰবল হৈ পৰে। ইউৰোপৰ এই আকস্মিক সংস্কৃত-প্ৰেমৰ কোবাল সোঁতত দেশীয় পণ্ডিত আৰু ছাত্ৰ সকলৰো চেতনা আহিল। ভাৰতীয় বিদ্যোৎসাহী প্ৰগতিবাদী লোকসকল আত্ম-সমীক্ষাৰ পথত অগ্ৰসৰ হল।

জোনৃছৰ "অভিজ্ঞান শকুন্তলম্" পুথিৰ ইংৰাজী অনুবাদে ইউৰোপক এটা নতুন সত্যৰ সন্ধান দিয়ে—সিয়েই হ'ল গ্ৰীক-লেটিনৰ লগত সংস্কৃতৰ ভাষাগত সম্পৰ্কৰ স্পষ্টতা। ছোচাইটিৰ বাৰ্ষিক অধিবেশনৰ প্ৰথম সভাপতিৰূপে নিৰ্বাচিত হৈ ছাৰ উইলিয়ম জোনৃছে তেওঁৰ ভাষণত সেই কথা

(২) "The bounds of its investigation will be the geographical limits of Asia, and within these limits its enquiries will be extended to whatever is performed by man or produced by nature." The Inaugural Speech of the Asiatick Society of Bengal by Sir William Jones, 1781. বহু কাল পাছতহে Asiatick Asiatic কৰা হয়।

(৩) সেই সময়ত জাকাৰ্টা চহৰৰ নাম আছিল Batavia আৰু এই অনুষ্ঠানটোৰ নাম আছিল—"Koninklijk Bataviaasch Genoot Schap van Kunst en Wittenschappen"।

অকুণ্ঠচিত্তে ঘোষণা কৰি গৈছে।[৪] জ্ঞান পিপাসাতুৰ জোন্‌ছৰ প্ৰাচ্যবিদ্যাৰ কৌতূহল আছিল অসীম। অধ্যয়নবিলাসী জোন্‌ছে সেই বাবেই কৰবলৈ প্ৰয়াস কৰিছিল যে সংস্কৃত, গ্ৰীক, লেটিন, প্ৰত্নপাৰ্চী, কেল্টিক, গথিক আদি ভাষাসমূহৰ মূলতে সম্ভৱতঃ একেটা ভাষাই আছিল; কালক্ৰমে সভ্যতাৰ বিকাশ আৰু বিবৰ্তমান সমাজৰ উত্থান পতনৰ ঐতিহাসিক পটভূমিত সেই একেটা ভাষাই দেশে দেশে নতুন নতুন ৰূপ পৰিগ্ৰহ কৰিছে। এই কথাত ইউৰোপীয় পণ্ডিত সকলৰ কৌতূহল আগতকৈয়ো বৃদ্ধি হ'ল—সেই কৌতূহল-আনন্দৰ পৰিণতিত বিভিন্ন মানবিক বিজ্ঞানৰ উদ্ভৱ আৰু বিকাশৰ সূচনা হবলৈ ধৰিলে। সিবিলাকৰ ভিতৰত তুলনামূলক ভাষাতত্ত্ব, তুলনামূলক ধৰ্ম্মতত্ত্ব, ভাষাভিত্তিক প্ৰত্নতত্ত্ব, ভাষাভিত্তিক মনস্তত্ত্ব, নৃতত্ত্ব আদি বিশেষ উল্লেখযোগ্য। এই বিলাকৰ জৰিয়তে ইউৰোপীয় পণ্ডিত সকলে প্ৰাচ্যতত্ত্ব চৰ্চাত মনোনিবেশ কৰি আহিছে। প্ৰায় ছকুৰি বছৰ মানৰ আগৰপৰা এই অধ্যয়ন চৰ্চাৰ ইতিহাস তথা ধাৰাবাহিকতা দেখুৱাব পাৰি।

প্ৰাচ্যবিদ্যা চৰ্চাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগায় পোন প্ৰথমে ছাৰ চাৰ্লচ উইলকিন্সে। ১৭৮৫ চনত অৰ্থাৎ জোন্‌ছৰ শকুন্তলাৰ অনুবাদৰ আগতে উইলকিন্সে ভগবদ্গীতাৰ সম্পূৰ্ণ ইংৰাজী অনুবাদ উলিয়ায়। ওৱাৰেণ হেষ্টিংছৰ 'আগকথা'ই এই পুথিৰ সৌন্দৰ্য্য বঢ়াইছে। উইলকিন্সে বোলে জনৈক পঞ্চানন নামৰ বঙালী কমাৰৰ দ্বাৰা বাংলা হৰফ তৈয়াৰ কৰি ১৭৭৮ চনত হালহেড্ প্ৰণীত বাংলা ব্যাকৰণ ছপাইছিল। এইখনেই বাংলা আখৰত ছপোৱা প্ৰথম ব্যাকৰণ যদিও ইয়াৰ আগতে বাংলা ব্যাকৰণ যুগুত কৰা হৈছিল ক্ৰমে পৰ্টুগীজ, ফৰাছী আৰু ইংৰাজী ভাষাত। উইলকিন্সৰ পিছতে হেনৰী টমাচ্ কোল্‌ব্ৰুকৰ নাম উল্লেখযোগ্য। জাতত ব্ৰিটিছ যদিও ভাৰত বিদ্যাৰ ক্ষেত্ৰত তেওঁৰ দান মন কৰিব লগীয়া। হিন্দু আইন সম্পৰ্কীয় পুথি যুগুত কৰাৰ উপৰিও তেওঁ এখন মূল্যবান সংস্কৃত ব্যাকৰণ প্ৰণয়ন কৰি গৈছে।

(8) 'The Sanskrit language, whatever be its antiquity, is of a wonderful structure: more perfect than the Greek, more copious than the Latin, and more exquisitely refined than either, yet bearing to both of them a strong affenity, in the roots of verbs and in the froms of grammar, than could possibly have been produced by accident; so strong indeed that no plilologer could examine them all three, without believing them to have sprung from some common source, which, perhaps no longer exists. There is a similer reason though not quite so forcible, for supposing that both the Gothic and Celtic, though blended with a very different idiom, had the same origin with the Sanskirt; and the Old Persian might be added to the same family."...



আউগুষ্ট উইলহেলম্ শ্লেগেল জাৰ্মান দেশীয় পণ্ডিত। তেওঁ ফৰাছীসকলৰ হাতত বন্দী হৈ পেৰিচত থকা ব্ৰিটিছ সৈনিক আলেকজেণ্ডাৰ হেমিল্টনৰ ওচৰত সংস্কৃত শিকিছিল। বন্দী জীৱনত হেমিল্টনে কেবাজনো ইউৰোপীয় পণ্ডিতক সংস্কৃত শিকাইছিল। শ্লেগেলে ভগবদ্গীতা, ৰামায়ণ আদিৰ বাহিৰেও ভাৰতীয় সকলৰ ভাষা আৰু তেওঁলোকৰ জ্ঞান-বিজ্ঞানৰ ওপৰত "Ueber die Sprache und Weisheit der Inder" নামৰ এখন অতি মূল্যবান পুথি প্ৰণয়ন কৰিছিল। লণ্ডনৰ আন এগৰাকী প্ৰাচ্যবিদ্যাবিশাৰদ হোৰেচ উইলচনৰ মেঘদূত, ঋগ্বেদ (সম্পূৰ্ণ), বিষ্ণুপুৰাণ আদিৰ অনুবাদৰ বাহিৰেও "Sanskrit English Dictionary", "Glossary of Indian Revenue", "Judicial and other useful terms in different languages in India" আৰু সংস্কৃত ব্যাকৰণ উল্লেখযোগ্য ৰচনা। জাৰ্মান পণ্ডিত ফ্ৰান্‌ট্‌চ্ বোপৰ বিভিন্ন গ্ৰন্থৰ ভিতৰত আৰ্যভাষাসমূহৰ ওপৰত তুলনামূলকভাৱে প্ৰণয়ন কৰা পুথিবাজি আজিও শ্ৰেষ্ঠতাৰ দাবী কৰে। বোপৰ[৫] আৰ্যভাষাসমূহৰ তুলনামূলক ব্যাকৰণৰ ইংৰাজী অনুবাদ "A Comparative Grammar of the Sanskrit, Zend, Greek, Latin, Lithuanian and Slavonic Languages" যুগুত কৰে লেঃ ইষ্টউইক নামৰ জনৈক পণ্ডিতে; তেওঁ এই কামত অক্সফোৰ্ডৰ বোডেন অধ্যাপক হোৰেছ হেমান উইলছনৰ পৰা যথেষ্ট সহায় পাইছিল। ইউজীণ বুৰ্ণ্ফ, চিলভাঁ লেভী, জাঁ পিজুলস্কি, আলফ্ৰেড ফুচে আদি ফৰাছী পণ্ডিত সকলে সংস্কৃত ভাষাৰ পৰা ভালেমান গ্ৰন্থৰ অনুবাদ কৰাৰ উপৰিও 'ভাৰতীয় বৌদ্ধ ধৰ্মৰ ইতিহাস' (Introductio a l' Histoire du Bouddhisme Indian), চৈনিক আৰু তীব্বতীয় গ্ৰন্থৰ তথ্যাৱলী (Le Nepal; 3 vols.), দ্ৰাবিড় আৰু আৰ্য-অনধ্যুষিত ভাৰতবৰ্ষ (Pre-Aryen et Pre-Dravidian dans l' Inde), প্ৰভৃতি গ্ৰন্থ ৰচনা কৰি গৈছে।

ইংলণ্ডৰ বিখ্যাত প্ৰত্নতাত্ত্বিক ছাৰ আলেকজেণ্ডাৰ কানিংহামে ভাৰতীয় ইতিহাস সম্পৰ্কে কেবাখনো মূল্যবান গ্ৰন্থ প্ৰণয়ন কৰে। এওঁৰ ৰচনাৰাজিৰ মূল বিষয়বস্তু ভাৰতৰ পুৰাতত্ত্ব। কানিংহাম প্ৰণীত ভাৰতীয় মুদ্ৰা সম্পৰ্কীয় 'Coins of Ancient India,' সাঁচি স্তূপ সম্পৰ্কীয় 'The Bhilsa Topes, or Buddhist monuments of Central India', ভাৰতৰ প্ৰাচীন ভূগোল বিষয়ক 'The Ancient Geography of India', পুৰাতত্ত্ব সম্পৰ্কীয়

(৫) "Das Conjugation system in der Sanskrit sprache in Vergleichung mit Jenem der griechischen lateinschen peresischen und germanischen sprache," 1816; "Analytical comparison of the Sanskrit, Greek, Latin and Teutonic Languages", 1820; "Vergleichende Grammatik des Sanskrit, Zen, Griechischen, Lateinschen, Litthanischen, Altslavischen, Gothischen und Deutschen" (in 6 pts.), 1833-1552 বোপৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ।

Archaeological Survey of India, 24 vols' গ্ৰন্থৰাজি নিঃসন্দেহে উচ্চ পৰ্যায়ৰ গ্ৰন্থ। ব্ৰিটিছ নাগৰিক মণিয়াৰ উইলিয়াম সংস্কৃতৰ এগৰাকী বিদগ্ধ পণ্ডিত। তেওঁৰ সংস্কৃত ব্যাকৰণ, সংস্কৃত অভিধান[৬], ভাৰতীয় সংস্কৃত সাহিত্য সম্বন্ধীয় 'India Wisdom' আৰু হিন্দু ধৰ্ম বিষয়ক "Religious Thought and Life in Ancient India" লেখত লবলগীয়া গ্ৰন্থ। মণিয়াৰ উইলিয়ামে বোম্বাই চহৰত জন্ম গ্ৰহণ কৰিছিল বাবে গৱেষণাৰ কালছোৱাত ভাৰতীয় প্ৰাচীন পুথি আদি সংগ্ৰহ কৰাত যথেষ্ট সা-সুবিধা পাইছিল। বিহাৰত জন্ম গ্ৰহণ কৰা স্কটচ্ নাগৰিক আৰ্থাৰ এণ্টনি মেক্‌ডোনালৰ সংস্কৃত ভাষাত অগাধ পাণ্ডিত্য আছিল। তেওঁ সংস্কৃত-ইংৰাজী অভিধান, সংস্কৃত সাহিত্যৰ ইতিহাস, তুলনামূলক ধৰ্মতত্ত্ব আদি ভালেমান কালজয়ী গ্ৰন্থ প্ৰণয়ন কৰি গৈছে। তেওঁৰ বৈদিক সংস্কৃতৰ ওপৰত প্ৰণীত "Vedic Grammar" আৰু "Vedic Grammar for Students" উৎকৃষ্ট ব্যাকৰণ।

অষ্ট্ৰিয়াৰ ইহুদী সন্তান মৰিচ্ উইণ্টাৰনিট্‌চ্ আন এজন বিখ্যাত সংস্কৃত পণ্ডিত। তেওঁ জৰ্জ বুলাৰ, ফ্ৰীডৰিখ মুল্যাৰ (মাক্স মুলাৰ নহয়) আৰু গেন হুলট্‌চৰ নিচিনা যশস্বী পণ্ডিতসকলৰ তলত ভাৰতবিদ্যাৰ শিক্ষা লাভ কৰিছিল। জৰ্মান ভাষাত লিখা তেওঁৰ ভাৰতীয় সাহিত্যৰ ইতিহাস, দক্ষিণ ভাৰতৰ পুথিৰ তালিকা আৰু বিভিন্ন ধৰ্ম-সম্পৰ্কীয়[৭] পুথিসমূহে আজিও বিদ্বান সমাজত বিশেষ সমাদৰ লাভ কৰি আছে। ইংলণ্ডৰ আৰ্থাৰ বেৰিডল কীথ এওঁলোকৰ অনুগামী। তেওঁ সংস্কৃত সাহিত্যৰ ইতিহাস, সংস্কৃত নাটৰ উদ্ভৱ আৰু বিকাশ, বেদ-উপনিষদৰ ধৰ্ম আৰু দৰ্শন, ভাৰত আৰু সিংহলৰ বৌদ্ধ-দৰ্শন, সাংখ্য দৰ্শন আদি কেবাখনো অতি উচ্চ পৰ্যায়ৰ গ্ৰন্থ[৮] ৰচনা কৰি গৈছে।

(৬) An Elementary Grammar of the Sanskrit Language, 1846; Sanskrit Manual for Composition, 1862; A Practical Grammar of the Sanskrit Language; A Dictionary— Eng.-Skt., 1851; Sanskrit English Dictionary, 1872 আৰু Hinduism, 1878; Buddhism 1889।

(৭) Geschichte der Indischen Litteratur: 3 vols. 1905-1922, (History of Indian Literature); A Catalogue of South Indian Mss., 1902; Die Fran in Brahmanismus, 1920; Der Mahayana Buddhism, 1930 আৰু A Concise Dictionary of Eastern Religion, 1910।

(৮) A History of Sanskrit Literature, Classical Literature; The Sanskrit Drama in its Origin, Development, Theory and Practice; Indian Mythology, The Religion and Philosophy of the Veda and the Upanishads, The Samkhya System: as history of the Samkhya Philosophy, The karma Mimansa; Buddhist Philosophy in India and Ceylon গ্ৰন্থৰ উপৰিও A Catalogue of Sanskrit and Prakrit Mss. in the Indian Institute Library, Oxford, 1904 উল্লেখযোগ্য।



প্ৰুছিয়া অৰ্থাৎ জাৰ্মানীৰ সংস্কৃত পণ্ডিত থিয়োডৰ গোল্ডষ্টুকাৰ প্ৰণীত "পাণিনি: সংস্কৃত সাহিত্যত তেওঁৰ স্থান" আজিও এখনি বিশেষ প্ৰামাণিক গ্ৰন্থৰূপে সন্মান পাই আছে। 'সংস্কৃত জাৰ্মান অভিধান' (Sanskrit Worterbuch: 7 vols) আৰু 'বৈদিক সাহিত্যৰ ইতিবৃত্ত' (Zur Litterature und Geschichte des weda বা তাৰ ইংৰাজী অনুবাদ On the Literatur and History of the Veda) গ্ৰন্থ প্ৰণেতা ৰুডল্‌ফ্ ৰোট্ গোল্ডষ্টুকাৰৰ অনুগামী।

ফ্ৰীডৰিখ মাক্স মুল্যাৰ এগৰাকী শ্ৰেষ্ঠ ভাৰতবিদ্যা বিশাৰদ জাৰ্মান পণ্ডিত। তেওঁ ভাৰতবিদ্যা তথা ভাৰতৰ ভাষাতত্ত্ব, ধৰ্মতত্ত্ব, উপকথাতত্ত্ব, দৰ্শন, সংস্কৃত ভাষা-সাহিত্য, আৰু অন্যান্য নানা বিষয়ক সৰ্বমুঠ প্ৰায় আঢ়ৈ কুৰিখনমান মূল্যবান গ্ৰন্থ ৰচনা কৰি গৈছে। তেওঁৰ নিচিনা ভাৰতপ্ৰেমী আৰু পাণ্ডিত্যপূৰ্ণ গ্ৰন্থকৰ্তা নিচেই তাকৰ। মাক্স-মূল্যৰৰ বেদ সম্পৰ্কীয় গ্ৰন্থ, সংস্কৃত ব্যাকৰণ, ভাষা-বিজ্ঞান, বেদান্ত দৰ্শন, ধৰ্ম বিজ্ঞান, তুলনামূলক লোক-কথা তত্ত্ব আদি উৎকৃষ্ট গ্ৰন্থ। ১৮৮৩ চনত কেম্ব্ৰিজত মাক্স মূল্যাৰে সংস্কৃতৰ উপকাৰিতা সম্পৰ্কে দিয়া বক্তৃতা মালা "India What Can it teach us" গ্ৰন্থত[৯] ভাৰতৰ বিষয়ে কোৱা কথা বিশেষ উল্লেখযোগ্য। মাক্স মূল্যাৰৰ অমূল্য গ্ৰন্থৰাজিয়ে ইউৰোপীয় সকলৰ ভাৰততত্ত্ব চৰ্চাত এটা ব্যাপক অংশ অধিকাৰ কৰি আছে। মাত্ৰ কুৰি বছৰ বয়সতে লাইপ্‌ট্‌জিগ (Leipzig) বিশ্ববিদ্যালয়ৰ পৰা ১৮৪৩ চনত ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ পাছৰে পৰা আনকি মৃত্যুৰ পাছতো ১৯০০ চনৰ পৰা আজিলৈকে তেওঁৰ ৰচনাৰাজিয়ে ইউৰোপীয় আৰু মাৰ্কিনী সকলক প্ৰাচ্যতত্ত্ব চৰ্চাৰ কাৰণে অনুপ্ৰেৰণা যোগাই আহিছে।

জৰ্জ আব্ৰাহাম গ্ৰীয়াৰ্ছন আয়াৰ্লণ্ডৰ নাগৰিক। তেওঁৰ অধিকাংশ ৰচনা ভাৰতীয় ভাষা বিষয়ক। Linguistic Survey of India (11 vols) তেওঁৰ সৰ্ববৃহৎ উৎকৃষ্ট গ্ৰন্থ। তদুপৰি ভাৰতীয় ভাষা সম্পৰ্কে লিখা তেওঁৰ ভালেমান প্ৰবন্ধ নানা গৱেষণামূলক পত্ৰিকা, বিশ্বকোষ আদিত সন্নিবিষ্ট হৈছে। আইভান পাৱলোভিট্‌চ্ মিনায়েফ ৰুছ-দেশীয় ভাৰততত্ত্ববিশাৰদ পণ্ডিত। তেওঁৰ পালি ভাষাতত্ত্ব, সংস্কৃত ভাষা, পালি ব্যাকৰণ আদি লেখত লবলগীয়া গ্ৰন্থ। উইলিয়ম ডুইট হুইট্‌নি মাৰ্কিন দেশীয় ভাৰততত্ত্ব বিশাৰদ পণ্ডিত। তেওঁ সংস্কৃত, জৰ্মান, চুইদিচ্ আদি কেবাটাও ভাষা জানিছিল। তেওঁৰ সংস্কৃত ব্যাকৰণ, ভাষা আৰু ভাষাবিজ্ঞান, অথৰ্ববেদৰ অনুবাদ, প্ৰাচ্যবিদ্যা আৰু ভাষাতত্ত্ব অধ্যয়ন আদি উল্লেখযোগ্য গ্ৰন্থ।

(৯)..."And if I were to ask myself from what literature, we here in Europe, we who have been nurtured almost exclusively at the thoughts of Greeks and Romans, and of one Semitic race—the Jewish, may draw that corrective which is most wanted in order to make our inner life more perfect, more comprehensive, more universal, in fact more truely human, a life, not for this life only, but a transfigured and eternal life—again I should point to Indian."...

এই সকলৰ উপৰিও কাৰ্ল ক্রুগম্যান, আলব্ৰেখ্‌ট্‌ ভেবৰ, এডোৱাৰ্ড কাৱেল, যোহান্‌ বুল্যৰ, মাৰ্ক অৰেল ষ্টাইন, ফ্রেডৰিখ টমাচ্‌, পিছেল, য়াকোবি আদি পাশ্চাত্য দেশীয় পণ্ডিতসকলে ভাৰততত্ত্ব চৰ্চাত মনোনিবেশ কৰি ভালেমান আপুৰুগীয়া গ্রন্থ প্রণয়ন কৰি গৈছে।

এইদৰে সময়ৰ সোঁতত Orientology অৰ্থাৎ প্ৰাচ্যবিদ্যা আৰু তাৰ অন্তৰ্গত Indology বা ভাৰতবিদ্যাই আমাৰ শিক্ষাজগতত এটা গুৰুত্বপূৰ্ণ স্থান ললেহি। প্ৰথম অৱস্থাত তুলনামুলক বা ঐতিহাসিক পদ্ধতিত হোৱা ভাৰতবিদ্যাৰ অধ্যয়ন, গবেষণা ইউৰোপীয় পণ্ডিতসকলৰ মাজতে সীমাবদ্ধ হৈ আছিল ; কিন্তু ক্ৰমশঃ তাৰ পৰিসৰ বৃদ্ধি হৈ অহাৰ লগে লগে এই অধ্যয়ন-গবেষণাৰ নতুন পদ্ধতিয়ে ভাৰতীয় পণ্ডিত সকলৰো মন জয়ী কৰিবলৈ সমৰ্থ হ'ল। ফলত আজি স্বদেশ আৰু বিদেশ তথা ইউৰোপ আৰু আমেৰিকাৰ নানা ঠাইত ভাৰতীয় ভাষা-সংস্কৃতি আৰু ইতিহাস সম্পৰ্কে অধ্যয়ন-চৰ্চা হব লাগিছে। এই গবেষণা ক্ৰমশঃ গভীৰ হোৱাৰ উপৰিও আজি ই বিশ্ববিদ্যালয় সমূহত সুন্দৰভাৱে প্ৰতিষ্ঠিত হৈ পৰিছে। মানৱ সভ্যতা তথা বিশ্ব-সংস্কৃতিৰ ইতিহাসত Indological Researoh তথা ভাৰতবিদ্যাৰ চৰ্চাই মানৱীয় বিদ্যাৰ অন্যতম অঙ্গ স্বৰূপে এটা গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। সেই কাৰণেই ইউৰোপীয় পণ্ডিত আৰু ছাত্ৰসকলে Oriental Studies অৰ পূৰ্ণতা কামনা কৰি প্ৰতিবছৰে ভাৰতৰ গবেষণাকেন্দ্ৰ আৰু বিশ্ববিদ্যালয় সমূহলৈ গবেষণাৰ সমল বিচাৰি আহিব লাগিছে। এনেকুৱা অধ্যয়নৰ ফলাফল কেৱল ভাৰতীয়সকলৰ আত্ম-সমীক্ষাতে সীমাবদ্ধ হৈ থকা নাই; ভাৰতীয় মানৱ সংস্কৃতিৰ নতুন মূল্যায়নৰো পূৰ্ণ সুযোগ দিছে। তদুপৰি ভাৰতীয় সংস্কৃতিয়ে নতুন ৰূপত প্ৰতিষ্ঠা লাভ কৰিবলৈ যোগ্যতা লাভ কৰিছে আৰু বিশ্ব-মানৱৰ মনত ই গভীৰ আলোকপাত কৰিবলৈকো সক্ষম হৈছে। ভাৰতীয় সংস্কৃতিৰ প্ৰতি বিশেষ অনুৰাগ দেখুৱা লোকসকলে প্ৰাচ্যতত্ত্ব বা ভাৰতবিদ্যা চৰ্চা আৰু গবেষণাৰ আজি যি সুযোগ আৰু প্ৰেৰণা পাইছে তাৰ মূলতে যে ইউৰোপীয় মনীষী তথা ভাৰততত্ত্ব-বিশাৰদ সকলৰ পৃষ্ঠপোষকতা অৰ্থাৎ প্ৰভূত অৱদান আছে সেই কথা অস্বীকাৰ কৰাৰ কোনো উপায় নাই। বিদেশী লোকৰ ভাৰতবিদ্যা চৰ্চাৰ আগ্ৰহ অব্যাহত ৰাখিবলৈ হলে, কিম্বা ভাৰতীয় সংস্কৃতিৰ গবেষণা ক্ৰমশঃ গভীৰতাৰ পথত আগুৱাই নিবলৈ হলে আমি ভাৰতীয়সকল বিশেষ তৎপৰ হোৱা প্ৰয়োজন। বিশেষকৈ স্বাধীনোত্তৰ কালত আমাৰ দেশীয় সংস্কৃতিৰ পূৰ্ণ বিকাশৰ গতি অব্যাহত ৰাখি তাক মহিমামণ্ডিত কৰি তোলা ভাৰতীয় সকলৰ অন্যতম কৰ্তব্য।





# অসম সাহিত্য সভা

## কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ দ্বিতীয় অধিবেশন

**ভগৱতী প্ৰসাদ বৰুৱা ভৱন : গুৱাহাটী।**

৫ মে' ১৯৬৭

**উপস্থিত সকল :**

ডঃ মহেশ্বৰ নেওগ—উপ-সভাপতি, শ্ৰীহৰিপ্ৰসাদ নেওগ—প্ৰধান সম্পাদক, শ্ৰীদেৱপ্ৰসাদ বৰুৱা ধনভড়ালী, শ্ৰীনগেন শইকীয়া আৰু শ্ৰীনন্দ তালুকদাৰ—সহকাৰী সম্পাদক, ডঃ সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী—পত্ৰিকা সম্পাদক, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীতফজ্জুল আলি, শ্ৰীনাৰায়ণ ঘাটোৱাৰ, শ্ৰীলীলা গগৈ, শ্ৰীবিধান চন্দ্ৰ বৰা, শ্ৰীহৰকান্ত দাস, শ্ৰীখলিলুৰ ৰহমান, শ্ৰীভবানন্দ বাজখোৱা, শ্ৰীললিত শৰ্ম্মা বৰুৱা, শ্ৰীযোগেশ দাস, শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞা, শ্ৰীকুমাৰ মেধি।

**বিশেষভাৱে নিমন্ত্ৰিত :**

শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, শ্ৰীজ্ঞাননাথ বৰা, শ্ৰীখনীন্দ্ৰ চন্দ্ৰ বৰুৱা, শ্ৰীতৰুণ আগৰৱালা, শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, ডঃ হৰিশচন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীচাৰু মহন্ত, শ্ৰীহেমন্ত কুমাৰ শৰ্ম্মা, শ্ৰীযতীন গোস্বামী, শ্ৰীশুভ চন্দ্ৰ বৰুৱা, শ্ৰীৰমা বৰঠাকুৰ।

সভাপতি শ্ৰীনকুলচন্দ্ৰ ভূঞা ডাঙৰীয়া অস্ত্ৰোপচাৰৰ পিছত হোৱা শাৰীৰিক অসুস্থতাবশতঃ উপস্থিত থাকিব নোৱাৰাত উপ-সভাপতি ডঃ মহেশ্বৰ নেওগে সভাপতিৰ আসন গ্ৰহণ কৰে।

আৰম্ভণিতে তলত দিয়া শোক প্ৰস্তাৱটি গ্ৰহণ কৰা হয় আৰু বিদেহ আত্মাৰ চিৰশান্তিৰ উদ্দেশ্যে

দুই মিনিট মৌনতা অৱলম্বন কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়।

অসম সাহিত্য সভাৰ আজীৱন সভ্য অসমীয়া ভাষা-সাহিত্যৰ একনিষ্ঠ সেৱক ধুবুৰীৰ শ্ৰীপ্ৰমথনাথ চক্ৰৱৰ্ত্তীৰ বিয়োগত, অসমীয়া দৈনিক কাকত 'নতুন অসমীয়া', মাহেকীয়া 'ৰামধেনু' আৰু পষেকীয়া 'উৰুলি' কাকতৰ প্ৰতিষ্ঠাপক, ভাষা-জননীৰ সেৱক শ্ৰীইন্দ্ৰকমল বেজবৰুৱাৰ মৃত্যুত, উদ্যোগী পুথি প্ৰকাশক আৰু লেখক শ্ৰীযোগীন্দ্ৰনাৰায়ণ দত্ত বৰুৱাৰ মৃত্যুত, বিশিষ্ট নাগৰিক শ্ৰীচন্দ্ৰকমল ভূঞাৰ মৃত্যুত সভাই গভীৰ শোক প্ৰকাশ কৰি মৃতকৰ আত্মাৰ সদগতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাথনা জনায় আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

যোৱা অধিবেশনৰ কাৰ্য্য-বিৱৰণি পঠিত, আলোচিত আৰু গৃহীত হয়। প্ৰধান সম্পাদকে কাৰ্য্য-বিৱৰণিত উল্লেখ থকা কাৰ্য্যৰ বিৱৰণি দিয়ে। কাৰ্য্য-বিৱৰণি অধিক বিস্তৃতভাৱে লিখিব লাগে বুলি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই মত পোষণ কৰে।

প্ৰস্তাৱিত 'অসম পুনৰ গঠন' সম্পৰ্কে আলোচনা কৰা হয়। প্ৰধান সম্পাদকে কাৰ্য্যনিৰ্ব্বাহকৰ যোৱা অধিবেশনৰ সিদ্ধান্তৰ সম্পৰ্কত কৰা কামৰ আভাস দিয়ে। প্ৰধান সম্পাদকৰ বিবৃতিত কেন্দ্ৰ আৰু ৰাজ্যচৰকাৰৰ লগত হোৱা যোগা যোগ প্ৰসঙ্গত চৰকাৰৰ পৰা কোনো সহঁাৰি নোপোৱাত দুখ প্ৰকাশ কৰা হয়। প্ৰধান সম্পাদকে কাৰ্য্য-নিৰ্ব্বাহকৰ যোৱা অধিবেশনৰ সিদ্ধান্তৰ সম্পৰ্কে কৰা কামৰ আভাস দিয়ে। ১১ ফেব্ৰুৱাৰী দিৱস পালন, প্ৰেছমেল আদিৰ উপৰিও যোৱা ২৫।৪.৬৭ তাং যোৰহাটত এটি সংহতি দলে মুখ্যমন্ত্ৰীৰ লগত সাক্ষাৎ কৰি পৰিস্থিতিৰ আভাস দিয়া সম্পৰ্কেও সমিতিক জনায়। সভাপতিৰ আসনৰ পৰা ডঃ নেওগে সভাৰ অভিমত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰত্যক্ষভাৱে জনাবলৈ সংহতি দল পঠোৱাৰ আৱশ্যকতাৰ ইঙ্গিত দিয়ে।

বিশেষভাৱে আমন্ত্ৰিত 'ফেদাৰেল অসম গঠন বিৰোধী কৰ্ম্ম-পৰিষদ'ৰ সভাপতি শ্ৰীজ্ঞাননাথ বৰাই বিষয়টো ফঁহিয়াই আলোচনা কৰি ফেদাৰেশ্যন অগ্ৰাহ্য কৰি পৰ্ব্বতীয়া লোকসকলক পূৰ্ণ স্বায়ত্ত শাসন দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেখেতে আৰু কয় যে প্ৰস্তাৱিত ফেদাৰেশ্যনৰ সম্পৰ্কত কোনো আলোচনা নকৰি মাত্ৰ বিকল্প পৰামৰ্শ সমূহৰ কথাহে কেন্দ্ৰীয় চৰকাৰৰ লগত অসম সাহিত্য সভাই আলোচনা কৰিব লাগে। শ্ৰীখনীন্দ্ৰ চন্দ্ৰ বৰুৱাই ষষ্ঠ অনুসূচী প্ৰত্যাহাৰ কৰা নাইবা সুকীয়া পাৰ্ব্বত্য ৰাজ্য গঠন কৰাৰ দ্বাৰা পুনৰ গঠন সমস্যা সমাধান হ'ব পাৰে বুলি মত প্ৰকাশ কৰে। শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই অসমৰ জনমত বাহিৰৰ কাকতত ভালদৰে প্ৰচাৰ নোহোৱাত দুঃখ প্ৰকাশ কৰে। কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সদস্য শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, শ্ৰীদেৱ প্ৰসাদ বৰুৱা, শ্ৰীবিধান বৰা, শ্ৰীযোগেশ দাসৰ উপৰিও নিমন্ত্ৰিত সদস্যসকলৰ মাজৰপৰা ডঃ হৰিশচন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য শ্ৰীচাৰু মহন্ত, শ্ৰীযতীন গোস্বামী আদি কেবাগৰাকীও সদস্যই আলোচনাত বিশেষভাৱে অংশ গ্ৰহণ কৰে।

আলোচনাৰ শেষত তলত দিয়া প্ৰস্তাৱটি সৰ্ব্বসম্মতিক্ৰমে গ্ৰহণ কৰা হয়।



ভাৰত চৰকাৰৰ স্বৰাষ্ট্ৰ মন্ত্ৰণালয়ৰ ১৩ জানুৱাৰী ১৯৬৭ তাৰিখৰ ঘোষণাৰ সম্পৰ্কত কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ৪ ফেব্ৰুৱাৰী ১৯৬৭ তাৰিখৰ অধিবেশনৰ পিছত অসমৰ মুখ্যমন্ত্ৰী আৰু আন ব্যক্তিৰ আৰু অসম ফেডাৰেশ্যন-বিৰোধী কৰ্ম্মপৰিষদৰ বিভিন্ন বিবৃতি আৰু অসম প্ৰাদেশিক কংগ্ৰেছ আৰু আন ৰাজনৈতিক দলে গ্ৰহণ কৰা প্ৰস্তাৱকে আদি ধৰি উক্তবিষয়ক সমস্ত পৰিস্থিতিটো অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক অধিবেশনে সম্যকভাৱে বিচাৰ কৰে।

"ছখন ভৈয়ামীয়া জিলা, উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰ জিলাৰ আৰু গাৰোপাহাৰ জিলাৰ অংশবিশেষে অসমৰ পুনৰ গঠন সম্পৰ্কীয় উক্ত ঘোষণাটো প্ৰত্যাহাৰ কৰাৰ দাবী জনাই ১১ ফেব্ৰুৱাৰী ১৯৬৭ তাৰিখৰ দিনা 'দাবী দিৱস' পালন কৰিবৰ অৰ্থে সাহিত্য সভাৰ আহ্বান স্বতঃস্ফূৰ্ত্ত আৰু শান্তিপূৰ্ণ ভাৱে ৰক্ষা কৰিছিল—সেই কথাও কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে স্মৰণ কৰে।

উক্ত 'দাবী দিৱস'ৰ পিছতো এই সকলোবোৰ এলেকাতে বহুসংখ্যক সভাত সেই একেটা দাবীকে কেনে শক্তি আৰু যুক্তিৰে উত্থাপন—পুনৰুত্থাপন কৰা হৈছে; কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে তাৰো লেখ লয়।

কাৰ্য্যনিৰ্ব্বাহক এই কথাৰ প্ৰতি সম্পূৰ্ণ সজাগ যে এখন পাৰ্ব্বত্যৰাজ্য মঞ্জুৰ কৰাই হওক বা কেন্দ্ৰশাসিত অঞ্চল গঠন কৰাই হওক এনে যি কোনো অবাঞ্ছনীয় খণ্ডীকৰণেই স্বাভাৱিকতে ভাৰতীয় গণতান্ত্ৰিক সংহতিত অনৈক্যৰ সৃষ্টি কৰিব। স্বভাৱতঃ নানা আদৰণীয় গুণৰ গৰাকী, অসমৰ বহুজন মিলনসম্ভূত সংস্কৃতিলৈ বিশেষ বৰঙণি যোগোৱা অসমৰ পৰ্ব্বতবাসী ৰাইজৰ প্ৰতি অসম সাহিত্য সভাৰ পূৰ্ণমাত্ৰাৰ সহানুভূতি কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে পুনঃ প্ৰকাশ কৰে।

কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে বিশেষভাৱে লক্ষ্য কৰে যে স্বৰাষ্ট্ৰ মন্ত্ৰণালয়ৰ উপযুক্ত ঘোষণাত অঙ্কিত ভাৰতীয় সংবিধানৰ বহিৰ্ভূত আঞ্চলিক সংহতি জনমত অনুসৰি চূড়ান্তভাৱে অবাঞ্ছনীয় এক পদাৰ্থ আৰু পাৰ্ব্বত্য জিলাবোৰত জনমত গ্ৰহণ কৰি পাৰ্ব্বত্য ৰাজ্য এখন গঠন কৰিবলগীয়া হোৱা আত্যন্তিক আৰু দুৰ্ভাগ্যসূচক পৰিস্থিতি হলেও অসমৰ জনমতে তেনে আঞ্চলিক সংহতি গ্ৰহণ নকৰিব।

অসমৰ ৰাইজৰ সাহিত্যিক আৰু সাংস্কৃতিক অনুষ্ঠান অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে দৃঢ়ভাৱে দাবী জনায় যাতে ভাৰতৰ সীমান্তৰ এই ৰাজ্যখনৰ ভিতৰৰ সম্প্ৰীতি আৰু ঐক্য ভঙ্গ কৰিব পৰা কোনো কাৰ্য্যই যেন কোনো পক্ষৰ পৰাই কৰা নহয়।

নতুন দিল্লীলৈ পঠাব খোজা প্ৰস্তাৱিত সংহতী-দললৈ তলত উল্লেখ কৰা ধৰণেৰে সমিতিয়ে পৰামৰ্শ আগবঢ়ায়—

(ক) ফেডাৰেশ্যনৰ ভিত্তিত অসম পুনৰ গঠন দৃঢ়ভাৱে প্ৰতিৰোধ কৰা হ'ব।

(খ) সংবিধানৰ ষষ্ঠ অনুসূচী প্ৰত্যাহাৰ কৰি পাৰ্ব্বত্য জিলাৰ লোকসকলকো সৰ্ব্বসাধাৰণ প্ৰজাৰ সমতুল্য মৰ্য্যাদা দিব পাৰি এনে পৰামৰ্শ আগবঢ়াব পৰা হ'ব।

(গ) ষষ্ঠ অনুসূচী সংশোধন কৰি সম্পূৰ্ণ স্বায়ত্ত

শাসন দিব পাৰি—এনে ইঙ্গিতো আৱশ্যক হলে দিব পাৰি।

(ঘ) পাটক্ষৰ পৰামৰ্শাৱলীৰ সূত্ৰত সম্পূৰ্ণ স্বায়ত্ত শাসনৰ পৰামৰ্শও দিব পাৰি।

প্ৰধান সম্পাদকে জনায় যে জোনাকী যুগৰ কবি ৺চন্দ্ৰকুমাৰ আগৰৱালাৰ শতবাৰ্ষিকী ২৭ নবেম্বৰত উদ্‌যাপন কৰা সম্পৰ্কেও ইতিমধ্যে লোৱা কাৰ্য্যপন্থা অনুসৰি কামত আগবঢ়া হৈছে। স্মৃতিগ্ৰন্থ ছাপাশালত দিয়া হৈছে আৰু প্ৰতীক ছপাৰ প্ৰস্তুতি চলিছে। আগৰৱালা গ্ৰন্থাৱলীখনো সভাৰ দ্বাৰা সম্পাদিত হৈ নিউ প্ৰেছৰ কৰ্তৃপক্ষৰ দ্বাৰা প্ৰকাশিত কৰা সম্পৰ্কত হোৱা যোগা-যোগৰ বিষয়ে জনায়। প্ৰধান সম্পাদকে আৰু জনায় যে ৺আগৰৱালাদেৱৰ সুযোগ্য পুত্ৰ শ্ৰীতৰুণ কুমাৰ আগৰৱালাই শতবাৰ্ষিকী উপলক্ষে ৺আগৰৱালা-দেৱৰ এটি আৱক্ষমূৰ্ত্তি আগ বঢ়াইছে। এই ঘোষণাক সমিতিৰ সদোজন সদস্যই সমাদৰ জনায়। শ্ৰীতৰুণ কুমাৰ আগৰৱালা ডাঙৰীয়াই আৱক্ষ মূৰ্ত্তিটি উপযুক্ত স্থানত ৰক্ষণাবেক্ষণ কৰিবলৈ অনুৰোধ জনায়।

আলোচনাৰ পিছত এমাহৰ ভিতৰতে স্থান নিৰূপণ কৰিবলৈ তলত দিয়া সকলেৰে এটি সমিতি গঠন কৰি ভাৰ দিয়া হয়। শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, ডঃ মহেশ্বৰ নেওগ, শ্ৰীতৰুণ কুমাৰ আগৰৱালা, শ্ৰীনন্দ তালুকদাৰ (আহ্বায়ক), আৰু শ্ৰীযতীন গোস্বামী।

৫। প্ৰধান সম্পাদকে ৺আগৰৱালা আৰু ৺ৰজনীকান্ত বৰদলৈ শতবাৰ্ষিকী উৎসৱ সমিতিৰ বিৱৰণি পাঠ কৰে। সেই বিৱৰণি গৃহীত হয়।



সিদ্ধান্ত অনুসৰি গুৱাহাটীত ৺আগৰৱালা শত-বাৰ্ষিকী উৎসৱ পালন কৰিবৰ উদ্দেশ্যে এটি স্থানীয় উৎসৱ সমিতি তলত দিয়া সকলেৰে গঠন কৰা হয়। শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, ডঃ মহেশ্বৰ নেওগ, স্থানীয় শাখাসভা সমূহৰ সম্পাদকসকল, শ্ৰীহেমন্ত কুমাৰ শৰ্ম্মা আৰু শ্ৰীশুভ বৰুৱা—যুঃ সম্পাদক, শ্ৰীযোগেশ দাস, শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, শ্ৰীচাৰু মহন্ত, শ্ৰীযুগল দাস আৰু শ্ৰীমহেন্দ্ৰ বৰুৱা। সমি-তিয়ে প্ৰয়োজন হলে সদস্য বৃদ্ধি কৰি ল'ব।

৬। প্ৰতিমা, বীণবৰাগী আৰু অন্যান্য ৰচনাৱলী সন্নিবিষ্ট কৰি গ্ৰন্থাৱলী আকাৰত যুগত কৰি সম্পা-দনা কৰাৰ দায়িত্ব শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাক দিয়া হয়।

৭। ৺ৰজনীকান্ত বৰদলৈ শতবাৰ্ষিকী সম্পৰ্কে প্ৰধান সম্পাদকে জনায় যে, শ্ৰীবীৰেন বৰকটকীৰ সম্পাদনাত স্মৃতিগ্ৰন্থৰ কাম আৰু শ্ৰীহেমন্তকুমাৰ শৰ্ম্মাৰ সংকলন আৰু সম্পাদনাত ৺বৰদলৈৰ ৰাধা-ৰুক্মিণীৰ ৰণ, খাম্বা থোইবী ৰ সাধু, ভোলাই শৰ্ম্মাৰ নামত লিখিত প্ৰবন্ধ, গল্পখিনি গোটাই একেখন গ্ৰন্থত যুগুত কৰি উলিয়াবলৈ কামত আগবঢ়া হৈছে।

ডিব্ৰুগড়ত শতবাৰ্ষিকী উৎসৱ পালন কৰা সম্পৰ্কে অধ্যাপক তফজ্জুল আলি আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, সম্পাদকক আহ্বায়ক স্বৰূপে লৈ এখন সমিতি পাতিবলৈ ভাৰ দিয়া হয়।

৮। চলিত বছৰতে অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ হোৱাত এখনি সোণালী জয়ন্তীগ্ৰন্থ প্ৰকাশ কৰা উপলক্ষে এখন আঁচনি গ্ৰহণ কৰা হয়।

এই গ্ৰন্থ সম্পাদনা কৰিব শ্ৰীহোমেন বৰগোহাঁয়ে। ডঃ মহেশ্বৰ নেওগ আৰু শ্ৰীলীলা গগৈ সম্পাদনা সমিতিৰ সদস্য থাকিব।

৯। যোৰা অধিবেশনৰ ৪ৰ্থ প্ৰস্তাৱ অনুসৰি ভগৱতী প্ৰসাদ বৰুৱা ভৱনত পুৰণি পুথি, ডায়েৰী, কাকত-পত্ৰ আদি সংগ্ৰহৰ যোগে এটি সংগ্ৰহা-লয়ৰ আৰম্ভণি কৰিবলৈ স্থিৰ কৰা হয়।

১০। সন্মিলনত গৃহীত তৃতীয় প্ৰস্তাৱ অনুসৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া ভাষাৰ শ্ৰেণী আৰম্ভ নকৰাত দুঃখ প্ৰকাশ কৰা হয়।

১১। চলিত বছৰৰ বাবে তলত দিয়া সদস্য, সকলক লৈ ভাষাজ্ঞান পৰীক্ষা সংসদ গঠন কৰা হয়—

সভাপতি, প্ৰধান সম্পাদক, পৰীক্ষা সচিব—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীমিত্ৰদেৱ মহন্ত, অধিকাৰ, শ্ৰীঅৱনী ভাগৱতী, উজনি অসমৰ স্কুল সমূহৰ সহকাৰী পৰিদৰ্শক আৰু শ্ৰীৰমা বৰঠাকুৰ।

১২। তলত দিয়া সদস্যসকলৰে সাহিত্য সভাৰ এটি প্ৰচাৰ সমিতি গঠন কৰা হয়:—সভাপতি, প্ৰধান সম্পাদক, সহকাৰী সম্পাদক—কেন্দ্ৰীয় কাৰ্য্যালয়—(প্ৰচাৰ সচিব), শ্ৰীদেৱপ্ৰসাদ বৰুৱা আৰু শ্ৰীলীলা গগৈ।

১৩। প্ৰধান সম্পাদকে ৺গোলাপ চন্দ্ৰ গোস্বামী স্মৃতি-পুঁজিৰ সম্পৰ্কত দাতাৰ লগত হোৱা আলোচনা আৰু চুক্তি সম্বন্ধে সমিতিক জনায়। উক্ত চুক্তি অনুসৰি প্ৰতিবছৰে অসমীয়া শিশু-সাহিত্য গ্ৰন্থৰ পাণ্ডুলিপিৰ প্ৰতিযোগিতাৰ বাবে আহ্বান কৰি শ্ৰেষ্ঠ বুলি বিবেচিত হোৱা পুথিৰ লেখকক তিনিশ টকা বঁটা প্ৰদান কৰা হ'ব। ৺গোপাল চন্দ্ৰ গোস্বামী—স্মৃতি-পুঁজি সমিতি তলত দিয়া সদস্য সকলেৰে গঠন কৰা হয়—সভাপতি, প্ৰধান সম্পাদক, শ্ৰীদেৱপ্ৰসাদ বৰুৱা, দাতা বা দাতাৰ প্ৰতিনিধি।

১৪। বেজবৰুৱা গ্ৰন্থাৱলীৰ মুখ্য সম্পাদক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাৰ পৰামৰ্শ অনুসৰি সম্পাদনা সমিতিত শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী আৰু শ্ৰীলীলা গগৈক অন্তৰ্ভুক্ত কৰা হয়।

১৫। সভাৰ প্ৰকাশন আচনি সম্বন্ধে আলো-চনা কৰা হয়।

(ক) প্ৰধান সম্পাদকে জনায় যে, আঞ্চলিক ভাষাৰ উন্নয়ন শিতানত প্ৰাপ্ত চৰকাৰী অনুদান ১৯,০০০'০০ উনৈশ হাজাৰ টকাৰে তলত দিয়া পুথি সমূহৰ অসমীয়া অনুবাদ প্ৰকাশিত হ'ব। (১) মৃচ্ছকটিকা (২) Serpent and the Rope. (৩) Our Cultural Heritage.

অনুবাদক সকলক প্ৰত্যেককে ৫০০ (পাঁচশ) টকাকৈ পাৰিশ্ৰমিক দিবলৈ সিদ্ধান্ত কৰা হয়।

(খ) সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ 'পবিত্ৰ অসম' আৰু 'তত্ত্ব কথাৰ' ১ম সংস্কৰণ শেষ হোৱাত ২য় সংস্কৰণ অন্য প্ৰকাশ প্ৰতি-ষ্ঠানৰ যোগেদি প্ৰকাশৰ ব্যৱস্থা কৰিবলৈ প্ৰধান সম্পাদকক কৰ্ত্তৃত্ব দিয়া হয়। উল্লেখ থাকে যে শতকৰা ৫% টকা হাৰে ৰয়েলটি পুথি প্ৰকাশৰ চৰ্ত্ত অৰোপিত হব।

(গ) প্ৰধান সম্পাদকে জনায় যে ডঃ সত্যেন্দ্ৰ নাথ শৰ্ম্মাৰ সম্পাদনাত—'অসমীয়া জাতীয় গ্ৰন্থ সূচী'ৰ কাম আগবাঢ়িছে।

(ঘ) ডিব্ৰুগড় সন্মিলনৰ বাৰ্ষিকী প্ৰকাশৰ বাবেও অভ্যৰ্থনা সমিতিৰ সাহায্য দানৰ প্ৰতি-

শ্ৰুতি পোৱা হৈছে বুলি—প্ৰধান সম্পাদকে জনায়।

(ঙ) অসম সাহিত্য সভাৰ মূল আৰু বুৰঞ্জী শাখাৰ বাহিৰে শাখা সন্মিলন সমূহৰ সভাপতিৰ অভিভাষণসমূহ সংকলন কৰিবৰ বাবে শ্ৰীলীলা গগৈক দায়িত্ব দিয়া হয়।

(চ) ইতিমধ্যে বেজবৰুৱা কেলেণ্ডাৰ প্ৰকাশ পাইছে বুলি প্ৰধান সম্পাদকে জনায়।

১৬। প্ৰধান সম্পাদকে ১৯৬৬-৬৭ ৰ দ্বিতীয় বছৰৰ হিচাপ পৰীক্ষকৰ টোকা উত্থাপন কৰে। আলোচনাৰ পিছত সিদ্ধান্ত কৰা হয় :—

(১) সাধাৰণ পুঁজিত থকা আজীৱন সভ্যৰ পুঁজিৰ ঋণৰ ২০০০ ( দুহেজাৰ ) টকা পৰিশোধ কৰা হওক। জ্ঞাত থাকিব যে নতুন বৰঙণি পোনে পোনে আজীৱন পুঁজিত জমা থাকিব।

(২) প্ৰকাশন পুঁজিৰ পৰা হোৱা আয় অন্ততঃ শতকৰা ৫০% আছুতীয়া পুঁজি কৰি বিনিধান কৰা হওক।

(৩) ভাগৱতী প্ৰসাদ বৰুৱা ভৱনৰ পৰা ভাড়া বাবদ পোৱা ৩,৬০০ টকা ভৱন সমিতিৰ হিচাপ লৈ সলনি কৰা হওক। আগলৈ ভাড়া বাবদ অহা টকা পোনে পোনে ভৱন সমিতিৰ হিছাপত জমা হ'ব।

(৪) ট্ৰাঙ্ককলৰ বাবদ ( গুৱাহাটী ) দিবলগীয়া টকাৰ আদায় অনুমোদন কৰা হয়। টেলিফোন এটি বাকচত বন্ধ কৰি তাৰ ব্যৱস্থা নিয়ন্ত্ৰণ কৰিবলৈ গুৱাহাটীৰ সহকাৰী সম্পাদকক নিৰ্দ্দেশ দিয়া হয়। গুৱাহাটী আৰু কেন্দ্ৰীয় দুয়ো ঠাইৰ ট্ৰাঙ্ককলৰ হিচাপ পৰীক্ষকৰ পৰামৰ্শ মতে যেন ৰখা হয়।

(৫) প্ৰধান সম্পাদকে জনায় যে অক্ষয় পুঁজি বিলাকৰ নিৰ্দ্দিষ্ট জমাৰ সম্পৰ্কত আৱশ্যকীয় ব্যৱস্থা লোৱা হৈছে।

(৬) হিচাপ পৰীক্ষকৰ আন পৰামৰ্শ বিলাকলৈও প্ৰধান সম্পাদকৰ দৃষ্টিগোচৰ কৰা হল।

১৭। ৯৬৭-৬৮ ৰ উদ্বৃত্ত পত্ৰ আৰু হিচাপ পৰীক্ষকৰ টোকা গৃহীত হয়।

১৮। প্ৰধান সম্পাদকে চলিত বছৰৰ আয়-ব্যয়ক ডাঙি ধৰে। আয়-ব্যয় অনুসৰি সাধাৰণ পুঁজিত মুঠ আয় ১,১৬,৭৮৫'১৬ আৰু ব্যয় ১,৩৫,৫০৫'৮৯ ; গতিকে টকা ১৮'৭২০'৭৩ পইচাৰ ঘাটি হয়। এই ঘাটি পূৰণৰ প্ৰস্তাৱ উত্থাপন কৰি প্ৰধান সম্পাদকে সমিতিক জনায় যে সভাৰ বাৰ্ষিক অনুদান ১০,০০০ দহ হেজাৰৰ পৰা ৩০,০০০ ত্ৰিশ হেজাৰলৈ উন্নীত কৰিবৰ অৰ্থে ৰাজ্য চৰকাৰলৈ ইতিমধ্যে কৰি অহা যোগাযোগ সংশ্লিষ্ট মহলৰ লগত হোৱা আলোচনা আৰু সন্দৰ্ভত অতিৰিক্ত ২০০০০ বিশ হাজাৰ টকা চৰকাৰৰ পৰা আশা কৰা হৈছে আৰু এই অনুদানৰ পৰাই আয়ব্যয়ৰ হোৱা ঘাটি পূৰণ কৰা হ'ব। সমিতিয়ে উক্ত প্ৰস্তাৱত অনুমোদন জনায় আৰু বাৰ্ষিক অনুদান বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক জনায়।

সাহিত্য সভাৰ প্ৰস্তাৱিত ৺বেজবৰুৱা, ৺ৰজনী কান্ত বৰদলৈ আৰু ৺চন্দ্ৰকুমাৰ আগৰৱালা শতবাৰ্ষিকী আঁচনি আৰু অন্যান্য গঠনমূলক আঁচনিত সহায়তা কৰিবলৈ অসমৰ ৰাইজ আৰু চৰকাৰক অনুৰোধ জনায় আৰু এই সম্পৰ্কত সাহিত্য সভাৰ শাখাসমূহ অধিক সক্ৰিয় হব বুলি সভাই আশা প্ৰকাশ কৰে।

১৯। অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থাৱলীৰ আয়ৰ পৰা শতকৰা ৫০% টকাকৈ ৰাখি সাহিত্য সভাৰ এটি আছুতীয়া প্ৰকাশন পুঁজি মুকলি কৰিবলৈ সিদ্ধান্ত কৰা হয়। সাহিত্য সভাৰ পুথি আৱশ্যকীয় সময়ত আন প্ৰকাশকৰ দ্বাৰা প্ৰকাশ কৰিবলগীয়া হলে তাৰ পৰা পোৱা শতকৰা ১৫% ভাগ ৰয়েলটি এই পুঁজিত জমা হ'ব।

২০। (ক) অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ মুখ্য কাৰ্য্যালয় সহকাৰী, কাৰ্য্যালয় সহকাৰী, অংশকালীন কাৰ্য্যালয় সহকাৰী আৰু চকীদাৰক অতিৰিক্ত ১৫ টকাকৈ মৰগীয়া বানচ দিবলৈ সিদ্ধান্ত কৰা হয়।

(খ) সাহিত্য সভাৰ গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱন কাৰ্যালয়ৰ সহকাৰী ৰূপে শ্ৰীগৰ্গৰাম বৰ্ম্মণক অস্থায়ীভাবে মাহে ৭৫'০০ টকা বেতনত ১।৫।৬৭ তাৰিখৰ পৰা নিয়োগ কৰা হয়। লগতে অতিৰিক্ত ১৫'০০ টকা মৰগীয়া বানচ মঞ্জুৰ কৰা হয়।

২১। প্ৰধান সম্পাদকে জনায় যে সাহিত্য সভাৰ আগন্তুক ৩৫শ অধিবেশন তেজপুৰত পাতিবলৈ স্থানীয়ভাৱে অভ্যৰ্থনা সমিতি গঠন কৰিছে। অধিবেশনত আলোচনাচক্ৰৰ ওপৰত গুৰুত্ব দিবলৈ সমিতিয়ে পৰামৰ্শ আগ বঢ়ায়। প্ৰদৰ্শনীত যাতে আপুৰুগীয়া পুথিপত্ৰ, ভাষা সাহিত্য, সংস্কৃতি সম্পৰ্কীয় সমল প্ৰদৰ্শনত গুৰুত্ব দিয়া হয় তাৰ বাবেও পৰামৰ্শ আগ বঢ়ায়।

২২। নিয়মাৱলীৰ ৯ম ছেদ, ৪৪ বিধি অনুযায়ী অসম সাহিত্য সভাৰ আগন্তুক ৩৫শ অধিবেশনৰ সভাপতিৰ পদৰ বাবে ক্ৰম অনুসৰি অনুমোদন কৰা হয় :—

২৩। ফেডাৰেশ্যনৰ ভিত্তিত অসম পুনৰ গঠন সম্পৰ্কে অসম সাহিত্য সভাৰ মতামত ভাৰতৰ প্ৰধান মন্ত্ৰী, গৃহমন্ত্ৰী আদিক জনাবলৈ নিম্নোল্লিখিত সদস্য সকলেৰে এটি সজাতী দল গঠন কৰি নতুন দিল্লীলৈ পঠাবলৈ সিদ্ধান্ত কৰা হয়।

ডঃ মহেশ্বৰ নেওগ।
শ্ৰীহৰিপ্ৰসাদ নেওগ।
শ্ৰীহৰেন্দ্ৰ নাথ বৰুৱা।

২৪। নিয়মাৱলীৰ ৬ষ্ঠ ছেদ, ৩৯ বিধি অনুসৰি তলত দিয়া শাখা সভা সমূহক স্বীকৃতি দিয়া হয় :

(১) কুঁৱৰী গাওঁ শাখা সাহিত্য সভা।
(২) ঔফুলী শাখা সাহিত্য সভা।

২৫। নিয়মাৱলীৰ ৪ৰ্থ ছেদ, ১০ বিধি অনুসৰি তলত নাম দিয়া আজীৱন সভ্য সকলক স্বীকৃতি দিয়া হয় :—

(১) শ্ৰীচন্দ্ৰনাথ ফুকন— নাজিৰা।
(২) ডাঃ বিপিন কুমাৰ কৰ— ডিব্ৰুগড়।
(৩) শ্ৰীননীভূষণ দেৱ— লিডু।
(৪) শ্ৰীঅৰুণ চন্দ্ৰ গুহ— কলিকতা।

২৬। অসম আৰু নগাভূমিৰ উচ্চ-ন্যায়ালয়ৰ নির্দ্দেশক্রমে আদালতত অসমীয়া প্রয়োগত বাধা আৰোপ কৰাত সমিতিয়ে উদ্বেগ প্রকাশ কৰে আৰু এই সম্পৰ্কত ৰাজ্য-চৰকাৰৰ দৃষ্টি আকর্ষণ কৰে।

২৭। প্রধান সম্পাদকে সভাপতিকে প্রমুখ্য কৰি উপস্থিত সদস্যসকল আৰু নিমন্ত্রিত বিশিষ্ট ব্যক্তিসকলক ধন্যবাদ জ্ঞাপন কৰাৰ পিচত সভাৰ সামৰণি মৰা হয়।

শ্ৰীহৰিপ্ৰসাদ নেওগ
প্রধান সম্পাদক
অসম সাহিত্য সভা

স্বাঃ শ্ৰীমহেশ্বৰ নেওগ
সভাপতি
অসম সাহিত্য সভা।

# কার্য্যনির্বাহক সমিতিৰ তৃতীয় অধিবেশন

যোৰহাট
তাং ১৬।৯।৬৭

উপস্থিতসকল : শ্ৰীনকুলচন্দ্ৰ ভূঞা, সভাপতি ; ড: মহেশ্বৰ নেওগ উপ-সভাপতি ; শ্ৰীহৰিপ্ৰসাদ নেওগ, প্রধান সম্পাদক ; শ্ৰীনগেন শইকীয়া, সহ-সম্পাদক, শ্ৰীনন্দ তালুকদাৰ, সহ-সম্পাদক ; শ্ৰীদেৱপ্ৰসাদ বৰুৱা ; ধনভৰালী ; শ্ৰীসত্যেন্দ্ৰনাৰায়ণ গোস্বামী, পত্রিকা সম্পাদক ; শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীযোগেশ দাস, শ্ৰীখলিলুৰ ৰহমান, শ্ৰীবিধান চন্দ্ৰ বৰা, শ্ৰীললিতচন্দ্ৰ শৰ্মা বৰুৱা, শ্ৰীহৰকান্ত দাস, শ্ৰীনাৰায়ণ ঘাটোৱাৰ, শ্ৰীকুমাৰ মেধি।

শ্ৰীলীলা গগৈ আৰু শ্ৰীবংবং টেৰনে আহিব নোৱাৰে বুলি জনায়।

সভাপতি শ্ৰীনকুলচন্দ্ৰ ভূঞা ডাঙৰীয়াই আসন গ্ৰহণ কৰে আৰু জয়ে জয়ে সদৌজন উপস্থিত সদস্যকে সাদৰ-সম্ভাষণ জ্ঞাপন কৰে। ইয়াৰ পিছত তলত দিয়া শোক প্রস্তাৱটি গৃহীত হয়।

১। শোক প্রস্তাৱ— অসম সাহিত্য সভাৰ কা: নি: সমিতিৰ আজিৰ অধিবেশনে তলত উল্লেখ কৰা ব্যক্তিসকলৰ বিয়োগত গভীৰ শোক প্রকাশ কৰি সিসকলৰ বিদেহ আত্মাৰ চিৰ-শান্তিৰ বাবে ভগবানৰ ওচৰত প্রার্থনা জনায় আৰু সন্তপ্ত পৰিয়াল-পৰিজনলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে :

বিয়োগ ঘটা ব্যক্তিসকল— বিশ্ববিশ্রুত সাহিত্যিক এলিয়া এৰেণবুর্গ, অসম বিখ্যাত কলা সমালোচক উমেশ বৰুৱা, প্রতিভাবান শিল্পী আৰু সমাজকর্মী গঙ্গাৰাম দাস, বিশিষ্টা মহিলা বক্তা-কুমাৰী ৰাজখোৱানী, শিল্পী-ঠাকুৰাম নিয়মকৰা বৰা, এগৰাকী প্রাক্তন ৰাজ্যপাল শ্ৰীৰামকৃষ্ণ ৰাও।

২। প্রধান সম্পাদকে যোৱা ৫।৫।৬৭ তাৰিখে বহা কা: নি: সমিতিৰ অধিবেশনৰ বিৱৰণ দাঙি ধৰে আৰু কার্য্য-বিৱৰণি সংক্রান্ত কামৰ বিৱৰণি দিয়ে। কার্য্য-বিৱৰণি গৃহীত হয়।

৩। ৰাজ্য পুনৰ গঠনৰ বিষয়টিৰ ওপৰত হোৱা কার্য্যৰ পর্য্যালোচনা কৰা হয়। প্রধান সম্পাদকে জনায় যে ৫।৫।৬৭ ৰ কা: নি: সমিতিৰ সিদ্ধান্ত অনুসৰি উপ-সভাপতি ডঃ মহেশ্বৰ নেওগ, নতুন অসমীয়াৰ সম্পাদক শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা, প্রধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগৰে গঠিত এটি প্রতিনিধি দলে ভাৰতৰ প্রধানমন্ত্ৰীৰ পৰা জৰুৰী নিযুক্তি পাই ১১মে' তাৰিখে এখন স্মাৰকপত্ৰ দি বিষয়টি আলোচনা কৰে। প্রধানমন্ত্রী শ্ৰীমতী ইন্দিৰা গান্ধীৰ উপৰিও উপ-প্রধানমন্ত্রী শ্ৰীমোৰাৰজী দেশাই প্রমুখ্যে মন্ত্রীসভাৰ প্রবীণ সদস্যসকলৰ লগতো সাক্ষাৎ কৰি আলোচনা কৰে আৰু কেন্দ্ৰীয় চৰকাৰৰ গৃহমন্ত্রী দপ্তৰৰ ১৩ জানুৱাৰী তাৰিখৰ ঘোষণাৰ পিছত অপ্রত্যাশিত আৰু আকস্মিকভাৱে উদ্ভৱ হোৱা গুৰুত্বপূর্ণ পৰিস্থিতিলৈ লক্ষ্য ৰাখি আঞ্চলিক ফেডাৰেছন অথবা স্বকীয়া পার্বত্য ৰাজ্যৰ প্রস্তাৱ দুয়োটাকে পৰিহাৰ কৰিবলৈ দাবী জনায়। সমাধান সূত্ৰৰ প্ৰসঙ্গত সঁজাতী দলে প্রয়োজন হলে পাৰ্বত্য অঞ্চলৰ বাবে সংবিধানৰ ৬ষ্ঠ অনুসূচী সংশোধন কৰি পাৰ্বত্য অঞ্চলৰ বাবে গঠন কৰা আয়োগৰ পৰামর্শাৱলীৰ ভিত্তিত পাৰ্বত্য অঞ্চলক অধিক স্বায়ত্তশাসন দি হলেও অসমৰ ৰাজ্যিক সংহতি অক্ষুণ্ণ ৰাখিবলৈ দাবী জনায়। সঁজাতী দলৰ আগত প্রধান মন্ত্রীয়ে অসমৰ ৰাইজৰ ইচ্ছাৰ বিৰুদ্ধে আঞ্চলিক ফেডাৰেছনৰ আঁচনি জাপি দিয়া নহব বুলি জনায়। কিন্তু একে সময়তে পাৰ্বত্য ৰাইজৰ দাবী পূৰণৰ ক্ষেত্ৰত এটি বিকল্প-ব্যৱস্থা কৰাৰ যে আৱশ্যক, সেই বিষয়ে আভাস দিয়ে।

১৭।৫।৬৭ তাৰিখে গুৱাহাটীত সাংবাদিক মেলত সাহিত্য সভাৰ নীতি ঘোষণা কৰা হয়।

২১।৫।৬৭ তাৰিখে কেন্দ্ৰীয় গৃহমন্ত্রী শ্ৰীচৱনক গুৱাহাটীত সভাৰ প্রাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ নেতৃত্বত সঁজাতী দলে সাক্ষাৎ কৰি এখন স্মাৰকপত্ৰ দিয়ে। গৃহমন্ত্রীয়েও ভৈয়ামবাসী ৰাইজৰ ইচ্ছাৰ বিৰুদ্ধে ফেডাৰেছন দিয়া নহব বুলি আৰু প্রয়োজন হলে সমাধান সূত্ৰৰ বাবে ঘূৰণীয়া মেজমেল পতাৰ বিষয়ে সঁজাতী দলক জনায়।

ইতিমধ্যে নতুন দিল্লীত বহা ঘূৰণীয়া মেজ-মেলত গঠিত সমিতিৰ সভাপতি শ্ৰীঅশোক মেহতালৈ সাহিত্য সভাৰ প্রস্তাৱ আৰু সংশ্লিষ্ট পত্ৰৰ নকল পঠোৱা হয়। তাৰ পিছত ৩১।৮।৬৭ তাৰিখে প্রকাশ পোৱা সৰ্বদলসন্মত মেহতা কমিটিৰ প্রস্তাৱত আঞ্চলিক ফেডাৰেছন আৰু স্বকীয়া পাৰ্বত্যৰাজ্য গঠনৰ প্রস্তাৱৰ পৰিৱৰ্ত্তে ৬ষ্ঠ অনুসূচীৰ সংশোধন কৰি পাৰ্বত্য জিলাসমূহক অধিক স্বায়ত্ত শাসন দিয়াৰ সিদ্ধান্ত ঘোষিত হয়। এনে পৰিস্থিতিৰ পাৰ্বত্য অঞ্চলৰ ৰাইজৰ চূড়ান্ত আশা-আকাঙ্ক্ষা পূৰণৰ ক্ষেত্ৰত মেহতা কমিটিৰ সূত্ৰকে এটি উন্নত আৰু

শান্তিপূৰ্ণ উপায়েৰে হব পৰা সমধান বুলি ধৰি লৈ পূব ভাৰতৰ ... ... ... ... ... ঐক্য আৰু সংহতিৰ পৰিপ্ৰেক্ষিতত এই প্ৰস্তাৱত সন্মতি জনাবৰ বাবে যোৱা ৯।৯।৬৭ তাৰিখে পাৰ্বত্য অঞ্চলৰ ৰাইজক আহ্বান জনোৱা হয় আৰু সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ সম্পাদকলৈ পত্ৰ প্ৰেৰণ কৰা হয়।

কাঃ নিঃ সমিতিয়ে এই বিষয়টি বিষদভাৱে আলোচনা কৰি তলত দিয়া মৰ্মে সিদ্ধান্তত উপনীত হয় :

অসম ৰাজ্যৰ সংহতি ৰক্ষা কৰি বিভিন্ন পাৰ্বত্য অঞ্চলত অত্যন্ত বেছি ধৰণে স্বায়ত্ত শাসনৰ সুবিধা দিয়াৰ প্ৰস্তাৱ কৰি অশোক মেহতা সমিতিয়ে যি পৰামৰ্শাৱলী আগবঢ়াইছে, তাকো সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনে একেআষাৰেই গ্ৰহণ নকৰাত অসম সাহিত্য সভাৰ কাঃ নিঃ সভাই উদ্বেগ আৰু আশ্চৰ্য্য প্ৰকাশ কৰে। সিসকলক গভীৰ চিন্তা কৰি বৰ্তমান অৱস্থাত মেহতা কমিটিৰ পৰামৰ্শাৱলী গ্ৰহণ কৰিবলৈ অসম সাহিত্য সভাই আহ্বান জনায়, কাৰণ বিভিন্ন ৰাজনৈতিক দলৰ নেতাই উক্ত সমিতিৰ যোগেদি পাৰ্বত্য ৰাজ্য তথাকথিত ফেডাৰেল ভিত্তিত ( সংহতি ৰূপে ) অসম পুনৰ গঠনৰ দুইটা ধাৰণাকে খণ্ডন কৰিছে।

সভাপতি ভূঞাদেৱৰ শাৰীৰিক অসুস্থতা-বশতঃ সভাস্থল এৰিব লগীয়া হোৱাত উপসভাপতি ডঃ মহেশ্বৰ নেওগে সভা পৰিচালনাৰ দায়িত্ব বহন কৰে।

৪। যোৱাবাৰৰ কাৰ্য্যবিৱৰণীৰ ২৬ নং সিদ্ধান্ত সম্পৰ্কে প্ৰধান সম্পাদকে জনায় যে অসম আৰু নগাভূমিৰ উচ্চ ন্যায়ালয়ৰ পঞ্জীয়কৰ ৬ মাৰ্চৰ নিৰ্দেশ পত্ৰ উঠাই লোৱাৰ বাবে দাবী জনোৱা হৈছে আৰু গোটেই বিষয়টো পৰ্য্যালোচনা কৰি Assamese Language in Peril শীৰ্ষক পুস্তিকা প্ৰচাৰ কৰি সংশ্লিষ্ট মহলক জনোৱা হৈছে। কিন্তু অসম সাহিত্য সভাৰ শাখা আৰু বিভিন্ন ৰাজহুৱা অনুষ্ঠানে দাবী জনোৱা সত্বেও উক্ত চাৰ্কুলাৰ প্ৰত্যাহাৰ কৰা নাই। সমিতিয়ে বিষয়টো আলোচনা কৰে আৰু অসম আৰু নগাভূমিৰ উচ্চ-ন্যায়ালয়ৰ এই কাৰ্য্যত আশ্চৰ্য্য প্ৰকাশ কৰে আৰু তুৰন্তে ৬ মাৰ্চৰ উচ্চ ন্যায়ালয়ৰ পঞ্জীয়কৰ নিৰ্দেশপত্ৰ উঠাই লোৱাৰ দাবী জনায়।

৫। চন্দ্ৰকুমাৰ আগৰৱালা জন্ম-শতবাৰ্ষিকীৰ প্ৰস্তুতি সম্পৰ্কে প্ৰধান সম্পাদকে জনায় যে যোৱা কাঃ নিঃ সমিতিৰ সিদ্ধান্ত অনুসৰি গুৱাহাটীত কেন্দ্ৰীয়ভাৱে উৎসৱ পালনৰ দিহা কৰা হৈছে আৰু এই উদ্দেশ্যে এখন সবল অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে।

গুৱাহাটীত গঠিত উৎসৱ-সমিতিৰ সম্পাদকৰ চিঠি আৰু কাৰ্য্যসূচী পঠিত হয়। কাঃ নিঃ সমিতিয়ে উক্ত সমিতিৰ প্ৰস্তাৱ অনুমোদন কৰে আৰু উৎসৱৰ সভাপতি, সম্পাদক, বিশিষ্ট অতিথি আদিৰ নাম নিৰ্ণয় কৰি নিমন্ত্ৰণ জনোৱা আদি কাৰ্য্যৰ বাবে উক্ত সমিতিকে ভাৰ দিয়ে।

চন্দ্ৰকুমাৰ আগৰৱালাৰ আৱক্ষমূৰ্তি স্থাপনৰ স্থান নিৰূপণৰ বাবেও যথাব্যৱস্থা কৰিবলৈ উক্ত সমিতিকে ভাৰ দিয়ে।



কাঃ নিঃ সমিতিয়ে সিদ্ধান্ত কৰে যে উক্ত উৎসৱ-সমিতিক ৫০০·০০ পাঁচশ টকাৰ পুঁজি সাহায্য দিয়া হওক।

৬। ৰজনীকান্ত বৰদলৈ জন্ম-শতবাৰ্ষিকী সম্পৰ্কত কাঃ নিঃ সমিতিৰ সিদ্ধান্ত অনুসৰি ডিব্ৰুগড়ত এই উদ্দেশ্যে এখন সবল অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। বৰদলৈ শতবাৰ্ষিকীৰ বিস্তৃত কাৰ্য্যসূচী এইদৰে লোৱা হয়—

২৪।১১।৬৭ তাৰিখে শতবাৰ্ষিকী উৎসৱ উদ্‌যাপিত হব। ডিব্ৰুগড়ত গঠিত উৎসৱ সমিতিকে আৱক্ষমূৰ্তিৰ স্থান, উসৱৰ সভাপতি, বিশিষ্ট অতিথি আদিৰ নাম নিৰ্ণয় কৰি নিমন্ত্ৰণ জনোৱা আদি কাৰ্য্যৰ বাবে ভাৰ দিয়ে। কাঃ নিঃ সমিতিয়ে সিদ্ধান্ত কৰে যে উৎসৱ-সমিতিক ৫০০·০০ পাঁচশ টকাৰ এটা পুঁজিৰ সাহায্য দিয়া হওক।

৭। সহকাৰী সম্পাদকে ৭।৬।৬৭ তাৰিখে প্ৰচাৰ সমিতিৰ বৈঠকত গৃহীত আঁচনি দাঙি ধৰে। এই আঁচনি অনুসৰি লোৱা কাম হ'ল—(১) প্ৰমথনাথ চক্ৰবৰ্তীৰ চমু জীৱনী প্ৰকাশ; প্ৰধান সম্পাদকক জীৱনী যুগুত কৰিবলৈ দায়িত্ব দিয়া হয়। (২) আমাৰ পাঠ—ডিব্ৰুগড় মহকুমা সাহিত্য পৰিষদে যুগুতাইছে। (৩) ৰাজ্যিক অসমীয়া ভাষা আৰু পুনৰ গঠন সম্পৰ্কে একোখনি প্ৰচাৰ পুস্তিকা প্ৰকাশ। (৪) সোণালী জয়ন্তী উপলক্ষে প্ৰচাৰপত্ৰ প্ৰকাশ। (৫) বিত্তীয় পৰিস্থিতি সাপেক্ষে নেফা অঞ্চলত শুভেচ্ছামূলক ভ্ৰমণৰ দিহা।

সমিতিয়ে পুঁজিৰ অৱস্থা অনুকূলে যথাব্যৱস্থা কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

৮। নতুন সংগঠন— সভ্যভৰ্তি আৰু শাখা সভা সমূহ সক্ৰিয় কৰাৰ মানসে তলত উল্লেখ কৰা তাৰিখ সমূহ অনুসৰি অসম সাহিত্য সভাৰ সপ্তাহ পালন কৰিবলৈ স্থিৰ কৰে :—

২৩ নবেম্বৰ—পতাকা দিৱস। ২৪ নবেম্বৰ—ৰজনীকান্ত বৰদলৈ দিৱস। ২৫ নবেম্বৰ—স্মৃতি দিৱস। মৃত শিল্পী সাহিত্যিক সকলৰ প্ৰতি তৰ্পণ আৰু ৰাজহুৱা সভা, আলোচনা চক্ৰ আদিৰ আয়োজন। ২৬ নবেম্বৰ— সাহিত্য দিৱস। ৰাজহুৱা সভা, আলোচনা চক্ৰ, সাহিত্য প্ৰতিযোগিতা আদিৰ আয়োজন। ২৭ নবেম্বৰ—সাংস্কৃতিক দিৱস। থলুৱা সংস্কৃতিৰ প্ৰদৰ্শন, আলোচনা চক্ৰ, স্থানীয় পুৰণি সাংস্কৃতিক সা-সমল আৰু তথ্যপাতি সংগ্ৰহ অভিযান। ২৮ নবেম্বৰ—চন্দ্ৰকুমাৰ আগৰৱালা দিৱস। শত-বাৰ্ষিকী উপলক্ষে যুগুত কৰা কাৰ্য্যসূচী অনুসৰি দিৱস পালন কৰিব। আটাইকেইদিন সভ্যভৰ্তি অভিযান চলাব আৰু অসম সাহিত্য সভাৰ সোণালী জয়ন্তী সপ্তাহ স্বৰূপে পালন কৰিব।

৯। অসম সাহিত্য সভাৰ বাৰ্ষিক সন্মিলন সম্পৰ্কে আলোচনা কৰা হয়। প্ৰধান সম্পাদকে সন্মিলন সম্পৰ্কে অভ্যৰ্থনা সমিতিৰ লগত হোৱা যোগাযোগৰ কথা জনায়। তলত দিয়া দৰে আলোচনা চক্ৰৰ নিৰ্দ্ধাৰণ কৰা হয় :—

আলোচনা চক্ৰৰ বিষয়—শিক্ষাৰ মাধ্যম ৰূপে আঞ্চলিক ভাষা।

সমিতিয়ে আশা কৰে যে অভ্যৰ্থনা সমি-

তিয়ে শাখা সন্মিলন পৰিহাৰ কৰি হলেও আলোচনা চক্ৰত বিশেষভাৱে গুৰুত্ব দিয়ে যেন।

সন্মিলনৰ তাৰিখ নিৰ্দ্ধাৰণ আদি পৰৱৰ্ত্তী কাৰ্য্যৰ বাবে কা: নি: সমিতিৰ হৈ যথা ব্যৱস্থা কৰিবলৈ সভাপতি, প্ৰধান সম্পাদক, ধন ভঁৰালী, সহকাৰী সম্পাদক আৰু শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীৰে গঠিত উপসমিতিক ভাৰ দিয়া হয়।

১০। আঞ্চলিক ভাষা : শিক্ষাৰ মাধ্যম—প্ৰধান সম্পাদকে জনায় যে অসম সাহিত্য সভাই পূৰ্ব্বে গ্ৰহণ কৰা প্ৰস্তাৱৰ সন্দৰ্ভত আঞ্চলিক ভাষা বিশ্ববিদ্যালয় পৰ্য্যায়ত শিক্ষাৰ মাধ্যম কৰা সম্পৰ্কে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী দপ্তৰৰ উপাচাৰ্য্য সন্মিলনৰ সিদ্ধান্তক অসম সাহিত্য সভাৰ ফালৰ পৰা সমাদৰ জনোৱা হৈছে। সমিতিয়ে অসমৰ দুয়োখন বিশ্ববিদ্যালয়তে আঞ্চলিক ভাষা শিক্ষাৰ মাধ্যম কৰিবৰ বাবে কাৰ্য্যকৰী ব্যৱস্থা লবলৈ অনুৰোধ জনায় আৰু এই ক্ষেত্ৰত পাঠ্যপুথি আৰু প্ৰয়োজনীয় কিতাপপত্ৰ অসমীয়া ভাষাত প্ৰকাশ কৰা সম্পৰ্কে থৰটকীয়া ব্যৱস্থা হাতত লবলৈ বিশ্ববিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনায়।

১১। নিয়মাৱলীৰ ৩য় ছেদ (৯) আৰু ৪থ ছেদ (১০) বিধি অনুযায়ী যথাক্ৰমে তলত নাম দিয়া শাখা সভাসমূহ আৰু আজীৱন সভ্যক স্বীকৃতি দিয়া হয় :—

১। পূব বিহালী শাখা সাহিত্য সভা, বেদেতী। ২। বৰভাগ সাহিত্য সভা, কালাগ। ৩। বনমাজা সাহিত্য সভা, বুঢ়া। ৪। বিলাসীপাৰা সাহিত্য সভা, বিলাসীপাৰা। ৫। বংৰী সাহিত্য সভা, বহৰী। ৬। কাকজান সাহিত্য সভা, কাকজান।

আজীৱন সভ্য—শ্ৰীশৰৎ কুমাৰ দত্ত, বাৰ এট-ল, গুৱাহাটী।

১২। চন্দ্ৰকান্ত অভিধানৰ অগ্ৰগতি সম্পৰ্কে অভিধানৰ মুখ্য সম্পাদক ড: নেওগে জনায়। ড: গোলোক গোস্বামী সহকাৰী সম্পাদক হিচাবে কাৰ্য্যনিৰ্বাহ কৰিবলৈ অপৰাগ বুলি জনাই পদত্যাগ পত্ৰ দিয়াত সমিতিয়ে উক্ত পদত্যাগপত্ৰ গ্ৰহণ কৰে, আৰু ড: উপেন্দ্ৰনাথ গোস্বামীক সদ্যহতে একমাত্ৰ সহকাৰী সম্পাদকৰূপে কাম কৰিবলৈ সমিতিয়ে অনুৰোধ কৰে।

১৩। কাছাৰৰ প্ৰতিনিধি শ্ৰীকুমাৰ মেধিয়ে শিলচৰৰ তৰুণৰাম ফুকন অসমীয়া স্কুলৰ বিষয়ে কয়। উক্ত স্কুলৰ বাবে পৰিপূৰক মঞ্জুৰী দিবলৈ চৰকাৰক অনুৰোধ জনোৱা হয়। উক্ত স্কুলৰ বাবে ২৫০ টকাৰ এটি এককালীন মঞ্জুৰী দিবলৈ সমিতিয়ে স্থিৰ কৰে।

১৪। শ্ৰীনিৰদ চৌধুৰীৰ Continent of Circee সন্দৰ্ভত আলোচনা কৰা হয়। উক্ত বিবাদমান পুথিখনৰ প্ৰচাৰ বন্ধৰ বাবে ৰাজ্য চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হয়।

১৫। প্ৰধান সম্পাদকে জনায় যে ৩৫ তম তেজপুৰ সন্মিলনৰ বাবে কা: নি: সমিতিয়ে মনোনীত কৰা ৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত শাখা আৰু আদৰণী সমিতিৰ পৰা যথানিয়মে মতামত সংগৃহীত কৰা হৈছে। গতিকে ভোট গণনা কাৰ্য্য সম্পাদন কৰি নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিবলৈ অনুৰোধ কৰা হয়।



"উপ-সভাপতিয়ে এই কাৰ্য্যৰ বাবে সদস্য শ্ৰীহৰকান্ত দাসৰ ওপৰত দায়িত্ব অৰ্পণ কৰি কিছু সময়ৰ বাবে সভাস্থল এৰে। ভোটৰ হিচাপ হৈ যোৱাৰ পিছত পুনৰ উপ-সভাপতিয়ে আসন গ্ৰহণ কৰাত শ্ৰীহৰকান্ত দাসে ফল ঘোষণা কৰে যে— "শ্ৰীজ্ঞান নাথ বৰাই অধিক সমৰ্থন লাভ কৰাত ৩৫ তম তেজপুৰ অধিবেশনৰ সভাপতি হিচাপে শ্ৰীজ্ঞাননাথ বৰা ডাঙৰীয়াৰ নাম কাৰ্য্যনিৰ্বাহক সমিতিয়ে ঘোষণা কৰে।"

প্ৰধান সম্পাদকে—সভাপতি, উপ-সভাপতি আৰু নিৰ্বাচনৰ তত্ত্বাৱধায়ক শ্ৰীহৰকান্ত দাস প্ৰমুখ্যে সদৌজন সদস্যলৈ শলাগ লয়।

ৰাতি ১০-২০ মিনিটত অধিবেশনৰ সামৰণি পৰে।

গৃহীত

(স্বাঃ) শ্ৰীহৰিপ্ৰসাদ নেওগ
প্ৰধান সম্পাদক
১৬।৯।৬৭

(স্বাঃ) শ্ৰীনকুল চন্দ্ৰ ভূঞা
সভাপতি
১৬।৯।৬৭

## শতবাৰ্ষিকী উৎসৱ

# ৰজনীকান্ত বৰদলৈ

**সম্পাদকীয় প্ৰতিবেদন**

শ্ৰদ্ধেয় সভাপতি ডাঙৰীয়া আৰু সুধীবৃন্দ,

জোনাকী যুগৰ অগ্ৰণীয়া সাহিত্যৰ কৰ্ণধাৰসকলৰ এশবছৰ ইতিমধ্যে আৰম্ভ হৈ গৈছে। আধুনিক অসমীয়া সাহিত্যৰ যুগ সৃষ্টি কৰোঁতা এই বৰেণ্য কবি সাহিত্যিকসকলৰ ভিতৰত বেজবৰুৱা, চন্দ্ৰকুমাৰ, ৰজনীকান্ত বৰদলৈৰ শতবাৰ্ষিকী দিৱস নিচেই অলপ দিনৰ ব্যৱধানতে হোৱাত অসম সাহিত্য সভাই ১৯৬৭ আৰু ১৯৬৮ এই দুযোটা বছৰতে বিশেষ কাৰ্য্য-সূচী হাতত লব লগা হ'ল। সাহিত্যৰথী বেজবৰুৱা শতবাৰ্ষিকী উৎসৱৰ বাবে ১৯৬৪ চনতে ডিগবৈ সন্মিলনত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। বেজবৰুৱা শতবাৰ্ষিকী উৎসৱ উপলক্ষে যোৱা ৩-৩-৬৬ তাৰিখৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে এখনি কেন্দ্ৰীয় সমিতি গঠন কৰি উৎসৱৰ দায়িত্ব দিয়ে। সেই একেখন কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে ১৯৬৭ চনত হব লগা কবি চন্দ্ৰকুমাৰ আৰু ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ শতবাৰ্ষিকীপালন সম্পৰ্কেও সিদ্ধান্ত গ্ৰহণ কৰে আৰু দুয়োটা উৎসৱৰ বাবে এখন সমিতি কৰি দিয়ে। আৰু উক্ত সমিতিকে

দুয়োটা অনুষ্ঠানৰ আঁচনি যুগুত কৰিবলৈ ভাৰ দিয়ে। ১২-১১-৬৬ তাৰিখৰ কাৰ্যনিৰ্বাহক সমিতিৰ সিদ্ধান্ত অনুসৰি ৰজনীকান্ত বৰদলৈৰ স্মৃতিত এখনি স্মৃতিগ্ৰন্থ সংকলন আৰু সম্পাদনাৰ দায়িত্বভাৰ অৰ্পিত হয়— অধ্যাপক বীৰেন বৰকটকীৰ ওপৰত। ইয়াৰ উপৰিও ঔপন্যাসিক গৰাকীৰ আলোচনীত সিচৰিত হৈ থকা "খাম্বা পুইবীৰ আখ্যান" "বাধা কৰ্কিণী বণ" আৰু অধুনা দুষ্প্ৰাপ্য ভোলাই শৰ্মা আৰু লগতে তেনে ধৰণৰ ৰচনা আদি থাকিলে সংকলন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই কাৰ্যৰ বাবে অধ্যাপক হেমন্ত কুমাৰ শৰ্মাক দায়িত্ব দিয়া হয়। ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ আৰু "ৰজনীকান্ত বৰদলৈৰ ৰচনামালা" এই দুয়োখন গ্ৰন্থকে শতবাৰ্ষিকী উপলক্ষে প্ৰকাশ কৰিবলৈ পাই আমি আনন্দিত হৈছো।

যোৱা ৫।৫।৬৭ তাৰিখৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে ডিব্ৰুগড়তে ৰজনীকান্ত বৰদলৈ শতবাৰ্ষিকী কেন্দ্ৰীয় ভাৱে উদ্‌যাপন কৰাৰ বাবে স্থান নিৰূপন কৰে। কাৰণ এই ডিব্ৰুগড় চহৰতে ৺বৰদলৈ দেৱৰ আৱাস বৰ্ত্তমান আৰু এই ডিব্ৰুগড় চহৰতে বৰদলৈ দেৱে জীৱনৰ শেষৰ সময়ছোৱা অতিবাহিত কৰিছিল আৰু ১৯৪০ ৰ ২৫ মাৰ্চ্চ তাৰিখে ৺বৰদলৈ ডাঙৰীয়াই শুৱাহাটীত শেষ নিশ্বাস ত্যাগ কৰিছিল। এই উদ্দেশ্যে ডিব্ৰুগড়বাসী ৰাইজে শ্ৰীলক্ষ্মী প্ৰসাদ দত্তক সভাপতি আৰু অধ্যাপক তফজুল আলিক সম্পাদক স্বৰূপে লৈ এখনি অভ্যৰ্থনা সমিতি গঠন কৰে আৰু উক্ত সমিতিয়ে অনুষ্ঠানৰ সকলো দায়িত্ব মূৰ পাতি লয়।

ডিবৰুপৰীয়া ৰাইজৰ প্ৰচেষ্টাত এই অনুষ্ঠানৰ আয়োজন কৰিবলৈ পাই আমি আনন্দিত হৈছো আৰু ইয়াৰ বাবে অসম সাহিত্য সভাৰ হৈ অভ্যৰ্থনা সমিতিৰ শলাগ লৈছো।

অসম সাহিত্য সভাই শতবাৰ্ষিকী উৎসৱ বহল-ভাৱে আয়োজন কৰাৰ প্ৰচেষ্টা এয়েই প্ৰথম বুলিব লাগে। ইয়াৰ আগতে ১৯৫৯ চনৰ ১৬ জুন তাৰিখে প্ৰাতঃস্মৰণীয় আনন্দৰাম ঢেকিয়াল ফুকনৰ স্মৃতি শত-বাৰ্ষিকী পালন কৰা হৈছিল। এনে কৰি সাহিত্যাচাৰ্য মনীষীসকলৰ শতবাৰ্ষিকী উৎসৱ বিৰাট পৰিসৰত পালন কৰিবলৈ হলে ৰাইজৰ প্ৰচেষ্টাৰ লগতে চৰ-কাৰৰো সহযোগ নিতান্ত প্ৰয়োজন। সেয়েহে আমাৰ জাতীয় চৰকাৰৰ উদাৰ সাহায্য আৰু সহযোগ সদায়েই আমাৰ কাম্য।

ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ স্থান কেৱল অসমীয়া উপন্যাস সাহিত্যতেই সীমিত নহয়। বুৰঞ্জী-পিপাসু এইগৰাকী লোক আছিল চিন্তাশীল, তত্ত্বদৰ্শী আৰু জাতীয়তাবাদী চিন্তাধাৰাৰে পৰিপুষ্ট লেখক। অসম সাহিত্য সভাৰ ১৯২৫ চনৰ নগাওঁ অধিবেশনৰ তেখেত সভাপতি আছিল। তদুপৰি তেখেতে অসমৰ বহুতো জাতীয় আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগত নিবিড় ভাৱে সহযোগ ৰক্ষা কৰি অসমৰ জাতীয় জীৱনৰ লগত ঘনিষ্ঠ ভাৱে জড়িত হৈ পৰিছিল।

আজি অসম সাহিত্য সভাই কেন্দ্ৰীয়ভাৱে ডিব্ৰু-গড়ত এই অনুষ্ঠানৰ আয়োজন কৰাৰ উপৰিও সাহিত্য সভাৰ বিভিন্ন শাখা আৰু স্বীকৃত সভাই এই উৎসৱৰ আয়োজন কৰিছে আৰু সভাৰ আহ্বানক্ৰমে ৰাজ্যৰ শিক্ষা আৰু সাংস্কৃতিক মহলতো এই দিনটোত এই গৰাকী সাহিত্যক মনীষীক স্মৰণ কৰিছে। ডিব্ৰুগড়ত অভ্যৰ্থনা সমিতিৰ যোজনাত ৺বৰদলৈৰ এটি আৱক্ষ-মূৰ্ত্তি স্থাপিত হব। ডিব্ৰুগড় পৌৰসভাই নগৰৰ মাই আলিবাটৰ একাংশ ৺ৰজনীকান্ত বৰদলৈৰ নামেৰে নামকৰণ কৰাত আমি পৌৰসভা কৰ্তৃপক্ষক শলাগ লৈছো।

৺বৰদলৈৰ পৰিয়ালবৰ্গৰ পৰা আমি সকলো প্ৰকাৰে সহায় পাইছো। তদুপৰি শতবাৰ্ষিকী সম্পৰ্কত বিভিন্ন লেখক, বাতৰি কাকতসমূহৰ সম্পাদক আকাশ-বাণী, চৰকাৰৰ প্ৰচাৰকেন্দ্ৰ আৰু সুধী বহুজনৰ পৰা সহায়-সহযোগ লাভ কৰিবলৈ সক্ষম হৈছো এইবাবে অসম সাহিত্যসভাৰ হৈ সদৌলৈকে আদৰণি জনাইছো।

এই শতবাৰ্ষিকী উৎসৱ আৰু বিশেষ জাকজমকেৰে পাতিবৰ মানস কৰা হৈছিল যদিও, অনিবাৰ্য্য কাৰণত অনাড়ম্বৰ কাৰ্য্য-সূচীৰেই উৎসৱটি সম্পন্ন কৰিব লগা হল। ইয়াৰ বাবে দোষ-ত্ৰুটী হলেও সহৃদয় ৰাইজে যেন ক্ষমা কৰে।

শেষত প্ৰাতঃস্মৰণীয় ঔপন্যাসিক সম্ৰাট—এই গৰাকী বৰেণ্য সাহিত্যিকৰ পবিত্ৰ আত্মাৰ উদ্দেশ্যে শ্ৰদ্ধাঞ্জলি জনাই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**হৰিপ্ৰসাদ নেওগ**

## ॥ উৎসৱৰ বিৱৰণ ॥

**( ২৪ নবেম্বৰ, ১৯৬৭, ডিব্ৰুগড় )**

অসম সাহিত্য সভা আৰু ৺ৰজনীকান্ত বৰদলৈ জন্ম-শতবাৰ্ষিকী আদৰণি সমিতিৰ উদ্যোগত যোৱা ২৪ নবেম্বৰ তাৰিখে ডিব্ৰুগড়ত কেন্দ্ৰীয়ভাৱে আয়ো-জন কৰা উপন্যাসসম্ৰাট ৰজনীকান্ত বৰদলৈ দেৱৰ জন্ম শতবাৰ্ষিকী উৎসৱ অতি উলহমালহ আৰু গাম্ভীৰ্য্য-পূৰ্ণ ভাৱে সম্পন্ন হয়।

সেইদিনা পুৱা জিলা তথ্য আৰু জনসম্পৰ্ক বিভাগৰ দ্বাৰা আয়োজন কৰা পুৱা ৬ বজাৰ উক্ত অনুষ্ঠানত প্ৰবীণ শিক্ষাবিদ শ্ৰীমোহন চন্দ্ৰ বৰদলৈয়ে গীতা পাঠ, শ্ৰীমতী কৃষ্ণা বৰদলৈয়ে বৰগীত পৰিবেশন কৰাৰ উপৰিও অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগে ৺ৰজনীকান্ত বৰদলৈৰ বহুমুখী প্ৰতিভাৰ ওপৰত দিয়া এটি কথিকা প্ৰচাৰিত হয়।

পুৱা ৭-৩০ বজাত আটকধুনীয়াকৈ সজোৱা আমোলাপটি নাট্য মন্দিৰৰ চোহদত বিপুল জনতাৰ সমাবেশত অধ্যক্ষ ত্ৰৈলোক্য নাথ গোস্বামীয়ে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰি কয় "আজিৰ পৰা এশ বছৰৰ আগতে অসমৰ সাহিত্য আকাশত সাহিত্যসাধক ৰজনীকান্তই ভাস্বত সূৰ্য্যৰ দৰে উদয় হৈ অশেষ কষ্টৰ মাজেদি জীৱন যুদ্ধত জয়ী হৈ একনিষ্ঠ ভাৱে মাতৃভাষা আৰু মাতৃভূমিক সেৱা কৰি গৈছে।

পতাকা উত্তোলনৰ পিছত ৮ বজাৰ পৰা ৮-৩০ বজালৈকে ৺বৰদলৈ দেৱৰ পবিত্ৰ স্মৃতিত অসম সাহিত্য সভা, আদৰণি সমিতি, ডিব্ৰুগড় সাহিত্য সভা, লক্ষীম-পুৰ জিলা সাংবাদিক সন্থা, ডিব্ৰুগড় নাগৰিক সঙ্ঘ জিলা সমিতি, ডি, এ, পি ছ চাইটি, ৰূপজ্যোতি সঙ্ঘ, বিভিন্ন অনুষ্ঠান, শিক্ষক সন্থা, নাজিৰা সাহিত্য সভা জিলা সাহিত্য পৰিষদ, আদি ভালেমান কৃষ্টিমূলক অনুষ্ঠান আৰু বিভিন্ন ব্যক্তিয়ে পুষ্পমাল্য প্ৰদান কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ডিব্ৰুগড় সঙ্গীত বিদ্যালয়ৰ শিল্পীসকলে পৰিবেশন কৰা সাহিত্যৰথী বেজবৰুৱা দেৱৰ—

আমি অসমীয়া নহওঁ দুখীয়া গীতেৰে পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ অনুষ্ঠান আৰম্ভ হয়।

পুৱা ৯ বজাত সুসজ্জিত ট্ৰেইলৰত ৺বৰদলৈ দেৱৰ প্ৰতিচ্ছবিৰ সহ শোভাযাত্ৰা আৰম্ভ হয়। ৺বৰদলৈ দেৱৰ জোৱায়েক শ্ৰীসুৰেন্দ্ৰ নাথ বৰদলৈদেৱে চিত্ৰন কৰা ৺বৰদলৈ দেৱৰ চাৰিফুট ওখ ছবিখনিৰ চাৰিও-কালে নগৰৰ বিশিষ্ট মহিলাসকলে নাম-প্ৰসঙ্গ কৰি যায় আৰু বেলৰে বঙ্গী উচ্চ মাধ্যমিক বিদ্যালয়ৰ জাতীয় শিক্ষাৰ্থী বাহিনী, স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু ৰাইজে পিছে পিছে সমদল যাত্ৰা কৰি যায়।

আমোলাপট্টি নাট্য মন্দিৰৰ পৰা আৰম্ভ হোৱা যাত্ৰা আহি জৰ্জ্জ ইন্সটিটিউচনৰ ওচৰৰ পুলিচ পইণ্ট পোৱাৰ লগে লগেই সেই ঠাইৰ পৰা আৰম্ভ হোৱা ৰজনীকান্ত বৰদলৈ পথটি শ শ উৎকণ্ঠিত ৰাইজৰ উপ-স্থিতিত অধ্যক্ষ শ্ৰীত্ৰৈলোক্য গোস্বামীয়ে বঙা ফিটা কাটি মুকলি কৰে। আইসকলে মাঙ্গলিক উৰুলি দিয়ে আৰু উপস্থিত জনতাই "জয় ৰজনীকান্তৰ জয়" "অসম সাহিত্য সভাৰ জয়" আৰু "জয় চিৰ চেনেহী ভাষা জননীৰ জয়" ধ্বনি দিয়ে। আদৰণি সমিতিৰ অনুৰোধ ক্ৰমে ডিব্ৰুগড়বাসী ৰাইজে আৰু ডিব্ৰুগড় পৌৰসভাই জৰ্জ্জ ইন্সষ্টিটিউচন পুলিচ পইণ্টৰ পৰা খেমকা মাৰ্কেট-লৈকে সমগ্ৰ পথচো উপন্যাস সম্ৰাট বৰদলৈ দেৱৰ পবিত্ৰ স্মৃতি ধুগমীয়া কৰিবৰ উদ্দেশ্যে ভক্তি আৰু শ্ৰদ্ধাৰে "ৰজনীকান্ত বৰদলৈ পথ" নামেৰে নামকৰণ কৰে।

**প্ৰাৰ্থনা সভা**

পুৱা ৯-৩০ বজাৰ পৰা ৺বৰদলৈ দেৱৰ চিদিং-চাপৰি বাস ভৱনত এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশৰ মাজত

অনুষ্ঠিত হোৱা প্ৰাৰ্থনা সভাত শ্ৰীগণেশ বিহাৰী শৰ্ম্মা, শাস্ত্ৰীয়ে গীতা পাঠ কৰে; শ্ৰীমতী প্ৰিয়বালা কাকতিয়ে বৰগীত আৰু ডিব্ৰুগড় মহিলা সমিতিৰ শ্ৰীমতী সুমিত্ৰা বৰকাকতি আৰু শ্ৰীমতী জ্ঞানদালতা দুৱৰাৰ পৰিচালনাত নাম-প্ৰসঙ্গ পৰিবেশন কৰা হয়। ৺বৰদলৈ দেৱৰ কনিষ্ঠপুত্ৰ শ্ৰীদেৱকান্ত বৰুদলৈয়ে সকলোলোকৰে কৃতজ্ঞতা জ্ঞাপন কৰে।

দিনৰ ১-৩০ বজাত আমোলাপট্টি নাট্য মন্দিৰত অনুষ্ঠিত হোৱা মুকলি অধিবেশনত অধ্যক্ষ শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীয়ে সভাপতিত্ব কৰে আৰু সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীমতী পদ্মা কুমাৰী গোহাঁয়ে উদ্বোধন কৰে।

আদৰণি সমিতিৰ সভাপতি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰেক্টৰ শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তই প্ৰতিনিধিবৰ্গ আৰু উপস্থিত ৰাইজক আদৰণি জনায়।

আদৰণি সমিতিৰ সহকাৰী সম্পাদক শ্ৰীহেৰম্ব বৰদলৈয়ে ৺বৰদলৈ দেৱৰ শতবাৰ্ষিকী উৎসৱৰ সফলতা কামনা কৰি ৰাষ্ট্ৰপতি ডঃ জা.কৰ হুছেইন, উপ-ৰাষ্ট্ৰপ.ত ভি, ভি .গ.ৰ মুলকৰাজ আনন্দ, কে, এম, মু.ঞ, ৰাজ্যপাল শ্ৰীবিষ্ণু সাহায়, মুখ্য মন্ত্ৰী বিমলা প্ৰসাদ চ.লহা শিক্ষামন্ত্ৰী শ্ৰীজয়ভদ্ৰ হাগজেৰ, অসম আৰু নগালেণ্ডৰ উচ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ শ্ৰীএছ, কে, নাইডু; বিনন্দ চন্দ্ৰ বৰুৱা; পদ্মধৰ চ.লহা, যোগানমন্ত্ৰী শ্ৰীৰমেশ চন্দ্ৰ বৰুৱা, ডক্টৰ মহেশ্বৰ নেওগ আদিৰ বিশিষ্ট ব্যক্তিসকলে পঠোৱা বাণীসমূহ পাঠ কৰে। ইয়াৰ পিছতে প্ৰধান সম্পাদক আৰু কেন্দ্ৰীয় উৎসৱ সমিতিৰ সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগে এটি প্ৰতিবেদন পাঠ কৰে।

নিৰ্দ্দিষ্ট বক্তা অধ্যাপক আব্দুল মালিক, ডক্টৰ সত্যেন্দ্ৰনাৰায়ণ গোস্বামীৰ উপৰিও বিশিষ্ট অতিথি বাগ্মীকবি শ্ৰীনীলমণি ফুকনে বৰদলৈ দেৱৰ বহুমুখী প্ৰতিভাৰ ওপৰত একোটি সাৰগৰ্ভ আলোচনা দাঙি ধৰে।

শ্ৰীমতী মালবিকা চাংকাকতিয়ে পদ্মশ্ৰী নলিনী দেবীয়ে ৺ৰজনীকান্ত বৰদলৈ দেৱৰ ওপৰত লিখা এটি কবিতা আবৃত্তি কৰে।

ডিব্ৰুগড় সঙ্গীত বিদ্যালয়ৰ শিল্পীবৃন্দই শ্ৰীনিৰ্ম্মল চক্ৰবৰ্ত্তীৰ পৰিচালনাত শ্ৰীনবীন চন্দ্ৰ বৰদলৈৰ দ্বাৰা ৺বৰদলৈ দেৱৰ প্ৰতিভাৰ ওপৰত ৰচিত নামৰ গীত, শ্ৰীঅনন্ত ভট্টাচাৰ্য্যই এটি ভজন, চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ ছাত্ৰীসকলে 'চিৰ-চেনেহী মোৰ ভাষা জননী'' গীত পৰিবেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

অনুষ্ঠানৰ শেষত আদৰণি সমিতিৰ সাধাৰণ সম্পাদক অধ্যাপক তফজ্জুল আলিয়ে অনুষ্ঠানত সহযোগিতা কৰা সদৌলোককে কৃতজ্ঞতাৰ শৰাই আগবঢ়ায়। অসম সাহিত্যসভাৰ হৈ অভ্যাগত সকলৰ তৰফৰপৰা সহকাৰী সম্পাদক শ্ৰীনন্দ তালুকদাৰে আদৰণি সমিতিৰ শলাগ লয়।

শেষত অ' মোৰ আপোনাৰ দেশৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

সন্ধিয়া ৰংঘৰ চিনেমাৰ সৌজন্যত ৺বৰদলৈদেৱৰ 'মনোমতী' কথাছবি জৰ্জ্জস্কুলৰ পথাৰত মুকলি ভাৱে প্ৰদৰ্শন কৰা হয়।

(টোকা : হেৰম্ব বৰদলৈ)

# চন্দ্ৰকুমাৰ আগৰৱালা

## সম্পাদকীয় প্ৰতিবেদন

শ্ৰদ্ধেয় সভাপতি ডাঙৰীয়া আৰু সুধীবাইজ,

চন্দ্ৰকুমাৰ আগৰৱালা—যিজন অসমীয়া সাহিত্যত প্ৰতিমাৰ খনিকৰ বুলি পৰিচিত সেইজনা কবি, সাহিত্যিক, সাংবাদিক আৰু নিৰৱ দেশকৰ্ম্মীৰ স্মৃতি শতবাৰ্ষিকী উপলক্ষে ভয়ে ভয়ে সেই পুণ্যাত্মাৰ উদ্দেশ্যে শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

১৮৬৭ চনৰ ২৮ নৱেম্বৰ তাৰিখে তেজপুৰৰ কলংপুৰত জন্মগ্ৰহণ কৰা এই সৰ্বাকী কবি মনীষীৰ আজি এশ বছৰ সম্পূৰ্ণ হৈছে। অসম সাহিত্য সভাই এইজনা কবিৰ শতবাৰ্ষিকী পালনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰি সভাৰ ৩।৩।৬৬ তাৰিখৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিত এখনি উপ-সমিতি পাতি আঁচনি আদি যুগুত কৰাৰ ভাৰ দিয়ে। অসম সাহিত্য সভাৰ সভাপতিয়েই এই সমিতিৰ সভাপতি হয়। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰি অধ্যাপক শশী শৰ্ম্মাক ইয়াৰ সম্পাদনাৰ ভাৰ দিয়ে। শতবাৰ্ষিকী উপলক্ষে এই স্মৃতি-গ্ৰন্থ ''চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা'' খনি প্ৰকাশ কৰি ৰাইজৰ হাতত দিবলৈ পাই নিজকে কৃতাৰ্থ মানিছোঁ।

৺চন্দ্ৰকুমাৰ আগৰৱালা শতবাৰ্ষিকী উৎসৱৰ আয়োজন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগে লগে দেশবাসীৰ পৰা সহযোগ লাভ কৰিবলৈ সক্ষম হওঁ। এই ক্ষেত্ৰত চন্দ্ৰকুমাৰ আগৰৱালাৰ নিউ প্ৰেছ, আসাম প্ৰিণ্টাৰ্চ এণ্ড পাব্লিচাৰ্ছ, জ্যোতি সৌৰৱণী সম্বাৰ পৰা পোৱা সহযোগিতাৰ কথা ভয়ে ভয়ে উল্লেখ কৰিব লাগিব।

কবিজনাৰ দুখন কবিতা পুথি 'প্ৰতিমা' আৰু বীণবৰাগীৰ লগতে অ'ত ত'ত সোমাই থকা কেইটাও কবিতা সংকলন কৰি একেলগে খুপাই 'চন্দ্ৰামৃত' নামেৰে গ্ৰন্থৰ সম্পাদন কৰা হয়। এই গ্ৰন্থখন আসাম প্ৰিণ্টাৰ্চ এণ্ড পাব্লিচাৰ্ছ প্ৰকাশ কৰিছে। সাহিত্য সভাৰ ৫।৫।৬৭ তাৰিখৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সিদ্ধান্তক্ৰমে এই পুথিখনৰ সম্পাদনাৰ দায়িত্ব অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাক দিয়া হয়। অধ্যাপক হাজৰিক ডাঙৰীয়াই ''চন্দ্ৰামৃত'' সম্পাদনাৰ উপৰিও অসম সাহিত্য সভাৰ হৈ আগৰৱালা পৰিয়ালৰ লগত যোগাযোগ কৰি হাতে লিখা অৱস্থাত থকা দুখন পুথি প্ৰকাশৰ বাবে উদ্যোগ কৰে। সেই পুথি দুখনি হ'ল 'হৰিবিলাস আগৰৱালাৰ আত্মজীৱনী'' আৰু জ্যোতি প্ৰসাদ আগৰৱালাই লিখা ''চন্দ্ৰকুমাৰ আগৰৱালাৰ জীৱনী'' প্ৰথমখন অসম প্ৰিণ্টাৰ্চ আৰু পিচৰখন জ্যোতি সৌৰৱণী সম্বাই প্ৰকাশ কৰিছে। আগৰৱালা শতবাৰ্ষিকী উপলক্ষে এই মূল্যবান গ্ৰন্থসমূহ প্ৰকাশ কৰাৰ বাবে আমি সংশ্লিষ্ট অনুষ্ঠানসমূহক অভিনন্দন জনাইছোঁ।

নকলেও হ'ব যে এই সকলো প্ৰচেষ্টাৰ গুৰিতে হ'ল কবিজনাৰ সুযোগ্য পুত্ৰ শ্ৰীতৰুণ আগৰৱালাৰ আন্তৰিক সহযোগিতা। তেখেতে ইয়াৰ উপৰিও চন্দ্ৰকুমাৰ আগৰৱালাৰ এটি আৱক্ষমূৰ্ত্তি অসম সাহিত্য সভাক দান দি উপযুক্ত পিতৃৰ উপযুক্ত সন্তানৰ পৰিচয় দিছে।

যোৱা ৫।৫।৬৭ তাৰিখৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে কেন্দ্ৰীয়ভাৱে চন্দ্ৰকুমাৰ আগৰৱালাৰ শতবাৰ্ষিকী উৎসৱৰ স্থান নিৰূপণ কৰে, কবিজনাৰ শেষ জীৱনৰ কৰ্ম্মস্থান আৰু মৃত্যুস্থান গুৱাহাটী নগৰত। এই উদ্দেশ্যে অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাক সভাপতি আৰু অধ্যাপক হেমন্ত কুমাৰ শৰ্ম্মাক সম্পাদক স্বৰূপে লৈ এখনি সমিতি গঠন কৰা হয়। এই সমিতিৰ তত্ত্বাৱধানতেই আৱক্ষমূৰ্ত্তি স্থাপন, প্ৰদৰ্শনী, আলোচনাচক্ৰ আদি আয়োজনেৰে ২৮ আৰু ২৯ নৱেম্বৰ এই দুয়ো দিনেই কাৰ্য্য-সূচী হাতত লবলৈ সক্ষম হব পৰা হৈছে। ইয়াৰ বাবে গুৱাহাটীৰ স্থানীয় শাখা সভাসমূহ তথা সদৌ ৰাইজলৈ সাহিত্য সভাৰ হৈ কৃতজ্ঞতা জনাইছোঁ।

কবি চন্দ্ৰকুমাৰ আছিল অসমীয়া নৱন্যাস আন্দোলনৰ অন্যতম গুৰি ধৰোতা। কুৰি শতিকাৰ প্ৰথম তিনিটা দশকত চন্দ্ৰকুমাৰৰ প্ৰতিভাই অসমীয়া সাহিত্য জগততেই নহয়, জাতীয় জীৱনতো পোহৰ পেলায়। জোনাকীৰ সম্পাদনাৰে সেই যুগৰ শুভ উদ্বোধন কৰি আগৰৱালাই আধুনিক অসমীয়া সাহিত্যৰ বুনিয়াদ ৰচনা কৰিলে। তাৰপৰা জাতীয়তাবাদী আদৰ্শত উদ্বুদ্ধ হৈ কবিজনাই আজীৱন সংবাদ সাহিত্যৰ মাজেদি দেশ-জননীক সেৱা কৰিলে। বেজবৰুৱাৰ বাঁহীৰ পুনৰজ্জীৱন দিয়া আৰু অসমীয়া ৰাতৰি কাকত প্ৰতিষ্ঠা, নিউ প্ৰেছ প্ৰতিষ্ঠাৰ মাজেদি নিৰৱে আনুজ দেশক সেৱা কৰাৰ মানসেই আছিল চন্দ্ৰকুমাৰৰ। তেজপুৰৰ' পুৰণি ঐতিহ্যসম্পন্ন চন্দ্ৰকুমাৰৰ সেই আৱাসগৃহ ''পৰ্ণীত' মহাত্মা গান্ধী, পণ্ডিত মালব্য, পেটেল, নেহৰু, চৌকত আলি আদি মহান নেতাসকলৰ আগমনিয়ে আগৰৱালাৰ ভাৰতীয় জাতীয় আন্দোলনত নীৰৱে কিমান প্ৰভাৱ আছিল এই কথাৰ প্ৰমাণ দিয়ে।

এই আগৰৱালা পৰিয়ালৰ আদৰ্শ আৰু অসমীয়া সাহিত্য সংস্কৃতিলৈ দিয়া মহান দানৰ জোখাৰে চন্দ্ৰকুমাৰৰ শতবাৰ্ষিকীৰ হয়তো ব্যাপক প্ৰস্তুতি হ'ব লাগিছিল। তথাপি আমি তেখেতৰ পবিত্ৰ শতবাৰ্ষিকী জন্মদিনত আন্তৰিক শ্ৰদ্ধাঞ্জলি মাত্ৰ অসম সাহিত্য সভাৰ হৈ নিবেদন কৰিছোঁ। আজি অসমৰ সকলো সাহিত্য আৰু শিক্ষা আৰু সাংস্কৃতিক অনুষ্ঠানে এই দিৱস পালনত অসম সাহিত্য সভাৰ আহ্বানত সঁহাৰি দিছে। এইয়া নিশ্চয় শুভ লক্ষণ।

এই বছৰ জোনাকী যুগৰ কবি সাহিত্যিক সকলৰ ভিতৰত আগৰৱালাৰ লগতে যোৱা ২৪ নবেম্বৰ আৰিপে ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ শতবৰ্ষিকীও উদ্‌যাপিত হৈ গৈছে। অহাবছৰ চন্দ্ৰকুমাৰৰ অভিন্নহৃদয় বেজবৰুৱাৰ শতবাৰ্ষিকীও উদযাপিত হ'ব। সাহিত্য সভাত প্ৰকৃততে শতবাৰ্ষিকী উৎসৱৰ আৰম্ভণিহে হৈছে। আমি আশা কৰিছোঁ ৰাইজ আৰু জাতীয় চৰকাৰৰ সাদৰ সহযোগত অসম সাহিত্য সভাই প্ৰতিটো উৎসৱ সমাৰোহেৰে আৰু বিশেষ কাৰ্য্যকৰী আঁচনিৰে সম্পন্ন কৰি তুলিবলৈ সক্ষম হ'ব।

শেষত প্ৰাতঃস্মৰণীয় এইগৰাকী কবিৰ উদ্দেশ্যে পুনৰ শ্ৰদ্ধা-তৰ্পণ যাচি আৰু এই উৎসৱত সহযোগ কৰা সদৌজন চিৰচেনেহী ভাষাজনীৰ সেৱকলৈ ওলগ জনাই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**হৰিপ্ৰসাদ নেওগ**

## ॥ উৎসৱৰ বিৱৰণ ॥

জোনাকী যুগৰ অন্যতম কৰ্ণধাৰ 'প্ৰতিমা'ৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালা ডাঙৰীয়াৰ জন্ম-শতবাৰ্ষিকী উপলক্ষে অসম সাহিত্য সভা আৰু গুৱাহাটী জন্ম-শতবাৰ্ষিকী উৎসৱ সমিতিৰ উদ্যোগত ২৮ নবেম্বৰ '৬৭ মঙ্গলবাৰে ৰাতিপুৱা ৮ বজাত ভগৱতী প্ৰসাদ বৰুৱা ভৱন প্ৰাঙ্গনত উৎসৱৰ কাৰ্য্যসূচী আৰম্ভ কৰা হয়। 'অসমা সুষমা কামৰূপা, জয়তু জননী ধৰিত্ৰী ছহিতা' গীতৰ পাছত সাহিত্য সভাৰ উপ-সভাপতি ডক্টৰ মহেশ্বৰ নেওগে সাহিত্য সভাৰ পতাকা উত্তোলন কৰে। তাৰ পিছত উৎসৱ সমিতিৰ সম্পাদক শ্ৰীহেমন্ত কুমাৰ শৰ্মাই সমবেত জনতাক আগৰৱালাৰ পুণ্য স্মৃতিত আৰু স্বৰ্গগত সাহিত্যিক সকলক শ্ৰদ্ধাঞ্জলি জনাই পুষ্পাঞ্জলি অৰ্পণ কৰিবলৈ আহ্বান জনায়।

পুষ্পাঞ্জলি অৰ্পণৰ পিছত শ্ৰীযোগেশ দাসৰ আহ্বানক্ৰমে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাই এটি চমু ভাষণেৰে প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে। জোনাকী যুগৰ কবি সাহিত্যিক সকলৰ আলোক চিত্ৰৰ উপৰিও জোনাকী, বাঁহী আদি ভালেমান আলোচনী আৰু কিতাপ আদিয়ে প্ৰদৰ্শনী আকৰ্ষণীয় কৰি তোলে।

৯-৩০ বজাত এটি সমদলেৰে চন্দ্ৰকুমাৰ আগৰৱালাৰ আৱক্ষমূৰ্তি উন্মোচন কৰিবলৈ শুক্লেশ্বৰ ঘাটলৈ যাত্ৰা কৰা হয়। অধ্যক্ষ শ্ৰীবিপিন গোস্বামীৰ পৰিচালনাত বিবিধ মাঙ্গলিক অনুষ্ঠানেৰে বুঢ়া লুইতৰ পাৰৰ শুক্লেশ্বৰ ঘাট উদ্যানত ১০ বজাত শ্ৰীমতী দময়ন্তী আগৰৱালাই মূৰ্তি উন্মোচন কৰে।

আবেলি ৪ বজাত স্থানীয় জিলা পুথিভঁৰালত শ্ৰীলক্ষ্মীনাথ ফুকন দেৱৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। অসমা সুষমা গীতেৰে (কটন কলেজৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা) সভাৰ কাম আৰম্ভ কৰা হয়। অসম সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সভাপতি শ্ৰীজ্ঞাননাথ বৰাই সভা উদ্বোধন কৰে। আদৰণি ভাষণ পাঠ কৰাৰ পিছত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীহৰি প্ৰসাদ নেওগে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। সভাত মুখ্য অতিথিৰ আসন অলংকৃত কৰে বাগ্মীবৰ শ্ৰীনীলমণি ফুকনদেৱে। নিৰ্দিষ্ট বক্তা শ্ৰীহৰেন্দ্ৰনাথ বৰুৱাৰ ভাষণৰ উপৰিও শ্ৰীকমলেশ্বৰ চলিহা, ডক্টৰ মহেশ্বৰ নেওগ আৰু শ্ৰীজগত চন্দ্ৰ বেজে একোটিকৈ স্বৰচিত কবিতা আবৃত্তি কৰে। মুকলি সভাত শ্ৰীশশী শৰ্মা সম্পাদিত 'চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা' আৰু উৎসৱ সমিতিৰ তৰফৰ পৰা শ্ৰীনন্দ তালুকদাৰ সম্পাদিত 'চন্দ্ৰস্মৃতি' গ্ৰন্থ দুখনি উন্মোচন কৰা হয়। উৎসৱ সমিতিয়ে আয়োজন কৰা ৰচনা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয়।

সন্ধিয়া অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্য্যালয় ভগৱতী প্ৰসাদ বৰুৱা ভৱন আৰু চন্দ্ৰকুমাৰৰ কৰ্মস্থান নিউ প্ৰেছত বিজুলী বন্তীৰে আলোকিত কৰা হয়। সন্ধিয়া নিউ প্ৰেছত নাম প্ৰসঙ্গই উৎসৱৰ গাম্ভীৰ্য্য বঢ়ায়।

উৎসৱৰ দ্বিতীয় দিনা ২৯ নবেম্বৰৰ কাৰ্য্যসূচীৰ প্ৰধান আকৰ্ষণ চন্দ্ৰকুমাৰৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰিবলৈ আয়োজিত আলোচনা চক্ৰ। দিনৰ ১০ বজাৰ পৰা প্ৰদৰ্শনী মুকলি কৰা হয়। আবেলি ৩ বজাত স্থানীয় জিলা পুথিভঁৰালত আলোচনাচক্ৰ আৰম্ভ হয় আৰু সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি অধ্যক্ষ শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীয়ে। ডঃ হৰিশচন্দ্ৰ ভট্টাচাৰ্য্যৰ আহ্বান ক্ৰমে আলোচনাত অধ্যাপিকা শ্ৰীনিৰ্মল প্ৰভা বৰদলৈ, শ্ৰীপ্ৰতাপ তালুকদাৰ, শ্ৰীচন্দ্ৰ প্ৰসাদ শইকীয়া আৰু ডঃ কিৰণ চন্দ্ৰ শৰ্ম্মাদেৱে অংশ গ্ৰহণ কৰি প্ৰত্যেকে একোটাকৈ সাৰুৱা বক্তৃতা দিয়ে।

সভাপতিৰ আসনৰপৰা অধ্যক্ষ শ্ৰীগোস্বামীয়ে কয় যে ৰোমাণ্টিক কবিসকলে জীৱনৰ মানৰ পিনে চকু দিছিল; বেদ-বেদান্তৰ প্ৰভাৱো পৰিছে। তেখেতে কয় "চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ যি ভাব সি হৈছে তেওঁৰ অন্তৰৰ প্ৰেৰণাৰ ভাৱ; কেৱলমাত্ৰ পাশ্চাত্য ৰোমাণ্টিক কবিতাৰ ভাব কেতিয়াও নহয়। সচৰাচৰ জগতৰ সকলো প্ৰাণীৰ ভিতৰত মানুহকেই শ্ৰেষ্ঠ স্থান দিয়াৰ ক্ষেত্ৰত সাধাৰণ সমালোচকৰ দৃষ্টিত চন্দ্ৰকুমাৰৰ ওপৰত ডাৰউইনৰ প্ৰভাৱ পৰিব পাৰে বুলি ধাৰণা হয়তো অহাৰ সম্ভাৱনা থাকিব পাৰে বুলি ভাৰতীয় দৃষ্টিকোণৰ ফালৰপৰা ইয়াৰ নিজস্বতা বিশ্লেষণ কৰি প্ৰাচ্য আধ্যাত্মিকবাদ বা ক্লাচিজিমহে যে চন্দ্ৰকুমাৰ কবিৰ মূল সত্ত্বা সেই কথা যুক্তিৰে উপস্থাপন কৰে। তেখেতে লগতে কয় যে পুৰণি ভাবকে নতুন পৰিবেশত সৃষ্টি কৰি তাক সুষমা-মণ্ডিত কৰি তুলিব পৰাটোতেই চন্দ্ৰকুমাৰৰ সৃষ্টিৰ সাৰ্থকতা।

সন্ধিয়া ৬-৩০ বজাত স্থানীয় জিলা পুথিভঁৰালত অনুষ্ঠিত সাংস্কৃতিক সভা উদ্বোধন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীবেণুধৰ শৰ্ম্মাই। অনুষ্ঠান উপলক্ষে শ্ৰীপুৰুষোত্তম দাসে ৰচনা কৰা 'জোনাকী যুগৰ ৰূপ মনোহৰ' শীৰ্ষক গীত এটি শ্ৰীমুকুল বৰুৱাৰ পৰিচালনাত পৰিবেশন কৰা হয়। শ্ৰীমহেন্দ্ৰ নাথ ডেকা ফুকনে এটি স্বৰচিত কবিতা আবৃত্তি কৰে। বিভিন্ন শিল্পীৰ গীত-নৃত্য আদি সাংস্কৃতিক অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল। সাংস্কৃতিক অনুষ্ঠানৰ শেষত শ্ৰীফণী তালুকদাৰে শলাগৰ শৰাই আগবঢ়াই।

(টোকা— নন্দ তালুকদাৰ)

# সম্পাদকৰ দু-আষাৰ

**॥ সাহিত্য সভাৰ পঞ্চাশ বছৰ ॥**

চিৰ চেনেহী ভাষা জননীৰ প্ৰতীক বহণ কৰি অসম আৰু অসমীয়াৰ জীৱন-প্ৰৱাহৰ নানা পৰিবেশৰ মাজেদি আগবাঢ়ি আহি অসম সাহিত্য সভাই আজি পঞ্চাশ বছৰ পূৰ্ণ কৰিছে। এই সুদীৰ্ঘ কালছোৱাত সাহিত্য সভাৰ ওপৰেদি ভালেমান ধুমুহা-চেৰেকনি পাৰ হৈ গৈছে। অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰসাৰ সাধনেই সাহিত্য সভাৰ প্ৰধান উদ্দেশ্য। সময়ে যেতিয়াই ইয়াৰ ওপৰত বহিৰাগত স্বাৰ্থান্বেষী-সকল। আক্ৰোহ দৃষ্টি পৰিছে তেতিয়াই সভাই গৰজি উঠিছে—বিষধৰ সৰ্পৰ দৰে ফেট তুলি থিয় দিছে। অসমৰ পৰ্বত-ভৈয়াম, জাতি-উপজাতি আদিৰ সমন্বয়ত অসম সংস্কৃতি সমৃদ্ধ, মহিমামণ্ডিত। তাক সংৰক্ষণ কৰিবলৈ আদিৰে পৰা সংকল্প লৈ সুপৰিকল্পিতভাৱে কৰ্মক্ষেত্ৰত ব্ৰতী হোৱা একমাত্ৰ অৰাজনৈতিক অনুষ্ঠানটোৱেই হ'ল অসম সাহিত্য সভা। সেয়েহে অসম সাহিত্য সভাই আজি অসমৰ গৰিমামণ্ডিত সাংস্কৃতিক প্ৰকাশ আৰু সমন্বয়ৰ শৈলসেতুৰূপে খ্যাতি লাভ কৰিব পাৰিছে।

সাহিত্য সভাই কেৱল সাহিত্যসেৱী আৰু সাহিত্য প্ৰেমীসকলৰে একছেতীয়া অনুষ্ঠান নহয়, অসমৰ জাতীয় জীৱনৰ সুখ-দুখ, আশা-আকাঙ্খাৰ লগত এই অনুষ্ঠানটো বিশেষভাৱে জৰিত। তাৰ কাৰণে প্ৰয়োজন অনুসৰি সময়ত কেতিয়াবা সাহিত্য সভাই ৰাজনৈতিক চাতুৰীৰ মাজতো সোমাবলৈ বাধ্য হৈছে ; সেইবুলি ৰাজনৈতিক দলীয় আদৰ্শই এই অনুষ্ঠানটোক নিষ্প্ৰভ কৰিব পৰা নাই। বৰং বহু সময়ত সি অধিক উজ্জ্বলহে হৈ পৰিছে। সেইখিনিতে সভাৰ তৎপৰশীলতা আৰু আৱশ্যকতা মন কৰিবলগীয়া। সভাই সকলো সময়তে সাহিত্যিক তথা সাহিত্যপ্ৰেমী সমাজখনৰ মঙ্গলাৰ্থে অহোপুৰুষাৰ্থ কৰি আহিছে। স্থূল দৃষ্টিত সাহিত্য সভাৰ কোনো কোনো কাৰ্য্যত সন্দেহ ওপজে ; কিন্তু গভীৰভাৱে চিন্তা কৰিলে দেখা যাব যে ইয়াৰ কাৰ্য্য-আঁচনি আদি অতি গুৰুত্বপূৰ্ণ। অসমীয়া ভাষা ৰক্ষা কৰিবলৈ, অসমীয়া সাহিত্য প্ৰচাৰ কৰিবলৈ, অসমীয়া জাতিৰ মৰ্যাদা অটুট ৰাখিবলৈ, অসমৰ ধৰ্ম-কলা-সঙ্গীতক ৰক্ষা কৰিবলৈ সাহিত্য সভাৰ নিচিনা শক্তিশালী সাংস্কৃতিক সভাৰ নামত তীব্ৰ মন্তব্য কৰিব খোজে সিসকলৰ মতামতৰ যে বিশেষ মূল্য নাই সেই কথা সকলোৱে জানে। বছৰেকৰ মূৰত সাহিত্যপ্ৰেমীসকলৰ একোটা বিৰাট সমাৰোহ হয় আৰু তাৰ যোগেদি পৰস্পৰে কৰ্ম প্ৰেৰণা লাভ কৰে ; সাংস্কৃতিক জড়তা দূৰ কৰি জাতিক মহীয়ান কৰিবলৈ হলে এই পৰ্যায়ৰ অনুষ্ঠানৰ এনেকুৱা সমাৰোহৰ অতি আৱশ্যক।

সঁচা কথা, সাহিত্য সভাই প্ৰয়োজন অনুপাতে কাম কৰিব পৰা নাই। সেইবুলি যিখিনি কাম কৰিছে তাক অস্বীকাৰ কৰিবলৈ যোৱাটোও উচিত নহয়। জাতীয় চেতনা জগাই তুলি অসমীয়াক এটা শক্তিশালী জাতিৰূপে গঠন কৰাত সাহিত্য সভাৰ নিচিনা ভূমিকা লোৱা বা অৰিহণা যোগাব পৰা অসমত দ্বিতীয় এটা অনুষ্ঠান নাই। অসমীয়াৰ মন জয় কৰি জাতীয় ঐক্য আৰু সংহতিৰ বৰঘৰটো দৃঢ়কৈ বান্ধিবলৈ সাহিত্য সভাই হ'ল প্ৰশস্ত ক্ষেত্ৰ। যি কোনো সাংস্কৃতিক বিপৰ্য্যয়ৰ সময়ত ভাষা-ধৰ্ম-ৰাজনৈতিক দলীয় বিৰুদ্ধ মতবাদকো একেলগ কৰিবলৈ সমৰ্থ হৈছে কেৱল সাহিত্য সভাইহে। ৰাজনৈতিক গন্ধ নাই যদিও ৰাজনৈতিক অনুষ্ঠানতকৈ সভাৰ দায়িত্ব কম নহয়—সদৌ অসমৰ ৰাইজ আৰু অসমীয়া ভাষাৰ লগত সাহিত্য সভাৰ সম্পৰ্ক। সেয়েহে, অসমীয়া সমাজ আৰু জাতিয়ে কোনো সমস্যাৰ সন্মুখীন হলেই সাহিত্য সভাৰ মুখলৈ চায়। দেশৰ সকলোৰে হৃদয়ত প্ৰভাৱ পেলাব পৰা এনেহেন এটা শক্তিশালী অনুষ্ঠানক নানাভাৱে সহায়-সমৰ্থন কৰি সমৃদ্ধ কৰা প্ৰত্যেক অসমীয়াৰে কৰ্তব্য।

সাহিত্য সভাৰ পঞ্চাশ বছৰ পূৰ্ণ হোৱা আজিৰ এই সোণালী জয়ন্তী উৎসৱত সভাৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰোঁ। এই উপলক্ষে সভাই লোৱা আঁচনি সমূহ সফল হওক, সভা অধিক সক্ৰিয় আৰু শক্তিশালী হওক এয়ে আমাৰ কামনা।

**॥ শতবাৰ্ষিকী উৎসৱ পালন ॥**

অসমীয়া নৱন্যাস আন্দোলনৰ গুৰি ধৰোঁতা, 'জোনাকী' যুগৰ ত্ৰিমূৰ্ত্তিৰ অন্যতম যশস্বী কবি 'প্ৰতি… চন্দ্ৰকুমাৰ আগৰৱালা আৰু সেই কালৰে-আন এগৰাকী প্ৰখ্যাত সাহিত্যিক 'উপন্যাস-সম্ৰাট' ৺ৰজনীকান্ত বৰদলৈ দেৱৰ জন্ম শতবাৰ্ষিকী উৎসৱ পালন সাহিত্য সভাৰ কাৰণে এটা বিশেষ তাৎপৰ্য্যপূৰ্ণ কাম। সভাৰ সোণালী জয়ন্তী উৎসৱৰ আগমুহূৰ্তত জন্ম শতবাৰ্ষিকী উৎসৱ উপলক্ষে দুয়ো গৰাকী কৃতী সাহিত্যিকৰ ৰচনাৰাজিৰ পুনৰ্মূদ্ৰন উল্লেখযোগ্য কথা। ঢাক-ঢোল বজাই নানা আড়ম্বৰেৰে শতবাৰ্ষিকী উৎসৱ পালন কৰাৰ মাজত এনেকুৱা প্ৰকাশনিবলাক তাৰ স্থায়ী কীৰ্তি। সাহিত্য সভা তাৰ বাবে শলাগৰ পাত্ৰ।

**॥ শোক প্ৰকাশ ॥**

সাহিত্য সভাৰ কাৰণে বৰ্তমান বছৰটো এহাতে যিদৰে আনন্দপূৰ্ণ আনহাতে এইটো বছৰতে আমাৰ সাহিত্য কানন শোকৰ কুঁৱলীয়ে আৱৰি পেলোৱা টোৱো মন কৰিবলগীয়া কথা। এজন এজনকৈ তিনি গৰাকী খ্যাতিমান সৰ্বৰহী সাহিত্যিকে আমাৰ মাজৰ পৰা বিদায় ললে। সিসকলৰ ভিতৰত সাহিত্য-যোগী ৺দৈৱচন্দ্ৰ তালুকদাৰেই যেন পথৰ দুৱাৰ মুকলি কৰিলে। ৩ নবেম্বৰৰ দিনাখন ৬৭ বছৰ পূৰ্ণ কৰি প্ৰায় ছকুৰিখন পুথি প্ৰণয়ন কৰি এই সাহিত্যিক গৰাকীয়ে মৃত্যু বৰণ কৰে। জোনাকী-যুগৰ শেষ প্ৰতিভূ আমাৰ 'আত্য' বহাগী-কবি ৺ৰঘুনাথ চৌধাৰীদেৱেও নব্বৈ বছৰৰ দেওনাত ভৰি দি ষাঠী বছৰৰো অধিক কাল ভাষা-জননীৰ সেৱা কৰি ১৮ নবেম্বৰৰ দিনাখন চিৰকাললৈ চকু মুদিলে। এই শোকৰ ছাঁ নো-মাৰ যাওঁতেই ১৬ জানুৱাৰীৰ দিনাখন আমি হেৰুৱালোঁ আন এগৰাকী প্ৰথিতযশা প্ৰবীণ সাহিত্যিকক। তেখেতেই হ'ল অসম সাহিত্য সভাৰ চলিত বছৰৰ সভাপতি ৺নকুলচন্দ্ৰ ভূঞা দেৱ। চাহ বাগিচাৰ পৰিবেশত সমস্ত জীৱন কটায়ো ৺ভূঞা ডাঙৰীয়াই নিজকে একাধাৰে কবি, জীৱনী লিখক, নাট্যকাৰ, গাল্পিকৰূপে প্ৰতিষ্ঠা কৰিব পাৰিছে। আগন্তুক তেজপুৰ অধিৱেশনৰ আগমুহূৰ্তত তেখেতৰ পৰলোক গঁচাকৈয়ে আমাৰ কাৰণে এটা ৰুকণ ঘটনা।

অসম সাহিত্য সভাৰ লগত বিশেষভাৱে জড়িত থাকি নানাভাৱে নেতৃত্ব দিয়া ভাষা-জননীৰ এই তিনি গৰাকী সেৱকৰ বিয়োগত তেওঁলোকসকলৰ পুণ্য স্মৃতিত আমি ভক্তিভাৱে মূৰ দোঁৱাই অশ্রু তৰ্পণ কৰিছোঁ। পত্ৰিকাৰ পৰৱৰ্তী সংখ্যাটো 'স্মৃতি তৰ্পণ' সংখ্যাৰূপে ছপোৱাৰ দিহা কৰা হৈছে।

॥ ব্যক্তিগত একাষাৰ ॥

সাহিত্য সভাৰ পত্ৰিকা সম্পাদনাৰ কাম যে অতি কঠিন সেই কথা স্বীকাৰ নকৰি উপায় নাই। তদুপৰি অপ্ৰিয় হলেও এষাৰ কথা নকৈ নোৱাৰোঁ যে আমাৰ মাজত প্ৰবন্ধ লেখকৰ যথেষ্ট অভাৱ। উপযুক্ত প্ৰবন্ধ-পাতি গোটাবলৈ নানাভাৱে চেষ্টা কৰিও হতাশ হব লগীয়া হৈছোঁ। সময়মতে পত্ৰিকা প্ৰকাশ নোহোৱাৰ ইয়ো এটা খাই কাৰণ। এই কথা উল্লেখ কৰি ব্যক্তিগত ত্ৰুটি ঢাকিবলৈ চেষ্টা নকৰোঁ; নিজৰ দোষ-ত্ৰুটি স্বীকাৰ কৰিও ভাষা-জননীৰ সেৱক সকলৰ পৰা সহায়-সহযোগিতা কামনা কৰিহে এই কথা উল্লেখ কৰিছোঁ।

---

# ॥ অসম সাহিত্য সভাৰ প্ৰকাশন ॥

অপকী অসমীয়া বা অসমীয়া স্বয়ংশিক্ষক (হিন্দী)—ডঃ মুকুন্দ মাধৱ শৰ্মা। শ্ৰীপৰেশচন্দ্ৰ দেৱ শৰ্মা অনূদিত। ২·০০

অম্বিকাগিৰী ৰায়চৌধুৰী—শ্ৰীহৰিপ্ৰসাদ নেওগ সম্পাদিত। ৬·০০

অৰুণোদয়ৰ ধলফাট—ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা। ২·৫০

অলকানন্দা—পদ্মশ্ৰী নলিনীবালা দেৱী। ৪·০০

অশান্ত হিমালয় সীমান্ত আহ্বান। ০·৩০

অসমৰ জনজাতি—শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য সম্পাদিত। ১০·০০

অসমৰ জনজাতীয় সাধু—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী সম্পাদিত। ৬·০০

অসম সাহিত্য সভা পৰিচিতি। ১·০০

অসম সাহিত্য সভা বাৰ্ষিকী—(উত্তৰ লক্ষীমপুৰ)—শ্ৰীহৰিপ্ৰসাদ নেওগ সম্পাদিত। ৩·০০

অসম সাহিত্য সভা বাৰ্ষিকী—(গোৱালপাৰা)—ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ২·০০

অসম সাহিত্য সভা বাৰ্ষিকী—(ডিগবৈ)—শ্ৰীহৰিপ্ৰসাদ নেওগ সম্পাদিত। ৩·০০

অসম সাহিত্য সভা বাৰ্ষিকী—(নলবাৰী)—শ্ৰীহৰিপ্ৰসাদ নেওগ সম্পাদিত। ৩·০০

অসম সাহিত্য সভাৰ ভাষণাৱলী (প্ৰথম ভাগ)—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সম্পাদিত। ৮·০০

অসম সাহিত্য সভাৰ ভাষণাৱলী (দ্বিতীয় ভাগ)—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সম্পাদিত। ৮·০০

অসম সাহিত্য সভাৰ ভাষণাৱলী (তৃতীয় ভাগ)—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সম্পাদিত। ৭·০০

অসমীয়া খণ্ডবাক্য-কোষ (কেনুৰাম বৰুৱা)— ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ৯·০০

অসমীয়া ভাষা (আনন্দৰাম ঢেকিয়াল ফুকনৰ A few Remarks on the Assamese Language and on Vernacular Education in Assam পুথিৰ অনুবাদ)—ডঃ মহেশ্বৰ নেওগ অনূদিত আৰু সম্পাদিত। ০·৫০

অসমীয়া লোকগীত সংগ্ৰহ (শ্ৰীযোগেশচন্দ্ৰ তামুলী সংগৃহীত)— শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সম্পাদিত। ৬·০০

অসমীয়া সংস্কৃতি—শ্ৰীহৰিপ্ৰসাদ নেওগ আৰু শ্ৰীলীলা গগৈ সম্পাদিত। ১২·০

আনন্দৰাম ঢেকিয়াল ফুকন—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সম্পাদিত। ০·৩৬

উদয়াচলৰ সাধু—শ্ৰীনুমল দাই। ২·০০

কবি চৌধাৰী আৰু চৌধাৰীদেৱৰ কবিতা—শ্ৰীকমলেশ্বৰ শৰ্মা। ২·০০

কৰ্পূৰ মঞ্জৰী—(কবিৰাজ ৰাজশেখৰ)—শ্ৰীমুকুন্দ মাধৱ শৰ্মা অনূদিত। ২·০০

কামিনীকান্তৰ চৰিত্ৰ (এ কে·গাৰ্নী)—ডঃ প্ৰফুল্লদত্ত গোস্বামী সম্পাদিত। ২·০০

গল্প মালিকা (দেৱেশ্বৰ শৰ্মা)—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সংগৃহীত। ২·০০

চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা—শ্ৰীগণী শৰ্মা সম্পাদিত। ৬·০০

চাহ বাগিচাৰ বগুৱা—শ্ৰীনকুলচন্দ্ৰ ভূঞা। ১·২৫

জ্ঞিবেশ্বৰ নেওগ—শ্ৰীহৰিপ্ৰসাদ নেওগ সম্পাদিত। ৪·০০

জয়মতী আৰু মূলা গাভৰু—শ্ৰীলীলা গগৈ অনূদিত। ০·৬০

তত্ত্ব-কথা (লক্ষ্মীনাথ বেজবৰুৱা)—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সম্পাদিত। ৪·০০

# ॥ অসম সাহিত্য সভাৰ প্ৰকাশন ॥

নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্প—শ্ৰীহেমন্ত কুমাৰ শৰ্মা। ৪·০০

নীলকণ্ঠ দাসৰ শ্ৰীশ্ৰীদামোদৰ চৰিত্ৰ—শ্ৰীশৰৎচন্দ্ৰ গোস্বামী সম্পাদিত। ০·৮৭

নীলাচল পাঠ—( আও নগা ভাষা শিকা পুথি )—শ্ৰীমহেন্দ্ৰনাথ সভাপণ্ডিত। ১·০০

পবিত্ৰ অসম—মঠ-মন্দিৰ, তীৰ্থ-পীঠ, সত্ৰ-থান, দৰগাহ, গীৰ্জা আদিৰ বিৱৰণ—ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ১১·০০

বলোৰাম দ্বিজৰ শ্ৰীশ্ৰীব্ৰহ্মবৈবৰ্ত্ত পুৰাণ—শ্ৰীদেবেশ্বৰ চলিহা সম্পাদিত। ১·০০

বিশ্বনাথ ৰাজবংশী—শ্ৰীহৰিপ্ৰসাদ নেওগ। ১·০০

বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা—ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত। ০·৩৬

ভাগৱত মিশ্ৰৰ সাত্বত তন্ত্ৰ—শ্ৰীশৰৎচন্দ্ৰ গোস্বামী সম্পাদিত। ০·৬০

মিকিৰ জনজাতি—শ্ৰীলংকাম টেৰণ। ১·০০

মুদ্ৰা ৰাক্ষস—( কবি বিশাখ দত্ত )—শ্ৰীবনমালীকান্ত দেৱ শৰ্মা অনূদিত। ৩·০০

মোৰ জীৱন সোঁৱৰণ ( লক্ষ্মীনাথ বেজবৰুৱা )—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সংগৃহীত আৰু ডঃ মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত।

ৰজনী বৰদলৈ ৰচনামালা—শ্ৰীহেমন্ত কুমাৰ শৰ্মা সম্পাদিত। ৮·০০

ৰত্নকান্ত বৰকাকতী—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী সম্পাদিত। ১·২৫

ৰণ বাদ্যৰ—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা। ০·৭৫

ৰণ-নিনাদ। ০·২০

ৰমাকান্ত দ্বিজৰ শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰ—শ্ৰীশৰৎচন্দ্ৰ গোস্বামী সম্পাদিত। ০·৭৫

ৰাধাকান্ত সন্দিকৈ—শ্ৰীহৰিপ্ৰসাদ নেওগ। ০·৭৫

ৰাধাকান্ত সন্দিকৈ ভাণ্ডৰীয়া—শ্ৰীনকুলচন্দ্ৰ ভূঞা। ৩·০০

ৰূপকত্ৰয়ম্-( সংস্কৃত: কবিচন্দ্ৰ, গৌৰীকান্ত আৰু দীনদ্বিজ প্ৰণীত )—ডঃ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত। ৪·০০

সাহিত্য দৰ্পণ—( বিশ্বনাথ কবিৰাজ )—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী অনূদিত। ১২·০০

সাহিত্য সমীক্ষা—ডঃ মহেশ্বৰ নেওগ আৰু শ্ৰীহেমন্তকুমাৰ শৰ্মা সম্পাদিত। ৬·০০

সীমান্তৰ সন্দেশ—শ্ৰীপৰাগধৰ চলিহা সম্পাদিত। ২·০০

সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি—ডঃ মহেশ্বৰ নেওগ। ২·০০

সেউজী পাতৰ মাজে মাজে—শ্ৰীনগেন শইকীয়া সম্পাদিত। ১·০০

হৰিবৰ বিপ্ৰৰ লৱ-কুশৰ যুদ্ধ—ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ২·০০

Antangari Asamiya ko Skiari ( গাৰো অসমীয়া )—শ্ৰীহৰেন্দ্ৰ উইলিয়ম মাৰাক। ২·০০

Assam's Language Question: A Symposium (কেইবাজনো প্ৰথিতযশা লেখকৰ আলোচনা), ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ১·০০

Assamese for All or, Assamese Self Tanght—শ্ৰীমুকুন্দ মাধৱ শৰ্মা। ২·০০

Asamiya La Baroh ( খাচী অসমীয়া )—Miss D. Franklin. 2·00

The Outlook on NEFA—শ্ৰীপৰাগধৰ চলিহা সম্পাদিত। ২·০০

This is Assam—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী আৰু শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য সম্পাদিত। ২·০০

পোৱাৰ ঠাই: প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট।
সৰহীয়াকৈ নিওঁতাক কমিছনৰ ব্যৱস্থা কৰা হৈছে। এজেন্সিৰ নিয়মাৱলীৰ বাবে লিখক।

মূল্য: প্ৰতি সংখ্যা ২·০০ টকা

---

অসম সাহিত্য সভাৰ এই পত্ৰিকা সম্পাদক শ্ৰীসত্যেন্দ্ৰনাৰায়ণ গোস্বামীৰদ্বাৰা সম্পাদিত, গুৱাহাটী প্ৰেছত মুদ্ৰিত আৰু অসম সাহিত্য সভাৰ প্ৰধান কাৰ্য্যালয়, যোৰহাটৰপৰা প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগৰদ্বাৰা প্ৰকাশিত।